● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

৭ চীনত পুনৰ কৰ'নাৰ ব্যাপক সংক্ৰমণ
১৩ আজিৰ পৰা টি-২০ বিশ্বকাপৰ মূল খেল
৪ গণতন্ত্ৰত অৰাজকতা কাৰ স্বাৰ্থত?

দিগ্‌দৰ্শন

*কিবা এটা নতুন কৰাৰ যদি সাহসেই নাই তেন্তে সেয়া আৰু কি জীৱন হ'ল?*

ভিনচেণ্ট ভেন গখ
*ডাচ্চ চিত্ৰকৰ*



RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১৬ তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ৫ কাতি ১৪২৮ ভাস্কৰাব্দ ২৩ অক্টোবৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 23 October 2021 মূল্য ঃ ৭.০০ টকা

## ■ ৰাজ্যপাল সত্যপাল মালিকৰ বিস্ফোৰণ ■ প্ৰধানমন্ত্ৰীৰ নাম লৈ মোদী-শ্বাহৰ আশিসপুষ্ট আম্বানীৰ টোপ ■ চৰকাৰবিৰোধী কৃষক আন্দোলনলৈ সমৰ্থন অব্যাহত ৰখাৰ অংগীকাৰ

# দুটা ফাইলৰ বাবে তিনিশ কোটিৰ উৎকোচ



*ইন্ধনসহ সকলো অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত আছুৰ সমদল, যোৰহাটত শুকুৰবাৰে।*

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২৩ অক্টোবৰ ঃ** মেঘালয়ৰ ৰাজ্যপাল তথা বিজেপিৰ জ্যেষ্ঠ নেতা সত্যপাল মালিকে নিজ চৰকাৰৰ বিৰুদ্ধেই অভিযোগৰ দুৱাৰ খুলি দিলে। কেন্দ্ৰীয় চৰকাৰৰ বিৰোধী স্থিতি গ্ৰহণ কৰি ইতিমধ্যে কৃষক আন্দোলনৰ সমৰ্থন কৰি অহা মালিকে প্ৰয়োজন হ'লে পদ এৰি দিবলৈ সাজু আছে বুলিও ঘোষণা কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ বিতৰ্কিত কৃষি আইনৰ বিৰুদ্ধে কৃষকৰ প্ৰতিবাদ অব্যাহত



থাকিলে তেওঁ এই আন্দোলনৰ স'তে থিয় দিব বুলি স্পষ্ট কৰিছে। মেঘালয়ৰ পূৰ্বে জম্মু-কাশ্মীৰৰ ৰাজ্যপালৰূপে কাৰ্যনিৰ্বাহ কৰা মালিকে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অমিত শ্বাহৰ আশীৰ্বাদপুষ্টৰূপে পৰিচিত উদ্যোগপতি আম্বানীৰ বিৰুদ্ধেও উৎকোচৰ প্ৰলোভনৰ গুৰুতৰ অভিযোগ উত্থাপন কৰাক লৈ বিজেপিৰ ভিতৰ চ'ৰাত চাঞ্চল্যৰ সৃষ্টি হৈছে। তেওঁ দাবী কৰে যে ৰিলায়েন্স গোষ্ঠীৰ অধ্যক্ষ অনিল আম্বানী ১০ পৃষ্ঠাত চাওক

## ডিব্ৰুগড়ত কোটি টকাৰ হেৰ'ইনসহ গ্ৰেপ্তাৰ তিনি জোৱান

দুখন বাহন-সেনাৰ পোছাক-নগদ ধন জব্দ

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২২ অক্টোবৰ ঃ** ডিব্ৰুগড়ত প্ৰায় এক কোটি টকাৰ মূল্যৰ হেৰ'ইনসহ অসম ৰাইফলছৰ জোৱান গ্ৰেপ্তাৰ হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। ৰাজ্যজুৰি ড্ৰাগছ বিৰোধী অভিযান তীব্ৰতৰ হৈ থকাৰ সময়তে দেশৰ সুৰক্ষাত ব্ৰতী জোৱানেই ড্ৰাগছ ব্যৱসায়ত জড়িত হোৱা ঘটনাই সৰ্বত্ৰে সৃষ্টি কৰিছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। ডিব্ৰুগড় ১০ পৃষ্ঠাত চাওক

## বাংলাদেশত সংখ্যালঘু হিন্দু নিৰ্যাতনৰ বিৰুদ্ধে জনমত গঠন কৰক

অসম চিভিল ছ'চাইটিৰ আহ্বান

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ অক্টোবৰ ঃ** যোৱা দুৰ্গা পূজাৰ সময়ত চুবুৰীয়া বাংলাদেশৰ কুমিল্লা জিলাৰ এখন পূজাস্থলীত ষড়যন্ত্ৰমূলকভাৱে পৱিত্ৰ কোৰান গ্ৰন্থ ৰখাক লৈ ধৰ্মীয় সংখ্যালঘু হিন্দু আঠ পৃষ্ঠাত চাওক

বৰাকত অসমীয়া ভাষীক দ্বিতীয় শ্ৰেণীৰ নাগৰিক যেন অনুভৱ হয়

পৃথক ৰাজ্যৰ মৰ্যাদা দিয়াৰ ব্যৱস্থাৰেহে সংঘাতৰ ওৰ পেলোৱা সম্ভৱ

## বৰাক উপত্যকাক অসমৰ পৰা পৃথক কৰিবলৈ দাবী নগেন শইকীয়াৰ

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২২ অক্টোবৰ ঃ** 'বৰাক উপত্যকাক এখন পৃথক ৰাজ্য কৰি দিয়া উচিত। আমি সদায় বিপদসংকুল মনোভাব লৈ জীয়াই থাকিব নোৱাৰো। সেয়েহে বৰাকক ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰা পৃথক কৰি দিয়া উচিত।' এই ভাষ্য বিশিষ্ট



সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ ড° নগেন শইকীয়াৰ। অসমক দ্বিখণ্ডিত কৰাৰ দাবী জনাই আজি ইয়াৰ নিজ বাসগৃহ 'বৰ্ণমালা'ত এখন সংবাদমেল আহ্বান কৰি শেহতীয়াভাৱে বৰাক উপত্যকাত অসমীয়া ভাষাক লৈ সংঘটিত ১০ পৃষ্ঠাত চাওক

■ মৰিয়নিত উপ-নিৰ্বাচনৰ প্ৰচাৰ সভাত মুখ্যমন্ত্ৰী ড° শৰ্মা ঃ অখিল গগৈক তীব্ৰ কটাক্ষ

## ৪০ বাগিচালৈ এক কোটিকৈ অনুদান ঘোষণা

### কংগ্ৰেছে মাজে মাজে অক্সিজেন লৈহে জীয়াই আছে

**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ২২ অক্টোবৰ ঃ** 'অসমত এতিয়া বিজেপিৰ বাদে কোনো দলেই নাই। বিজেপিক প্ৰত্যাহ্বান জনাবলৈ কোনো দল নাই। কংগ্ৰেছৰ অৱস্থা কেতিয়াবাই শোচনীয় হ'ল আৰু এতিয়া মাজে মাজে অক্সিজেন লৈহে জীয়াই আছে।' এই ভাষ্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। আজি মৰিয়নি বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বিজেপি প্ৰাৰ্থী ৰূপজ্যোতি কুৰ্মীৰ হৈ চাৰিখনকৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি তেওঁ এইদৰে কয়। সমষ্টিটোত হাতীগড় চাহ বাগিচা খেলপথাৰ, নাগাজাংকা ফুটবল খেলপথাৰ, দিহিঙীয়াপাৰ চাহ বাগিচা আৰু তিৰুৱাল প্ৰাথমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত নিৰ্বাচনী প্ৰচাৰ সভাত মুখ্যমন্ত্ৰীয়ে বিৰোধী দলসমূহক কঠোৰ সমালোচনা কৰে। দলীয় প্ৰাৰ্থী ৰূপজ্যোতি কুৰ্মীৰ ১০ পৃষ্ঠাত চাওক



মহানগৰীত নৃশংস হত্যাকাণ্ড ■ মূৰত লোৰ মাৰিৰে হত্যাৰ স্বীকাৰোক্তি ভাড়াতীয়া মহিলাৰ

## পাকঘৰৰ আলমাৰিত মহিলাৰ মৃতদেহ

■ হত্যাত ব্যৱহৃত লোৰ মাৰি-ম'বাইল উদ্ধাৰ ঃ স্বামী-মৃতদেহ উদ্ধাৰ হোৱা ভাড়াতীয়া দম্পতীক জেৰা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ অক্টোবৰ ঃ** ৰাজধানী মহানগৰীত পুনৰ সংঘটিত হ'ল এক জঘন্য হত্যাকাণ্ড। গড়চুক আৰক্ষী থানাৰ অন্তৰ্গত পশ্চিম বৰাগাঁৱত নিজৰ গৃহৰ গাতে লাগি থকা ভাড়াঘৰৰ পাকঘৰৰ আলমাৰিত এটা বস্তাত ভৰাই থোৱা অৱস্থাত এগৰাকী মহিলাৰ ক্ষত-বিক্ষত মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই আজি চাঞ্চল্যৰ সৃষ্টি কৰে। মৃত মহিলাগৰাকী পশ্চিম বৰাগাঁৱৰ চন্দন গগৈ পথৰ গৃহ নম্বৰ ৬৭ৰ সন্তোষ গুপ্তাৰ পত্নী আণ্টিমা গুপ্তা (৪৩)। আৰক্ষীয়ে এই ঘটনাৰ সংক্ৰান্তত গুপ্তাৰ ভাড়াতীয়াৰূপে থকা দেৱযানী দাস নামৰ এগৰাকী মহিলাক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। উল্লেখ্য যে ভাড়াতীয়া ধৃত দেৱযানীৰ পাকঘৰৰ গেছৰ টেবুলৰ আলমাৰিৰ পৰা যোৱা নিশা আৰক্ষীয়ে আণ্টিমাৰ ক্ষত-বিক্ষত মৃতদেহটো পলিথিনেৰে মেৰিয়াই বস্তাত বান্ধি থোৱা অৱস্থাত উদ্ধাৰ কৰিছিল। পাছত ঘটনাৰ অন্যৰূপ দিয়াৰ লক্ষ্যৰে ধৃত দেৱযানীয়ে আঠ পৃষ্ঠাত চাওক



*আণ্টিমা*



*দেৱযানী*

## নাজিৰাত বিনা চিকিৎসাই মৃত্যু সাবটিলে দুবছৰীয়া শিশুৱে

ধৰ্মঘটৰ বাবে চিকিৎসা সেৱা আগনবঢ়োৱাৰ অভিযোগ পৰিয়ালৰ

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**শিৱসাগৰ/নাজিৰা, ২২ অক্টোবৰ ঃ** বিভিন্ন দাবীৰ সমৰ্থনত ৰাজ্যজুৰি চিকিৎসকসকলে ধৰ্মঘট কাৰ্যসূচীৰে অব্যাহত ৰখাৰ মাজতে শিৱসাগৰ জিলাৰ নাজিৰাত এটি দুবছৰীয়া শিশুৱে প্ৰাণ হেৰুওৱাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আজি পুৱাৰ ভাগত ১০ পৃষ্ঠাত চাওক

গল্ড বণ্ড ঃ ঘোষণা কেন্দ্ৰীয় বিত্ত মন্ত্ৰণালয়ৰ

## সোণৰ বিনিয়োগত দুৱাৰ মুকলি কৰি পাঁচদিনীয়াকৈ বিক্ৰী হ'ব স্বৰ্ণ ঋণ পত্ৰ



■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২২ অক্টোবৰ ঃ** সোণত বিনিয়োগৰ বৃহৎ সুযোগ মুকলি কৰি আগন্তুক দীপাৱলীৰ পূৰ্বে ২৫ অক্টোবৰৰ পৰা বিক্ৰী হ'ব স্বৰ্ণ ঋণ পত্ৰ। কেন্দ্ৰীয় বিত্ত মন্ত্ৰণালয়ৰ বিবৃতিত প্ৰকাশ যে ২৫ৰ পৰা ২৯ অক্টোবৰৰ ভিতৰত এই ঋণ পত্ৰ বিক্ৰী কৰা হ'ব। ১০ পৃষ্ঠাত চাওক

## ত্ৰিপুৰাত তৃণমূল সাংসদ সুস্মিতাৰ গাড়ী লণ্ডভণ্ড, কাঢ়ি নিলে ম'বাইল

বিজেপিক দোষাৰোপ

■ **নিউজ ব্যুৰ'**
**কলকাতা, ২৩ অক্টোবৰ ঃ** ত্ৰিপুৰাত প্ৰকাশ্য সংঘাতত লিপ্ত হৈছে বিজেপি আৰু তৃণমূল কংগ্ৰেছ। তৃণমূলত নতুনকৈ যোগদান কৰি ৰাজ্যসভাৰ সাংসদ পদ লাভ কৰা প্ৰাক্তন কংগ্ৰেছ সাংসদ সুস্মিতা দেৱৰ গাড়ী ১০ পৃষ্ঠাত চাওক

## ফেব্ৰুৱাৰীত পুনৰ অনুষ্ঠিত হ'ব গুণোৎসৱ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ অক্টোবৰ ঃ** শিক্ষানুষ্ঠানৰ গুণগত মান নিৰূপণ কৰিবলৈ ২০১৭ত প্ৰথমবাৰলৈ ৰাজ্যত অনুষ্ঠিত হোৱা গুণোৎসৱ পুনৰ অনুষ্ঠিত কৰিবলৈ সাজু হৈছে শিক্ষা বিভাগ। এই সন্দৰ্ভত সৰ্বশিক্ষা অভিযান মিছনে কালি প্ৰতিখন জিলাৰ আঠ পৃষ্ঠাত চাওক

অসম এৰি পলায়ন জুৱাৰীৰ ■ শিলিগুৰিত কে'বাজনৰো আত্মগোপন

## কোটি কোটি টকাৰ আইপিএল জুৱা মহানগৰীৰ হোটেলৰ পৰাই পৰিচালনা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ অক্টোবৰ ঃ** অসমৰ পৰা আই পি এল জুৱা পৰিচালনা কৰি কে'বা কোটি টকা সংগ্ৰহ কৰা জুৱাৰী চক্ৰৰ কে'বাজনেও আত্মৰক্ষাৰ বাবে সম্প্ৰতি বহিঃৰাজ্যত আত্মগোপন কৰিছে। এই জুৱাৰ অন্যতম কাণ্ডাৰী অজয় আগৰৱালাই গৃহৰাজ্য ৰাজস্থানত আত্মগোপনৰ সন্দেহ লাভ কৰিছে মহানগৰ আৰক্ষীৰ অপৰাধ শাখাই। একেদৰে পশ্চিমবংগত আত্মগোপনৰ তথ্য লাভ কৰিছে জিতু, হেপ্পী আদিকে ধৰি আন কে'বাজনো জুৱাৰীৰ। আটাইকেইজন ১০ পৃষ্ঠাত চাওক

আন্তঃৰাজ্যিক সীমান্তত শক্তিশালী আন্তঃগাঁথনি গঢ়িছে আন ৰাজ্যই

## চুবুৰীয়া ৰাজ্যৰে সীমা সমস্যা মীমাংসাৰ বাবে গঠিত টাস্ক ফ'ৰ্চৰ অগ্ৰগতি শূন্য

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ অক্টোবৰ ঃ** চুবুৰীয়া ৰাজ্যৰ লগত অসমৰ উমি উমি জ্বলি থকা সীমা সমস্যা সমাধানৰ ক্ষেত্ৰত জটিলতা অধিক গুৰুতৰ হৈছে। এইক্ষেত্ৰত অসম চৰকাৰৰ ব্যৰ্থতা শেহতীয়া গতি বিধিত স্পষ্ট হৈছে। ফলস্বৰূপে মেঘালয়ৰ লগত বিবাদ মীমাংসাৰ যি উদ্যোগ অসম চৰকাৰে গ্ৰহণ কৰিছিল সেয়াও ফলপ্ৰসূ হোৱাত জটিলতা আহি পৰিছে। মেঘালয়ৰ লগত সহজে বিবাদ মীমাংসা কৰাৰ প্ৰত্যাশাৰে ছটা স্থান বাছনি কৰা হৈছিল। দুয়োখন ৰাজ্যৰ চৰকাৰৰ প্ৰতিনিধিয়ে মিলি জটিলতা চলি থকা স্থানতে সমস্যা সমাধান কৰি এমাহৰ ভিতৰত প্ৰতিবেদন আকাৰে বিষয়টো ৰাজহুৱা কৰিব বুলিও যোৱা আগষ্টত ঘোষণা কৰা হৈছিল; কিন্তু আঢ়ৈ মাহ উকলি ১০ পৃষ্ঠাত চাওক

**সীমান্তৰ বিবাদ মীমাংসাত অসমৰ দুৰ্বলতাৰ স্পষ্ট ৰূপ**

১৪দিনৰ বাবে ন্যায়িক জিম্মাত জেললৈ প্ৰেৰণ

## উৎকোচ লৈ গ্ৰেপ্তাৰ হ'ল ৰঙিয়াৰ লোকনিৰ্মাণৰ এছডিঅ'



**অগ্ৰদূত বাৰ্তা**
**ৰঙিয়া, ২২ অক্টোবৰ ঃ** অৱশেষত আৰক্ষীৰ জালত পৰিল পেট্ৰ'ল ডিপোৰ বাবে প্ৰয়োজনীয় আপত্তিবিহীন প্ৰমাণপত্ৰ প্ৰদানৰ নামত উৎকোচ লোৱাৰ অভিযোগত ১০ পৃষ্ঠাত চাওক

■ ধীৰেণপাৰাৰ ডকাইতিৰ মূল অভিযুক্ত দুই এনডিএফবিক গ্ৰেপ্তাৰ

শৰণীয়াই গুলীয়াইছিল লিটনক ■ উদ্ধাৰ হোৱাৰ নাই ব্যৱহৃত পিষ্টল

## চোৰাং সোণৰ ব্যৱসায়ৰ লেনদেনক লৈ সংঘটিত হৈছিল ডকাইতিৰ ঘটনা

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/শালবাৰী, ২২ অক্টোবৰ ঃ** যোৱা পাঁচ অক্টোবৰত গুৱাহাটী মহানগৰীৰ ধীৰেনপাৰাত এজন ব্যৱসায়ীৰ পৰিয়ালক বন্দী কৰি সংঘটিত কৰা ডকাইতিৰ ঘটনা দুয়োপক্ষৰ মাজত থকা ধনৰ লেনদেনৰ বাবেই সমগ্ৰ ঘটনা সংঘটিত হৈছিল বুলি সদৰী কৰিছে আৰক্ষীয়ে। ঘটনাৰ সংক্ৰান্তত ফটাশিল



আমবাৰী থানাত ভাৰতীয় দণ্ড বিধিৰ ৪৪৮/২৯৪/৩৪২/৩৫৪/৩৯৭/৩২৬/৩০৭/৩৪, মাৰণাস্ত্ৰ আইনৰ আৰ ডব্লিউ চেকচন ২৫(১) (এ)/২৭ ধাৰাত ৰুজু হোৱা ৭০৩/২০২১ নম্বৰৰ গোচৰত পূৰ্বতে চাৰিজনকৈ লোক গ্ৰেপ্তাৰ হোৱাৰ পাছত কালি ঘটনাৰ স'তে জড়িত দুজনকৈ মুল অভিযুক্তক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। তাৰ পাছতে ১০ পৃষ্ঠাত চাওক

| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
| --- | --- | --- |
| গুৱাহাটী | ৩১° | ১৯° |
| ডিব্ৰুগড় | ৩০° | ২১° |
| দিল্লী | ৩০° | ১৭° |
| কলকাতা | ৩৪° | ২৪ |
| মুম্বাই | ৩৪° | ২৬° |
| চেন্নাই | ৩৫° | ২৬° |
| বাংগালুৰু | ২৭° | ২০° |
| শ্বিলং | ২৩° | ১০° |

*২২ অক্টোবৰ, ২০২১*

চেঙা তেল



*আজিয়েই নহয়, আমি কে'বা পুৰুষ ধৰি সামাজিক দূৰত্ব বজাই ৰাখিছো!*

স্বাধীনতাৰ যুঁজ-বৰভূঁইকঁপ-চীনা যুদ্ধৰ স্মৃতিৰে বিজড়িত ■ স্থাপন কৰিছিল বহু বিদ্যালয়

## ১০৫ বছৰত ৰজনীকান্ত ভূঞাৰ অনুভৱ



শিক্ষা-সংস্কৃতি-সমাজৰ উন্নয়নৰে জড়িত ■ নিচাই সমাজখনলৈ বিপদ আনিছে

■ **অৰূপ কলিতা**
**তেজপুৰ, ২২ অক্টোবৰ ঃ** দেশৰ পৰাধীনতা, ইংৰাজ শাসনকালৰ সময়, স্বাধীনতা আন্দোলন, বৰ ভুঁইকঁপৰ ভয়াৱহতা, চীনা যুদ্ধৰ বিভীষিকাময় পৰিস্থিতিৰ দুৰ্বিষহ অভিজ্ঞতা, বহুকেইজন স্বনামধন্য ব্যক্তিক স্বচক্ষে দেখাৰ সৌভাগ্যই তেওঁৰ শতকীয় বৰ্ষ সমৃদ্ধ জীৱনটোক প্ৰদান কৰিছে অনন্য মাত্ৰা। বালিপৰাৰ মূল কেন্দ্ৰস্থলত যেতিয়া মাত্ৰ তিনিটা পৰিয়ালে বাস কৰিছিল, তেতিয়াই এইজন লোকে হাবি-জংঘলৰে আগুৰা আৰু বাট-পথহীন অঞ্চলত স্থাপন কৰি গৈছিল ইখনৰ পাছত সিখন বিদ্যালয়। শোণিতপুৰৰ বালিপৰাৰ নিকটৱৰ্তী চপালগা নামৰ বন গাঁওখনত বাস কৰা ১০৫ বছৰীয়া অৱসৰপ্ৰাপ্ত শিক্ষক ৰজনীকান্ত ভূঞাই তেওঁৰ সুদীৰ্ঘ জীৱনটোত বহু অভিজ্ঞতা সঞ্চিত কৰিবলৈ সক্ষম হৈছে। বালিপৰাৰ উদমাৰী গাঁৱত ১৯১৬ত জন্মগ্ৰহণ কৰা এইজন ব্যক্তিৰ চকুৰ দৃষ্টি বৰ্তমানে সামান্য দুৰ্বল হ'লেও সহজেই বাতৰি কাকত পঢ়িব পাৰে। ১০ পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৩ অক্টোবৰ, ২০২১ শনিবাৰ পৃষ্ঠা তিনি

## এআইইউডিএফে ভৱানীপুৰত ২০ হেজাৰ অমুছলিম ভোট লাভ কৰিব

**মুখ্যমন্ত্ৰীয়ে ৰাইজক আবেগিক কথাৰে বশ কৰিব খোজে**

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২২ অক্টোবৰ ঃ** ক্ৰমে নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ হৈ পৰিছে ভৱানীপুৰত। বিধানসভা সমষ্টিটোৰ উপ-নিৰ্বাচনৰ দিন যিমানে চমু চাপি আহিছে সিমানে প্ৰতিদ্বন্দ্বী দলীয় প্ৰাৰ্থীৰ লগতে ৰাজনৈতিক দলসমূহৰ মাজত বৃদ্ধি পাইছে তৎপৰতা। কালি সন্ধিয়া ছয় পৃষ্ঠাত চাওক

## চটাইবাৰী গাঁও পঞ্চায়তত চতুৰ্দশ বিত্তীয় আয়োগৰ আঁচনি ৰূপায়ণত লুণ্ঠন



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২২ অক্টোবৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত ১৯ নম্বৰ চটাইবাৰী গাঁও পঞ্চায়তত চতুৰ্দশ বিত্তীয় আয়োগৰ ধনৰে ৰূপায়ণ কৰা আঁচনিসমূহত ব্যাপক দুৰ্নীতি সংঘটিত কৰি লুণ্ঠন চলোৱা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। পঞ্চায়তখনৰ সভাপতি আৰু সচিবে ৰাইজক অন্ধকাৰত ৰাখি অনাবশ্যকভাৱে লুণ্ঠনৰ অভিপ্ৰায়ৰে ৰাইজে বিচৰা স্থানত আঁচনি ৰূপায়ণ নকৰা বুলি অভিযোগ উঠিছে। ফলত সমাগত বাৰিষাত একাংশ কৃষকে ভীষণ সমস্যাৰ সন্মুখীন হোৱাৰ আশংকা ঘণীভূত হৈছে। উল্লেখ্য যে পঞ্চায়তৰ অন্তৰ্গত ভেলামাৰী গাঁৱত ২০১৯-২০ বিত্তীয় বৰ্ষৰ অধীনত চতুৰ্দশ বিত্তীয় আয়োগৰ যোগেদি কনক পণ্ডিতৰ ভূমিত প্ৰতিৰোধৰূপে এটা পকী কালভাৰ্ট নিৰ্মাণ কৰা হৈছে। তিনি লাখ টকা ব্যয় সাপেক্ষ কালভাৰ্টটো নিৰ্মাণ কৰা বুলি দেখুওৱা হৈছে যদিও ইয়াৰ দ্বাৰা স্থানীয় ৰাইজ উপকৃত নহয় বুলি অভিযোগ উঠিছে। প্ৰকৃততে এই কালভাৰ্টটো নিৰ্মাণ কৰা বুলি দেখুওৱা হৈছে যদিও ছয় পৃষ্ঠাত চাওক

■ বুৰঞ্জী প্ৰসিদ্ধ ধোদৰ আলিলৈ আনিছে ভাবুকি ■ শ-শ বিঘা কৃষিভূমি জাহ গ'ল নদীৰ বুকুত

# খুমটাইত ধনশিৰি নদীৰ ভয়াৱহ খহনীয়া



**খুমটাই, ২২ অক্টোবৰ ঃ** গোলাঘাট জিলাৰ খুমটাই মৌজাৰ অন্তৰ্গত দুই নং বুটুলিখোৱা গাঁওখনলৈ ধনশিৰি নদীৰ ভয়াবহ খহনীয়াই তীব্ৰ ভাবুকি কঢ়িয়াই আনিছে। ধনশিৰি নদীৰ প্ৰৱল খহনীয়াৰ ফলত গাঁওখনৰ কে'বাটাও পৰিয়াল ইতিমধ্যেই স্থানান্তৰ হ'ব লগা পৰিস্থিতিৰ সৃষ্টি হৈছে। ইতিমধ্যেই গাঁওখনৰ অকন গগৈ, বিপুল গগৈ, লুহিত শইকীয়া, দেবেন শইকীয়া, ৰাজেন শইকীয়াকে আদি কৰি বহু লোকৰ তামোল, কল, বাঁহৰ বাৰী সম্পূৰ্ণৰূপে জাহ যোৱাৰ লগতে অকন গগৈ আৰু বিপুল গগৈৰ বাসগৃহ দুটা নদীত জাহ যোৱাৰ উপক্ৰম হৈছে। উল্লেখ্য যে কৃষিপ্ৰধান অঞ্চলটোত বিগত প্ৰায় ১২ বছৰ ধৰি খহনীয়া সমস্যাৰ সন্মুখীন হৈ আছে যদিও ৰাজ্যৰ বিয়াগোম জলসম্পদ বিভাগটোৰ গুৰুত্বহীনতাৰ, বিভিন্ন সংবাদ মাধ্যমৰ যোগেদি ধাৰাবাহিকভাৱে বাতৰি সম্প্ৰচাৰ আৰু খুমটাই ৰাজহ চক্ৰৰ কাৰ্যালয়ৰ যোগেদি স্থানীয় কৃষিজীৱী ৰাইজে আবেদন-নিবেদন কৰিও আজিকোপতি একো সুফল ছয় পৃষ্ঠাত চাওক

## নগাঁৱৰ সত্ৰীয়া সংস্কৃতিৰ সাধক ৰেৱত চন্দ্ৰ মহন্তৰ মৃত্যু

বিশেষ সংবাদদাতা

**নগাঁও, ২২ অক্টোবৰ ঃ** নগাঁও চহৰৰ মিলনপুৰ নিবাসী সত্ৰীয়া সংস্কৃতিৰ সাধক, অসম সাহিত্য সভাৰ আজীৱন সদস্য তথা আদিদৌকাচাপৰি সত্ৰৰ ৰেৱত চন্দ্ৰ মহন্ত (৭৯)ৰ কালি নিজ বাসগৃহত মৃত্যু হয়। নগাঁৱৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ স'তে জড়িত মহন্তই নগাঁও আইন মহাবিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰাৰ লগতে প্ৰতিষ্ঠাপক সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। মহন্তই অসমীয়া সাহিত্য, নাট্যকাৰ, কবি আৰু সত্ৰীয়া সংস্কৃতিৰ স'তে জড়িত আছিল। সত্ৰীয়া সংস্কৃতিৰ সাধক ৰেৱত চন্দ্ৰ মহন্তৰ মৃত্যুৰ বাতৰি বিয়পি পৰাত সমগ্ৰ চহৰখনত শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ছয় পৃষ্ঠাত চাওক

■ মহাবিদ্যালয়ৰ ৰাজহুৱা ভূমিখণ্ড ব্যক্তিগত বিদ্যালয়ক নিদিবলৈ জিলা উপযুক্তক চাৰিটা দল-সংগঠনৰ দাবী

## মৰিগাঁৱত মহাবিদ্যালয়ৰ ভূমি ব্যক্তিগত বিদ্যালয়ৰ নামত হস্তান্তৰকৰণৰ ষড়যন্ত্ৰ



অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২২ অক্টোবৰ ঃ** মৰিগাঁও জিলাৰ জালুগুটি আঞ্চলিক মহাবিদ্যালয়ৰ দখলত থকা চৰকাৰী ভূমি স্থানীয় এখন ব্যক্তিগত বিদ্যালয়লৈ হস্তান্তৰকৰণৰ প্ৰক্ৰিয়াৰ বিৰুদ্ধে সৰব হৈছে বৃহত্তৰ জালুগুটি অঞ্চলৰ ৰাইজ। জালুগুটি আঞ্চলিক মহাবিদ্যালয়ৰ সংৰক্ষিত ভূমি খণ্ড জালুগুটি নবোদয় জাতীয় বিদ্যালয়ৰ নামত মৰিগাঁও জিলা প্ৰশাসনৰ ভূমি উপদেষ্টা পৰিষদৰ ছয় পৃষ্ঠাত চাওক

## বঙাইগাঁৱত ড্ৰাগছ সৰবৰাহকাৰী গ্ৰেপ্তাৰ

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২২ অক্টোবৰ ঃ** আজি আবেলি বঙাইগাঁৱৰ নিকটৱৰ্তী কিষাণ বজাৰত আৰক্ষীয়ে আলতাফ আলী নামৰ লোক এজনক ১২ গ্ৰাম হেৰ'ইনসহ গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে আলতাফে ব্যৱহাৰ কৰা এ এছ-১৯ এল-৩১৯৫ নম্বৰৰ এখন মটৰ চাইকেল জব্দ কৰে। আৰক্ষীয়ে উল্লেখ কৰা মতে কোনোবা লোকক ড্ৰাগছ দিবলৈ আহিছিল।

## হাজোৰ আধিয়াৰপাৰাত পথ দুৰ্ঘটনা ঃ নিহত

অগ্ৰদূত বাৰ্তা

**হাজো, ২২ অক্টোবৰ ঃ** হাজোৰ আধিয়াৰপাৰাত আজি সংঘটিত এক পথ দুৰ্ঘটনাত থিতাতে নিহত হয় হাজো আৰক্ষী থানাৰ অন্তৰ্গত বৰ্ণিৰ আব্দুল আজিজৰ পুত্ৰ বিকি আলী (১১)। আজি বিয়লি ৪-৩০বজাত বিকিয়ে আধিয়াৰপাৰাৰ পৰা শাক-পাচলি লৈ বৰ্ণিৰ নিজ গৃহ অভিমুখে ৰাওনা হোৱাৰ ছয় পৃষ্ঠাত চাওক

## তাই আহোমক স্বায়ত্ত শাসন-জনজাতীৰ মৰ্যাদা প্ৰদানৰ দাবীক আহোম সেনাৰ বিক্ষোভ

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২২ অক্টোবৰ ঃ** আজি অসমৰ অন্যতম জাতীয় সংগঠন 'আহোম সেনা'ৰ শিৱসাগৰ জিলা সমিতিয়ে শিৱসাগৰ মুক্তিনাথ চাৰিআলিত তাই আহোমসকলক স্বায়ত্ত শাসন প্ৰদান, জনজাতিৰ মৰ্যাদা আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰাৰ দাবীত বিভিন্ন বেনাৰ, ফেষ্টুন, কাঁহী-বাটি লৈ এক বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। হাতে হাতে কাঁহী-বাটি লৈ চৰকাৰ বিৰোধী বিভিন্ন শ্ল'গান প্ৰদান কৰি আহোম সেনাৰ সমৰ্থক সকলে ৰাজ্যত অভাৱনীয় হাৰত বৃদ্ধি পোৱা অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণ কৰিবলৈ আজিৰ প্ৰতিবাদী কাৰ্যসূচীৰ দ্বাৰা আহ্বান জনায়। আনহাতে দশক পুৰণি আহোম জনগোষ্ঠীৰ জনজাতি কৰণৰ লৈও সৰব হৈ পৰে আহোম জনগোষ্ঠীৰ জাতীয় সংগঠনটো। আহোম সেনাৰ ছয় পৃষ্ঠাত চাওক

## বিদ্যালয়, কৃষিভূমি জাহ যোৱাৰ উপক্ৰম

■ কলগাছিয়াত বেঁকী নদীৰ প্ৰৱল খহনীয়া অঞ্চল পৰিদৰ্শন উপায়ুক্তৰ

**কলগাছিয়া, ২২ অক্টোবৰ ঃ** শেহতীয়াভাৱে হৈ যোৱা বৰষুণৰ ফলত বেঁকী নদীৰ পানী ফেনে ফোটোকাৰে বাঢ়ি অহাৰ লগে লগে কলগাছিয়াৰ কৰাৰকুৰত বিকল্প ৰাজ্যিক ঘাইপথৰ প্ৰতি খহনীয়াই ভাবুকিৰ সৃষ্টি কৰিছে। নিতৌ চপৰা-চাপৰে খহি আছে বিকল্প ৰাজ্যিক ঘাইপথৰ উত্তৰ অংশ। ইতিমধ্যে নৈৰ বুকুত জাহ গৈছে আমগুৰি পকী পথ। শ শ বিঘা কৃষিভূমি বহু পৰিয়ালৰ ভেটি-মাটি আৰু বলাইপাথাৰ প্ৰাথমিক বিদ্যালয় নৈৰ বুকুত জাহ যোৱাৰ উপক্ৰম হৈছে। বলাইপাথাৰ গাঁৱৰ বহু পৰিয়ালৰ ঘৰ-মাটি-ভেটি, মূল্যবান গছ-গছনি, ৰাস্তা পদূলি, শ শ বিঘা কৃষিভূমি খহনীয়াৰ কবলত পৰিছে। ফলত বহু পৰিয়াল দিনটোৰ ভিতৰতে ভিক্ষাৰীত পৰিণত হৈছে। আন একাংশই খহনীয়াৰ ভয়ত নিৰাপদ স্থানত আশ্ৰয় লোৱাৰ চেষ্টা অব্যাহত ৰাখিছে। ইফালে, ছয় পৃষ্ঠাত চাওক

## তামুলপুৰত গণ সুৰক্ষা পাৰ্টিৰ প্ৰাৰ্থী ব্ৰজেন্দ্ৰ নাথ ডেকাৰ বজাৰে বজাৰে নিৰ্বাচনী প্ৰচাৰ

**মই কোনো ৰাজনৈতিক দলৰ নহয়, তামুলপুৰৰ ১৭টা জনগোষ্ঠীৰ সমৰ্থিত প্ৰাৰ্থী ঃ ডেকা**



অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২২ অক্টোবৰ ঃ** তামুলপুৰ বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনক লৈ বিভিন্ন ৰাজনৈতিক দল আৰু নিৰ্দলীয় প্ৰাৰ্থীসকলৰ কৌশলী নিৰ্বাচনী প্ৰচাৰ আকৰ্ষণীয় হৈ পৰিছে। উপ-নিৰ্বাচনৰ প্ৰচাৰ কাৰ্যত মিত্ৰজোঁট, কংগ্ৰেছৰ সমান্তৰালভাৱে গণ সুৰক্ষা পাৰ্টিৰ প্ৰাৰ্থী ব্ৰজেন্দ্ৰ নাথ ডেকাও কৌশলী নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। ডেকাই নিৰ্বাচনী প্ৰচাৰৰ বাবে অতি সম্প্ৰতি বৃহৎ ছয় পৃষ্ঠাত চাওক

■ থলুৱাক বঞ্চিত কৰি বহিৰাগত ঠিকাদাৰক বৰপীৰা

## শ্লাম বাৰ্জাৰ কোম্পানীৰ অসম বিৰোধী কাৰ্য

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২২ অক্টোবৰ ঃ** অ' এন জি চিৰ অসম সম্পদৰ অধীনস্থ কৰ্মৰত ঠিকাদাৰী প্ৰতিষ্ঠান শ্লাম বাৰ্জাৰ কোম্পানীৰ বিৰুদ্ধে থলুৱা বিৰোধী স্থিতি গ্ৰহণ কৰাৰ অভিযোগ উত্থাপিত হৈছে। নাজিৰাস্থিত অ' এন জি চিৰ অসম সম্পদৰ মুখ্য কাৰ্যালয়ৰ অধীনত তৈলক্ষেত্ৰসমূহত খাৰুৱা তেলৰ অন্বেষণত প্ৰযুক্তিগত কৌশল তথা সহযোগিতাকে ধৰি বিভিন্ন ক্ষেত্ৰত দীৰ্ঘদিন নিয়োজিত হৈ অহা বহুৰাষ্ট্ৰীয় প্ৰতিষ্ঠানটোত কৰ্মৰত একাংশ বিষয়াই কমিচনৰ লোভত থলুৱা ঠিকাদাৰক বঞ্চিত কৰি বহিৰাগত ঠিকাদাৰক বৰপীৰা পাৰি দিয়া কাৰ্যই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কে'বা দশক ধৰি অসমত অ' এন জি চিক প্ৰযুক্তিগত কৌশলত ছয় পৃষ্ঠাত চাওক

■ সামাজিক মাধ্যমত ভাইৰেল ধনদাবীৰ অডিঅ' ক্লিপ

■ কলিয়াবৰ মহকুমাধিপতিৰ লগতে আৰক্ষীত গোচৰ ব্যৱসায়ীৰ

## কলিয়াবৰত ব্যৱসায়ীক ধনদাবী প'ৰ্টেল সাংবাদিকৰ

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২২ অক্টোবৰ ঃ** কলিয়াবৰত সুৰামত্ত প'ৰ্টেল সাংবাদিক নামধাৰী একাংশৰ উদ্ভণ্ডালিৰ পাছতে এইবাৰ ধন দাবীৰ গোচৰত অভিযুক্ত হৈছে দুই স্বয়ম্ভূ সাংবাদিক। এজন ব্যৱসায়ীৰ পৰা ভয়-ভাবুকিৰে লক্ষাধিক টকা ধনদাবীৰ অভিযোগত অভিযুক্ত হৈছে গুৱাহাটীস্থিত ডি-এ-নিউজ প্লাছ নামৰ সংবাদ প্ৰতিষ্ঠানটোৰ কলিয়াবৰ মহকুমাৰ আমবাগানৰ দুই সাংবাদিক নামধাৰী অনুপ বৰাৰ লগতে 'আসাম এক্সপ্ৰেছ' আৰু 'খবৰ লাইভ' নামৰ দুটাকৈ প'ৰ্টেলৰ স্বয়ম্ভূ সাংবাদিক বিমান বৰুৱা। ইতিমধ্যে 'ডি-এ-নিউজ প্লাছ'ৰ তথাকথিত সাংবাদিক অনুপ বৰুৱাৰ লগতে বিমান বৰুৱাৰ ধনদাবীৰ বহুকেইটা অডিঅ' ক্লিপ সামাজিক মাধ্যমত ভাইৰেল হৈ পৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। ইয়াৰ মাজতে শেহতীয়াকৈ এজন ব্যৱসায়ীক ধন দাবীৰ ঘটনাৰ অডিঅ' ভাইৰেল হৈ পৰিছে। কলিয়াবৰৰ ধানখোৱাৰ ব্যৱসায়ী সঞ্জীৱ হাজৰিকাই আজি কলিয়াবৰ প্ৰেছ ক্লাৱত এই সংক্ৰান্তত এক লিখিত ছয় পৃষ্ঠাত চাওক

## ডংকামোকামত জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহকৰ বৰ্ধিত সভা

অগ্ৰদূত বাৰ্তা

**ডংকামোকাম, ২২ অক্টোবৰ ঃ** দিনজোৱা কাৰ্যসূচীৰে আজি ডংকামোকা স্থিত ৰ'চ'কইদা মাধ্যমিক বিদ্যালয়ত পশ্চিম কাৰ্বি আংলং জিলা সাহিত্য সভাৰ ২০২০-২১ৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা জিলা সাহিত্য সভাৰ বৰ্ধিত কাৰ্যনিৰ্বাহকৰ সভাত জিলা সাহিত্য সভাৰ স্থায়ী জিলা সভাপতি ৰাণা কাফ্লেৰ সভাপতিত্বত অনুষ্ঠিত সভাত সমিতিখনৰ বিগত কাৰ্যকালৰ এক চমু প্ৰতিবেদন দাখিল কৰে। ইপিনে, দীৰ্ঘ সময় ধৰি চলা কাৰ্যনিৰ্বাহকত আগন্তুক সময়ছোৱাত কৰিব লগা কাৰ্যক্ৰমৰ বিষয়েও আলোচনা কৰে। উল্লেখ্য যে দুবছৰীয়া কাৰ্যকালৰ অন্ত পৰাৰ আগতে আগন্তুক ২০২২-২৩ৰ বাবে গঠন হ'ব লগা পশ্চিম কাৰ্বি আংলং জিলা সাহিত্য সভাৰ নতুন জিলা সমিতি গঠনৰ বাবে সভাপতি সভাৰাম বৰা, উপ-সভাপতি ছয় পৃষ্ঠাত চাওক

## অখিলে বিজেপিৰ অক্সিজেন লৈ জীয়াই আছে ঃ ভট্টাচাৰ্য

**■ অসমৰ সম্পদ বিক্ৰী কৰি এতিয়া মুখ্যমন্ত্ৰীয়ে চালে-বেৰে টঙনীয়াই থাওৱা সমষ্টিৰ উন্নয়নৰ কথা ক'বলৈ আহিছে**

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২২ অক্টোবৰ ঃ** 'ক্ষমতাৰ ৰাগীত মতলীয়া হৈ কেৱল ক্ষমতা ব্যৱহাৰ কৰি ৰাজ্যৰ বিজেপি চৰকাৰখনে জনপ্ৰতিনিধি কিনা-বেচাত লিপ্ত হৈ এক উপ নিৰ্বাচনৰ সৃষ্টি কৰিলে ৰাজ্যখনৰ কে'বাটাও বিধানসভা সমষ্টিত। জনগণৰ আৱেগক নস্যাৎ কৰি নিৰ্বাচিত জনপ্ৰতিনিধি কিনা-বেচা কৰাৰ ফলশ্ৰুতিত ৰাজ্যখনৰ এই সমষ্টিকেইটাত অনুষ্ঠিত উপ-নিৰ্বাচনক লৈ সমষ্টিসমূহৰ ৰাইজ সুখী নহয়। যাৰ বাবে অহা 30 অক্টোবৰত ৰাজ্যখনত অনুষ্ঠিত হ'ব লগীয়া উপ-নিৰ্বাচনত ৰাইজে যোগ্য প্ৰত্যুত্তৰ দিব শাসক বিজেপি চৰকাৰখনক এই মন্তব্য প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক (প্ৰশাসনিক) তথা জ্যেষ্ঠ মুখপাত্ৰ অপূৰ্ব ভট্টাচাৰ্যৰ। আজি শিৱসাগৰ জিলা কংগ্ৰেছ কমিটীৰ কাৰ্যালয়ত আগন্তুক থাওৱা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনক লৈ অনুষ্ঠিত কৰা সংবাদমেলখনত মুখপাত্ৰজনে ছয় পৃষ্ঠাত চাওক

## মুখ্যমন্ত্ৰী ড° শৰ্মাই মূল্যবোধৰ ৰাজনীতি শেষ কৰিছে ঃ চি পি আই-অসম সংগ্ৰামী মঞ্চ

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২২ অক্টোবৰ ঃ** আগন্তুক থাওৱা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত চিপিআইৰ মনোনীত প্ৰাৰ্থী কৃষ্ণ গগৈক চিপিআই (এম), চিপিআই (এমএল), অল ইণ্ডিয়া ফৰৱাৰ্ড ব্লক, আৰ চি পি আই, আঞ্চলিক গণ মৰ্চা অসম, ৰাষ্ট্ৰীয় জনতা দলে সমৰ্থন প্ৰকাশ কৰা প্ৰাৰ্থীজন আজি অসম সংগ্ৰামী মঞ্চয়ো সমৰ্থন প্ৰকাশ কৰি শিৱসাগৰত এক যুটীয়া সংবাদমেলৰ আয়োজন কৰে। সংবাদমেলত অংশগ্ৰহণ কৰি চিপিআইৰ শিৱসাগৰ জিলা পৰিষদৰ সম্পাদক কনক গগৈ আৰু অসম সংগ্ৰামী মঞ্চৰ হৈ গোবিন সন্দিকৈয়ে কয় যে- অসমৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমত মূল্যবোধৰ ৰাজনীতি শেষ কৰি ৰাজনৈতিক ক্ষেত্ৰখন কলুষিত কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে যি সকল ক্ষমতালিপ্সু, প্ৰতাৰক, প্ৰৱঞ্চক, বিশ্বাসঘাটকৰ পয়োভৰ ঘটাই সমগ্ৰ ৰাজনৈতিক ক্ষেত্ৰখন কলুষিত কৰিবলৈ চেষ্টা চলাইছে এই পৰম্পৰাটো এইবাৰ 107 নম্বৰ থাওৱা বিধানসভা সমষ্টিবাসী ৰাইজে মানি নলয় আৰু ইয়াৰ যোগ্য প্ৰত্যুত্তৰ বিজেপিক দিব বুলি প্ৰকাশ কৰে। ইতিমধ্যে সাত দলীয় সমৰ্থিত প্ৰাৰ্থী কৃষ্ণ গগৈ বিজয়ী হোৱাটো পূৰ্ণ সম্ভাৱনা আছে বুলি সংবাদমেলত দুয়োটা দলৰ নেতৃত্বই প্ৰকাশ কৰে। তেওঁলোকে কয় যে সঠিক নীতি-আদৰ্শত অটল থাকি শ্ৰমজীৱী, কৃষিজীৱী তথা নিম্ন মধ্যবিত্ত জনগণৰ স্বাৰ্থত মাত মতাৰ বিকল্প প্ৰতিনিধি চিপিআইৰ প্ৰক্ষেপিত প্ৰাৰ্থী কৃষ্ণ গগৈ হ'ব বুলি প্ৰকাশ কৰাৰ লগতে দলৰ নীতি-আদৰ্শহীন প্ৰাৰ্থীক প্ৰত্যাখ্যান কৰিবলৈ সংবাদমেলখৰ জড়িয়তে তেওঁলোকে ৰাইজক আহ্বান জনায়।

## অগপ নেতা হৰি কলিতাৰ বিয়োগ

**ছয়গাঁও, ২২ অক্টোবৰ ঃ** অসম গণ পৰিষদৰ প্ৰতিষ্ঠাপক সদস্য ছয়গাঁও সমষ্টিৰ জ্যেষ্ঠ নেতা হৰি কলিতা (৬৩)ৰ আজি দিনৰ দুই বজাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত মৃত্যু হয়। অসম আন্দোলনৰ নেতা কলিতাই যোৱা ১৮ অক্টোবৰত পথ দুৰ্ঘটনাত পতিত হৈ চিকিৎসাধীন হৈ আছিল। বনগাঁও মৌজাৰ পানেৰী গাঁৱৰ কলিতাই শেহতীয়াকৈ বনগাঁও দৈনিক বজাৰৰ সমীপত বাস কৰিছিল। বনগাঁৱৰ প্ৰায়বোৰ সামাজিক অনুষ্ঠান বনগাঁও দৈনিক বজাৰ, বনগাঁও ক্ৰীড়া সন্থা, ঐক্যতান, বনগাঁও সাৰ্বজনীন দুৰ্গা পূজা আদি অনুষ্ঠানৰ নেতৃত্ব লৈছিল। অগপ বনগাও ব্লক সমন্বয়ৰক্ষী সমিতিৰো দীৰ্ঘদিন সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰা কলিতা বৰ্তমান পশ্চিম বনগাঁও পঞ্চায়ত পৰিষদৰ সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰি আছিল মৃত্যুৰ সময়ত তেওঁ পত্নী, জী-জোঁৱাই আৰু একমাত্ৰ পুত্ৰক ইহসংসাৰত এৰি যায়।

■ নতুন উদ্ভাৱনী চিন্তাৰে কাঁহশিল্পৰ উদ্যোগটোলৈ নতুনত্ব অনাৰ প্ৰয়াস ■ ভোৰ-তালত নেপাল, ভূটান, চীনা তিব্বতী লিপি, পৰম্পৰাগত ডিজাইন কৰাৰ অৰ্ডাৰ লাভ

## কাঁহশিল্পক জগত সভালৈ নিয়াৰ প্ৰচেষ্টাত ব্ৰতী সৰ্থেবাৰীৰ তপন ডেকা





■ নিপা কাকতি

**গুৱাহাটী, ২২ অক্টোবৰ ঃ** কাঁহশিল্পক নতুন উদ্ভাৱনী চিন্তাৰে জগতসভালৈ লৈ যোৱাৰ এক সপোন দেখিছিল সৰ্থেবাৰীৰ কাঁহশিল্পী তপন ডেকাই। কেৱল কাঁহী-বাতি, শৰাই, চৰিয়া আদিতেই সীমাবদ্ধ হৈ নাথাকি কাঁহশিল্পক এক বৃহৎ পৰিসৰত লৈ যোৱাৰ বাসনা পুহি ৰাখিছিল তেওঁ। যাৰ বাবে শৈশৱৰে পৰা কাঁহশিল্পৰ স'তে জড়িত পিতৃৰ কামবোৰ সূক্ষ্মভাৱে নিৰীক্ষণ কৰিছিল তেওঁ। পৰৱৰ্ত্তী সময়ত তেওঁৰ সেই সপোনে পূৰ্ণতা পাইছিল। আজিৰ তাৰিখত কাঁহ পিতলৰ ন ন সামগ্ৰী প্ৰস্তুতকৰ্তা হিচাপে জনাজাত ৪৯ বছৰীয়া তপন ডেকা। ইতিমধ্যে তেওঁ কাঁহ-পিতলেৰে অন্যান্য ৰূপ প্ৰদান কৰিছে সৰ্থেবাৰীৰ বিখ্যাত জগন্নাথ মন্দিৰৰ মূল দুৱাৰখন। তেনেদৰে তেওঁ ভগৱানৰ মূৰ্তি, মানুহৰ প্ৰতিমূৰ্তি, ঘড়ীৰ ডিজাইন ইত্যাদিৰ লগতে নেপাল, ভূটান, তিব্বতী আৰু চীনা লিপি, পৰম্পৰাগত ডিজাইন খোদিত ভোৰ-তালৰ লগতে বিভিন্ন সামগ্ৰী প্ৰস্তুত কৰিছে। তেওঁ প্ৰস্তুত কৰা গণেশৰ মূৰ্তি লণ্ডনলৈ প্ৰেৰণ কৰিছে। সম্প্ৰতি দিনে নিশাই বিভিন্ন অৰ্ডাৰৰ কাম সম্পূৰ্ণ কৰাত ব্যস্ত তপন ডেকাৰ নাই কোনো সহযোগী। অকলেই তেওঁ কৰি আছে সমস্ত কাম। ইয়াৰ দ্বাৰা তেওঁ সুন্দৰকৈ চলাই গৈছে পৰিয়াল। সন্তানক ছয় পৃষ্ঠাত চাওক

## কংগ্ৰেছৰ নেতৃত্বই বিজেপিৰ ওচৰত আত্মসমৰ্পণ কৰিছে ঃ গগৈ

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ২২ অক্টোবৰ ঃ** 'উপ-নিৰ্বাচনৰ সময়ত উজনি অসমত এতিয়া দুটাই প্ৰতিদ্বন্দ্বী দল আছে। এটা সাম্প্ৰদায়িক বিজেপি আৰু আনটো জাতীয়তাবাদী শক্তি ৰাইজৰ দল। কংগ্ৰেছৰ নেতৃত্বই ইতিমধ্যেই বিজেপিৰ ওচৰত আত্মসমৰ্পণ কৰিছে।' আজি মৰিয়নিত অনুষ্ঠিত এক সংবাদমেলত ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে এইদৰে কয়।' মৰিয়নিৰ লোকনাথ লজৰ সভাকক্ষত অনুষ্ঠিত সংবাদমেলখনত গগৈয়ে কয়, 'উজনি অসমৰ দুখন আসনতেই ৰাইজৰ দলে প্ৰতিদ্বন্দ্বিতা কৰিছে আৰু এই মুহূৰ্তত দুয়োখন আসনতেই আগবাঢ়ি আছে। চৰকাৰত থকা বিজেপি এতিয়া থাওৱা আৰু মৰিয়নি সমষ্টিকলৈ ভীষণ চিন্তিত হৈ পৰিছে সেইবাবেই এই দুয়োটা সমষ্টিত সকলো মন্ত্ৰী-বিধায়ক-সাংসদক ব্যৱহাৰ কৰিবলগীয়া হৈছে। তেওঁ পুনৰ কয় যে মৰিয়নি আৰু থাওৱাত বিজেপিৰ মন্ত্ৰী-সাংসদ-বিধায়কসকলে এতিয়া বাহৰ পাতি নিৰ্বাচনী প্ৰচাৰ চলাব লগীয়া হৈছে। এই কথাই প্ৰমাণ কৰিছে যে শাসনাধিষ্ঠ বিজেপিক ৰাইজৰ ছয় পৃষ্ঠাত চাওক

## গংগাধৰ নদীৰ খহনীয়াৰ কৱলত বাঘডোকৰা গাঁও



অগ্ৰদূত বাৰ্তা

**দোতমা, ২২ অক্টোবৰ ঃ** গংগাধৰ নদীৰ হঠাত বাঢ়নি পানীয়ে বুৰাই পেলালে বাঘডোকৰা গাঁৱৰ নৈপৰীয়া অঞ্চল। দুদিনধৰি হোৱা নেৰা-নেপেৰা বৰষুণৰ ফলত সৃষ্টি হৈছে খহনীয়া। ফলত নদীৰ বুকুত জাহ যায় গছ-গছনি, ঘৰ-দুৱাৰ খেতি মাটি। উল্লেখ্য যে ২০-২৫ বছৰ ধৰি গংগাধৰ নদীৰ খহনীয়াই ভাঙি নিছে বহুতো ঘৰ-দুৱাৰ হেজাৰ হেজাৰ বিঘা কৃষিভূমি। ফলত গৃহহীন হৈছে বহু পৰিয়াল। ধুবুৰী জিলা তথা ২৮ নম্বৰ গোসাঁইগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত বাঘডোকৰা গাঁওখনত দীৰ্ঘদিনৰ পৰা গংগাধৰ নদীয়ে চলোৱা খহনীয়া সন্দৰ্ভত বিভিন্ন সময়ত চৰকাৰক ৰাইজে দাবী জনাই আহিছে যদিও আজিলৈকে কোনো এখন চৰকাৰে খহনীয়াৰ স্থায়ী প্ৰতিৰোধ বান্ধ নিদিয়াৰ বাবে অব্যাহত আছে খহনীয়াৰ তাণ্ডৱ। এই ক্ষেত্ৰত চৰকাৰ বা বিভাগীয় কৰ্তৃপক্ষই গুৰুত্ব নিদিয়াৰ ফলত বাঘডোকৰা গাঁৱৰ ৯০ শতাংশ ইতিমধ্যে নদীৰ বুকুত বিলীন হৈছে। খহনীয়া প্ৰতিৰোধৰ কৰিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনাইছে ভুক্তভোগী ৰাইজে।

## জাতি-জনগোষ্ঠীৰ মাজত ভ্ৰাতৃত্ববোধ সৃষ্টিৰে জীয়াই থাকিবলৈ আহ্বান বড়োৰ

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ২২ অক্টোবৰ ঃ** ৰাজ্যখনৰ অন্য চাৰি সমষ্টিৰ লগতে ২৮ নম্বৰ গোসাঁইগাঁও বিধানসভা সমষ্টিতো নিৰ্বাচনী বতাহ ক্ৰমাৎ গৰম হৈছে আহিছে। নিৰ্বাচনলৈ মাজতে আৰু কেইটামান দিন বাকী থকা অৱস্থাত বিজেপি-ইউপিপিএলেও চলাইছে নিৰ্বাচনী প্ৰচাৰ। আজি মিত্ৰজোঁটৰ প্ৰাৰ্থী জিৰণ বসুমতাৰীৰ সমৰ্থনত গুমা সমষ্টিৰ টিচিএলচিচিৰ সভাপতি নূৰ হাছান আনছাৰীয়ে আঁত ধৰা আৰু সমষ্টিটোৰ নিলাইঝোৰাত অনুষ্ঠিত এখন সভাত বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কয় 'বিটিআৰ চৰকাৰে গোষ্ঠীদন্দ্বত ক্ষতিগ্ৰস্ত পৰিয়ালৰ ক্ষতিপূৰণৰ বাবে বিশেষ ব্যৱস্থা লোৱাৰ বাবে অসম চৰকাৰৰ লগত আলোচনা চলাই আছে।' আনহাতে, বৃহত্তৰ নিলাইঝোৰা অঞ্চলটোত চিকিৎসালয় আৰু থানা স্থাপনৰ ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী শনিবাৰ ৫ কাতি ১৪২৮ ভাস্কৰাব্দ ২৩ অক্টোবৰ ২০২১



## অভিভাৱকক শাস্তি

চীন চৰকাৰে শিশু আৰু কিশোৰৰ মাজত অপৰাধৰ প্ৰৱণতা হ্ৰাসৰ উদ্দেশ্যৰে এখন নতুন আইন প্ৰৱৰ্তনৰ যো-জা চলাইছে। এই নতুন আইনৰ অধীনত চীনত শিশু সন্তানে অপৰাধ সংঘটিত কৰিলে ইয়াৰ বাবদ অভিভাৱকক শাস্তি বিহা হ'ব। প্ৰস্তাৱিত বিধেয়কত উল্লেখ কৰা অনুসৰি, যদিহে শিশু সন্তানে অভদ্ৰ-অশিষ্ট আচৰণ প্ৰদৰ্শন আৰু দেশৰ প্ৰচলিত আইন ভংগ কৰে, তেন্তে সন্তানৰ এনে অপৰাধৰ শাস্তি ভুগিব লাগিব অভিভাৱকে। তদুপৰি অভিভাৱকৰ অনুশাসন আৰু প্ৰতিপালনৰ পাছতো সন্তানৰ আচৰণ তথা ব্যৱহাৰ অসুস্থ হ'লে তেনে শিশুক চৰকাৰী পাৰিবাৰিক শিক্ষা নিৰ্দেশনা কাৰ্যসূচীত অংশ ল'বলৈ প্ৰেৰণ কৰা হ'ব বুলি চীন চৰকাৰে ঘোষণা কৰিছে। সন্তানৰ অপৰাধৰ বাবে অভিভাৱকক শাস্তি বিহাৰ আইন প্ৰবৰ্তনৰ পদক্ষেপ গ্ৰহণ কৰি চীনে সমগ্ৰ বিশ্বৰে দৃষ্টি আকৰ্ষণ কৰিছে; কিন্তু প্ৰশ্ন হ'ল, কিয় চীনে এনে এক আইন প্ৰৱৰ্তনৰ কথা চিন্তা কৰিব লগা হ'ল? সন্তানৰ অপকৰ্ম বা অপৰাধৰ বাবদ অভিভাৱকক আইনগতভাৱে শাস্তি বিহাটো কিমান যুক্তিসংগত বুলিও অনেকে প্ৰশ্ন উত্থাপন কৰিছে।

এনে এখন বিতৰ্কিত আইন প্ৰৱৰ্তনৰ সন্দৰ্ভত চীনৰ নেছনেল পিপ'লছ কংগ্ৰেছৰ মুখপাত্ৰ জাংগ টিৰেয়ে যুক্তি দৰ্শাই কৈছে যে শিশু আৰু কিশোৰৰ অপকৰ্ম আৰু অপৰাধৰ অন্যতম কাৰণ হৈছে অভিভাৱকৰ সঠিক প্ৰতিপালন আৰু অনুশাসনৰ অভাৱ। অভিভাৱকৰ অৱহেলাতে যিহেতু সন্তান অধঃপাতে যোৱাৰ সুযোগ থাকে, সেয়েহে বিপথগামী সন্তানৰ অপকৰ্মৰ শাস্তি অভিভাৱকক বিহাৰ যুক্তি আছে বুলি টিৰেয়ে মত প্ৰকাশ কৰিছে। নেছনেল পিপ'লছ কংগ্ৰেছৰ মুখপাত্ৰজনৰ মতে, এই নতুন আইন প্ৰৱৰ্তন হ'লে চীনৰ অভিভাৱকসকল সন্তানৰ প্ৰতি অধিক সচেতন আৰু যতনশীল হ'বলৈ বাধ্য হ'ব আৰু ফলত শিশু-কিশোৰৰ মাজত বিপথগামী প্ৰৱণতা বহুখিনি নিয়ন্ত্ৰিত হ'ব। নেছনেল পিপ'লছ কংগ্ৰেছৰ এই যুক্তি অস্বীকাৰ কৰিব নোৱাৰি। এইক্ষেত্ৰত আমাৰ দেশত শেহতীয়াভাৱে প্ৰত্যক্ষ হোৱা কেতবোৰ ঘটনাকে উদাহৰণ হিচাপে তুলি ধৰিব পাৰি। বলিউডত নিষিদ্ধ মাদক দ্ৰব্যৰ অবাধ ব্যৱহাৰৰ এক গোচৰৰ তদন্ত চলাই অলপতে নাৰ্ক'টিক্স কণ্ট্ৰ'ল ব্যুৰ' (এন চি বি)ৰে মহাতাৰকা অভিনেতা শ্বাহৰুখ খানৰ ২৩ বছৰীয়া পুত্ৰ আৰিয়ান খানক গ্ৰেপ্তাৰ কৰিছিল। আৰিয়ানৰ লগতে আন সাত প্ৰভাৱশালী ব্যক্তিৰ সন্তানকো এন চি বিয়ে মুম্বাইৰ এখন প্ৰমোদতৰীৰ পৰা গ্ৰেপ্তাৰ কৰিছিল। বৃহস্পতিবাৰে বলিউডৰ আন এজন অভিনেতা চাংকী পাণ্ডেৰ কন্যা অনন্যা পাণ্ডেকো একেটা গোচৰত এন চি বিয়ে সোধ-পোছ কৰিছিল। বলিউডত নিষিদ্ধ নিচাযুক্ত দ্ৰব্যৰ গোচৰত এন চি বিয়ে এয়ে প্ৰথম নহয়, ইয়াৰ পূৰ্বেও একাধিকবাৰ বহু খ্যাতিমান তাৰকাৰ লগতে তাৰকাৰ সন্তানকো গ্ৰেপ্তাৰ বা সোধ-পোছ কৰাৰ নিদৰ্শন আছে। এন চি বিয়ে ইতিমধ্যে দাবী কৰা অনুসৰি, আৰিয়ানে বিগত চাৰি বছৰ ধৰি নিষিদ্ধ নিচাযুক্ত দ্ৰব্য সেৱনৰ কথা স্বীকাৰ কৰিছে। তদন্তকাৰী সংস্থাটোৱে পূৰ্বৰে পৰা দাবী কৰি আহিছে যে আৰিয়ানৰ দৰে বহু তাৰকা সন্তানে ড্ৰাগছৰ দৰে ভয়াৱহ নিষিদ্ধ মাদক দ্ৰব্য সেৱন কৰি আহিছে। এতিয়া কথা হ'ল— আৰিয়ানৰ দৰে তাৰকা সন্তানৰ এই বিপথগামিতাৰ বাবে দায়ী কোন? শ্বাহৰুখ আৰু তেওঁৰ পত্নী গৌৰী খানে সন্তানক সঠিকভাৱে প্ৰতিপালন কৰা হ'লে আজি আৰিয়ানে এইদৰে কাৰাগাৰত দিন অতিবাহিত কৰিব লগা হ'লহেঁতেননে? দৰাচলতে ধন, খ্যাতি, নাম-যশ আহৰণৰ প্ৰতিযোগিতাত আজিৰ বস্তুবাদী সমাজত একাংশ লোক ইমানে ব্যস্ত হৈছে যে সন্তান কোন দিশে গতি কৰিছে তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ আহৰি নোপোৱা হৈছে। অভিভাৱকৰ অৱহেলা-অমনোযোগিতাতে সন্তানে বিপথগামী হোৱাৰ সুযোগ লাভ কৰিছে। সন্তানক আধুনিকতাৰ নামত অত্যধিক স্বাধীনতা প্ৰদানৰ পৰিণতিতো বহু সময়ত তেনে সন্তান বিপথগামী হোৱাটো প্ৰত্যক্ষ হয়।

দৰাচলতে চীন চৰকাৰে শিশু-কিশোৰৰ অপৰাধ নিয়ন্ত্ৰণৰ বাবে যি চৰম পদক্ষেপ গ্ৰহণৰ যো-জা চলাইছে, ইয়াৰ পৰা বিশ্বৰ সকলো দেশে শিক্ষা আহৰণ কৰা উচিত। কিয়নো সন্তান জন্ম দিয়াতে অভিভাৱকৰ দায়িত্ব অন্ত নপৰে, সেই সন্তানক সু-শিক্ষা আৰু সঠিক প্ৰতিপালনৰে দেশৰ সুনাগৰিক হিচাপে গঢ়িব পাৰিলেহে অভিভাৱকে নিজৰ কৰ্তব্য সম্পূৰ্ণ কৰিব পাৰিব। অভিভাৱকক নিজৰ দায়িত্ব-কৰ্তব্যৰ কথা সোঁৱৰাই দিবলৈ চৰকাৰে কঠোৰ আইন প্ৰণয়ন কৰাটো চিন্তনীয় বিষয়। চীনৰ দৰে আমাৰ দেশতো যাতে ভৱিষ্যতে চৰকাৰে এনে কোনো আইন প্ৰৱৰ্তন কৰিব লগা নহয়, তাৰ প্ৰতি এতিয়াই দেশৰ প্ৰতিজন অভিভাৱক সজাগ-সচেতন হ'বৰ হ'ল। অন্যথা এদিন আমাৰ দেশতো বিপথগামী সন্তানৰ অপকৰ্মৰ শাস্তি অভিভাৱকে ভোগ কৰিব লগা পৰিস্থিতিৰ উদ্ভৱ হ'ব পাৰে।

### খোলা মঞ্চ

## ৭৫ বছৰীয়া স্বাধীনতাই আমাক কি দিলে?



৭৫ বছৰীয়া স্বাধীনতাই আমাক কি দিলে? এই প্ৰশ্নটো বৰ জটিল। প্ৰশ্নটোৱে এক ধুমুহাৰ সৃষ্টি কৰে। আমিবোৰ যদিও ভাৰতীয়, তথাপি আমাৰ ৰাজ্যখনৰ নাম অসম। আমি যিহেতু অসমীয়া, সেয়ে এই শিতানত অসম আৰু অসমীয়াৰ প্ৰসংগতে আলোচনা কৰাটো সমীচীন। অসম এখন চহকী ৰাজ্য। স্বাধীনতাৰ পাছৰে পৰা আমি ৰাস্তা-ঘাট, দলং, শিক্ষা, স্বাস্থ্য সেৱা, বিজুলী আদিৰ সুবিধা পাইছো।

উল্লেখ্য যে অসমীয়া ভাষাটোৰ বাবে আন্দোলন কৰিবলগীয়া হৈছে একমাত্ৰ আমাৰ হীনমন্যতাৰ বাবে। কাৰণ আমি অসমীয়াসকল অকামিলা তথা হীনমন্য স্বভাৱৰ। ৭৫ বছৰীয়া স্বাধীনতাৰ দুৱাৰডলিত থিয় হৈছো যদিও আমি স্বাভিমানী হ'ব পৰা নাই। আনহাতে, কৰ্মবিমুখতা হ'ল আমাৰ দুৰ্বল মনৰ পৰিচায়ক। যাৰ বাবে বহিৰাগতৰ আগ্ৰাসন, হত্যা, লুণ্ঠন, মাৰপিট, ভয়-শংকা, নাৰী কেলেংকাৰি, সন্ত্ৰাস আদিৰ সৃষ্টি হৈছে। অসমীয়া জাতিটোৱে ভয় আৰু শংকাৰ মাজেৰে কেৱল আন্দোলনহে কৰিবলৈ আগ্ৰহী। আমাৰ নিজৰ অস্তিত্বক চিনি নাপাই কেৱল আনক দোষাৰোপ কৰাটোৱেই হৈছে একমাত্ৰ কৰ্তব্য। আমাৰ ভুলৰ বাবেই অসমীয়া ভাষাটোৰ বিপৰ্যয় হৈছে। অবাধ দুৰ্নীতিয়ে ছানি ধৰিছে।

**মনমোহন চৌধুৰী,** কৃতী শিক্ষক

এতিয়া ভাবি থকাৰ দিন উকলিল। আমি মাৰ বান্ধি থিয় দিব লাগিব স্বাধীন মনৰ হ'বলৈ। মনৰ পৰা ভয়, শংকা, আঁতৰ কৰিব লাগিব। তদুপৰি অসমীয়া লোক কৰ্মমুখী হ'ব লাগিব। ভাৰতৰ আন আন ৰাজ্যৰ দৰে সমানে সমানে ফেৰ মাৰিব পাৰিব লাগিব। অসমীয়াৰ মান উজলাবলৈ হ'লে আমি স্বাধীনচিটীয়া কৰ্মোদ্যমী হ'ব লাগিব। কেৱল ৭৫ বছৰীয়া স্বাধীনতাই কি দিলে বুলি ভাবি থাকিলে নহ'ব। অধিকাৰ সাব্যস্ত কৰিব পৰা শক্তি আহৰণ কৰিব লাগিব। তেতিয়াহে আমাৰ স্বাধীনতাৰ অৰ্থ বাহাল থাকিব।

ফোন ঃ ৭০০২১৩১৫৪৩

# গণতন্ত্ৰত অৰাজকতা কাৰ স্বাৰ্থত?

### বিগত এবছৰ ধৰি দিল্লীৰ মূল প্ৰৱেশ পথকেইটা আন্দোলনকাৰী কৃষকসকলে অৱৰোধ কৰি ৰাখিছে



### অৱলোকন



ড° জয়কান্ত শৰ্মা

তিনিচুকীয়াৰ এখন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলে প্ৰধান শিক্ষয়িত্ৰীগৰাকীক তেওঁলোকৰ সন্মুখত আঁঠু কাঢ়ি কাণত ধৰি ক্ষমা খুজিবলৈ বাধ্য কৰিলে। বিদ্যালয়খনৰ পৰিচালনা সমিতিয়ে নামভৰ্তি মাচুল বৃদ্ধি কৰাৰ প্ৰতিবাদত ছাত্ৰ-ছাত্ৰীসকলে হেনো আন্দোলন চলাই আছিল। পিছে শাস্তি ভোগ কৰিবলগীয়া হ'ল প্ৰধান শিক্ষয়িত্ৰীগৰাকীয়ে।

এই ঘটনাত সুধী সমাজে ক্ষোভ প্ৰকাশ কৰিছে, কোনো কোনোৱে গৰিহণাও দিছে; কিন্তু মূল প্ৰশ্নটো হ'ল, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়েও কেনেদৰে বুজি পাইছে যে শিক্ষক-শিক্ষয়িত্ৰীক শাস্তি দিয়াৰ অধিকাৰ তেওঁলোকৰ আছে? অৱশ্যে পূৰ্বৰে পৰা সদৌ অসম ছাত্ৰ সন্থা আৰু আন ছাত্ৰ সংগঠনে তাৰ বাট দেখুৱাই আহিছে। পৰীক্ষাগৃহত নকল ধৰিবলৈ গৈ যে স্কুল-কলেজৰ কিমান শিক্ষক-শিক্ষয়িত্ৰী ছাত্ৰ-ছাত্ৰীৰ হাতত প্ৰহৃত হৈছে, তাৰ সীমা-সংখ্যা নাই। আজি-কালি চৰকাৰে চোৰ-ডকাইত-ড্ৰাগছৰ পুৰিয়া বেচা লোকক গুলীয়াবলৈ আৰক্ষীক অনুমতি দিছে। শিক্ষকৰ হাতত তেনে অস্ত্ৰ নাথাকে; পূৰ্বতে দুই-একে শ্ৰেণীকোঠাত এচাৰি জোঁকাৰিছিল, এতিয়া সেইবিধো অচল। এই প্ৰসংগতে অসম আন্দোলনৰ সময়ৰ ঘটনাবোৰ মনলৈ আহে। আন্দোলনৰ সমৰ্থক বুলি অভিযোগ কৰি পুলিচে শিক্ষকক গ্ৰেপ্তাৰ কৰাটো নিয়মীয়া ঘটনা আছিল। আকৌ তাৰ বিৰুদ্ধে ছাত্ৰ-সংগঠনে স্থানীয় বন্ধ ঘোষণা কৰাটোও আছিল চিৰাচৰিত প্ৰথা; কিন্তু যেতিয়া সেই শিক্ষকজনে পৰীক্ষা গৃহত পুৰিয়া অনা ছাত্ৰ-ছাত্ৰীক দিগদাৰ দিয়ে, তেতিয়া তেওঁক উত্তম-মধ্যম দিয়াটোৱেই নিয়মত পৰিণত হৈছিল। এই সম্পৰ্কে সহকৰ্মী এগৰাকীয়ে এটা মজাৰ যুক্তি দিছিল। ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকক বৰ আপোন বুলি ভাবে। এতেকে পুলিচে তেওঁলোকৰ ওপৰত নিৰ্যাতন চলোৱাটো সহ্য কৰিব নোৱাৰে; যি কৰিব লাগে তেওঁলোকেই কৰিব। এয়া ছাত্ৰ-ছাত্ৰীৰ গণতান্ত্ৰিক অধিকাৰ।

আমাৰ দেশত গণতান্ত্ৰিক অধিকাৰৰ নামত সকলো ধৰণৰ অগণতান্ত্ৰিক কাৰ্যকলাপকে যুক্তিযুক্ত বুলি সাব্যস্ত কৰিব পৰা যায়; ৰাইজে মানিও লয়। যেনে— আন্দোলনৰ নামত লুটপাট চলাবলৈ বা চৰকাৰী সা-সম্পত্তি ধ্বংস কৰিবলৈ যাওঁতে পুলিচে গুলিচালনা কৰিলে; তাতে এজনৰ মৃত্যু হ'ল। লগে লগে তেওঁক ছহিদ ঘোষণা কৰা হয়। দেশৰ হকে সৰ্বস্ব ত্যাগ কৰিবলৈ আগবাঢ়ি যোৱা জনৰ মৃত্যু ঘটিলে তেওঁক ছহিদ আখ্যা দিয়া হয়; কিন্তু সময়ত লুটপাটকাৰী, সাম্প্ৰদায়িক হিংসাৰ উচটনি দিয়াজনেও ছহিদৰ মৰ্যাদা পায়। কথাটো আচহুৱা যেন লাগিলেও পৰম্পৰাটো চলি আছে। এনে পটভূমিত তিনিচুকীয়াৰ উক্ত শিক্ষয়িত্ৰীগৰাকীক কি বুলি সান্ত্বনা দিব? ছাত্ৰ-ছাত্ৰীহঁতক কি শাস্তি দিব? সিহঁতৰ আটাইকেইটাই দেখোন নাবালক।

এনেবোৰ বিষয়ক আমি গণতন্ত্ৰত 'নৈৰাজ্যবাদ বুলি আওকাণ কৰি থাকিব পাৰো। 'বাদ' বুলিলেই এটা মতবাদ বা দৃষ্টিভংগী আৰু মৌলিক তত্ত্ব। এতেকে নৈৰাজ্যবাদ বুলিলেও এটা দৰ্শনক বুজায়। এইবিধ দৰ্শনৰ সমৰ্থন কৰিবলৈ বৰ বৰ বুদ্ধিজীৱী আৰু ৰাজনৈতিক নেতাসকল আছেই। ছাত্ৰ সংগঠনবোৰো আছে। অৱশ্যে কেতবোৰ ছাত্ৰ-সংগঠনৰ নৈৰাজ্যবাদ বিয়পোৱাত বিশেষ ভূমিকা আছে। তেওঁলোকে কমবয়সীয়া ছাত্ৰ-ছাত্ৰীকো নৈৰাজ্যবাদী আন্দোলনৰ প্ৰশিক্ষণ দিয়ে। ইংৰাজীত কথা এষাৰ আছে, `Catch them young' অৰ্থাৎ যি শিকোৱা, কম বয়সতে শিকাবা।

গণতান্ত্ৰিক অধিকাৰ বা শান্তিপূৰ্ণ আন্দোলনৰ পৰিভাষা কি? মূলতঃ এই অধিকাৰ মত প্ৰকাশৰ স্বাধীনতা। পিছে সকলোবোৰ অধিকাৰ সংবিধানৰ বিধি-বিধান অনুসৰিহে। আইন-কানুন, সাংবিধানিক বিধি ব্যৱস্থা নামানি আন্দোলন কৰি থকা সকলক কি বুলি ক'ব? দিল্লীত কা-বিৰোধী আন্দোলনৰ নামত হিংসা সংঘটিত হৈছিল; কে'বাঘণ্টা ধৰি হত্যা-লুটপাট-অগ্নিসংযোগ আদি হিংসাত্মক কাৰ্যই ৰাজধানী চহৰখনক আতংকিত কৰি ৰাখিছিল। প্ৰতিবাদকাৰীসকলৰ মতে সেয়া শান্তিপূৰ্ণ গণতান্ত্ৰিক আন্দোলন আছিল। একে কথা ২৬ জানুৱাৰীৰ দিনা দিল্লীৰ লালকিল্লাকে ধৰি এটা ব্যাপক অঞ্চলত তথাকথিত কৃষক আন্দোলনকাৰীয়ে ট্ৰেক্টৰ লৈ হিংসাত্মক কাৰ্যত লিপ্ত হৈছিল। সেয়াও হেনো গণতান্ত্ৰিক অধিকাৰ।

বিগত এবছৰ ধৰি দিল্লীৰ মূল প্ৰৱেশ পথকেইটা আন্দোলনকাৰী কৃষকসকলে অৱৰোধ কৰি ৰাখিছে। এই অৱৰোধ স্থায়ী হোৱাৰ পথত। কেন্দ্ৰীয় চৰকাৰে ৰচনা কৰা তিনিখন কৃষি আইন বাতিল কৰাৰ দাবীত এই তথাকথিত গণতান্ত্ৰিক আন্দোলন। চৰকাৰে কৈছে— আইন তিনিখনত থকা কৃষক-বিৰোধী ব্যৱস্থাবোৰ আঙুলিয়াই দিয়া, আমি সেইবোৰ বাতিল কৰিম। সৰ্বোচ্চ ন্যায়ালয়ে ইতিমধ্যে তিনিওখন আইনৰ কাৰ্যকাৰিতা স্থগিত ৰাখিছে; আন্দোলনকাৰীসকলক নিৰ্দেশ দিছে, ৰাজপথ দখল কৰি চহৰ এখনক বন্ধকত ৰখাৰ অধিকাৰ তোমালোকৰ নাই।

পিছে আন্দোলনকাৰীসকল নাচোৰবান্দা। তেওঁলোকৰ মুখৰ কথাই আইন, আন আইন তাত নচলে; আন কি সৰ্বোচ্চ ন্যায়ালয়ৰ নিৰ্দেশো। এতিয়া তাৰে পৰাই তেওঁলোকে ভাৰতীয় জনতা পাৰ্টিৰ বিৰুদ্ধে ৰাজ্যই ৰাজ্যই প্ৰচাৰ অভিযান চলাব লাগিছে। কৃষক আন্দোলনৰ নেতৃত্বত আছে নৈৰাজ্যবাদী বুদ্ধিজীৱী যোগেন্দ্ৰ যাদৱ আৰু ৰাকেশ টিকাইট; কিন্তু একাংশ খালিস্তানীয়ে আন্দোলনটো নিয়ন্ত্ৰণ কৰিছে। তেওঁলোকে বিচাৰে, চৰকাৰে সশস্ত্ৰ বাহিনী প্ৰয়োগ কৰক, তাৰ পৰা তেওঁলোকে ৰাজনৈতিক লাভ আদায় কৰিব পাৰিব।

ৰাজপথ অৱৰোধকাৰী কৃষকসকলৰ মাজতেই ঘটিছে হত্যা, ধৰ্ষণ আদিৰ দৰে জঘন্য ঘটনাবোৰ। ৰাকেশ টিকাইটে কৈছে— সেইবোৰ আমাৰ মানুহ নহয়। অলপতে এচাম আন্দোলনকাৰীয়ে পঞ্জাৱৰ তাৰন-তাৰনৰ পৰা অহা দলিত যুৱক এজনক গছত ওলোমাই থৈ প্ৰথমে জীয়াই জীয়াই হাত দুখন কাটিলে, তাৰ পাছত হানি-খুঁচি হত্যা কৰিলে। সমস্ত ঘটনাৰ ভিডিঅ' ৰেকৰ্ডিঙো আন্দোলনকাৰীয়ে কৰি থৈছে। এতিয়া টিকাইটে পুলিচক কৈছে- তোমালোকে ব্যৱস্থা লোৱা, আমাৰ কৰিবলগীয়া একো নাই। পঞ্জাৱত এতিয়া দলিত শিখ মুখ্যমন্ত্ৰী, তেওঁ একো মাত মতা নাই। মানৱাধিকাৰৰ ধ্বজাবাহী বুদ্ধিজীৱীসকল নীৰৱ, বঁটা ঘূৰাই দিয়া ধুৰন্ধৰকেইটা কেঁকোৰা গাঁতত।

নৈৰাজ্যবাদীৰ সামাজিক দায়বদ্ধতা নাথাকে। অলপতে লখিমপুৰ খিৰিত (উত্তৰপ্ৰদেশ) ভয়ানক কাণ্ড সংঘটিত হ'ল। তাত পূৰ্বৰে পৰা কে'বাশ কৃষক নামধাৰী দুৰ্বৃত্তই খাপ পিটি আছিল পথেৰে যোৱা যান-বাহনৰ ওপৰত আক্ৰমণ চলাবলৈ। এগৰাকী ভাজপা নেতাৰ গাড়ীখন অহাৰ লগে লগে তেওঁলোকে আক্ৰমণ চলালে; হানি-খুঁচি হত্যা কৰিলে কে'বাজনো ভাজপা কৰ্মকৰ্তাক। গাড়ীৰ চেপাত তিনিজন আন্দোলনকাৰীৰ মৃত্যু ঘটিল। টিকাইটে কৈছে— ক্ৰিয়াৰ প্ৰতিক্ৰিয়া আছেই; ভাজপা কৰ্মীক হত্যা কৰাটো আইন বিৰুদ্ধ নহয়।

কৃষক আন্দোলনৰ নামত চৰম নৈৰাজ্যবাদৰ প্ৰৱৰ্তন কৰি অহা ৰাকেশ টিকাইটৰ এই মন্তব্যৰ বিৰুদ্ধে কোনো বিৰোধী নেতাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। সকলোৱে নিৰাপদ দূৰত্বৰ পৰা ৰং চাইছে। পিছে এনে আত্মঘাতী ৰাজনীতিৰ ফলত বৃহত্তম গণতন্ত্ৰৰ দেশখনে কেনে মাৰাত্মক পৰিণাম ভোগ কৰিব লাগিব, সেইটো উপলব্ধি কৰিব নোৱৰাটো দুৰ্ভাগ্যজনক।

**কংগ্ৰেছ দলটোৰ অভ্যন্তৰত নৈৰাজ্যবাদৰ বীজ সঞ্চিত হৈ আছে। দেশত জৰুৰী শাসনৰ বিভীষিকাৰ কোনে সৃষ্টি কৰিছিল? পঞ্জাৱত আকালি দলৰ বিৰুদ্ধে ৰাজনীতি কৰিবলৈ গৈ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়েই পৃষ্ঠপোষকতা কৰিছিল জাৰ্নাইল সিং ভিন্দাৰৱালেৰ। মূৰকত ভিন্দাৰৱালেৰ ৰূপান্তৰণ ঘটিল সন্ত্ৰাসবাদীলৈ**

এতিয়া প্ৰশ্ন উঠিছে, সংসদীয় গণতন্ত্ৰৰ সাৰ্থকতা ক'ত?

গণতান্ত্ৰিকভাৱে নিৰ্বাচিত প্ৰতিনিধিসকলেই বা জনগণলৈ কি বাৰ্তা দিছে? এখন ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীক চৰিয়াব বুলি কয়, প্ৰধানমন্ত্ৰী-গৃহমন্ত্ৰীক গুণ্ডা বুলি গালি পাৰে; আন এখন ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰীক ছেগুলেৰে কোবাব বুলি কয়; সকলোবোৰ কেমেৰাৰ সমুখতে। সৌ সিদিনা ৰাজ্যসভাৰ দুদল সদস্যৰ মাজত প্ৰচণ্ড মাৰ-পিট লাগিল। সদনৰ শৃংখলা ৰক্ষা কৰিবলৈ যোৱা সুৰক্ষা কৰ্মীকো (মাৰ্শ্বাল) প্ৰহাৰ কৰিলে সাংসদসকলে; আনকি মহিলা সুৰক্ষা কৰ্মীও সাৰি নগ'ল। ঘটনাটোক দুৰ্ভাগ্যজনক বুলি ক'লেই সমস্যাৰ ওৰ নপৰে। ৰাজ্যসভা হেনো জ্যেষ্ঠ আৰু শ্ৰেষ্ঠসকলৰ সদন; তাতেই দেখোন চলিব লাগিছে নৈৰাজ্যবাদৰ আখৰা!

কংগ্ৰেছ দলটোৰ অভ্যন্তৰত নৈৰাজ্যবাদৰ বীজ সঞ্চিত হৈ আছে। দেশত জৰুৰী শাসনৰ বিভীষিকাৰ কোনে সৃষ্টি কৰিছিল? পঞ্জাৱত আকালি দলৰ বিৰুদ্ধে ৰাজনীতি কৰিবলৈ গৈ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়েই পৃষ্ঠপোষকতা কৰিছিল জাৰ্নাইল সিং ভিন্দাৰৱালেৰ। মূৰকত ভিন্দাৰৱালেৰ ৰূপান্তৰণ ঘটিল সন্ত্ৰাসবাদীলৈ; সেনাই অমৃতসৰ স্বৰ্ণমন্দিৰত 'ব্লুষ্টাৰ' অভিযান চলাবলগীয়াত পৰিল। শিখ গা-ৰক্ষীৰ হাতত প্ৰধানমন্ত্ৰী এগৰাকী নিহত হোৱাৰ আঁৰত এনে নৈৰাজ্যবাদী ৰাজনীতিয়েই নাছিল জানো? আকৌ ৰাজীৱ গান্ধীয়ে প্ৰধানমন্ত্ৰীৰ আসনত বহিয়েই শিখ হত্যা অভিযানলৈ সেউজ সংকেত দিয়া নাছিলনে? আনকি ২০০২ত গোধৰাত ৰেলৰ দবাত জুই দি ৫৬ জন কৰ সেৱকক হত্যা কৰাৰ ষড়যন্ত্ৰতো স্থানীয় কংগ্ৰেছী নেতা জড়িত আছিল। আদালততো সেইটো সাব্যস্ত হৈছে। এতিয়া কংগ্ৰেছে কৃষক আন্দোলনৰ নামত ৰাকেশ টিকাইটৰ নৈৰাজ্যবাদী বাহিনীক উচটনি দিছে। অভিজ্ঞতাৰ পৰা শিক্ষা নলয় ৰাজনৈতিক নেতাই।

'আদাক দেখি উঠিল গা, কেঁতুৰিয়ে বোলে মোকো খা।' আফগানিস্তানত তালিবানৰ উত্থানত এচাম হিন্দু-বিদ্বেষীৰ গা নাচি উঠিল। তেওঁলোকে তালিবানক আৰ এছ এছৰ স'তে তুলনা কৰিবলৈও দুঃসাহস দেখুৱালে। পিছে ভাৰতীয় মুছলমানসকলে তালিবানৰ স্বৰূপ জানে বাবেই মোদী চৰকাৰৰ ৰণনীতিৰ স'তে সমমৰ্মিতা প্ৰকাশ কৰি স্থিতাৱস্থা বৰ্তাই ৰাখিছে। ভাৰতীয় মুছলমানে মহিলাৰ অধিকাৰ আৰু গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ সুফল ভোগ কৰি আহিছে। তাৰ বিপৰীতে তালিবানৰ বৰ্বৰতা হ'ল নৈৰাজ্যবাদৰ চৰম নিদৰ্শন। নৈৰাজ্যবাদৰ অন্ধকাৰলৈ কোনে সোমাব বিচাৰে?

ফোন ঃ ৯৪৩৫৫-৫৪২০৫

# বান্দৰৰ ঘা আৰু এক, দুই, তিনি

### পঞ্চভৌতিক অথবা পঞ্চভূতৰ পৰা উদ্ভৱ হোৱা সকলো ব্যক্তিয়েই অসমীয়া। গতিকে আমি পাঁচবিধ ভূতৰ পৰা উৎপন্ন হোৱা পঞ্চভৌতিক যথা ভূমি (স্থিতি) পুত্ৰ, অপপুত্ৰ (!!) বা পানীপুত্ৰ, তেজ বা ক্ষমতাৰ বলত হোৱা বা তেজপুত্ৰ, মৰুৎ বা বায়ুপুত্ৰ আৰু ব্যোম বা আকাশীপুত্ৰ— এনে পুত্ৰসকলেই অসমৰ অসমীয়া

### মক্ষিকাবৃত্তি



ড° সুৰেন্দ্ৰ মোহন মহন্ত

**বান্দৰৰ** গাত ঘা হ'লে বৰ বিপদ। নিজেতো খজুৱাই খজুৱাই বহল কৰি পেলায়েই, লগৰবোৰেও বোলে বেঢ়ি ধৰি খজুৱাবলৈ আৰম্ভ কৰে। ফলত ঘা শুকুৱাতকৈ দিনক দিনে বেছিহে হ'বলৈ ধৰে। আমাৰ অসম চুক্তি বোলা ঘাঁ-ডোখৰো বেছি হ'বলৈ ধৰিছে। তাৰ কিছুমান কথা-বতৰাই ব্যাধি ৰূপহে ধাৰণ কৰিছে। আজি প্ৰায় ডেৰ কুৰিৰো অধিক বছৰ হ'ল, তাত থকা কথাৰ মীমাংসা নহ'লগৈ। কিবা দফা কিছুমানৰ ব্যাখ্যাৰ বাবে সমিতি, উপ-সমিতি, আইনজ্ঞৰ সমিতি, পুনৰ আলোচনা সমিতি আদিৰ ব্যৱস্থা কৰোঁতেই যুগ পাৰ হ'ব এতিয়া। একো উত্তৰ নোলালগৈ। তাৰে আটাইতকৈ সাংঘাতিক কথাটো হ'ল— 'অসমীয়া কোন?' অন্য জাতি-উপজাতিৰ ক্ষেত্ৰত এনে প্ৰশ্ন উত্থাপন হোৱা পৰিলক্ষিত হোৱা নাই। অসমীয়াৰ ক্ষেত্ৰত এনে প্ৰশ্ন কিয় ওলাল তাৰ কাৰণ বিচাৰি পাবলৈ সহজ নহয়। সেইবাবে ইয়াৰ উত্তৰ দিয়াও সহজ নহয়।

আমি দেখাত প্ৰশ্নটো ইমান আউল লগাও নহয়। কাৰণ ভূমিপুত্ৰৰ লেখীয়া শব্দ এটা উচ্চাৰণ কৰিলেই সকলো দেখোন সমাধান হৈ যায়। পিছে ইয়াতো গুপুতে গুপুতে কিছুমান কথা জড়িত আছে। ভূমি হৈছে আমাৰ বিশ্বব্ৰহ্মাণ্ডৰ পঞ্চভূতৰ এটা। পঞ্চভূত হৈছে— ১) ভূমি (ক্ষিতি), ২) অপ (পানী) ৩) তেজ (শক্তি) ৪) মৰুৎ (বায়ু) আৰু ৫) ব্যোম (আকাশ)। সেইবাবে ভূমি বা ক্ষিতি বুলিয়ে বাকী চাৰিটা ভূতৰ কথাও আমাৰ মাজলৈ আহিব। সেইবাবে কেৱল ভূমি বা ক্ষিতিৰ পুত্ৰকে নধৰি আৰু চাৰিওটা ভূতৰে পুত্ৰসকলক আমি আলোচনালৈ অনা ভাল।

প্ৰথমে আহে ক্ষিতি বা ভূমিৰ পুত্ৰসকলৰ কথা। আমি জনাত ভগৱান কৃষ্ণই বৰাহ ৰূপ ধৰি ভূমিক উদ্ধাৰ কৰাৰ পাছত ভূমিৰ এটি পুত্ৰ সন্তান হৈছিল। তেওঁ হ'ল নৰকাসুৰ। ভগৱানৰ পুত্ৰ হ'লেও তেওঁ অত্যাচাৰী হোৱাত (প্ৰভাৱশালী ব্যক্তিৰো সন্তান অলপ হেৰফেৰ হোৱাৰ উদাহৰণ আছে।) ভগৱানে তেওঁক মৃত্যুদণ্ড দিলে। সেই নৰকাসুৰক প্ৰাগজ্যোতিষত (বৰ্তমানৰ অসমত?) ৰজা হিচাপে থাপিছিল। তেওঁৰ মৃত্যুৰ পাছত ভালমোন সতি-সন্ততি ৰৈ গ'ল আৰু পাছলৈ তাৰে পৰা বহু সংখ্যা বৃদ্ধি হ'ল। গতিকে নৰকাসুৰৰ বংশৰ সতি-সন্ততিসকলেই অসমৰ প্ৰথম ভূমিপুত্ৰ (ক্ষিতিজ?) তাত সন্দেহ থাকিব নালাগে। দ্বিতীয়তে আহে— 'অপ' অৰ্থাৎ অপ (পানী)ৰ পৰা উদ্ভুত পুত্ৰসকল। আমাৰ অসমৰ পশ্চিমফালৰ পৰা আমদানি হ'ব পৰা লোকসকলক কাঁইটীয়া বেৰা দি তেওঁলোকক বাধা দি ৰখা হৈছে। কিন্তু ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ পানী পথেদি মনে মনে তেওঁলোক প্ৰৱেশ কৰে আৰু ইয়াৰ স্থানীয় লোকসকলে ব্যৱহাৰ কৰিবলৈ সন্মত নোহোৱা ঠাইবিলাকত তেওঁলোক বসবাস কৰিবলৈ আৰম্ভ কৰে। তেওঁলোকেই অসমৰ অপপুত্ৰ (?) বা পানী পুত্ৰ।

তাৰ পাছত আহিল তৃতীয়টো ভূত 'তেজ।' তেজ বুলিলে শক্তি বা ক্ষমতা বুজায়। আমাৰ দেশত ক্ষমতাধিষ্ঠ দলে যি মানুহক অসমীয়া বুলি কয় তেওঁলোকেই তেজপুত্ৰ অসমীয়া। এনে অসমীয়াৰ বিস্তৰ উদাহৰণ আছে। কংগ্ৰেছ চৰকাৰৰ দিনত দিল্লী, উত্তৰ প্ৰদেশৰ ভালেমান লোকক অসমীয়াৰ প্ৰতিনিধিত্ব কৰিবলৈ দিয়া হৈছিল। আনকি তাৰ মাজৰ পৰা ভাৰতৰ প্ৰথম অসমীয়া প্ৰধানমন্ত্ৰী হোৱাৰো উদাহৰণ আছে। গতিকে এনে তেজপুত্ৰ অসমীয়া সকলো অসমীয়াৰ ভিতৰত ধৰাটো বাধ্যতামূলক।

চতুৰ্থ ভূতটো আহিল মৰুৎ বা বায়ু। আমাৰ দেশত বায়ুৰ পুত্ৰৰ ফালৰ পৰা বড়া বহুলোক আছে। সেইসকলেই হ'ল মৰুৎ পুত্ৰ বা বায়ুপুত্ৰ। একালত পঞ্চপাণ্ডৱৰ দ্বিতীয়জনে আমাৰ মুলুক পোৱাত হিড়িম্বা সুন্দৰীৰ পাণীগ্ৰহণ কৰিছিল। তেওঁৰ পুত্ৰ ঘটোৎকচ্ছৰ মহাভাৰতৰ যুদ্ধত মৃত্যু হয়। পিছে আমাৰ ইয়াত তেওঁৰ বংশ থাকি গ'ল। ঘটোৎকচ্ছৰ বংশধৰসকলেই বায়ুপুত্ৰ অসমীয়া।

একেবাৰে শেষৰ ভূতটো হ'ল ব্যোম বা আকাশ। আমাৰ অসমত এচাম লোক আছে, যিসকল ক'ৰপৰা আহিল কোনেও নাজানে; আনকি তেওঁলোকে নিজেও নাজানে। এনেকৈ গুৰিগোষ্ঠ নজনা লোকসকল যিসকলে আকাশীলতাৰ নিচিনাকৈ অসমখন আগুৰি পেলালে তেওঁলোকেই ব্যোম বা আকাশী অসমীয়া।



গতিকে সমস্যা সমাধান কৰাত কিনো অসুবিধা আছে? পঞ্চভৌতিক অথবা পঞ্চভূতৰ পৰা উদ্ভৱ হোৱা সকলো ব্যক্তিয়েই অসমীয়া। গতিকে আমি পাঁচবিধ ভূতৰ পৰা উৎপন্ন হোৱা পঞ্চভৌতিক যথা ভূমি (স্থিতি) পুত্ৰ, অপপুত্ৰ (!!) বা পানীপুত্ৰ, তেজ বা ক্ষমতাৰ বলত হোৱা বা তেজপুত্ৰ, মৰুৎ বা বায়ুপুত্ৰ আৰু ব্যোম বা আকাশীপুত্ৰ— এনে পুত্ৰসকলেই অসমৰ অসমীয়া।

**এক**

**তিতাৰাম ঃ** শুনিছানে বোলে আমাৰ মহাজোঁট ভাগিল?

**মই ঃ** তাতে কি? তোমাৰ মোৰ কি সম্পৰ্ক?

**তিতাৰাম ঃ** নহয় মানে এসময়ত মহাবন্ধু আছিল দেখিহে!

**মই ঃ** ৰাজনীতিত স্থায়ী বন্ধু বা স্থায়ী শত্ৰু নাথাকে। সেইবোৰত সাধাৰণ মানুহে মাঠা মৰাৰ দৰকাৰ নাই।

**তিতাৰাম ঃ** নহয় মানে হাত নাথাকিলে তলা-ছাবি কোনে খোলামেলা কৰিব বাৰু? আকৌ হাতে নিজৰ সম্পত্তিৰ বাকচবোৰ (ইভিএম) তলা নমৰাকৈ ৰাখিলে ৰাইজে (ৰাইজৰ দলে) বাকচৰ বস্তু চুৰ নকৰিবনে?

**মই ঃ** জানো বোপাই! কোনোবাই কৈছেই বোলে পঁইতা ভাত (কামৰূপত পন্তাভাত বোলে) খাই শুই থকাই ভাল। আমি তাকে কৰো ব'লা।

**দুই**

**মিঠাৰাম ঃ** ভূমি পূজন কি বাৰু?

**মই ঃ** নাজানো।

**মিঠাৰাম ঃ** নাজানিবাতো! আমাৰ সাতপুৰুষত সেইবোৰ নাই। কামাখ্যা মন্দিৰেই হওক, মহাভৈৰৱ মন্দিৰেই হওক— এইবোৰ সাজোতে ভূমি-চুমিৰ পূজাৰ কথা পোৱা নাই; তথাপি এইবোৰ হেজাৰ হেজাৰ বছৰ একে হৈয়ে আছে। আনকি শৰাইঘাটৰ দলংখন সাজোতেও বিদেশী কোম্পানীয়ে কোনো পূজা কৰা নাছিল।

**মই ঃ** এৰা, তেনে কথা ক'তো শুনা নাই।

**মিঠাৰাম ঃ** আৰু কি জানা? আজি-কালি কোনোবা নদীৰ নমামি নাইবা কিবা ৰাস্তা-ঘাট, মন্দিৰ বিশ্ববিদ্যালয়ৰ শিলান্যাস কৰোতেই হওক বা অন্য শুভকাৰ্য কৰোতে আমাৰ খাৰখোৱা বামুণকেইটাৰ কাম নাই। হৰিদ্বাৰ বা কিবা দ্বাৰৰ পৰা বিশুদ্ধ ব্ৰাহ্মণ আনিহে সেইবোৰ কাম কৰে।

**মই ঃ** পিছে কামৰূপৰ ব্ৰাহ্মণে সংস্কৃত ব্যাকৰণ লিখিছে, এজনে কিবা তন্ত্ৰ এখনো বোলে ৰচনা কৰিছিল। হৰিদ্বাৰৰ ব্ৰাহ্মণে ইমান সংস্কৃত জনা বুলি শুনা নাই।

**মিঠাৰাম ঃ** ডাঙৰকৈ নক'বা। তেওঁলোকেহে বোলে ভাল সংস্কৃত জানে।

**তিনি**

**কেঁহাৰাম ঃ** আমাৰ ৰজাসকলক মানিছো দেই।

**মই ঃ** জানো কাৰ আৰু কিহৰ কথা কৈছা বুজা নাই।

**কেঁহাৰাম ঃ** কিয় দেখা নাই দেশত কৰ'না নে ক'ভিডে সংহাৰ কৰিছে? হেৰ' বিচাৰি বিচাৰি বধিছে। আমি মুখত মোখোৰা লগাব লাগে আৰু কিবা সামাজিক দূৰত্ব (নে ব্যক্তিগত দূৰত্ব?) ৰাখিব লাগে? ৰজা-মহাৰজাৰ ওচৰ চাপিব পাৰিছেনে?

**মই ঃ** হেৰ' তেওঁলোক 'দেওমানুহ।' তেওঁলোকক দেখিলে মৰণো পলাব।

**কেঁহাৰাম ঃ** এৰা, অ'। তেওঁলোকে কৰিলে লীলা আৰু আমাক ধৰি-বান্ধি কিলা। তেওঁলোক ৰজা (স্বৰ্গদেউ— সোণৰ জখলাৰে চন্দ্ৰ-সূৰ্যৰ পৰা নমা) আৰু আমি প্ৰজা।

**মই ঃ** কিন্তু, আইন সকলোৰে বাবে সমান বুলি শুনিছিলো।

**কেঁহাৰাম ঃ** ঠিকেই শুনিছা। পিছে আন এটা কথা শুনা নাই জানো?

**মই ঃ** কি কথা?

**কেঁহাৰাম ঃ** তেওঁলোকে আইন বনায় (?)হে। আইনে তেওঁলোকক ছুব নোৱাৰে।

ফোন ঃ ৯৮৫৪০৪০১৩৪

## মুখ্যমন্ত্ৰীলৈ মুকলি চিঠি

অভিমত

**মুখ্যমন্ত্ৰী সমীপেষু**

তেজপুৰ মেডিকেল কলেজ হাস্পতালত প্ৰধানমন্ত্ৰী 'আয়ুস্মান মিত্ৰ'ৰ অধীনত দুগৰাকী হাস্পতাল প্ৰশাসক হিচাপে কৰ্মৰত হৈ আছে। সেই দুগৰাকী হৈছে জনৈক বৰা আৰু শইকীয়া; কিন্তু দুখৰ বিষয় এই যে সেই দুগৰাকীয়ে হাস্পতালৰ অধ্যক্ষ আৰু অধীক্ষকৰ অজ্ঞাতে 'আয়ুস্মান মিত্ৰ' আৰু 'অটল অমৃত'ৰ অধীনত কাম কৰি থকা সাতগৰাকী ল'ৰা-ছোৱালীক চাকৰিৰ পৰা বিদায় দিলে। সেই সাতগৰাকী ল'ৰা-ছোৱালীয়ে আজি ১০ মাহ জনতা ভৱনৰ পৰা ছয়মাইলৰ আয়ুস্মান মিত্ৰৰ অফিচলৈ দৌৰি দৌৰি ন্যায় বিচাৰি ফুৰিছে। তেজপুৰৰ বিধায়কক আদি কৰি সকলোৰে ওচৰলৈ গৈও কোনো সমাধান নাই পোৱা। কৰ'নাৰ সময়ত পুৱা সাত বজাৰ পৰা গধূলি ছয় বজালৈ কৰ্তব্য কৰিছিল; কিন্তু দৰমহা পৰ্যন্ত বন্ধ কৰি থৈছিল। দৰমহাৰ কথা সুধিবলৈ গ'লে বাপেৰহঁতে দৰমহা দিব যা। বাপেৰহঁতে চাকৰি দিছে যে তহঁতক। মোৰ এটাই অনুৰোধ সেই ল'ৰা-ছোৱালীকেইটাক ন্যায় দি উচিত তদন্ত কৰে যেন। মুখ্য কাৰ্যবাহী বিষয়া মনালিছা গোস্বামীকো ছবাৰ লগ ধৰাৰ পাছতো ন্যায় নাপালে। একেবাৰে দৰিদ্ৰ পৰিয়ালৰ সন্তান এইসকলৰ হৈ এখন মুকলি চিঠি লিখি মুখ্যমন্ত্ৰীক উচিত তদন্ত কৰি দোষীক শাস্তি দিবলৈ অনুৰোধ জনালো। আশা কৰো আপুনি গুৰুত্ব সহকাৰে আমাৰ অনুৰোধক সঁহাৰি জনাব।

**বিনু বৰা,** তেজপুৰ, ফোন ঃ ৮৭২১৮৫১৩৯৩

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৩ অক্টোবৰ শনিবাৰ, ২০২১ পৃষ্ঠা ৫

# ভিক্ষাৰী ভদ্ৰলোক

**তুমি যদি কাকো একো দিবই নোৱাৰা তেনেহ'লে আনৰ পৰা তুমি নিজেও একো বিচৰাৰ অধিকাৰ নাই। তেওঁ আৰু ক'লে যে মই নিজে এজন ব্যৱসায় কৰা মানুহ মই আনৰ লগত বিনিময়হে কৰিব জানো, তুমি যদিহে কিবা দিয়া তাৰ বিনিময়ত তোমাকো মই কিবা দিব পাৰো**



এদিন এজন ভিক্ষাৰীয়ে ৰেলগাড়ী এখনৰ ভিতৰত ভিক্ষা খুজি আছিল। এনেতে তেওঁৰ সন্মুখৰ অলপমান দূৰত এজন সুন্দৰ চেহেৰাৰ ছ্যুট টাই পৰিহিত লোক দেখি তেওঁ ভাবিলে যে নিশ্চয় এই ভদ্ৰলোকজন ডাঙৰ ব্যৱসায় কৰা ধনী লোক হ'ব আৰু এওঁৰ ওচৰত ভিক্ষা কৰিলে নিশ্চয় অধিক ধন পোৱা যাব। তেওঁ লগে লগে বাকী মানুহৰ ওচৰত ভিক্ষা কৰিবলৈ বাদ দি ততালিকে সেই ধনী ছ্যুট-টাই পৰিহিত লোকজনৰ ওচৰ পালেগৈ। ওচৰ পায়ে বহুত হেঁপাহেৰে তেওঁ অতি বিনয়েৰে ভদ্ৰলোকজনক ভিক্ষা মাগিলে, কিন্তু ইকি? ভদ্ৰলোকজনে তেওঁলৈ ভালকৈ চালে আৰু ক'লে— 'তুমি কি এনেদৰে সদায় আনৰ পৰা ভিক্ষা খুজি থাকিবা? তুমি বাৰু কেতিয়াবা কাৰোবাক কিবা দি পাইছানে? নে সদায় আনৰ পৰাহে বিচাৰি থাকিবা?'

ভিক্ষাৰীজনে ভদ্ৰলোকজনৰ কথাত হঠাতে অপ্ৰস্তুত হৈ পৰিল আৰু সেমেনা-সেমেনিকৈ ক'লে— মহাশয়, মই হ'লো এজন ভিক্ষাৰী, মই আকৌ ক'ৰ পৰা কাক কি দিম? ভিক্ষাৰীয়ে কেৱল আনৰ পৰা ভিক্ষা ল'বহে পাৰে, ভিক্ষাৰীৰ হাতত এনে কি আছে যে তেওঁ আনকো কিবা দিব পাৰিব?

ভিক্ষাৰীৰ কথা শুনি ভদ্ৰলোকজনে উত্তৰ দিলে ঃ তুমি যদি কাকো একো দিবই নোৱাৰা তেনেহ'লে আনৰ পৰা তুমি নিজেও একো বিচৰাৰ অধিকাৰ নাই। তেওঁ আৰু ক'লে যে মই নিজে এজন ব্যৱসায় কৰা মানুহ মই আনৰ লগত বিনিময়হে কৰিব জানো, তুমি যদিহে কিবা দিয়া তাৰ বিনিময়ত তোমাকো মই কিবা দিব পাৰো; কিন্তু এনেয়ে নহয় বুলি কৈ ৰেলগাড়ীখন ষ্টেছনত ৰখাৰ লগে লগেই ভদ্ৰলোকজন নামি গুচি গ'ল।

ভদ্ৰলোকজনৰ কথাই ভিক্ষাৰীজনৰ কোনোবাখিনিত যেন আত্মসন্মানত আঘাত লাগিল, তেওঁক ইমানদিনে কোনো লোকে ইমান বেয়াকৈ আঘাত কৰা নাছিল। তেওঁ হৃদয়ৰ কোনোবাখিনি যেন মোচোৰা খাই গ'ল, তেওঁ সেইদিনা আৰু ভিক্ষা নামাগিলে। ৰেল ষ্টেছনত ভদ্ৰলোকজনৰ পিছে পিছে তেওঁ নিজেও নামি পৰিল আৰু ষ্টেছনৰ কোণ এটাত নীৰৱে বহি ভাবিবলৈ ধৰিলে ঃ হয়তো, মই যদিহে কাকো একো দিবই নোৱাৰো সদায় সদায় মানুহে মোক কিয় দি থাকিব? কিয় দি থাকিব? কিন্তু ময়েই বা কাক কি দিব পাৰো? মইতো এজন ভিক্ষাৰীহে। মোৰতো কাকো দিবলৈ একো নাই। আৰু যদিহে মই কাকো একো দিব নোৱাৰো সদায় মোক মানুহে কিয় দি থাকিব? তেওঁ মনতে ভাবিলে যে তেওঁ ভিক্ষা কৰোতে তেওঁক যি দিয়ে তাৰ পৰাই তেওঁ আধা অংশ দিওতাজনক ঘূৰাই দিব। কিন্তু অন্যান্য লোকক তেওঁ কি দিব? আৰু দিওঁতাজনে দান দিয়াৰ পাছত আধা ধন ঘূৰাই ল'বনে? ইত্যাদি ইত্যাদি চিন্তা কৰি থাকোতে তেওঁৰ দিনটো পাৰ হ'ল। দিনটোৰ শেষত সন্ধিয়া ভোকে-লঘোনে ঘৰলৈ ঘূৰি আহি শুই পৰিল; কিন্তু টোপনি নাহিল, কি কৰা যায়, তেওঁৰতো কাকো দিবলৈ একো নাই। এনেকৈ ভাবি থাকোতেই ৰাতি পুৱাল। অভ্যাসবশতঃ তেওঁ ক'ব নোৱৰাকৈয়ে ঘৰৰ পৰা ওলাই আহি সেইদিনাও ষ্টেছনৰ কোণ এটাত বহি পৰিল। অলপ সময় তলমূৰকৈ বহি এনেয়ে হুমুনিয়াহ এৰি এৰি সন্মুখৰ পিনে চাওঁতে দেখিবলৈ পালে পুৱাৰ ৰ'দৰ প্ৰথম পোহৰ পৰি ষ্টেছনৰ চাৰিওফালে ঘাঁহ-বনবোৰৰ মাজত বনৰীয়া ফুলবোৰ জিলিকি উঠিছে। তেওঁৰ মনটো হঠাতে উৎফুল্লিত হৈ পৰিল আৰু লৰালৰিকৈ গৈ তাৰ পৰা কিছুমান সুন্দৰ সুন্দৰ ফুল ছিঙি কোঁচত ভৰাই লৈ ষ্টেছনত এইমাত্ৰ ৰোৱা ৰেলগাড়ীখনত জঁপিয়াই উঠিল আৰু ৰেলগাড়ীৰ যাত্ৰীবোৰক পুৱাৰ সম্ভাষণ জনাই একোটাকৈ ফুল দি গ'ল। যাত্ৰীবোৰে পুৱাই তেনেকুৱা এটা সজীৱ ফুলৰ স'তে সম্ভাষণ পাই মনটো ভাল লাগি গ'ল আৰু বিনিময়ত তেওঁক প্ৰায় প্ৰতিজন যাত্ৰীয়ে যথেষ্ট পৰিমাণে ধনৰ উপহাৰ দিবলৈ ধৰিলে। লগে লগে তেওঁ উপলব্ধি কৰিলে যে তেওঁ আগতে ভিক্ষা কৰি পোৱা ধনৰ



পৰিমাণতকৈ এই ধন যথেষ্ট বেছি আৰু ইয়াৰ মূল্যও অনেক বেছি। কাৰণ, এই ধন তেওঁ এনেয়ে পোৱা ধন নহয়, এই ধন মন-মগজুৰ বিনিময়ত ঘটা ধনহে।

লাহে লাহে এই কামৰ বাবে তেওঁৰ মনটো যথেষ্ট উৎফুল্লিত হৈ পৰিল আৰু ক্ৰমান্বয়ে তেওঁ বেছি বেছি পৰিমাণৰ ফুল কোঁচত ভৰাই লৈ প্ৰতিটো পুৱা ৰেলগাড়ীৰ যাত্ৰীবোৰক পুৱাৰ সম্ভাষণ জনাবলৈ নতুন নতুন কৌশল উদ্ভাৱন কৰিবলৈ চেষ্টা কৰিলে।

**ড° ৰমনী বৰ্মন**

লাহে লাহে তেওঁ ভিক্ষাৰীৰ পৰা ৰেলগাড়ীৰ যাত্ৰীবোৰক পুৱাৰ সম্ভাষণ জনোৱা এজন পৰিচিত লোক হিচাপে সকলোৱে জনাজাত হৈ পৰিল আৰু তেওঁৰ হাতত যথেষ্ট পৰিমাণৰ ধন আহিল।

এনেতে হঠাতে এদিন তেওঁৰ এই ব্যৱসায়ৰ মূল কাণ্ডাৰীজনক তেওঁ ফুল বিলাই থকা ৰেলগাড়ীখনতে বহি থকা দেখা পাই তৎক্ষণাত তেওঁ দৌৰি গৈ সেই ডাঙৰ ব্যৱসায় কৰা ছ্যুট-টাই পৰিহিত ভদ্ৰলোকজনক সুন্দৰ এমুঠি ফুলেৰে পুৱাৰ সম্ভাষণ জনাই ক'লে ঃ ছাৰ! আজি আপোনাক দিবলৈ মই সুন্দৰ সুন্দৰ বহুত ফুলৰ লগতে এই পুৱাই আপোনাৰ দিনটো সুন্দৰ হওক বুলি আন্তৰিকতাৰে কামনা কৰিছো ছাৰ! লওঁক আৰু আপোনাৰ বাবে আজিৰ দিনটো সুন্দৰ হওক বুলি সেৰা এটি জনালে..

ভদ্ৰলোকজনে পুৱাই এনে সুন্দৰ-সজীৱতাৰে ভৰা ফুলবোৰৰ স'তে সম্ভাষণ পাই মনটো ভৰি গ'ল আৰু বিনিময়ত এমুঠি ধন তেওঁলৈ আগবঢ়াই দিলে। ধনখিনি লৈ ভদ্ৰলোকজনলৈ চাই নিজৰ চিনাকি দি সকলো কথা বিৱৰি ক'লে— ভদ্ৰলোকজনে আচৰিত হৈ তেওঁৰ পিনে চাই ক'লে ঃ ওৱাও তেনেহ'লে এতিয়া তুমিও মোৰ নিচিনা এজন ব্যৱসায়ী লোক হৈ গ'লা?

সেইদিনাও ভদ্ৰলোকজনৰ কথাটো ভিক্ষাৰীজনৰ অন্তৰৰ কোনোবাখিনিত লাগি ধৰিল। তেওঁৰ মনত বাৰে বাৰে বাজি উঠিল, ওৱাও তেনেহ'লে এতিয়া তুমিও মোৰ নিচিনা এজন ব্যৱসায়ী লোক হৈ গ'লা?

তেওঁ তৎক্ষণাত ৰেলগাড়ীৰ পৰা নামি আহিল আৰু নিজৰ মনতে ভাবি ল'লে যে সঁচাকৈয়ে তেওঁ তাৰ মানে আজি বুজি পাই গ'ল ব্যৱসায় মানে কি? আজিৰ পৰা তেওঁ আৰু কেতিয়াও ভিক্ষাৰী নহয়, হ'ব এজন ব্যৱসায়ী। লাহে লাহে তেওঁ ভাবি ভাবি তেওঁৰ ব্যৱসায়ৰ পৰিসৰ বৃদ্ধি কৰিবলৈ বিভিন্ন ধৰণৰ পৰিকল্পনা গ্ৰহণ কৰিলে। বিভিন্ন ষ্টেছনত এনেয়ে ভিক্ষা মাগি ফুৰা সৰু সৰু ল'ৰা-ছোৱালীবোৰক গোটাই লৈ তেওঁলোকৰ সহায়ত ষ্টেছনৰ বাহিৰত থকা ফুলবোৰ ছিঙি আনি পুৱাই সেই ষ্টেছনৰ মাজেৰে পাৰ হোৱা সকলো ৰেলগাড়ীতে ফুলেৰে সকলো যাত্ৰীকে পুৱা সম্ভাষণ জনোৱা কামটোৰ নেতৃত্ব দি এক সুন্দৰ ব্যৱসায় গঢ়ি তুলিলে। এতিয়া পুৱা যেন সেই ষ্টেছনত তেওঁৰ ফুলৰ অভাৱ সকলোৱে অনুভূত হ'ল।

এই ব্যৱসায়ৰ জৰিয়তে তেওঁৰ হাতলৈ যথেষ্ট ধন আহিল। ব্যৱসায়ো বাঢ়িল, তেওঁৰ পোছাক-পৰিচ্ছদ, কথা-বতৰা, ব্যৱহাৰ-পাতি ইত্যাদি সকলো সলনি হ'ল। তেওঁৰ চকুৰ সন্মুখত আজিকালি যেন এখন মুকলি আকাশ। তেওঁ নিজকে তেওঁৰ গুৰু (ৰেলগাড়ীত লগ পোৱা ব্যৱসায়ী ভদ্ৰলোকজন)ৰ নিচিনা সমাজৰ এজন ভদ্ৰলোক হিচাপে পৰিচিত হ'বলৈ সকলো সময়তে সকলো প্ৰকাৰৰ চেষ্টা অব্যাহত ৰাখিবলৈ ধৰিলে। এতিয়া আৰু আগৰ সেই ভিক্ষাৰীজন ৰেল ষ্টেছনৰ পৰা নোহোৱা হৈ গ'ল।

সম্পূৰ্ণ চাৰি বছৰ পাছত এদিন দুজন ছ্যুট টাই পৰিহিত ভদ্ৰলোকে সেই একেটা ষ্টেছনত ৰেলগাড়ীত উঠি ইজনে সিজনৰ সন্মুখৰ চিটত বহি যাত্ৰা আৰম্ভ কৰি ইজনে সিজনৰ পিনে চাই চিনাকি চিনাকি অনুভৱ হোৱাত প্ৰথমজনে মাত লগালে— ছাৰ! আপুনি মোক চিনি পাইছেনে বাৰু?

ভদ্ৰলোকজনে উত্তৰ দিলে ঃ বোধহয় আজিয়েই আমাৰ প্ৰথম দেখাদেখি নেকি?

ছাৰ! মনত পেলাওকচোন, এয়া আমাৰ প্ৰথম দেখাদেখি নহয়, এয়া তৃতীয়বাৰৰ বাবে আমি লগালগি হ'লো ছাৰ।

ও হয় নেকি বাৰু, কিন্তু ক'ত কেতিয়া আৰু কেনেকৈ আপোনাক লগ পাইছিলো মইতো মনত পেলাব পৰা নাই?

ছাৰ! ময়েই আপুনি এই ৰেলগাড়ীত লগ পোৱা সেই ভিক্ষাৰীজন, যিজনক প্ৰথমদিনাই আপোনাৰ ওচৰত ভিক্ষা মাগোতে বিনিময়ত মই কি দিম বুলি প্ৰশ্ন কৰিছিল আৰু যদিহে মই আনক একো দিব নোৱাৰো তেতিয়াহ'লে মই আনৰ পৰাও একো বিচৰা অধিকাৰ নাই বুলি কৈছিল। ছাৰ! সেইদিনাই মোক আপুনি অন্তৰৰ পৰাই জগাই দিছিল।

দ্বিতীয় দিনাও এই ৰেলগাড়ীতে আপোনক লগ পাইছিলো যিদিনা মই আপোনাৰ হাতত ধুনীয়া ধুনীয়া ফুলৰে স'তে পুৱাৰ সম্ভাষণ জনাইছিলো আৰু আপুনি মোৰ হাতত বহুত ধন গুজি দিছিল। সেইদিনা প্ৰকৃততে আপুনি বিচৰা ধৰণে মই নিজকে এজন আনৰ পৰা কিবা বিচৰাৰ বিনিময়ত নিজেও কিবা দিব পৰা এজন মানুহ হ'বলৈ সক্ষম হৈছিলো। যাৰ ফলত ছাৰ, মই আজি ফুলৰ ব্যৱসায় কৰা এঝন ডাঙৰ ব্যৱসায়ী লোক হ'বলৈ সক্ষম হৈছো আৰু আজি তেনেকুৱা ফুলৰ ব্যৱসায় সংক্ৰান্তীয় কামৰ বাবেই ওচৰৰ চহৰ এখনলৈ আপোনাৰ লগতে একেলগে যাবলৈ সুযোগ পাইছো বুলি কৈয়েই ভদ্ৰলোকলৈ চাই হাতযোৰ কৰি নমস্কাৰ জনালে আৰু সেমেকা চকুৰে কৈ উঠিল— 'ছাৰ! আপুনি প্ৰথম লগ পায়েই মোক নিজেও কিবা দিলেহে যে আনৰ পৰা কিবা পোৱাৰ আশা কৰিব পাৰি সেইটো শিকালে।

দ্বিতীয়বাৰ লগ পাওঁতে আপোনাক দিয়া ফুলৰ বিনিময়ত মোক অজস্ৰ ধন দি বিনিময় প্ৰথাৰে আনৰ পৰা বস্তু লাভ কৰা কৌশলৰ কথা শিকালে— যাৰ ফলত মই আজি এজন সফল ফুলৰ ব্যৱসায় কৰা লোক হিচাপে সমাজত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছো। এতিয়া আৰু মই আপুনি প্ৰথমতে লগ পোৱা ভিক্ষাৰীজন নহয়, এতিয়া আপোনাৰ আশীৰ্বাদত মই এজন সফল ব্যৱসায় কৰা প্ৰতিষ্ঠিত ব্যক্তি।

ভদ্ৰলোকজনে তেওঁলৈ হাত দুখন আগবঢ়াই কৰৰ্মদন কৰি আনন্দিত মনেৰে হাত জোঁকাৰি জোঁকাৰি ক'লে—

ওওও তেতিয়াহ'লে আপুনিও আজিকালি মোৰ নিচিনা এজন ব্যৱসায়ী?

সুন্দৰ... সুন্দৰ।

কথাটো জানি বহুত ভাল লাগিল।


কাৰণ, আমি ব্যৱসায় কৰা মানুহ, গতিকে সমাজত টকা-পইচাৰ বাহিৰে আমি আনক শিক্ষা প্ৰদান কৰিব নাজানো; কিন্তু আপোনাৰ কৃতকাৰ্যতা দেখি এইটো এটা সুন্দৰ শিক্ষা বুলি মোৰ মনত উপলব্ধি হৈছে। আপোনালৈ বহুত ধন্যবাদ বুলি কৈয়েই ষ্টেছনত ৰেলগাড়ীখন ৰৈ দিয়াৰ লগে লগেই ভদ্ৰলোকজন তেওঁৰ প্ৰতি নমস্কাৰ জনাই নামি গ'ল।

শিক্ষা।

আমি নিজেই ভিক্ষাৰী হ'ব পাৰো। আৰু নিজৰ চেষ্টাৰ ফলত এজন সফল ব্যক্তি হ'ব পাৰো, সেয়া সম্পূৰ্ণ নিজা কথা।


লেখক গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত যুটীয়া পঞ্জীয়ক
ফোন ঃ ৬০০১৪৫৪১২৪

# কটন গৌৰৱ নে অসম গৌৰৱ? কবি তিলক ডিম্বেশ্বৰ নেওগ



**বিদেশী** বহিষ্কাৰ আন্দোলনৰ সময়ত এষাৰ মন্ত্ৰই চৌদিশে কঁপাই তুলিছিল। মন্ত্ৰষাৰ আছিল—মৰে অসম জীয়ে কোন, জীয়ে অসম মৰে কোন? প্ৰতিভাশালী কবি-সাহিত্যিক আৰু বীৰৰ একো একোষাৰি বাণীয়ে জাতীয় জীৱনত গভীৰ প্ৰভাৱ পেলায়, তেনে বাণী অজৰ অমৰ হয়। লাচিতৰ 'দেশতকৈ মোমাই ডাঙৰ নহয়', তৰুণৰাম ফুকনৰ 'তৰিলে দেশ মৰিলে স্বৰ্গ'; আৰু জনপ্ৰিয় হীৰেণ ভট্টাচাৰ্যৰ, 'দেশ বুলিলে আদেশ নালাগে' কথাকেইফাকি আমাৰ জাতীয় জীৱনৰ বাবে সঞ্জীৱনী সুধা স্বৰূপ।

'মৰে অসম জীয়ে কোন, জীয়ে অসম মৰে কোন'— এইষাৰি বাক্যৰ স্ৰষ্টা হ'ল ডিম্বেশ্বৰ নেওগ। অসমীয়া ভাষা সাহিত্যৰ এগৰাকী নিৰ্ভীক পণ্ডিত। কিন্তু বিতৰ্কিত ব্যক্তি ডিম্বেশ্বৰ নেওগক তেওঁ তেওঁৰ জীৱন কালত প্ৰায় সকলোৱেই সমীহ কৰি চলিছিল। ক'বলৈ হ'লে তেওঁৰ ব্যক্তিত্বৰে পৰিচয় দিয়ে। পৰিতাপৰ বিষয় যে আপেক্ষিকভাৱে তেৰোঁ কম সময়তে (১৮৯৯-১৯৬৬) নৰনাট সামৰিলে। তেওঁৰ মৃত্যুত আমাৰ জাতীয় জীৱনৰ অপূৰণীয় ক্ষতি হ'ল।



**ড° অৰূপ কুমাৰ হাজৰিকা**

ডিম্বেশ্বৰ নেওগে জীৱনজোৰা সাহিত্য সাধনাৰে নিজক প্ৰতিষ্ঠা কৰাতকৈয়ো অসমীয়া ভাষা-সাহিত্যকো বলীয়ান কৰিলে আৰু লগতে এচাম কৃতী সাহিত্যিক শিক্ষাবিদকো সৃষ্টি কৰিলে। ডিম্বেশ্বৰ নেওগৰ সেইখিনিতেই জাতীয় ভাব, জাতীয় আদৰ্শৰে তেওঁ যিদৰে উদ্বুদ্ধ হৈছিল সেইদৰে উত্তৰপুৰুষক তেওঁ উদ্বুদ্ধ কৰিবলৈ বিচাৰিছিল। ইয়াৰ কাৰণে তেওঁ বিভিন্ন লেখাত অতীতৰ গৌৰৱময় কাহিনীসমূহকে সাহিত্যৰ বিষয়বস্তু কৰি লৈছিল। লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, পদ্মনাথ গোহাঞিঃ বৰুৱা, কমলাকান্ত ভট্টাচাৰ্য আৰু হেমচন্দ্ৰ গোস্বামী আদি পূৰ্বসূৰীসকলে গঢ়ি তোলা অসম প্ৰেমৰ প্ৰেৰণা ল'লে ঘাইকৈ অম্বিকাগিৰী ৰায়চৌধুৰী, বেণুধৰ শৰ্মা আৰু ডিম্বেশ্বৰ নেওগে। অম্বিকাগিৰীয়ে কেৱল অতীতৰ গুণ-বখানি থাকিলেই জাতি এটাৰ উন্নতি নহয়, সেই কথাও তেওঁ চিন্তা কৰিছিল অতীতৰ বীৰসকলৰ আদৰ্শ লৈ হাতে-কামে লাগিলেহে দেশৰ উন্নতি হ'ব।

অসমৰ জাতীয়তা ধ্বংসৰ মূল কাৰণ — প্ৰথমতে নীচাত্মিকা আৰু দ্বিতীয়তে স্বাৰ্থান্ধতা বুলি তেওঁ ভাবে। নীচাত্মিকাহে আটাইতকৈ মাৰাত্মক লক্ষণ বুলিও তেওঁ কৈছে— তাৰ লগে লগে আমাৰ দূৰদৰ্শিতাৰ কথাও তেওঁ আঙুলিয়াই দিছে। অসমত কাম কৰি এই ৰাজ্যৰ মংগল চিন্তোতসকলক সমৰ্থন আপোন কৰি ল'বলৈ পৰামৰ্শ দিছে।

সাহিত্যৰ লগত সমাজ বা জাতিৰ সমন্ধ আলোচনা কৰোতে তেওঁ কৈছে জাতিৰ অতীতৰ বিষয়ে যেতিয়া আন সাক্ষী নাথাকে, ভাষা সাহিত্য তাত আগবাঢ়ি আহে, কিয়নো ভাষা সাহিত্য জাতিৰ আত্মপ্ৰকাশৰ এক ঘাই সুঁতি। সাহিত্যৰ উত্থান-পতনৰ লগত সমাজৰ উন্নতি-অৱনতি বহুখিনি নিৰ্ভৰ কৰে। কেৱল উত্থান নহয় সাহিত্যৰ ৰুচি আৰু বচনৰ ৰীতি-নীতি সমাজৰ কথা বহু পৰিমাণে জড়িত থাকে। ডিম্বেশ্বৰ নেওগৰ ভাষাত এটা হীন জাতিয়ে এক মহৎ সাহিত্য গঢ়িব নোৱাৰে। একো একোটা জাতিক একো একোজন মহাপুৰুষে নেতৃত্ব দিয়ে।

যিয়েই নহওক ডিম্বেশ্বৰ নেওগ মানুহজনৰ ধৰণ-কৰণ আৰু চিন্তাধাৰা জাতীয় ভাবাদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত হোৱা কাৰণে তেওঁ প্ৰকৃত অসমীয়া হ'ব পাৰিছিল। নিজৰ মতত তেওঁ অলৰ- অচৰ আছিল। এই কাৰণে তেওঁ অনেক ক্ষেত্ৰত অপ্ৰিয় হৈছিল; কিন্তু তালৈ কেৰেপ কৰা নাছিল। কেতিয়াবা শ্লেষ আৰু ব্যংগৰে তেওঁ কাৰোবাক থকা-সৰকা কৰিছিল।

আনহাতে হেনো গাঁৱৰ পৰিৱেশতে ডাঙৰ-দীঘল হোৱা ডিম্বেশ্বৰ নেওগৰ গাত অসমীয়া মানুহৰ সেই সৰলতা দেখা গৈছিল। গাঁৱৰ প্ৰতি থকা নিভাঁজ প্ৰেম তেওঁৰ কবিতাতো দেখা গৈছিল। ডিম্বেশ্বৰ নেওগৰ এই নিজস্ব দৃষ্টিভংগী তেওঁৰ লেখা, তেওঁৰ বক্তৃতা, তেওঁৰ শিক্ষাদান সকলোতে প্ৰতিফলিত হৈছিল। সাহেই যদি সাহিত্য হয়, তেনেহ'লে ডিম্বেশ্বৰ নেওগে সেই ধৰণৰ সাহিত্যই ৰচনা কৰিছিল। তেওঁৰ এইবোৰ গুণ ছাত্ৰাৱস্থাতে প্ৰকাশ পাইছিল। এহাতে কবি প্ৰতিভা, আনহাতে সমালোচনা কৃতিত্ব, এহাতে পুৰণি থুলৰ শংকৰদেৱ, আনহাতে আধুনিক থূলৰ বেজবৰুৱা— এই দুইগৰাকীৰ ওপৰত দক্ষতা, এহাতে কৃতী ছাত্ৰ (১৯৪০ত কলিকতা বিশ্ববিদ্যালয়ত প্ৰথম স্থান অধিকাৰ কৰি এম এ, ১৯২৪ ত বি এছ চি) আনহাতে জ্ঞান-অন্বেষক হিচাপে খ্যাতি, এহাতে আদৰ্শ শিক্ষাবিদ আনহাতে সেই আদৰ্শৰে ছাত্ৰ সমাজ তৈয়াৰ কৰা মনোবৃত্তি এনে ধৰণৰ গুণৰাজিৰ কাৰণে ডিম্বেশ্বৰ নেওগ এজন লেখৰ অসমীয়া হ'ব পাৰিছিল।

ফোন ঃ ৯৮৬৪০৪৪৪৫৩

# ইচ্ছা কৰিলেই শান্তিত থাকিব পাৰি জানো?

**বাংলা** ভাষাত এষাৰ প্ৰবচন আছে— 'চিত্ত সুখে নৃত্য, নাভিৰ সুখে নিদ্ৰা।' চিত্ত মানে মন। আমাৰ শৰীৰত থিতাপি লৈ থকা আটাইতকৈ গুৰুত্বপূৰ্ণ চালিকা শক্তিটো হৈছে আমাৰ মনটো। মনটো সুখ আৰু আনন্দত থাকিলে অথবা তাত কোনো ধৰণৰ ব্যাধি-বেচ-কম নাথাকিলে নৃত্য কৰিব পাৰি আৰু পেটটো যদি ভৰি থাকে বা পেটত যদি কোনো অসুখ-বিসুখ নাথাকে, তেন্তে আৰামত টোপনি যাব পাৰি। অন্যথা শৰীৰত কোনো ধৰণৰ বেমাৰ-আজাৰ থাকিলে, তদুপৰি পেটত যদি খুদকণ এটাও নপৰে অথবা অধিক ভোজনৰ ফলত যদি পেটত অসুখ হয়, তেন্তে মানুহে সুখ নিদ্ৰা মাৰিব নোৱাৰে। ওপৰৰ প্ৰবচন ফাকিত নাভি বোলোতে আমাৰ উদৰ বা পেটক বুজোৱা হৈছে।

'সুখ-শান্তি' এই শব্দ দুটা প্ৰত্যেক মানুহৰ জীৱনৰ এটা চিৰ আকাংক্ষিত শব্দ। সাধাৰণ দৃষ্টিৰে চালে পৃথিৱীৰ প্ৰতিজন মানুহেই সুখ-শান্তিৰে জীয়াই থাকিব বিচাৰে; কিন্তু ব্যক্তি ভেদে এই শব্দ দুটাৰ অৰ্থ একে নহ'বও পাৰে। উদাহৰণস্বৰূপে ক'ব পাৰি যে এজন ধনৱান আৰু প্ৰতিপত্তিশালী মানুহৰ বাবে প্ৰতিনিয়ত তেওঁৰ অৱস্থাৰ উন্নতি হোৱাটোৱেই যদি তেওঁৰ সুখ-শান্তি বুজাব পাৰে, তেন্তে ভিক্ষা কৰি উৰুখা পঁজাত জীৱন ধাৰণ কৰা মানুহ এজনৰ বাবে প্ৰতিদিনে দুবেলা-দুমুঠি পেট ভৰাই খাব পৰাটোৱেই সুখ-শান্তি বুজাব পাৰে। ব্যক্তি, মৰ্যাদা আৰু সামাজিক স্থান হিচাপে প্ৰত্যেকৰ বাবে সুখ-শান্তি শব্দ দুটাৰ অৰ্থ বেলেগ বেলেগ যদিও তাৰ অন্তৰ্নিহিত ভাবটো একেটাই। অৰ্থাৎ সুখ-শান্তিয়ে কোনো ধৰণৰ বাধা-বিপত্তি, বেমাৰ-আজাৰ, দুৰ্ভিক্ষ-অনাটন, সামাজিক ব্যাধি, অকাল মৃত্যু আদিৰ কামনা নকৰে। সেয়েহে কিজানি সমাজৰ শ্ৰেণীভেদে এজন সৎ পথেৰে উপাৰ্জন কৰি জীৱন নিৰ্বাহ কৰা ব্যক্তিৰ পৰা আৰম্ভ কৰি চোৰ, ডকাইত আৰু কুখ্যাত ব্যক্তি এজনেও নিজৰ কৰ্মত যাতে কোনো ধৰণৰ বাধা-বিপত্তি নাহে তাৰ বাবে ঈশ্বৰৰ ওচৰত কৰযোৰে প্ৰাৰ্থনা কৰে।

মূল্যবোধ হিচাপে সুখ-শান্তিৰ সংজ্ঞা ব্যক্তি বিশেষে বেলেগ বেলেগ হ'ব পাৰে। পৃথিৱীত হয়তো এনেকুৱা কোনো এজন ব্যক্তিকে বিচাৰি পোৱা নাযাব, যিজনে সুখ আৰু শান্তিৰে জীয়াই থাকিব নিবিচাৰে। আনহাতে, নিজে ইচ্ছা কৰিলেই সকলো মানুহৰ পক্ষে সুখ-শান্তিৰে জীয়াই থকাটো সম্ভৱ নহয়। অনেক বাহ্যিক কাৰকে মানুহক অজানিতেই প্ৰভাৱান্বিত কৰে, যাৰ ফলত সুখ-শান্তি হাতৰ কাষতে থাকিও দূৰতে বিদূৰ হয়। বৰ্তমানৰ উত্তৰ আধুনিকতাবাদী সমাজত প্ৰত্যেক মানুহৰে সুখৰ সংজ্ঞা সলনি হৈছে। তাৰ সমান্তৰালভাৱে গোলকীকৰণৰ প্ৰভাৱে মহানগৰৰ পৰা আৰম্ভ কৰি জঁকাইচুকীয়া গাঁৱলৈকে সকলো শ্ৰেণীৰ লোকৰ বাবে আধুনিক ভোগবাদৰ যিখন মুক্ত বিপণী খুলি থৈছে, তাৰ প্ৰভাৱত মানুহৰ মনত যিকোনো প্ৰকাৰে ভোগৰ সামগ্ৰীৰে ঘৰ উপচাই নব্য সভ্যতাৰ যোড়শোপচাৰক জীৱনৰ আশিস নিৰ্মালি হিচাপে গ্ৰহণ কৰাৰ দৌৰত অৱতীৰ্ণ কৰাইছে। গোলকীকৰণৰ প্ৰভাৱে মানুহক এহাতে নব্য সভ্যতা-সংস্কৃতিৰ লগত পৰিচয় কৰাইছে আৰু আনহাতেদি সাতামপুৰুষীয়া জীৱনশৈলীৰ লগতে বহুত ক্ষেত্ৰত আধ্যাত্মিকতাৰ পৰাও আঁতৰাই আনিছে। তাৰ কু-প্ৰভাৱ পৰিছে মানুহৰ মন-মগজুত। বৰ্তমান আধুনিক মানুহৰ বহুতেই উচ্চ ডিগ্ৰীধাৰী; কিন্তু বহুত ক্ষেত্ৰত ক্ষমতা আৰু স্বাৰ্থান্বেষী মনোভাৱে কিছুমান মানুহক ন্যূনতম মানৱতা আৰু দয়া-মমতাৰ পৰা বঞ্চিত কৰি পেলাইছে। এনেবোৰ কাৰকে সেই সমাজত বাস কৰা মানুহৰ ওপৰত ঋণাত্মক প্ৰভাৱ পেলায়। তাৰেই চানেকি লৈ উঠি অহা প্ৰজন্মই আওবাট ধৰি সমাজদ্ৰোহী আৰু শান্তি বিনষ্টকাৰী কাম-কাজত লিপ্ত হৈছে। গতিকে এই উঠি অহা প্ৰজন্মৰ পিতৃ-মাতৃসকলে ইচ্ছা কৰিলেও জানো সুখ-শান্তিত থাকিব পাৰিব? মধ্যবিত্ত পিতৃ-মাতৃৰ বাবে সন্তান-সন্ততিসকলেই গোটেই জীৱনৰ আৰ্জিত মূলধনস্বৰূপ। গতিকে তেওঁলোকৰ চকুৰ আগত যদি সেই পূৰঠ-সুঠাম ফলস্বৰূপ সন্তানসকলৰ গাত দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ পোকে নিগাজিকৈ ঘৰ বান্ধি থিতাপি লয়, তেনেহ'লে তেনেকুৱা পিতৃ-মাতৃৰ লগতে প্ৰত্যক্ষদৰ্শীসকলৰো সুখ নিদ্ৰাত ব্যাঘাত জন্মে। আমাৰ সমাজত সৰহ সংখ্যক পিতৃ-মাতৃয়ে নিজৰ পেট কাটি কাটি হ'লেও নিজৰ সন্তান-সন্ততিক নিজৰ তুলনাত আৰু দুখোজ আগবঢ়াই নিবলৈ সৰ্বতোপ্ৰকাৰে চেষ্টা কৰে; কিন্তু সেই চেষ্টাত চেঁচাপানী ঢালি যেতিয়া অপৈণত

**ৰীণা বিশ্বাস**

বয়সতেই উঠি অহা যুৱক-যুৱতীসকলে কুসংগত পৰি দেখাক দেখি ড্ৰাগছ, ভাং আদিৰ দৰে বৰবিহত আসক্ত হৈ কলিতেই একোটা সম্ভাৱনাময় জীৱন ধ্বংসৰ গৰাহলৈ ঠেলি দিয়ে, তেনেকুৱা ঘটনাৰাজি দেখি-শুনি আপোনাৰ-মোৰ দৰে পিতৃ-মাতৃসকলে ইচ্ছা কৰিলেও জানো সুখ-শান্তিত থাকিব পাৰো? বানপানীয়ে গৰা খহাই যেনেদৰে চকুৰ পচাৰতে নিজৰ মৰমৰ ঘৰখন উটুৱাই নি ক'ৰবাত জাঁজিলৈ ৰূপান্তৰিত কৰে, ঠিক তেনেদৰেই বৰ্তমান আমাৰ চকুৰ আগতেই আজিৰ উঠি অহা সৰহ সংখ্যক যুৱক-যুৱতীৰ মানসিক স্খলনে এনেকুৱা ভয় লগা পৰিস্থিতিৰ সৃষ্টি কৰিছে যে কেতিয়াবা আমি ভাবিবলৈ বাধ্য হওঁ, আমাৰ সুখ-শান্তি আৰু তাহানিৰে পৰা চলি অহা আদৰ্শ সমাজখনো কেতিয়াবা মৰা জাঁজিলৈ ৰূপান্তৰিত হ'ব নেকি? গতিকে এনেকুৱা দুশ্চিন্তা আৰু দিনক দিনে বাঢ়ি অহা উদ্বিগ্নতা লৈ আমি নিজে ইচ্ছা কৰিও সুখ-শান্তিৰে থাকিব নোৱাৰো।

সমাজৰ যিকোনো ঘটনা-পৰিঘটনা পৰিয়ালৰ পৰাই আৰম্ভ হয়। গতিকে পৰিয়াল পাতি বাস কৰাটোও কেতিয়াবা বহুত ক্ষেত্ৰত প্ৰত্যাহ্বানমূলক হয়। কাৰণ বৰ্তমানৰ একোখন গাইগুটীয়া পৰিয়ালত পিতৃ-মাতৃৰ স'তে তেওঁলোকৰ এহাল বা এটি সন্তান। হয়তো কিছুমান পৰিয়ালত শহুৰ-শাহু অথবা মাক-দেউতাক থাকে। ক'বলৈ গ'লে গোটাচেৰেক মানুহৰে গঢ়া পৰিয়াল; কিন্তু পৰিয়ালৰ প্ৰত্যেকজন মানুহৰ মনৰ গতি-মতি একে নহয়। সেইটো হোৱা সম্ভৱো নহয়। গতিকে সন্তানসকল যেতিয়া ডাঙৰ হৈ আহে, তেতিয়া তেওঁলোকৰ মনোভাৱ, চিন্তা-চেতনা আদি পিতৃ-মাতৃ অথবা পৰিয়ালৰ আনৰ লগত বহু ক্ষেত্ৰত নিমিলে। ঘৰৰ কিছুমান উল্লেখযোগ্য সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত যেতিয়া ঘৰৰ কনিষ্ঠসকলে মাত মাতে অথবা নিজৰ ভাল-বেয়া যুক্তি প্ৰদৰ্শন কৰে, তেতিয়া ঘৰখনৰ গুৰিয়াল ব্যক্তিজনৰ (বিশেষকৈ পিতৃৰ) মনত হীনমন্যতা আহে আৰু তেওঁ ভাবিবলৈ ধৰে যে তেওঁৰ ল'ৰা-ছোৱালীয়ে তেওঁক চেৰাই যাবলৈ যত্ন কৰিছে অথবা ল'ৰা-ছোৱালীহাল অবাধ্য হৈ পৰিছে। তেনে ক্ষেত্ৰত পৰিয়ালৰ মাতৃগৰাকী পৰে ফটা বাঁহৰ চেপাত। না তেওঁ ল'ৰা-ছোৱালীৰ হৈ কিবা ক'ব পাৰে, না স্বামীৰ হৈ। মূৰকত ঘৰৰ সকলো পয়মালৰ গুৰি হৈ পৰে নিমাখিত মাকগৰাকী। গতিকে মগজুত অকণো জোৰ নিদিয়াকৈ বুজিব পাৰি যে সেই অৱস্থাত মাকগৰাকীয়ে যিমানেই সুখ-শান্তিৰে থাকিব নিবিচাৰক কিয়, সেয়া কেতিয়াও সম্ভৱ নহয়। কথাবোৰ সাধাৰণ দৃষ্টিৰে চালে তেনেই সাধাৰণ আৰু প্ৰায় সকলো পৰিয়ালৰ দৈনন্দিন গাথা যেন লাগিলেও এনেকুৱা অৱস্থাৰ পৰাই পৰিয়ালৰ মুখ্য নাৰীগৰাকী (মাক/পত্নী) অজানিতে



দিনক দিনে শাৰীৰিক আৰু মানসিক ৰোগত আক্ৰান্ত হোৱাৰ উপক্ৰম হয়। হয়তো বহুতো সাহসী আৰু ধৈৰ্যশীলা নাৰীয়ে কথাবোৰ শান্তিৰে মানি লয় নাইবা প্ৰতিবাদ কৰে; কিন্তু লাভৰ মূৰত মানুহজনীয়ে নিজে ইচ্ছা কৰিলেও সুখ-শান্তিৰে থাকিব নোৱাৰি উষ্মা প্ৰকাশ কৰে; ফলত ঘৰুৱা শান্তি বিঘ্নিত হয়। এইদৰেই ক্ৰমান্বয়ে পৰিয়ালৰ আন সদস্যসকলেও ইটো-সিটো বিষয় লৈ নিত্য-নৈমিত্তিক এজনে আনজনৰ লগত মনোমালিন্যৰ সূত্ৰপাত কৰে; ফলত পৰিয়ালটোৰ সকলোৰে শান্তি বিঘ্নিত হয়। গতিকে বৰ্তমান সমাজত এনেকৈয়ে কিজানি পৰিয়ালবোৰৰ পৰাই মানুহৰ মনত মানসিক শান্তি কমি আহিছে আৰু মানুহবোৰ অসহিষ্ণু হৈ পৰিবলৈ বাধ্য হৈছে। তাৰ কুপ্ৰভাৱ সমগ্ৰ সমাজখনতেই পৰিবলৈ ধৰিছে।

ইয়াৰ লগতেই অতি সাম্প্ৰতিক অৱস্থাৰ সুৰত সুৰ মিলাই ক'ব পাৰি যে বিগত দুটা বছৰে পাৰিবাৰিক অসহিষ্ণুতা আগতকৈ আৰু দুগুণে বৃদ্ধি হৈছে। কাৰণ উঠি অহা ল'ৰা-ছোৱালীবোৰৰ পুৱা উঠিয়েই ইউনিফৰ্ম পিন্ধি কিতাপৰ মোনা, টিফিন আদি লৈ বিদ্যালয়লৈ যোৱাৰ যি অভ্যাস আঢ়ৈ-তিনি বছৰতে আৰম্ভ হৈ গঢ়ি উঠিছিল সেই অভ্যাস কৰ'না মহামাৰীৰ প্ৰবলত পৰি সমুলঞ্চে বন্ধ হৈ গৈছে। তাৰ ফলত কণ কণ ল'ৰা-ছোৱালীৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকললৈ, সকলোৰে মনত বিৰূপ প্ৰভাৱ পৰিছে। তেওঁলোকে চকুৰ আগতেই নিজৰ ভৱিষ্যতৰ ছবিখন অন্ধকাৰাছন্ন দেখি দিনক দিনে জেদী আৰু প্ৰতিবাদী হৈ পৰিছে। মুক্ত আকাশৰ তলত মুক্ত বিহংগৰ দৰে ওমলি-জামলি লগ-সমনীয়াৰ লগত ফৰিং ধৰা শৈশৱটো উপভোগ কৰাৰ পৰা বঞ্চিত হৈ কণ কণ ল'ৰা-ছোৱালীবোৰো অকালতে কিছু কিছু ক্ষেত্ৰত অধিক পৰিপক্ক হৈ পৰিছে; ফলত তেওঁলোকে ঘৰত অভিভাৱকৰ অনুশাসন নমনা হৈছে।

আমি কিমান দুখেৰে ক'বলগীয়া হৈছে যে কৰ'না মহামাৰীৰ কবলত পৰি প্ৰাথমিক বিদ্যালয়ৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয় পৰ্যায়লৈ এটা সুদীৰ্ঘ শিক্ষাবৰ্ষৰ অন্তত ছাত্ৰ-ছাত্ৰীসকলে, বিশেষকৈ দশম আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে, এদিনো বিদ্যালয়লৈ নোযোৱাকৈ যিবোৰ ফলাফল পাইছে, সেইবোৰে কৰ'না কালৰ আগৰ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ মনত অসন্তুষ্টিৰ সৃষ্টি কৰিছে। চৰকাৰে বৰ্তমান শিক্ষা বৰ্ষত যি ফৰ্মূলা প্ৰয়োগ কৰি বিশেষকৈ দশম আৰু দ্বাদশ শ্ৰেণীৰ ফলাফল ঘোষণা কৰিলে, সেই ফলাফলক লৈ কৰ'না কালৰ আগৰ ছাত্ৰ-ছাত্ৰী আৰু অহা বছৰৰ দশম-দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ্থীসকলৰ মন দোদুল্যমান। তেওঁলোকৰ এচামে দুখ প্ৰকাশ কৰে যে তেওঁলোকে দিন-ৰাতি একাকাৰ কৰি ইমান অধ্যয়ন কৰিও উপযুক্ত ফলাফল নাপালে; কিন্তু কৰ'না কালৰ শিক্ষাৰ্থীয়ে এদিনো বিদ্যালয়ৰ চৌহদত ভৰি নিদিয়াকৈয়ে ভাবিব নোৱৰা ফলাফল পালে। তদুপৰি এচাম ছাত্ৰ-ছাত্ৰীয়ে বিগত বছৰৰ দৰে এইবাৰো কৰ'নাৰ তৃতীয় ঢৌ আহিব, স্কুল-কলেজ বন্ধ হৈ পৰিব আৰু আকৌ চৰকাৰে ফৰ্মূলা প্ৰয়োগ কৰি তেওঁলোকক বিনা পৰিশ্ৰমে উত্তীৰ্ণ কৰি দিব বুলি ভুল ধাৰণা লৈ অধ্যয়নলৈ পিঠি দিছে। এই চাম ছাত্ৰ-ছাত্ৰীৰ মনত সৃষ্টি হোৱা অনায়াসে জীৱনৰ বিশেষ পৰীক্ষাসমূহ উত্তীৰ্ণ হোৱাৰ এনে চিন্তাধাৰাই এক শ্ৰেণীৰ অকৰ্মণ্য মানুহৰ সৃষ্টি কৰিছে সেয়া খাটাং। এনে কথা-কাণ্ডবোৰে সমাজ সচেতন আৰু বৌদ্ধিক চিন্তা-চৰ্চা কৰা মানুহৰ মনৰ শান্তি বিঘ্নিত কৰিছে। আমি কোনো এজন মানুহেই গাইগুটীয়া সুখত সুখী আৰু গাইগুটীয়া শান্তিত শান্ত হৈ থাকিব নোৱাৰো। প্ৰথমে আমাৰ পৰিয়াল, দ্বিতীয়তে আমাৰ সমাজখন আৰু তৃতীয়তে দেশ আৰু গোটেই পৃথিৱীখন গতানুগতিকভাৱে সুখে-শান্তিৰে থাকিলেহে আমি ইচ্ছা কৰা মতে সুখে-শান্তিৰে জীয়াই থাকিব পাৰিম। আমাৰ প্ৰতিবেশী এজনৰ সন্তানে যদি ঘৰত কোনো নথকাৰ সুযোগত খালী ঘৰত নিজৰ উদণ্ড বন্ধু-বান্ধৱী আনি মদ-জুৱাৰ আড্ডা মৰা আৰু অনৈতিক কামত লিপ্ত হোৱা দেখো, তেতিয়া আমাৰ ঘৰৰ ল'ৰা-ছোৱালী লৈ আমি কেতিয়াও সুখে-শান্তিৰে থাকিব নোৱাৰো। এইটো এটা মাত্ৰ উদাহৰণহে। পৰিয়ালৰ পৰা আৰম্ভ কৰি গোটেই সমাজখনত এনেকুৱা কিছুমান অনৈতিক আৰু অসহ্যকৰ পৰিস্থিতি প্ৰত্যক্ষ কৰিবলগীয়া হোৱাৰ ফলতো বহুত সময়ত আমাৰ সুখ-শান্তিত যতি পৰে।

একোজন পৰিপক্ক ব্যক্তি হিচাপে আমি যিমানেই সুখ-শান্তিত থাকিবলৈ চেষ্টা নকৰো কিয়, বিভিন্ন কাৰকৰ ফলত সেয়া সম্ভৱ নহয়। আমি ৰাজভোগ নাখায়ো, বহুতো মূল্যৱান আ-অলংকাৰ আৰু পোছাক-পৰিচ্ছদ নিপিন্ধিও অতি সাধাৰণ জীৱন-যাপন কৰি, দুবেলা-দুমুঠি খাই, নিজৰ ভাল লগা কাম কৰি, ঘৰুৱা দায়িত্ব আৰু সামাজিক দায়বদ্ধতা পালন কৰিও সুখে-শান্তিৰে জীৱন নিয়াব পাৰো, যদিহে আমাৰ চৌদিশে শান্তি বিৰাজ কৰে আৰু আমি আমাৰ ভৱিষ্যতৰ নিৰাপত্তাৰ বিষয়ে আশ্বস্ত হ'ব পাৰো; কিন্তু বৰ্তমান পৰিস্থিতিত আমি জানো আমাৰ নিজৰ মনৰ শান্তি আৰু নিজৰ লগতে আমাৰ সন্তানসকলৰ ভৱিষ্যৎ নিৰাপত্তা অনুভৱ কৰিব পাৰিছো? তেনেহ'লে ইচ্ছা কৰিলেই জানো আমি সুখে-শান্তিৰে থাকিব পাৰিম? মুঠৰ ওপৰত দেখা গৈছে যে ইচ্ছা কৰিলেই সাম্প্ৰতিক কালত কোনো এজন মানুহেই সুখে-শান্তিৰে থাকিব পৰা নাই।

ফোন ঃ ৭০০২৭৩৪৯৬২

## খুমটাইত ধনশিৰি নদীৰ ভয়াবহ খহনীয়া

*তিনি পৃষ্ঠাৰ পৰা* ধাৰাবাহিকভাৱে বাতৰি সম্প্ৰচাৰ আৰু খুমটাই ৰাজহ চক্ৰৰ কাৰ্যালয়ৰ যোগেদি স্থানীয় কৃষিজীৱী ৰাইজে আবেদন-নিবেদন কৰিও আজিকোপতি একো সুফল লাভ নকৰিলে। যাৰ ফলত বৰ্তমান সময়ত অঞ্চলটোৰ কে'বাটাও বাসগৃহ আৰু এখন ধাননি পথাৰ নদীৰ বুকুত জাহ যোৱাৰ উপক্ৰম ঘটিছে। গুৰুত্বপূৰ্ণ বিষয় যে বৰ্তমান সময়ত ধনশিৰি নদীখন এটা অংশত নদীৰ পৰা প্ৰায় ৫০০ ফুট দীঘলকৈ আৰু প্ৰায় ৫০ ফুট বহলকৈ বুৰঞ্জী প্ৰসিদ্ধ ধোদৰ আলিৰ ফাললৈ খহনীয়া গতি কৰাত বুৰঞ্জী প্ৰসিদ্ধ আলিটো আৰু নদীৰ মাজত দূৰত্ব প্ৰায় ২৫০ ফুটমানহে আছেগৈ। আনহাতে, যদিহে ৰাজ্যৰ জলসম্পদ বিভাগটোৱে শীঘ্ৰেই খুমটাইৰ বুটুলিখোৱাত খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ নকৰে তেতিয়াহ'লে খুমটাই ৰাজহ চক্ৰ কাৰ্যালয়ৰ মানচিত্ৰৰ পৰা নাইকীয়া হ'বগৈ উক্ত অঞ্চলটো। সেয়েহে বৃহত্তৰ অঞ্চলটোৰ ৰাইজে শীঘ্ৰেই ৰাজ্যৰ জলসম্পদ বিভাগ আৰু খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াক অঞ্চলটোত নদীৰ খহনীয়াৰ প্ৰতিৰোধৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংবাদ মাধ্যমৰ যোগেদি দাবী জনাইছে।

## শ্লাম বাৰ্জাৰ কোম্পানীৰ অসম বিৰোধী

*তিনি পৃষ্ঠাৰ পৰা* সহযোগিতা আগবঢ়োৱাৰ নামত বছৰি শ শ কোটি টকাৰ মুনাফা অৰ্জন কৰা ব্যক্তিগত প্ৰতিষ্ঠানটোৱে গ্ৰহণ কৰা থলুৱা বিৰোধী স্থিতিত ক্ষুণ্ণ হৈ পৰিছে ভুক্তভোগী ঠিকাদাৰসকল। প্ৰতিষ্ঠানটোৰ এনে থলুৱা বিৰোধী স্থিতিৰ প্ৰতিবাদ জনাই ইতিমধ্যে অ' এন জি চি কৰ্তৃপক্ষৰ উপৰি কেন্দ্ৰীয় পেট্ৰ'লিয়াম ৰাজমন্ত্ৰী ৰামেশ্বৰ তেলীৰ বিৰুদ্ধে অভিযোগ কৰিছে। উপৰোক্ত অভিযোগ তথা বহুৰাষ্ট্ৰীয় তৈল প্ৰতিষ্ঠানটোৱে তেল অন্বেষণৰ সহযোগিতাৰ বাবে অ' এন জি চিৰ পৰা কে'বাশ কোটি টকাৰ ডি এন এমৰ ঠিকা লাভ কৰিছে। এই বৃহৎ ঠিকা কামৰ বাবে ব্যৱহৃত হ'ব লগা বৃহৎ বৃহৎ যন্ত্ৰপাতি, যন্ত্ৰাংশ সংলগ্ন বৃহৎ আকাৰৰ গাড়ী আদিৰ তদাৰকী, মেৰামতি, পৰ্যবেক্ষণ ইত্যাদি কাৰ্যৰ বাবে সুবিধাজনক স্থান বাছনি কৰি ছাৰ্ভিচ ষ্টেছন নিৰ্মাণৰ এক উপঠিকাৰ বাবে নিবিদা আহ্বান কৰে। এই নিবিদা প্ৰক্ৰিয়াত এটা থলুৱা প্ৰতিষ্ঠানৰ উপৰি আন তিনিটা বহিৰাগত প্ৰতিষ্ঠানে স্থিৰ মূল্যৰে অংশগ্ৰহণ কৰে। নিবিদাত অংশগ্ৰহণকাৰী প্ৰতিষ্ঠানৰ সৰ্বনিম্ন ১২ লাখ টকাৰ পৰা সৰ্বোচ্চ ২৪ লাখ টকা আছিল। ইয়াৰে সৰ্বনিম্ন ১২ লাখ টকাৰে থলুৱা ঠিকাদাৰজনে নিবিদাত অংশগ্ৰহণ কৰিছিল যদিও থলুৱা ঠিকাদাৰজনক এই ঠিকা কামৰ পৰা বঞ্চিত কৰি বহিৰাগত ঠিকাদাৰী প্ৰতিষ্ঠানটোক ঠিকা কাম অৰ্পণ কৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই ক্ষেত্ৰত বহুৰাষ্ট্ৰীয় কোম্পানীটোত কৰ্মৰত দুজন বিষয়াই বৃহৎ পৰিমাণৰ কমিছনৰ বিনিময়ত বহিঃৰাজ্যৰ প্ৰতিষ্ঠানটোক ঠিকা অৰ্পণ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। দীৰ্ঘদিন ধৰি অসমৰ ভূগৰ্ভস্থ খাৰুৱা তেলৰ অন্বেষণৰ নামত কোটি কোটি টকা মুনাফা অৰ্জন কৰা প্ৰতিষ্ঠানটোৱে ইয়াৰ অধীনস্থ ঠিকা কামো বহিৰাগত প্ৰতিষ্ঠানত অৰ্পণ কৰি থলুৱা ঠিকাদাৰক ভাতে মৰাৰ কৌশল অৱলম্বন কৰা এই প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে অ' এন জি চিৰ কৰ্তৃপক্ষ আৰু কেন্দ্ৰীয় পেট্ৰ'লিয়াম ৰাজমন্ত্ৰীয়ে যথোচিত ব্যৱস্থা গ্ৰহণ কৰি থলুৱা স্বাৰ্থক অগ্ৰাধিকাৰ দিয়াৰ পোষকতা কৰিছে।

## মৰিগাঁৱত মহাবিদ্যালয়ৰ ভূমি ব্যক্তিগত

*তিনি পৃষ্ঠাৰ পৰা* জৰিয়তে হস্তান্তৰকৰণৰ এক প্ৰক্ৰিয়া চলি থকাৰ প্ৰাকক্ষণত জালুগুটি অঞ্চলৰ ৰাইজে এই ভূমি খণ্ড হস্তান্তৰকৰণৰ প্ৰক্ৰিয়া বন্ধ কৰিবলৈ মৰিগাঁও জিলা উপায়ুক্তক দাবী জনাইছে। তদুপৰি ৰাইজ আৰু দল-সংগঠন কেইটাই এই ৰাজহুৱা ভূমি খণ্ড কোনো কাৰণতে জালুগুটিৰ এটা পৰিয়ালৰ দুজন ব্যক্তিয়ে চলাই থকা ব্যক্তিগত বিদ্যালয়ক যাতে ভূমিখণ্ড গতাই দিয়া নহয়, তাৰ প্ৰতিও সংশ্লিষ্ট কৰ্তৃপক্ষৰ দাবী উত্থাপন কৰিছে। অন্যথা সমগ্ৰ জালুগুটি অঞ্চলবাসীয়ে ইয়াৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী হাতত ল'ব বুলি সদৰী দিছে। উল্লেখ্য যে ১৯৯২ত স্থাপন হোৱা জালুগুটি ৰাইজৰ প্ৰচেষ্টাত অঞ্চলটোত শৈক্ষিক পৰিৱেশ গঢ়ি তোলাৰ মানসেৰে জালুগুটি আঞ্চলিক মহাবিদ্যালয় প্ৰতিষ্ঠা হৈছিল। এই মহাবিদ্যালয়খনে অঞ্চলটোৰ শৈক্ষিক পৰিৱেশ গঢ়ি তোলাত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। বিগত ২৯ বছৰ ধৰি এই ভূমি খণ্ডত জালুগুটি আঞ্চলিক মহাবিদ্যালয়খনৰ উপৰি অঞ্চলটোৰ সামাজিক, সাংস্কৃতিক, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সভা-সমিতি, উৎসৱ-পাৰ্বণ আদি অনুষ্ঠিত হৈ আহিছে। ১৯৯৮ত মৰিগাঁৱৰ তদানীন্তন উপায়ুক্ত চন্দ্ৰ মোহন কাকতিৰ কাৰ্যকালত সেই সময়ৰ ভূমি উপদেষ্টা পৰিষদে জালুগুটি আঞ্চলিক মহাবিদ্যালয়খন পূৰ্ণাংগ ৰূপত হ'ব পৰাকৈ বহু বিঘা মাটি আবণ্টন দিছিল। সেই ভূমি খণ্ডত দীৰ্ঘকাল ধৰি মহাবিদ্যালয়কে ধৰি বহু অনুষ্ঠান-প্ৰতিষ্ঠানে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ অনুমতি সাপেক্ষে কাম-কাজ চলাই আহিছিল। কিন্তু অতি আশ্চৰ্যজনক বিষয় যে জালুগুটিৰ বহু বিশেষ ব্যক্তিৰ ত্যাগৰ বিনিময়ত গঢ়ি উঠা এই মহাবিদ্যালয়খনৰ ভূমিত সম্প্ৰতি দৃষ্টি পৰিছে এখন ব্যক্তিগত বিদ্যালয় কৰ্তৃপক্ষৰ।

২০০৪ত জালুগুটি স্থাপন হোৱা নবোদয় জাতীয় বিদ্যালয়ে মহাবিদ্যালয়খনৰ সংৰক্ষিত ভূমি ব্যক্তিগত বিদ্যালয়খনলৈ ভূমি হস্তান্তৰ কৰিবলৈ অতি কৌশলেৰে চেষ্টা অব্যাহত থকাৰ অভিযোগ উত্থাপন কৰিছে বৃহত্তম জালুগুটি অঞ্চলৰ সৰ্বসাধাৰণ ৰাইজে। জালুগুটি নবোদয় জাতীয় বিদ্যালয়খনৰ সভাপতি জ্যোতিপ্ৰসাদ দাস আৰু সম্পাদক অপূৰ্ব জ্যোতি দাসে তেওঁলোকৰ এই ব্যক্তিগত বিদ্যালয়খনৰ বাবে চাৰি কঠা মাটি বিচাৰি ইতিমধ্যে মৰিগাঁও জিলা উপায়ুক্তত আবেদনপত্ৰ প্ৰদান কৰিছে। জালুগুটিৰ এটা পৰিয়ালে নিজাববীয়াকৈ চলাই থকা এখন জাতীয় বিদ্যালয়ে ইতিমধ্যে অতি কৌশলেৰে মহাবিদ্যালয়ৰ ভূমিৰ এটা খণ্ড দখল কৰি বিদ্যালয়খন পৰিচালনা কৰি আহিছে। জালুগুটি আঞ্চলিক মহাবিদ্যালয়ৰ নামত ইতিমধ্যে আবণ্টিত হৈ থকা ভূমিখণ্ডৰ পৰা চাৰি কঠা কৈ মাটি ব্যক্তিগত বিদ্যালয়খনক দিবৰ বাবে বিভিন্ন প্ৰকাৰে হেঁচা প্ৰয়োগ কৰিছে বিদ্যালয়খনৰ লগত জড়িত দুই এজন মুষ্টিমেয় লোকে। জালুগুটি আঞ্চলিক মহাবিদ্যালয়ৰ নামত থকা ভূমিখণ্ড কোনো কাৰণতে আন কোনো অনুষ্ঠানৰ নামত ভূমি হস্তান্তৰ নকৰিবলৈ মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীক ইতিমধ্যে বৃহত্তৰ জালুগুটি ৰাইজে আহ্বান জনাইছে। তদুপৰি যোৱা ২০ অক্টোবৰত অনুষ্ঠিত জালুগুটি আঞ্চলিক মহাবিদ্যালয়ৰ সাধাৰণ সভাই এই সন্দৰ্ভত কে'বাটাও প্ৰস্তাৱ গ্ৰহণ কৰি মৰিগাঁও জিলা উপায়ুক্তক প্ৰেৰণ কৰিছে। ইপিনে, জালুগুটি আঞ্চলিক মহাবিদ্যালয় পৰিচালনা সমিতিয়েও মহাবিদ্যালয়ৰ সংৰক্ষিত ভূমিখণ্ডৰ ভূমি কোনো ব্যক্তিগত খণ্ডক নিদিবৰ বাবে মৰিগাঁও সমষ্টিৰ বিধায়কক আহ্বান জনোৱাৰ লগতে মৰিগাঁও ভূমি প্ৰশাসনক দাবী পত্ৰ প্ৰেৰণ কৰিছে। তদুপৰি এই বিষয়টোৰ সন্দৰ্ভত স্থানীয় জালুগুটি আঞ্চলিক ছাত্ৰ সন্থা, জালুগুটি আঞ্চলিক যুৱ ছাত্ৰ পৰিষদ, গবিয়া-মৰিয়া দেশী জাতীয় পৰিষদকে ধৰি স্থানীয় চাৰিটাকৈ সংগঠনে এই বিষয়টোক জিলা প্ৰশাসনৰ হস্তক্ষেপ দাবী জনাইছে।

## অখিলে বিজেপিৰ অক্সিজেন লৈ জীয়াই

*তিনি পৃষ্ঠাৰ পৰা* বিজেপি আৰু ৰাইজৰ দলক তীব্ৰ ভাষাৰে আক্ৰমণৰ লক্ষ্য কৰি লৈ কয় যে বৰ্তমান সময়ত বিজেপিয়ে জনগণৰ আৱেগক নস্যাৎ কৰাৰ ফলশ্ৰুতিত থাওৰা বিধানসভা সমষ্টিত মূৰ দাঙি উঠিব পৰা নাই। যাৰ বাবে এগৰাকী মুখ্যমন্ত্ৰী হৈ গাঁৱে গাঁৱে সুশান্ত বৰগোহাঁইৰ হৈ সভাত অংশগ্ৰহণ কৰিবলগীয়াত পৰিছে। ইতিমধ্যে বিজেপিয়ে বিধানসভা নিৰ্বাচন-2021 ত জনগণক দিয়া প্ৰতিশ্ৰুতিৰ এটাও আজিলৈকে পূৰণ কৰিব পৰা নাই। জনগণক 30 ইউনিটকৈ বিজুলী বিনামূলীয়াকৈ দিম বুলি দিয়া প্ৰতিশ্ৰুতি, চাহ শ্ৰমিকৰ দৈনিক মজুৰি 351 টকালৈ বৃদ্ধি আদি বিষয়বোৰৰ পৰা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আঁতৰি চলিব বিচাৰিছে। অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰীৰ অধিক মূল্যবৃদ্ধিয়ে জুহালত জুই লগাইছে। ইন্ধনজাত সামগ্ৰী পেট্ৰ'লে এশৰ ঘৰ অতিক্ৰম কৰাৰ লগতে ডিজেলেও শতকৰ ঘৰ কাইলৈ-পৰহিলৈ ছুব। ইফালে ৰন্ধন গেছৰ মূল্য এঘাৰশ টকা হ'বলৈ হৈছে যদিও ইয়াক নিয়ন্ত্ৰণ কৰাত ব্যৰ্থ হৈছে হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰখন। ইতিমধ্যে এই চৰকাৰখনৰ কাৰ্যকালতেই গোপীনাথ বৰদলৈ বিমান বন্দৰ আদানীক বিক্ৰী কৰা হৈছে। অসমৰ সম্পদ বিক্ৰী কৰি এতিয়া এই গৰাকী মুখ্যমন্ত্ৰীয়ে চালে-বেৰে টঙনীয়াই থাওৰা সমষ্টিৰ উন্নয়নৰ কথা ক'বলৈ আহিছে বুলি মুখপাত্ৰজনে উল্লেখ কৰে। সুশান্ত বৰগোহাঁইক এগৰাকী জাতিৰ বিশ্বাসঘাতক বুলি আখ্যা দি এই নিৰ্বাচনত সুশান্ত বৰগোহাঁইয়ে কংগ্ৰেছৰ প্ৰাৰ্থীজন হাতত বহু ভোটৰ ব্যৱধানত পৰাজিত হ'ব বুলি উল্লেখ কৰে। ইফালে, মুখপাত্ৰ অপূৰ্ব ভট্টাচাৰ্যৰ সমালোচনাৰ লক্ষ্য হৈ পৰে ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰ বিধানসভা সমষ্টিৰ বিধায়ক অখিল গগৈ। অখিল গগৈক কংগ্ৰেছৰ মুখপাত্ৰজনে এগৰাকী ৰাজনৈতিক দালাল বুলি আখ্যা দিয়ে। তেওঁ কয় যে বিজেপিৰ অক্সিজেন লৈ অখিল গগৈ জীয়াই আছে। দিল্লীৰ অসম ভৱনত বিজেপিৰ মন্ত্ৰী পীযুষ হাজৰিকাৰ স'তে গোপন মিটিঙত অংশগ্ৰহণ কৰাটো এতিয়া অসমৰ ৰাইজে বুজি উঠিছে। এআইইউডিএফ দলৰ বিধায়কে অখিল গগৈয়ে নিৰ্বাচন খেলিবলৈ 10 কোটি টকা বিচৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰাৰ পাছতো তেওঁ কিয় সেই গৰাকী বিধায়কৰ বিৰুদ্ধে গোচৰ তৰিবলৈ সাহস নহ'ল বুলি তেওঁ প্ৰশ্ন কৰে। জাতীয়তাবাদ, জাতিসত্বা এই বিলাক এতিয়া অখিল গগৈৰ বাবে গুৰুত্বহীন কথা। কান্ধত মোনা লৈ জাতীয়তাবাদৰ কথা ক'বলৈ যোৱা অখিল গগৈ এতিয়া কোটিটকীয়া বেপাৰী আৰু থাওৰা উপ-নিৰ্বাচনত অখিল গগৈয়ে বিজেপিৰ হৈ সম্পূৰ্ণৰূপে কাম কৰিছে বুলি কংগ্ৰেছ নেতাজনে গুৰুতৰ অভিযোগ উত্থাপন কৰে। কংগ্ৰেছ নেতা শুভ্ৰমিত্ৰ গগৈয়ে আঁতধৰা আজিৰ এই সংবাদমেলখনত জিলা সভাপতি লক্ষ্মীনাথ সন্দিকৈও উপস্থিত থাকে।

## তামুলপুৰত গণ সুৰক্ষা পাৰ্টিৰ প্ৰাৰ্থী

*তিনি পৃষ্ঠাৰ পৰা* সভা অনুষ্ঠিত নকৰি সমষ্টিটোৰ বিভিন্ন নামঘৰ, মন্দিৰ, ধৰ্মানুষ্ঠান আদিত সোমাই ৰাইজৰ আশিস বিচাৰি নিৰ্বাচনী প্ৰচাৰ চলাইছে। আজি তামুলপুৰৰ সাপ্তাহিক বজাৰত পুৰা গ্ৰাহক আৰু বিক্ৰেতাৰ মাজত সোমাই টৰ্ছলাইটৰ ছবিত ভোট দিয়াৰ আহ্বান জনায় প্ৰাৰ্থীজনে। তেওঁ বজাৰখনৰ জ্যেষ্ঠ নাগৰিক আৰু ব্যৱসায়ীসকলক সেৱা জনাই আশীৰ্বাদ গ্ৰহণ কৰে। নিৰ্বাচনী প্ৰচাৰৰ অন্তত তেওঁ সাংবাদিকৰে হোৱা এক আছুতীয়া সাক্ষাৎকাৰত কয়, 'আমি ডাঙৰ ডাঙৰ নিৰ্বাচনী সভা অনুষ্ঠিত কৰাৰ পৰিৱৰ্তে গাঁৱে গাঁৱে গৈ, মানুহৰ পদূলিয়ে পদূলিয়ে গৈ নিৰ্বাচনী প্ৰচাৰ চলাম। ইতিমধ্যে আমি সকলো জাতি-জনগোষ্ঠীৰ লোকৰ পৰা ব্যাপক সঁহাৰি লাভ কৰিবলৈ সক্ষম হৈছো। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে ৰাইজ আজি হিলদল ভাঙি আহি মোৰ পক্ষত থিয় দিছে।' মিত্ৰজোঁটৰ প্ৰাৰ্থীজনৰ প্ৰচাৰৰ বাবে মিত্ৰজোঁট চৰকাৰৰ মন্ত্ৰী-বিধায়ক, বিটিচি প্ৰধান প্ৰমোদ বড়োৰ উপৰি ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে তামুলপুৰত নিৰ্বাচনী প্ৰচাৰত নামি পৰা সন্দৰ্ভত প্ৰাৰ্থী ডেকাই কয়, 'মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা তামুলপুৰলৈ সঘনাই আহিলে ৰাইজৰ লাভ হ'ব। মুখ্যমন্ত্ৰী তামুলপুৰলৈ আহি আঁচনি ঘোষণা কৰি গ'লে দুই নৰেশ্বৰৰ পাছত সেই আঁচনিসমূহ মই বিধায়ক হোৱাৰ পাছত কাৰ্যকৰী কৰিব পাৰিম। মুখ্যমন্ত্ৰীৰ প্ৰচাৰ কাৰ্যই মোৰ নিৰ্বাচনত কোনো ধৰণৰ প্ৰভাৱ নেপেলায়। এইবাৰৰ উপ-নিৰ্বাচনত ৮০ হেজাৰতকৈ অধিক ভোট লাভ কৰি নিৰ্বাচনত বিজয়ী হ'ব বুলিও দাবী কৰে জিএছপিৰ প্ৰাৰ্থী ডেকাই। তামুলপুৰৰ উপ-নিৰ্বাচনত কংগ্ৰেছ দল কোনো 'ফেক্টৰ' নহয় বুলি জিএছপিৰ প্ৰাৰ্থীজনে বিগত ১৫ বছৰে কংগ্ৰেছে বিটিচিৰ ৰাইজক চিনিয়েই নাপালে বুলি কটাক্ষ কৰে। বিপিএফৰ লগত শাসন চলোৱাৰ সময়ত বিটিচিৰ ৰাইজক চিনি নোপোৱা কংগ্ৰেছৰ ভেটি আজি থৰক-বৰক হোৱাৰ বাবেহে এতিয়া সাৰ পাইছে আৰু বিটিছিবাসীক কংগ্ৰেছে চিনি পাইছে বুলি কংগ্ৰেছৰ বিৰুদ্ধে বিষোদগাৰ কৰে ডেকাই। ৰাইজে তেওঁক কিয় ভোট দিব বুলি সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত প্ৰাৰ্থীজনে কয়, 'বিটিচি চুক্তি সম্পন্ন হোৱাৰে পৰা বিগত ১৭ বছৰে শাসনত থকাসকলে সম উন্নয়ন, সমবিকাশ আৰু সমমৰ্যাদাৰ শ্ল'গান দি আহিছে যদিও সেয়া কাৰ্যতঃ হৈ উঠা নাই।' ১৭টা জনগোষ্ঠীৰ বাসস্থলী তামুলপুৰ এখন ক্ষুদ্ৰ অসম বুলি মন্তব্য কৰি ডেকাই পুনৰ কয়, 'লাঞ্চিত-শোষিত-বঞ্চিত এই জনগোষ্ঠীসমূহ আজি মোৰ কাষত থিয় দিছে। মই বিধায়কৰূপে নিৰ্বাচিত হ'লে সকলো জাতি-জনগোষ্ঠীক সমমৰ্যাদা, সম-অধিকাৰ দিম বুলি প্ৰতিশ্ৰুতিবদ্ধ।' ২০০২ৰ পৰা তামুলপুৰ ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে সুসম্পৰ্ক গঢ়ি সমন্বয়ৰ হকে কাম কৰা বুলি দাবী কৰি ডেকাই ২০১৪ৰ পৰা শিক্ষা ক্ষেত্ৰৰ লগত জড়িত হৈ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱা ভিন্ন জাতি-জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীক ব্যক্তিগতভাৱে সম্বৰ্ধনা জ্ঞাপন কৰি তামুলপুত একতা আৰু সমন্বয় সৃষ্টি কৰি কাম কৰি অহা বুলি সদৰী কৰে। তামুলপুৰৰ অৱসৰপ্ৰাপ্ত শিক্ষাগুৰু আৰু সমাজ জীৱনৰ হৈ কাম কৰা ৮০ৰ ঊৰ্ধ্বৰ লোকসকলক বিচাৰি তেওঁলোকৰ কৰ্মক সন্মান জনাই ব্যক্তিগতভাৱে সম্বৰ্ধনা জ্ঞাপন কৰিছে যদিও কোনো ৰাজনৈতিক দলে আজিও সেইসকল স্বনামধন্য লোকক স্বীকৃতি নিদিলে বুলি মন্তব্য কৰি সেইসকলৰ আশীৰ্বাদ তেওঁৰ লগত আছে বুলি দাবী কৰে। ডেকাই কয় সেই বাবেই মোৰ জয় এশ শতাংশই নিশ্চিত।' নিৰ্দলীয় প্ৰাৰ্থী গণে কছাৰীয়ে জি এছ পিৰ প্ৰাৰ্থী ব্ৰজেন্দ্ৰ নাথ ডেকাক ইউপিপিএলে প্ৰজেক্ট কৰা বুলি কৰা মন্তব্যত তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি তেওঁ কয়, 'মই কোনো দলে প্ৰজেক্ট কৰা প্ৰাৰ্থী নহয়। মই তামুলপুৰৰ ১৭টা জনগোষ্ঠীৰ ৰাইজৰ প্ৰজেক্ট। ৰাইজৰ আশীৰ্বাদত এইবাৰ মই বিধায়কৰূপে নিৰ্বাচিত হ'লেই তামুলপুৰৰ শিক্ষা, স্বাস্থ্য, কৃষিকে ধৰি সকলো দিশৰ উন্নয়নৰ বাবে কাম কৰি যাম।'

## নিৰ্বাচনত নিয়োজিত মুৰব্বী বিষয়াৰে বৈঠকত বুজ ল'লে নিৰ্বাচনী কাম-কাজৰ

**অগ্ৰদূত বাৰ্তা**

**গোসাঁইগাঁও, ২২ অক্টোবৰ ঃ** অহা ৩০ অক্টোবৰত ২৮ নম্বৰ গোসাইগাঁও বিধানসভা সমষ্টিত অনুষ্ঠিত উপ-নিৰ্বাচনৰ বিভিন্ন কাম-কাজৰ অগ্ৰগতিৰ বুজ লোৱাৰ উদ্দেশ্যে আজি গোসাঁইগাঁৱত আহি উপস্থিত হয় ৰাজ্যৰ মুখ্য নিৰ্বাচনী আয়ুক্ত নিতীন খাড়ে। এই উপলক্ষে আজি গোসাঁইগাঁৱৰ মহকুমাধিপতিৰ কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এখন সভাত নিৰ্বাচনৰ স'তে জড়িত বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰে মুখ্য নিৰ্বাচনী আয়ুক্তে মত বিনিময় কৰাৰ লগতে নিৰ্বাচনী কাম-কাজৰ অগ্ৰগতি সম্পৰ্কে পৰ্যালোচনা কৰে। গোসাঁইগাঁও জিলা নিৰ্বাচনী বিষয়া তথা গোসাঁইগাঁৱৰ মহকুমাধিপতি ৰাহুল কুমাৰ গুপ্তাই আঁত ধৰা সভাখনত কোকৰাঝাৰ জিলাৰ উপায়ুক্ত বৰ্ণালী ডেকাৰ লগতে জিলা আৰক্ষী অধীক্ষক থুবে প্ৰতীক বিজয় কুমাৰ আৰু ধুবুৰীৰ আৰক্ষী অধীক্ষক গৌৰৱ অভিজিত দিলীপো উপস্থিত থাকে। তেওঁলোকে আইন-শৃংখলা জনিত বিষয়সমূহৰ ওপৰত গ্ৰহণ কৰা কাৰ্য ব্যৱস্থাৰ সবিশেষ মুখ্য নিৰ্বাচনী আয়ুক্তক অৱগত কৰে। বৈঠকত মুখ্য নিৰ্বাচনী আয়ুক্ত খাড়েই বিভিন্ন শাখাত নিয়োজিত মুৰব্বী বিষয়াসকলক আগন্তুক নিৰ্বাচনী যাতে স্বচ্ছ, নিকা আৰু নিৰপেক্ষ হয় তাৰ প্ৰতি তীক্ষ্ণ নজৰ ৰখাৰ আহ্বান জনায়। ক'ভিড নীতি-নিয়মসমূহ যাতে সকলো ক্ষেত্ৰতে সঠিকভাৱে পালিত হয় তাৰ প্ৰতিও নজৰ ৰখাৰ বাবে তেওঁ বিষয়াসকলক আহ্বান জনায়। ইয়াৰ পাছতে তেওঁ সমষ্টিটোৰ দুটাকৈ ভোট গ্ৰহণ কেন্দ্ৰ যথাক্ৰমে ৫৩২, জয়মাহাট প্ৰাথমিক বিদ্যালয় আৰু ধাউলিগুৰী প্ৰাথমিক বিদ্যালয়ৰ লগতে গোসাইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰখনো পৰিদৰ্শন কৰে।

## ডংকামোকামত জিলা সাহিত্য

*তিনি পৃষ্ঠাৰ পৰা* মিনা ৰাম বৰা, সম্পাদক শ্যালেন সৰকাৰ আৰু সহকাৰী-সম্পাদিকা অলকা বাথাৰীসহ চাৰিওজনক সঘনে নিৰ্বাচিত কৰে। ইপিনে, ডংকামোকামত পশ্চিম কাৰ্বি আংলং জিলা সাহিত্য সভাৰ আগন্তুক দ্বিতীয় দ্বি-বাৰ্ষিক অধিবেশনৰ বাবে আদৰণি সমিতিৰ আহ্বায়ক হিচাপে বীণা ৰংহাংপীক দায়িত্বভাৰ অৰ্পণ কৰে। লগতে জিলাখনৰ আগন্তুক দ্বিতীয় দ্বি-বাৰ্ষিক অধিবেশন জিলাখনৰ কৰি'ডৰ নগৰ ডংকামোকামত আগন্তুক বৰ্ষৰ জানুৱাৰীৰ দ্বিতীয় সপ্তাহত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

## কলিয়াবৰত ব্যৱসায়ীক

*তিনি পৃষ্ঠাৰ পৰা* অভিযোগ দিয়াৰ লগতে কলিয়াবৰ মহকুমাধিপতি পবিত্ৰ কুমাৰ দাসৰ জৰিয়তে সংশ্লিষ্ট আৰক্ষীৰ ওচৰতো দুই স্বয়ম্ভূ সাংবাদিকৰ জৰিয়তে গোচৰ তৰিছে। অভিযোগ মতে, সমগ্ৰ কলিয়াবৰ সমষ্টিতে এই স্বয়ম্ভূ সাংবাদিকৰ লগতে দুয়ো লগ হৈ এটা ছয়-সাতজনীয়া দলে ব্লেকমেইলিং, দাবী- ধমকিৰে বিভিন্ন স্থানত বিভিন্নজনৰ পৰা ধনদাবী কৰি কলিয়াবৰৰ সংবাদক্ষেত্ৰখনত কালিমা সনাৰ লগতে সকলোকে অতিষ্ঠ কৰি তুলিছে। ইয়াকে লৈ ইতিমধ্যে এইসকলৰ বিৰুদ্ধে মাৰবান্ধি থিয় হৈছে কলিয়াবৰৰ সচেতন ৰাইজ। শেহতীয়াকৈ সিচঁৰতি হৈ থকা টেলিফোনিক অডিঅ' ক্লিপত নগাঁও আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ নামত প্ৰকাশ পাইছে। এনে একাংশ পাবত গজা সাংবাদিক নামধাৰী দুষ্টচক্ৰই কলিয়াবৰ জনজীৱনতো নেতিবাচক প্ৰভাৱ পেলাইছে যাৰ বাবে সৰ্বত্ৰে সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ।'

## হাজোৰ আধিয়াৰপাৰাত পথ

*তিনি পৃষ্ঠাৰ পৰা* সময়তে গুৱাহাটীৰ পৰা বৰপেটা অভিমুখী যাত্ৰীবাহী এএছ-২৫চিচি-১৮৯৩ নম্বৰৰ ট্ৰেভেলাৰ এখনে পথচাৰি কিশোৰজনক মহতীয়াই নিয়াত থিতাতে নিহত হয়। ইফালে, দুৰ্ঘটনা সংঘটিত কৰি ঘটনাস্থলীৰ পৰা ট্ৰেভেলাৰ খনৰ চালক জনে পলায়ন কৰে। এই দুৰ্ঘটনাক লৈ স্থানীয় ৰাইজে ৰাজপথৰ পৰিৱেশ উত্তপ্ত কৰে। পাছত হাজো আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনে। কিশোৰজনৰ মৃতদেহসহ দুৰ্ঘটনা সংঘটিত কৰা ট্ৰেভেলাৰখন থানালৈ নিয়ে।

## এআইইউডিএফে ভৱানীপুৰত

*তিনি পৃষ্ঠাৰ পৰা* এআইইউডিএফৰ দলীয় প্ৰাৰ্থী জুব্বাৰ আলীৰ সমৰ্থনত বাগ্‌সা জিলাৰ শালবাৰীৰ সাউদৰভিঠাত এক নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে সোণাই বিধানসভা সমষ্টিৰ দলীয় বিধায়ক কৰিমুদ্দিন বৰভূঞাই। কে'বা শতাধিক ৰাইজ উপস্থিত থকা দলীয় সভাত অংশগ্ৰহণ কৰি জ্যেষ্ঠ এআইইউডিএফৰ নেতাজনে কয়, 'ভৱানীপুৰ বিধানসভা সমষ্টিত চতুৰ্থবাৰৰ বাবে জয়লাভ কৰিব এআইইউডিএফে। ইয়াত কোনো সন্দেহ নাই। অসমৰ ৰাজনৈতিক ইতিহাসত এটা পৰিৱৰ্তন আহিব। এআইইউডিএফে অমুছলিম ভোট নাপায় বুলি লোৱা ধাৰণা সলনি হ'ব। দলটোৱে ভৱানীপুৰ সমষ্টিৰ ২০ হেজাৰ অমুছলিম ভোট লাভ কৰিব এইবাৰৰ উপ-নিৰ্বাচনত।' আনহাতে, ছহিদৰ তেজক যদি সন্মান জনাইছে তেতিয়া হ'লে এআইইউডিএফেহে জনাইছে বুলি দাবী কৰি তেওঁ কয়, 'এআইইউডিএফৰ নেতাই ছহিদক অসন্মান কৰা নাই। মুখ্যমন্ত্ৰীয়েহে ছহিদক অসন্মান কৰিছে। সংশোধিত নাগৰিকত্ব আইন এআইইউডিএফে অনা নাই। ইয়াৰ প্ৰত্যুত্তৰ ৰাইজে এইবাৰ ড° হিমন্ত বিশ্ব শৰ্মাক দিব। তেওঁ বাংলাদেশীমুক্ত অসম গঢ়িবলৈ গৈ বাংলাদেশী অনাৰহে আইন কৰিছে।' ৰাইজক আৱেগিক কথা নক'বলৈ মুখ্যমন্ত্ৰীক আহ্বান জনাই সোণাইৰ বিধায়কজনে কয় যে পেট্ৰ'লৰ দাম ৮০ টকা, ডিজেলৰ দাম ৭০ টকা কৰিব পাৰিলেহে ৰাইজে বিজেপিক ভোট দিলেহেঁতেন; কিন্তু যি দেখিছো মুখ্যমন্ত্ৰীয়েহে বজাৰত জুই লগাইছে। দাইল, মিঠাতেল, পেট্ৰ'ল, ডিজেলৰ দাম কমাই দিছো বুলি ক'ব পাৰিবনে বুলি মুখ্যমন্ত্ৰীক প্ৰত্যাহ্বান জনাই তেওঁ কয়, 'মুখ্যমন্ত্ৰীয়ে জাতিৰ ভিত্তিত, ধৰ্মৰ নামত বিভাজন আনিছে। তেওঁ বেআইনী কাম কৰা বাবেহে মুখ্যমন্ত্ৰী হৈ আছে নেকি বুলি প্ৰশ্ন কৰি তেওঁ কয়, 'মুখ্যমন্ত্ৰীয়ে কাইলৈৰ পৰা ঘোষণা কৰক, হিন্দু মানুহৰ বাবে মিঠাতেলৰ দাম এশ টকা, পেট্ৰ'ল-ডিজেলৰ দাম ৫০ টকা বুলি ভোট খোজক ধৰ্মীয় মেৰুকৰণেৰে।

## চটাইবাৰী গাঁও পঞ্চায়তত

*তিনি পৃষ্ঠাৰ পৰা* ইয়াৰ দ্বাৰা স্থানীয় ৰাইজ উপকৃত নহয় বুলি অভিযোগ উঠিছে। প্ৰকৃততে এই কালভাৰ্টটো ধমধমা পাবনৈ উল্টাখন্দা জানৰ ওপৰত নিৰ্মাণ কৰিবলৈ স্থানীয় ৰাইজে বাৰম্বাৰ পঞ্চায়তখনৰ সভাপতি দীপুল পাটোৱাৰী আৰু সচিব অনিল শৰ্মাক দাবী উত্থাপন কৰি আহিছিল যদিও তেওঁলোকে ৰাইজক অনুৰোধক উপেক্ষা কৰি উক্ত স্থানত নিশাৰ ভিতৰতে কালভাৰ্টটো নিৰ্মাণ কৰাত ৰাইজে জাঙুৰ খাই উঠিছে। আনকি কালভাৰ্টটো ইমানেই নিম্নমানেৰে নিৰ্মাণ কৰিছে যে উক্ত স্থানত থকা পুৰণি কালভাৰ্টটোৰ শ্লাবখনো ব্যৱহাৰ কৰি নতুনকৈ নিৰ্মাণ কৰা বুলি দেখুৱাই সিংহভাগ ধন সংশ্লিষ্ট দুয়োগৰাকীয়ে আত্মসাৎ কৰা বুলিও ৰাজহুৱা অভিযোগ উঠিছে। মন কৰিবলগীয়া বিষয় যে উক্ত স্থানত এই কালভাৰ্টটো নিৰ্মাণ হোৱাত ভেলামাৰী আৰু দমধমা গাঁৱৰ প্ৰায় পাঁচ শতাধিক কৃষক ৰাইজ সমাগত বাৰিষা কালত ভীষণ সমস্যাত পৰাটো নিশ্চিত হৈ পৰিছে। গাঁও দুখনৰ শ শ হেক্টৰ কৃষিভূমিৰ পানী উক্ত কালভাৰ্টটোৰে বৈ যোৱাত অসুবিধাৰ সৃষ্টি কৰি উক্ত কৃষি ভূমিসমূহ প্লাৱিত হৈ থাকিব বুলি অঞ্চলটোৰ কৃষিজীৱী ৰাইজে ধাৰণা কৰিছে। ৰাইজৰ লাভালাভৰ পিনে পিঠি দি লুণ্ঠনৰ অভিপ্ৰায়ৰে নিৰ্মাণ কৰা কালভাৰ্টটোৰ বিষয়ে উচিত তদন্তৰ দাবী স্থানীয় ৰাইজৰ লগতে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ঘগ্ৰাপাৰ আঞ্চলিক সমিতিৰ। ইফালে, পঞ্চায়তখনত শেহতীয়াভাৱে এম জি এনৰেগা, চতুৰ্দশ বিত্তীয় আয়োগ, অনাময় আদি আঁচনিত সীমাহীন দুৰ্নীতি-অনিয়ম হোৱা বুলি যুৱ-ছাত্ৰ পৰিষদে অভিযোগ উত্থাপন কৰিছে।

## জাতি-জনগোষ্ঠীৰ মাজত

*তিনি পৃষ্ঠাৰ পৰা* প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে বুলিও তেওঁ কয়। গোষ্ঠী দ্বন্দ্বত হোৱা সা-সামগ্ৰী আজি নহ'লে কাইলৈ ধনেৰে পূৰণ কৰিব পাৰিলেও মনত পঞ্জীভূত হৈ থকা দুখ আৰু অশান্তি কিঞ্চিত হলেও আঁতৰ কৰাৰ চেষ্টা কৰিব। এই ক্ষেত্ৰত চৰকাৰ দৃঢ় বুলিও তেওঁ উল্লেখ কৰে লগতে গোষ্ঠী দ্বন্দ্বই বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সৃষ্টি কৰি থৈ যোৱা মানসিক ব্যৱধান সাংস্কৃতিক কাৰ্যসূচী আদান-প্ৰদানেৰে আঁতৰাব লাগিব। এনেদৰেই অহা দিনত বিটিআৰত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত মিলাপ্ৰীতি তথা ভ্ৰাতৃত্ববোধৰ সৃষ্টি কৰি সমিলমিলেৰে জীয়াই থাকিব লাগিব বুলি তেওঁ কয়। বিভিন্ন সম্প্ৰদায়ৰ মানুহৰ মাজত ভ্ৰাতৃত্বভাৱ গঢ়ি তুলিলেহে সমাজত শান্তি প্ৰতিষ্ঠা হ'ব বুলিও বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্যজনে কয়। উক্ত সভাত দলৰ কেন্দ্ৰীয় সম্পাদক ৰাজু নাৰ্জাৰী, উপ-সভাপতি জিৰেন বসুমতাৰী, বিটিআৰৰ কাৰ্যবাহী সদস্য উকীল মুছাহাৰী, বিজেপিৰ গুমা মণ্ডলৰ সভাপতি নিলেশ্বৰ ৰায় আজি উপস্থিত থাকে।

## বিদ্যালয়, কৃষিভূমি জাহ যোৱাৰ

*তিনি পৃষ্ঠাৰ পৰা* খাৰবাল্লী, চিকনী, সেওৰাচৰা, শৌলমাৰী আদি গাঁৱতো বেঁকী নদীৰ ধাৰাবাহিক খহনীয়াই সাধাৰণ ৰাইজক আতংকিত কৰিছে। এইক্ষেত্ৰত বেঁকী নদীৰ মৰাসুঁতিৰ মুখ বন্ধ নকৰিলে আৰু অধিক ভয়ংকৰ ৰূপ ধাৰণ কৰি শ শ পৰিয়ালৰ ভেটি-মাটি নৈৰ বুকুত উছন হোৱাৰ আশংকা আছে। কৰাৰকুৰ বেঁকী দলং, বিকল্প ৰাজ্যিক ঘাইপথ নৈৰ বুকুত জাহ যোৱাৰ উপক্ৰম ঘটিছে। এনে এক প্ৰেক্ষাপটত আজি বৰপেটা জিলাৰ উপায়ুক্ত তেজ প্ৰসাদ ভুচালে কৰাৰকুৰ, বলাইপাথাৰত বেঁকী নৈৰ খহনীয়া অঞ্চল পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। উপায়ুক্ত ভুচালে কয় যে শীঘ্ৰে খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। কৰাৰকুৰত বিকল্প ৰাজ্যিক ঘাইপথৰ কাষত বেঁকী নৈয়ে ৰুদ্ৰমূৰ্তি ধাৰণ কৰিছে। অৱশ্যে ৰাজ্যিক ঘাইপথ ৰক্ষাৰ্থে দিনে নিশাই কাম চলি আছে। বিকল্প ৰাজ্যিক ঘাইপথ ৰক্ষা কৰাৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব। খহনীয়া অঞ্চল পৰিদৰ্শন কালত জিলা উপায়ুক্তৰ লগতে কলগাছিয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়া চন্দনা বৰুৱাৰ লগতে কে'বাজন জলসম্পদ বিভাগৰ বিষয়াও উপস্থিত থাকে।

## ৰঙাপৰা প্ৰেছ ক্লাবৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ২২ অক্টোবৰ ঃ** ১৯৯৩ত প্ৰতিষ্ঠা হোৱা ৰঙাপৰা প্ৰেছ ক্লাবৰ নৱনিৰ্বাচিত সমিতিখনৰ কালি সন্ধিয়া প্ৰথমখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। ৰঙাপৰাৰ মহাত্মা গান্ধী পথত থকা অস্থায়ী কাৰ্যালয়ত সভাপতি পংকজ নাথৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক শশী ভূষণ শৰ্মাই। সভাত উপস্থিত থকা উপদেষ্টা বলেন চক্ৰৱৰ্তী, আব্দুল ৰহিম, ৰাজেশ পাটোদিয়া আৰু বিমান মণ্ডলে ৰঙাপৰা প্ৰেছ ক্লাবৰ সাংবাদিকসকলক উদ্দেশ্য কৰি কয় যে অঞ্চলটোৰ সমস্যাসমূহৰ বাতৰি প্ৰেৰণ কৰাৰ লগতে এখন সুস্থ সমাজ গঢ়ি তোলাত উল্লেখযোগ্য ভূমিকা পালন কৰিব লাগিব। কাৰণ ৰঙাপৰাত অন্য সংস্কৃতিয়ে গা কৰি উঠিছে। যি সমাজখনৰ বাবে অতি ক্ষতিকাৰক। ৰঙাপৰা প্ৰেছ ক্লাবৰ নতুন সমিতিখনৰ দায়িত্ব ক্ৰমান্বয়ে বাঢ়িছে। ৰঙাপৰাত নিৰ্মাণ হৈ থকা উৰণীয়া সেতুখনৰ কাম সম্পূৰ্ণ হোৱাৰ পাছতে প্ৰেছ ক্লাবৰ দখলত থকা মাটিখিনিত নতুন ভৱন নিৰ্মাণৰ পৰিকল্পনা কৰিবলৈ উপদেষ্টাসকলে পৰামৰ্শ আগবঢ়ায়। লগতে মহামাৰী ক'ভিডে বিধি-পথালি নিদিলে ৰঙাপৰা প্ৰেছ ক্লাবৰ ৰূপালী জয়ন্তী বৰ্ষটি ২০২২ৰ ফেব্ৰুৱাৰী-মাৰ্চত অনুষ্টুপীয়াকৈ হ'লেও উদ্‌যাপন কৰিবলৈ সভাত পৰামৰ্শ দিয়ে। গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ মাধ্যমৰ স'তে জড়িত ৰঙাপৰাৰ সাংবাদিকসকলে গৰিমা অটুট ৰাখি আগবাঢ়ি যাবলৈ প্ৰেছ ক্লাবৰ মুখ্য উপদেষ্টা সুনিল ম'ৰে পৰামৰ্শ দিয়ে। ৰঙাপৰা প্ৰেছ ক্লাবৰ উপ-সভাপতি চাহিন আহমেদে সাংগঠনিক দিশত গঠনমূলক মন্তব্য দাঙি ধৰে। সভাত কে'বাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

## দোতমা স্বাস্থ্যকৰ্মীক সম্বৰ্ধনা বিজেপিৰ

**অগ্ৰদূত বাৰ্তা**

**ফকিৰাগ্ৰাম, ২২ অক্টোবৰ ঃ** বিশ্বৃত সন্ত্ৰাস সৃষ্টি কৰা মহামাৰী কৰ'না ভাইৰাছৰ পৰা পৰিত্ৰাণ পাবলৈ ভাৰত চৰকাৰে প্ৰতিষেধক প্ৰদান কৰিছে। এই প্ৰতিষেধক ইতিমধ্যে এশ কোটি লোকক বিনামূলীয়াকৈ প্ৰদান কৰি সমগ্ৰ বিশ্বৰ ভিতৰতে ভাৰতে গৌৰৱ অৰ্জন কৰাৰ বাবেই বিজেপিৰ কৰ্মকৰ্তাসকলে স্বাস্থ্যকৰ্মী-চাফাই কৰ্মীসকলক সম্বৰ্ধনা জ্ঞাপন কৰিছে। কোকৰাঝাৰ জিলাৰ দোতমা মণ্ডল আৰু ফকিৰাগ্ৰাম মণ্ডল সমিতিৰ কৰ্মকৰ্তাসকলে পৃথকে পৃথকে আজি চিকিৎসালয়, স্বাস্থ্য কেন্দ্ৰ আদিত কৰ্মৰত চিকিৎসক, নাৰ্ছ, চাফাই কৰ্মীসকলক সম্বৰ্ধনা জনায়। সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকে দোতমা বিজেপিৰ সভাপতি অঞ্চুমৈ ওৱাৰী, ৰাজেন্দ্ৰ বসুমতাৰীৰ লগতে আন কৰ্মকৰ্তাসকলে। দোতমা, সেৰফাংগুৰি, শিমলাগুৰী, ৰামফল বিল আদি চিকিৎসালয় স্বাস্থ্য কেন্দ্ৰত কৰ্মৰত চিকিৎসক, নাৰ্ছৰ লগতে চাফাইকৰ্মীসকলক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। ইপিনে, ফকিৰাগ্ৰাম মণ্ডল সমিতিয়ে শক্তি আশ্ৰমত সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰে।

## নগাঁৱৰ সত্ৰীয়া সংস্কৃতিৰ সাধক ৰেৱত চন্দ্ৰ

*তিনি পৃষ্ঠাৰ পৰা* মন্ত্ৰী কেশৱ মহন্ত, নগাঁৱৰ বিধায়ক ৰূপক শৰ্মা, প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুজন পুত্ৰ এৰি যায়।

## তাই আহোমক স্বায়ত্ত শাসন

*তিনি পৃষ্ঠাৰ পৰা* সেনাধ্যক্ষ অংকুৰণ ফুকনে কয় যে, চাওল্যুংছ্যুকাফাৰ অসম আগমনৰ পৰা বৰ অসম গঢ়ালৈকে টাই আহোম সকলৰ অৱদান তথা তাই আহোমসকলে নিজ ভাষা-সংস্কৃতি পৰিহাৰ কৰি নিজে আন এক অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত যি অৱদান আগবঢ়াই গ'ল তাক কোনোৱে অস্বীকাৰ কৰিব নোৱাৰে। কিন্তু অতি পৰিতাপৰ বিষয় যে ভাৰত স্বাধীন হোৱাৰ অত বছৰৰ পাছতো তাই আহোম সকলৰ সামাজিক, অৰ্থনৈতিক দিশত পিছ পৰি ৰোৱা পৰিলক্ষিত হৈছে। এই সন্দৰ্ভত পূৰ্বতে বহুবাৰ আবেদন জনোৱাৰ পাছতো তাই আহোম সকলৰ উন্নয়নৰ স্বাৰ্থত চৰকাৰে কোনো ফলপ্ৰসু ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত নহ'ল। জনজাতিকৰণ আৰু স্বায়ত্ত শাসন প্ৰদানৰ সন্দৰ্ভত কেৱল আলোচনাৰ মেজতে বিষয়টো স্থৱিৰ হৈ পৰিল। অসমৰ মৰাণ, মটক, কোচৰাজবংশী সকলক যিদৰে স্বায়ত্ব শাসন প্ৰদান কৰা হ'ল একেদৰে তাই আহোমসকলকো শীঘ্ৰে স্বায়ত্ত শাসন প্ৰদান কৰিবৰ বাবে লগতে তাই আহোম সকলক জনজাতিৰ মৰ্যাদা আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰাৰ দাবী জনাই আহোম সেনাৰ কেন্দ্ৰীয় সভাপতি অংকুৰণ ফুকন আৰু সম্পাদক প্ৰসূন ৰাজকোঁৱৰৰ স্বাক্ষৰিত এক স্মাৰকপত্ৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে।

## কংগ্ৰেছৰ নেতৃত্বই বিজেপিৰ ওচৰত

*তিনি পৃষ্ঠাৰ পৰা* দলে তীব্ৰ প্ৰত্যাহ্বান জনাবলৈ সক্ষম হৈছে। মৰিয়নি আৰু থাওৰাক লৈ বিজেপি আৰু আৰ এছ এছ-এ ভয় খাইছে বুলি উল্লেখ কৰি দুয়োটা সমষ্টিতে শাসক দলে সমস্ত ধনৰ টোপোলা আনি, ব্যাপক ৰূপত ধন বিলাই, ভয়-ভাবুকিৰে ভোট খুজিবলগীয়া পৰিস্থিতি সৃষ্টি হৈছে। এয়া প্ৰকৃততে ৰাইজৰ দলৰ নৈতিক বিজয় বুলি তেওঁ উল্লেখ কৰে। কংগ্ৰেছক সমালোচনা কৰি গগৈয়ে কয়, 'কংগ্ৰেছ আৰু বিজেপিয়ে বুজাবুজি কৰি নিৰ্বাচন খেলিছে। আনকি বিজেপিৰ প্ৰতিজন মন্ত্ৰী-সাংসদে এতিয়া কংগ্ৰেছক আক্ৰমণ নকৰে। প্ৰতিখন সভাত এতিয়া ৰাইজৰ দল আৰু অখিল গগৈক আক্ৰমণৰ লক্ষ্য কৰি লৈছে বিজেপিয়ে। তদুপৰি মৰিয়নি আৰু থাওৰা দুয়োটা সমষ্টিত কংগ্ৰেছে দুৰ্বল আৰু অপৰিচিত ব্যক্তিক প্ৰাৰ্থিত্ব প্ৰদান কৰি বিজেপিৰ পথ মসৃণ কৰিব বিচাৰিছে।' ৰূপজ্যোতি কুৰ্মীৰ এসময়ৰ ৱাইন শ্বপৰ ছেলছমেনক মৰিয়নিত কংগ্ৰেছে কিয় প্ৰাৰ্থিত্ব দিলে বুলি প্ৰশ্ন উত্থাপন কৰি গগৈয়ে কয়, 'যোগ্য আৰু নিষ্ঠাবান কংগ্ৰেছ কৰ্মীকো কংগ্ৰেছে টিকট দিব পাৰিলেহেঁতেন।' মৰিয়নিৰ কংগ্ৰেছ প্ৰাৰ্থীজনৰ নাম ৰাইজে শুনাই নাই বুলিও মন্তব্য কৰে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ বিৰুদ্ধে সৰৱ হৈ কয়, 'ভূপেন বৰাই বিজেপি আৰু মুখ্যমন্ত্ৰীৰ লগত বুজাবুজি কৰি থাওৰা আৰু মৰিয়নিত দুৰ্বল প্ৰাৰ্থী দি বিজেপিক আসন এৰি দিছে। কাৰ্যতঃ বিজেপিৰ ওচৰত কংগ্ৰেছে আত্মসমৰ্পণ কৰিছে।' আনহাতে, মৰিয়নিৰ প্ৰাক্তন বিধায়ক কুৰ্মী আৰু থাওৰাৰ প্ৰাক্তন বিধায়ক সুশান্ত বৰগোহাঁইক সমালোচনা কৰি কয়, 'কুৰ্মী আৰু বৰগোহাঁয়ে একমাত্ৰ ছিণ্ডিকেট চলাবৰ বাবে বিজেপিলৈ গৈছে।' কংগ্ৰেছত থাকি এতিয়া ছিণ্ডিকেট চলাব নোৱাৰি এইবাৰ বিজেপিত যোগদান কৰিলে বুলি মন্তব্য কৰে। ইফালে, ৰূপজ্যোতি কুৰ্মীয়ে এশজন অখিল গগৈ আহিলেও মোক হৰুৱাব নোৱাৰে বুলি প্ৰত্যাহ্বান জনোৱা প্ৰসংগত কয়, 'সেয়া ৰাইজে দেখি আছে এতিয়াই। শাসনাধিষ্ঠ দলৰ প্ৰাৰ্থী হৈও সাধাৰণ উপ-নিৰ্বাচনত জিকিবলৈ গোটেই দিছপুৰখনেই উঠি আহিবলগীয়া হোৱা পৰিস্থিতিয়েই প্ৰমাণ কৰে কুৰ্মীৰ অৱস্থা এতিয়া কি হৈছে।' আনহাতে, অৰ্কিড পাৰ্কৰ সন্দৰ্ভত বিধায়ক গগৈয়ে কয়, 'কাজিৰঙা অৰ্কিড পাৰ্ক সমবায় ভিত্তিত চলি থকা অসমৰ আটাইতকৈ বেছি পৰ্যটক অহা আৰু অসমৰ সবাতোকৈ ডাঙৰ সমবায় সমিতি।' ইয়াত মালিকৰ কথা নাহেই বুলি উল্লেখ কৰে। প্ৰসংগক্ৰমে তেওঁ কুৰ্মীক কটাক্ষ কৰি কয়, '১৫ বছৰ বিধায়ক হৈ ৰূপজ্যোতিয়ে ৱাইন শ্ব'প খুলিলে আৰু কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সভাপতি আৰু সম্পাদক হৈ অখিল গগৈয়ে অৰ্কিড পাৰ্ক খুলিলো।' অৰ্কিড পাৰ্ক এতিয়া জাতীয় সম্পদলৈ ৰূপান্তৰিত হোৱা বুলিও তেওঁ লগতে উল্লেখ কৰে। আনহাতে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক উভতি ধৰি গগৈয়ে কয়, 'বিধানসভাত মুখ্যমন্ত্ৰীয়ে আটাইতকৈ বেছি নিৰ্দলীয় বিধায়কলৈকে ভয় কৰে।' এইবাৰ উপ-নিৰ্বাচনত জয়ী হৈ যদি আৰু দুজন নিৰ্দলীয় বিধানসভালৈ যায় তেন্তে হিমন্ত বিশ্ব শৰ্মাৰ সান্দহ খোৱা বালি তল যাব বুলি উল্লেখ কৰাৰ লগতে যিকোনো পৰিস্থিতিত থাওৰা আৰু মৰিয়নিত ৰাইজৰ দলৰ প্ৰাৰ্থীক সেইবাবেই হৰুৱাবলৈ গোটেই চৰকাৰখন উঠি পৰি লাগিছে বুলি মন্তব্য কৰে। ইফালে, মাটিৰ পট্টা প্ৰদান কৰা সম্পৰ্কত মুখ্যমন্ত্ৰী ড° শৰ্মাই কৰা মন্তব্যৰ প্ৰত্যুত্তৰ দি কয়, 'হিমন্ত বিশ্বই মাটিৰ দালালিহে কৰি পালে। কিন্তু অখিল গগৈয়ে গোটেই জীৱনৰ মাটিৰ আন্দোলন কৰি আহিছে। আমি কেনেকৈ মাটিৰ পট্টা দিব লাগে সেয়া জানো। মুখ্যমন্ত্ৰী ড° শৰ্মাই দিব বুলি ক'লেও অখিল গগৈয়ে পাবলগীয়া ব্যক্তিক মাটিৰ পট্টা দিবই বুলি প্ৰত্যাহ্বান জনায়।' সংবাদমেলত ৰাইজৰ দলৰ কাৰ্যকৰী সভাপতি কবিন্দ চেতিয়া ফুকন, সাধাৰণ সম্পাদক অলক নাথ, উপ-সভাপতি ৰাছেল হুছেইন, যোৰহাট জিলা সমিতিৰ সভাপতি দিব্যজ্যোতি শৰ্মা, মৰিয়নি উপ-নিৰ্বাচনৰ প্ৰাৰ্থী সঞ্জীৱ গগৈ আদিও উপস্থিত থাকে।

## কাঁহশিল্পক জগত সভালৈ নিয়াৰ

*তিনি পৃষ্ঠাৰ পৰা* দেশৰ প্ৰতিষ্ঠিত শিক্ষানুষ্ঠানত পঢ়োৱাইছে। আশা কৰা ধৰণে সন্তান দুটিয়েও শিক্ষাৰ ক্ষেত্ৰখনত আগবাঢ়ি গৈছে। কাঁহশিল্পীক লৈ তেওঁ যথেষ্ট সম্পৰীক্ষা চলাই আহিছে। যাতে তেওঁৰ জৰিয়তে কাঁহশিল্পক গোটেই বিশ্বই নৰূপত আৱিষ্কাৰ কৰিবলৈ সক্ষম হয়। সৰ্থেবাৰীৰ তামুলী চুপা নিবাসী তপন ডেকাই তেওঁৰ সপোনৰ বিষয়ে দৈনিক অগ্ৰদূত কাকতক এইদৰে কয়, ১৯৯৪ চনত উচ্চতৰ মাধ্যমিক পৰীক্ষা পাছ কৰি আৰু পঢ়া নহল। পূৰ্বপুৰুষৰ এই পৰম্পৰাগত বৃত্তিটোক কেৰিয়াৰ হিচাপে লোৱাৰ কথা তেতিয়াই চিন্তা কৰিছিলো। চৰকাৰী চাকৰিৰ বাবে মই কেতিয়াও চেষ্টা কৰা নাই। দেউতাৰ কামবোৰ চাই থকাৰ বাবেই সৰুতেই শিকিছিলোঁ। কাঁহ-পিতলৰ সামগ্ৰী বনাবলৈ। মোৰ ককাইদেৰেও এই শিল্পৰ স'তে জড়িত হৈ আছে। তেওঁ পিতলৰ সামগ্ৰীহে বনায়। পিতলৰ দাইনিং, পালেং ইত্যাদি তেওঁ বৰ ধুনীয়াকৈ বনাই আহিছে। কিন্তু মই কাঁহটো বাছি ল'লোঁ। যিহেতু কাঁহ-পিতলৰ সামগ্ৰীয়ে অতীজৰে পৰা সকলো শ্ৰেণীৰ মানুহৰ মাজত সমাদৰ লাভ কৰি আহিছে সেয়ে নতুনকৈ তাক চিনাকি কৰাই দিয়াৰ কথাই আহিব নোৱাৰে। সেয়ে মই বহুত চিন্তা কৰি তাক এক নতুন ৰূপ দিয়াৰ চেষ্টা কৰিলোঁ। নতুন নতুন সামগ্ৰী বিভিন্ন আৰ্হিত প্ৰস্তুত কৰাৰ কথা ভাবিলোঁ। দৈনিক ব্যৱহাৰ কৰা সামগ্ৰীৰ উপৰিও বিভিন্ন ধৰণৰ সাজ-সজ্জাৰ বাবে কাঁহৰ সামগ্ৰী আৰ্হিত প্ৰস্তুত কৰাৰ কথা ভাবিলোঁ। দৈনিক ব্যৱহাৰ কৰা সামগ্ৰীৰ উপৰিও বিভিন্ন ধৰণৰ সাজ-সজ্জাৰ বাবে কাঁহৰ সামগ্ৰী ড্ৰয়িং ৰুমত খুবেই জনপ্ৰিয়। এই কাঁহৰ সামগ্ৰীকেই বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ লগতে নিজৰ আয়ৰ পথ মুকলি কৰাৰ বাবে চিন্তা কৰিলোঁ। সেইমতেই কাম আৰম্ভ হ'ল। উল্লেখ্য অসমীয়াক নিজৰ গুৰু বিষয় হিচাপে লৈ বাপুজী মহাবিদ্যালয়ৰ পৰা স্নাতকৰ দুটা বৰ্ষ অতিক্ৰম কৰা তপন ডেকাৰ সপোনে পাখি মেলিলে। পিতৃৰ কৰ্মসূত্ৰে এই শিল্পটোৰ প্ৰতি আগ্ৰহী হৈ পৰা উচ্চ শিক্ষিত ডেকাই ১৯৯৮ চনত পৰীক্ষামূলকভাৱে কাঁহেৰে ঘড়ী প্ৰস্তুত কৰি সৰ্থেবাৰীৰ দোকানবোৰত প্ৰদান কৰে। প্ৰায় ডেৰ বছৰলৈ তেওঁ ঘড়ী বনাই বিভিন্ন ঠাইত প্ৰদান কৰাৰ পিছত ইয়াৰ মাৰ্কেটৰ কথা উপলব্ধি কৰি ভগৱানৰ মূৰ্তি বনোৱাৰ প্ৰয়াস কৰে। তাৰ পিছত তেওঁ থমকি ৰ'বলগীয়া হোৱা নাই। ভগৱানৰ মূৰ্তি, মানুহৰ প্ৰতিমূৰ্তি, নামঘৰৰ দুৱাৰ, প্ৰতীক চিহ্ন, উপহাৰৰ সামগ্ৰীকে আদি কৰি বিভিন্ন কাৰিকৰী কৌশলেৰে পৰিপূৰ্ণ কাঁহ-পিতলৰ সামগ্ৰী আজি সুদীৰ্ঘ ২৩ বছৰে বনাই আহিছে তেওঁ। তেওঁ প্ৰস্তুত কৰা প্ৰতিমূৰ্তি ইতিমধ্যে ৰাজ্যপাল বনোৱাৰিলাল পুৰোহিত, জগদীশ মুখী, তৰুণ গগৈ, ড° হিমন্ত বিশ্ব শৰ্মা, ৰঞ্জিত দাস, দিপালি বৰঠাকুৰ, ড° ভূপেন হাজৰিকা, জুবিন গাৰ্গ, ৰামচৰণ ভৰালী, বিভিন্ন জিলাৰ উপায়ুক্তসকলক উপহাৰস্বৰূপে প্ৰদান কৰিছে বুলি শিল্পীগৰাকীয়ে জানিবলৈ দিয়ে। ইমানেই নহয় দেশৰ ৰাজধানী নতুন দিল্লীৰ প্ৰগতি মৈদামত তেওঁ প্ৰস্তুত কৰা এটা ৪ ফুট উচ্চতাৰ মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিও স্থাপন কৰা হৈছে। তদুপৰি তেওঁ বনোৱা গণেশৰ মূৰ্তি আজি কেইদিনমানৰ আগতে লণ্ডনলৈও প্ৰেৰণ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। চুবুৰীয়া ৰাষ্ট্ৰ চীন, ভূটান, নেপাল, তিব্বতৰ লগতে ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অৰ্ডাৰ লাভ কৰা তপন ডেকাই লকডাউনৰ পূৰ্বে চাৰিহেজাৰ ভোৰতালৰ অৰ্ডাৰ সম্পূৰ্ণ কৰিছে। তেনেদৰে বৰ্তমান তেওঁ ২৫ যোৰ ভোৰ তালৰ কাম কৰি আছে য'ত নেপাল, ভূটান, তিব্বত আৰু চীনা লিপি খোদিত কৰাৰ লগতে বিভিন্ন ডিজাইন খোদিত কৰা হৈছে। তদুপৰি চাৰি বছৰ পূৰ্বে সৰ্থেবাৰীৰ জগন্নাথ মন্দিৰৰ মূল দুৱাৰখন ডিজাইন কৰিছিল তপন ডেকাই। উক্ত দুৱাৰখনৰ সম্পূৰ্ণ কাম আছিল ৫,৫৫,৮০০ টকাৰ। তাত ডেকাই কামৰ বাবে লাভ কৰিছিল ১,২৪ লাখ। তেওঁ জনোৱা অনুসৰি সৰ্থেবাৰীৰ গোমুৰা সত্ৰৰ মূল দুৱাৰখন নিৰ্মাণৰ কাম কৰাৰ বাবে কৰ্তৃপক্ষই তেওঁৰ সৈতে আলোচনা কৰিছে। উক্ত কামৰ ঠিকা ৪.৪৮ লাখ টকাৰ। কাঁহশিল্পৰে জড়িত হৈ সন্তানক বহিঃৰাজ্যৰ প্ৰতিষ্ঠিত শিক্ষানুষ্ঠানত পঢ়োৱা তপন ডেকাৰ মাতৃ, পত্নী আৰু দুজন পুত্ৰৰে সুখৰ সংসাৰ। বৰপুত্ৰই অন্ধ্ৰপ্ৰদেশত বি ফাৰ্ম কৰাৰ লগতে সৰুপুত্ৰই ৮৪ শতাংশ নম্বৰলৈ এইবাৰ উচ্চতৰ মাধ্যমিক পৰীক্ষা উত্তীৰ্ণ হৈছে। দুয়োজনেই কাঁহৰ সামগ্ৰী বনাব জানে। সেয়ে পিতৃ তপন ডেকা তেওঁলোকৰ ভৱিষ্যতক লৈ চিন্তিত নহয়। কিয়নো চৰকাৰী চাকৰি নাপালেও তেওঁলোকৰ সন্তানে এই শিল্পক কেৰিয়াৰ হিচাপে লৈ আগবাঢ়িব পাৰিব। সুদীৰ্ঘ ২৩টা বছৰে এই শিল্পৰ স'তে জড়িত হৈ থকা তপন ডেকাই কিন্তু আজিলৈকে ৰজাঘৰীয়াৰ তৰফৰ পৰা লাভ কৰা নাই কোনোধৰণৰ উচিত সমাদৰ। কাঁহশিল্পৰ এনে এটা ব্যৱসায়ীক ৰূপক উদ্ভাৱন কৰা তপন ডেকাৰ কৰ্মোদ্যমে নতুন প্ৰজন্মক যথেষ্ট উৎসাহিত কৰি তুলিছে। লাহে লাহে এই সৃষ্টিকে অনুকৰণ কৰি তেওঁলোকেও বিভিন্ন দৃষ্টিনন্দন সামগ্ৰী প্ৰস্তুত কৰিছে যিয়ে সমগ্ৰ বিশ্বতে সমাদৰ লাভ কৰিছে।

### টাইৱানৰ প্ৰসংগত ৱাশ্বিংটনে মূৰ ঘমোৱাৰ প্ৰয়োজন নাই ঃ চীনে দিলে মাৰ্কিন ৰাষ্ট্ৰপতি জ' বাইডেনক সকীয়নি

# টাইৱানক লৈ সংঘাত চীনৰ ঃ আমেৰিকাই ক'লে 'আমি কৰিম ৰক্ষা'

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ২২ অক্টোবৰ ঃ** টাইৱান আৰু চীনৰ মাজত অব্যাহত থকা সংঘাতৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ মন্তব্য প্ৰকাশ কৰিলে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে। মাৰ্কিন ৰাষ্ট্ৰপতিয়ে স্পষ্টভাৱে কয় যে চীনে যদিহে টাইৱানক আক্ৰমণ কৰে তেন্তে আমেৰিকাই দেশখনক নিৰাপত্তা প্ৰদান কৰিব। কালি চি এন এন টাউন হলত অনুষ্ঠিত এখন বৈঠকত অংশ লোৱাৰ সময়ত বাইডেনে টাইৱানক প্ৰতিশ্ৰুতি দি কয় যে চীনৰ আগ্ৰাসনৰ পৰা টাইৱানক আমেৰিকাই সদায় ৰক্ষা কৰি যাব। এই বৈঠকত সাংবাদিকে প্ৰশ্ন কৰি কৈছিল যে যদিহে চীনে টাইৱানক আক্ৰমণ কৰে, তেতিয়া আমেৰিকাই টাইৱানক নিৰাপত্তা প্ৰদান কৰিব নেকি? এই প্ৰশ্নৰ উত্তৰ দি বাইডেনে কয়, 'হয় আমি টাইৱানক ৰক্ষা কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ।' বাইডেনৰ এই মন্তব্যক টাইৱানে স্বাগতম জনাইছে। টাইৱানৰ ৰাষ্ট্ৰপতিৰ কাৰ্যালয়ৰ



মুখপাত্ৰ জেভিয়ৰ ছাংগে এক বিবৃতিত কয় যে মাৰ্কিন চৰকাৰে আনুষ্ঠানকভাৱে টাইৱানৰ প্ৰতি নিজৰ সমৰ্থন আৰু সহযোগিতা ব্যক্ত কৰাটো দেশখনৰ বাবে আদৰণীয় ঘটনা। উল্লেখ্য যে চীনে টাইৱান দখল কৰিবলৈ শেহতীয়াভাৱে আগ্ৰাসী ভূমিকা গ্ৰহণ কৰি আহিছে। টাইৱানৰ আকাশমাৰ্গত সঘনে চীনা বায়ুসেনাৰ বিমানে মুক্ত বিচৰণ কৰি অহা ঘটনায়ো টাইৱানক শংকিত কৰিছে। এনে পৰিস্থিতিতে আকৌ এবাৰ আমেৰিকাই স্পষ্টভাৱে ঘোষণা কৰি ক'লে যে হোৱাইট হাউছে টাইৱানক চীনৰ আগ্ৰাসনৰ পৰা সুৰক্ষাৰ বাবে সদায়ে প্ৰয়োজনীয় সহযোগিতা আগবঢ়াই যাব। আমেৰিকাৰ এই ঘোষণাৰ পাছত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে বেইজিঙে। চীনৰ বৈদেশিক মন্ত্ৰণালয়ে আমেৰিকাক সকীয়নি দি কয় যে টাইৱানৰ প্ৰসংগত ৱাশ্বিংটনে মূৰ ঘমোৱাৰ কোনো প্ৰয়োজন নাই। টাইৱান আৰু বেইজিঙৰ দ্বিপাক্ষিক বিষয়ত বাইডেন প্ৰশাসনে হস্তক্ষেপ কৰিলে ইয়াৰ পৰিণতি বিষম হ'ব বুলিও চীনে সকীয়াই দিছে।

## উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশত ৩৯ মহিলা বিষয়াক স্থায়ী নিয়োগ সেনাবাহিনীত



**নিউজ ব্যুৰ', নতুন দিল্লী, ২২ অক্টোবৰ ঃ** উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ পালন কৰি ভাৰতীয় সেনা বাহিনীয়ে ৩৯ গৰাকী মহিলা বিষয়াক স্থায়ী কমিছনত নিযুক্তি দিলে। আজি ভাৰতীয় সেনাই এই কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। সেনাবাহিনীৰ অস্থায়ী (ছৰ্ট ছাৰ্ভিচ) কমিছনত কৰ্মৰত ৭১ গৰাকী মহিলা বিষয়াই স্থায়ী কমিছনৰ দাবীত উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল। ২০২০ৰ ফেব্ৰুৱাৰীত ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড় আৰু অজয় ৰাস্তোগীৰ বিচাৰপীঠে ৰায় দি কৈছিল যে ভাৰতীয় সেনাত কৰ্মৰত যিসকল মহিলা বিষয়াই ছৰ্ট ছাৰ্ভিচত ১৪ বছৰ কৰ্মৰত হৈছে আৰু এতিয়াও চাকৰি কৰি আছে, তেওঁলোকক স্থায়ী নিযুক্তিৰ বাবে বিবেচনা কৰিব পাৰি। তদুপৰি মহিলাক সেনাৰ কমাণ্ডিং বিষয়াৰ পদত নিযুক্তিৰ বাবেও বিবেচনা কৰিবলৈ সৰ্বোচ্চ ন্যায়ালয়ে নিৰ্দেশ দিছিল। ভাৰতীয় সেনাই আজি ঘোষণা কৰি কয় যে প্ৰথম পৰ্যায়ত অভিযোগকাৰী ৭১ গৰাকী মহিলাৰ কাম-কাজৰ ক্ষতিয়ান লোৱাৰ পাছত ৩৯ গৰাকীক স্থায়ী কমিছনত নিযুক্তিৰ প্ৰস্তাৱ দিয়া হৈছে। অন্যান্য ২৫ গৰাকী স্থায়ী কমিছন লাভৰ বাবে যোগ্য বিবেচিত নহ'ল।



## হাইপাৰছ'নিক যুগৰ আৰম্ভ ঃ নতুন ক্ষেপণাস্ত্ৰ প্ৰযুক্তি পৰীক্ষণ আমেৰিকাৰ

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২২ অক্টোবৰ ঃ** কিছুদিন পূৰ্বে চীনৰ হাইপাৰছ'নিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষণক লৈ বিশ্বজুৰি জল্পনা-কল্পনাৰ সৃষ্টি হৈছিল। এনে পৰিস্থিতিৰ মাজতে এইবাৰ হাইপাৰছ'নিক ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষণ সম্পন্ন কৰিলে আমেৰিকাই। যোৱা বুধবাৰে ভাৰ্জিনিয়াৰ ৱালপছত নাছাৰ এটা কেন্দ্ৰত এই পৰীক্ষণ সম্পন্ন কৰা হৈছিল। নৌবাহিনীয়ে নক্সা তৈয়াৰ কৰা সাধাৰণ হাইপাৰছ'নিক ক্ষেপণাস্ত্ৰ তৈয়াৰৰ ক্ষেত্ৰত ইয়াক এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি অভিহিত কৰিলে আমেৰিকাৰ নৌসেনাবাহিনীয়ে। কিছুদিন পূৰ্বে চীনে হাইপাৰছ'নিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষা কৰা বুলি এক বাতৰি প্ৰচাৰিত হৈছিল যদিও চীনে ইয়াক অস্বীকাৰ কৰি মহাকাশযানৰ পৰীক্ষা চলোৱা বুলি দাবী কৰিছিল। এইবাৰ আমেৰিকাই হাইপাৰছ'নিক ক্ষেপণাস্ত্ৰ পৰীক্ষণৰে সমগ্ৰ বিশ্বক চমকিত কৰিলে।



## হজযাত্ৰীয়ে ল'ব লাগিব ক'ভিডৰ দুপালি প্ৰতিষেধক

**নিউজ ব্যুৰ', নতুন দিল্লী, ২২ অক্টোবৰ ঃ** কেন্দ্ৰীয় সংখ্যালঘু মন্ত্ৰী মুখতাৰ আব্বাচ নকভীয়ে আজি ঘোষণা কৰি কয় যে ২০২২ বৰ্ষত যিসকল ইছলামধৰ্মী লোকে হজযাত্ৰাত অংশ ল'ব বিচাৰে তেওঁলোকে কৰ'নাৰ দুপালি প্ৰতিষেধক গ্ৰহণ কৰিব লাগিব। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে ২০২২ৰ হজযাত্ৰাৰ বাবে ভাৰতৰ হজযাত্ৰীসকলে আৰৱ চৰকাৰে নিৰ্ধাৰণ কৰা নিয়ম-নীতি মানি চলিব লাগিব। হজ সমীক্ষা বৈঠকত সভাপতিত্ব কৰাৰ পাছত নকভীয়ে কয় যে অহা মাহৰ পহিলা সপ্তাহত ২০২২ৰ হজযাত্ৰাৰ সন্দৰ্ভত আনুষ্ঠানিক নিয়ম-নীতি ঘোষণা কৰা হ'ব। নৱেম্বৰৰ প্ৰথম সপ্তাহৰ পৰা ইচ্ছুক হজযাত্ৰীয়ে আবেদন দাখিল কৰিব পাৰিব। ২০২২ৰ হজযাত্ৰাৰ প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে অনলাইন আৰু ডিজিটেল পদ্ধতিৰে সম্পন্ন কৰা হ'ব বুলিও মন্ত্ৰীজনে উল্লেখ কৰে।

# উপ-নিৰ্বাচনৰ পূৰ্বে বিহাৰত মহামৰ্চা ভংগ, আৰ জে ডিৰ সংগ ত্যাগ কংগ্ৰেছৰ

**নিউজ ব্যুৰ', পাটনা, ২২ অক্টোবৰ ঃ** বিহাৰ বিধানসভাৰ উপ-নিৰ্বাচনৰ পূৰ্বে ৰাজ্যখনত ভংগ হ'ল মহামৰ্চা। আৰ জে ডিৰ স'তে সম্পৰ্ক ত্যাগৰ সিদ্ধান্ত ল'লে কংগ্ৰেছে। আজি বিহাৰ কংগ্ৰেছৰ প্ৰভাৰী ভক্তচৰণ দাসে এই কথা প্ৰকাশ কৰি কয় যে ভৱিষ্যতেও আৰ জে ডিৰ স'তে কংগ্ৰেছে কোনো মৰ্চাত আবদ্ধ নহয়। লোকসভাৰ আগন্তুক নিৰ্বাচনতো কংগ্ৰেছে আৰ জে ডিৰ স'তে কোনো মিত্ৰতা নাৰাখে বুলি দাসে আজি স্পষ্টভাৱে ঘোষণা কৰে। দাসে এই কথা ঘোষণা কৰি লগতে কয় যে উপ-নিৰ্বাচনৰ লগতে লোকসভাৰ আগন্তুক নিৰ্বাচনতো কংগ্ৰেছে অকলে বিহাৰত প্ৰতিদ্বন্দ্বিতা কৰিব। উল্লেখ্য যে বিগত কে'বামাহ ধৰি আৰ জে ডিৰ স'তে কংগ্ৰেছৰ মতানৈক্য অব্যাহত আছিল। মূলত উপ-নিৰ্বাচনত আসন ভাগ-বাটোৱাৰাক লৈ আৰ জে ডিৰ স'তে কংগ্ৰেছৰ সংঘাতৰ সৃষ্টি হৈছিল। এই সংঘাতৰ পৰিণতিতে অৱশেষত মহামৰ্চা ভংগ কৰি কংগ্ৰেছে আৰ জে ডিৰ সংগ ত্যাগ কৰিলে। লোকসভাৰ



নিৰ্বাচনৰ পূৰ্বে বিহাৰত কংগ্ৰেছে এইদৰে মহামৰ্চা ত্যাগ কৰাটো তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে। কংগ্ৰেছে এইদৰে আৰ জে ডিৰ সংগ ত্যাগ কৰি এইবাৰ চি পি আই ত্যাগ কৰি কংগ্ৰেছত যোগদান কৰা কানহাইয়া কুমাৰৰ জৰিয়তে দলটোক বিহাৰত অধিক শক্তিশালী কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। কানহাইয়াই ইতিমধ্যে বিধানসভাৰ উপ-নিৰ্বাচনৰ প্ৰচাৰৰ বাবে বিহাৰত উপস্থিত হৈছে।



## হাৰিয়ানাত আৰক্ষীক আক্ৰমণ প্ৰতিবাদী কৃষকৰ, গাড়ী কৰিলে লণ্ডভণ্ড

**নিউজ ব্যুৰ', ৰেৱাড়ী, ২২ অক্টোবৰ ঃ হাৰিয়ানাৰ মহেন্দ্ৰগড় জিলাত সাৰৰ সমস্যাত ভোগা কৃষকে প্ৰতিবাদ সাব্যস্ত কৰাৰ সময়তে আৰক্ষীৰ স'তে সংঘৰ্ষত লিপ্ত হ'ল। কৃষকে ৰাজপথ অৱৰোধ কৰি ৰখাত আৰক্ষীয়ে বাধা দিবলৈ যোৱাত ক্ষুব্ধ কৃষকে আৰক্ষীলৈ শিলাবৰ্ষণ কৰে। এই ঘটনাত দুজন আৰক্ষী কৰ্মী গুৰুতৰভাৱে আহত হোৱাৰ লগতে আন কে'বাজনে ওচৰৰ দোকানত আশ্ৰয় লৈ নিজক ৰক্ষা কৰে। আক্ৰমণকাৰী কৃষকে 'ডায়েল ১১২'ৰ লগতে 'পি চি আৰ' বাহনৰো ক্ষতিসাধন কৰে। পাছত ঘটনাস্থলীত অতিৰিক্ত আৰক্ষী বাহিনী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। উল্লেখ্য যে হাৰিয়ানাৰ কৃষকসকলে এইবাৰ কৃষি কাৰ্যৰ বাবে প্ৰয়োজনীয় সাৰৰ যোগান লাভৰ পৰা বঞ্চিত হৈছে। ৰেৱাড়ী, গুৰুগ্ৰাম, মহেন্দ্ৰগড়, চৰখি-দাদৰিত বিগত ২০ দিন ধৰি কৃষকে সাৰৰ যোগানৰ দাবীৰে আন্দোলন অব্যাহত ৰাখিছে।**

# চীনত পুনৰ কৰ'নাৰ ব্যাপক সংক্ৰমণ, নিশাৰ ভিতৰতে হ'ল তলাবন্ধ

**নিউজ ব্যুৰ' বেইজিং, ২২ অক্টোবৰ ঃ** চীনত পুনৰ কৰ'না ভাইৰাছৰ সংক্ৰমণ বৃদ্ধি পাইছে। ক'ভিডৰ সংক্ৰমণে যাতে আকৌ ভয়াৱহৰূপ ধাৰণ কৰিব নোৱাৰে তাৰ বাবে প্ৰশাসনে অতিৰিক্ত সতৰ্কতা অৱলম্বন কৰিছে। ইতিমধ্যে চীনৰ বিভিন্ন অঞ্চলত বহু বিমানৰ চলাচল বন্ধ ৰখা হৈছে আৰু বিদ্যালয়ো পুনৰ বন্ধ ঘোষণা কৰা হৈছে। মূলত উত্তৰ আৰু উত্তৰ-পশ্চিম চীনত



ক'ভিডৰ নতুন প্ৰজাতিৰ সংক্ৰমণৰ প্ৰকোপ অধিক প্ৰত্যক্ষ হৈছে। প্ৰশাসনৰ দাবী অনুসৰি, আন দেশৰ পৰা অহা পৰ্যটকৰ জৰিয়তে চীনত ক'ভিডৰ নতুন সংক্ৰমণে দেখা দিছে। নতুনকৈ ক'ভিডত আক্ৰান্ত হোৱা লোকসকলৰ সৰহসংখ্যকে হৈছে বৰ্ষীয়ান নাৰী-পুৰুষ। ইতিমধ্যে উত্তৰ আৰু উত্তৰ-পশ্চিম চীনত বিনোদন পাৰ্ক আৰু পৰ্যটন কেন্দ্ৰ বন্ধ ৰখাৰ নিৰ্দেশ দিয়া হৈছে। তদুপৰি অঞ্চলটোত ক'ভিডৰ পৰীক্ষণ ব্যাপক কৰি তোলা হৈছে। প্ৰতিবেদনত প্ৰকাশিত তথ্য অনুসৰি বিগত পাঁচদিন ধৰি দেশখনৰ উত্তৰ আৰু উত্তৰ-পশ্চিম অঞ্চলত কৰ'নাত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাইছে। পৰ্যটকৰ জৰিয়তে দেশখনত ক'ভিড আক্ৰান্তৰ সংখ্যা ঊৰ্ধ্বমুখী হৈছে। উল্লেখ্য যে যোৱা ২০১৯ৰ ডিচেম্বৰত চীনৰ উহান প্ৰদেশতে বিশ্বৰ প্ৰথম কৰ'না ৰোগীক ধৰা পেলোৱা হৈছিল।



## ৰাছিয়াত ৰাসায়নিক প্ৰকল্পত ভয়াৱহ বিস্ফোৰণ, নিহত কমেও ১২ জন

**নিউজ ব্যুৰ' ম'স্কো, ২২ অক্টোবৰ ঃ** ৰাছিয়াৰ পশ্চিম ৰিয়াজান প্ৰদেশত থকা এটা বৃহৎ ৰাসায়নিক প্ৰকল্পত সংঘটিত হোৱা বিস্ফোৰণত কমেও ১২ জন লোকে প্ৰাণ হেৰুৱালে। ৰুছ সংবাদ প্ৰতিষ্ঠান টাছে প্ৰকাশ কৰা বাতৰি অনুসৰি, এই ঘটনাৰ পাছৰে পৰা উক্ত ৰাসায়নিক প্ৰকল্পত নিয়োজিত আন চাৰিজন লোক সন্ধানহীন হৈ আছে। কি কাৰণত ৰাসায়নিক প্ৰকল্পটোত বিস্ফোৰণ সংঘটিত হ'ল সেয়া এতিয়াও জানিব পৰা হোৱা নাই।

## আমিৰ খান অভিনীত বিজ্ঞাপনত হিন্দু অনুভূতিত আঘাতৰ দাবী বিজেপি সাংসদৰ

**বাংগালুৰু, ২২ অক্টোবৰ ঃ** দেশৰ অন্যতম বৃহৎ টায়াৰ প্ৰস্তুতকাৰক সংস্থা ছিয়াট লিমিটেডৰ এটি বিজ্ঞাপনত অসন্তুষ্টি প্ৰকাশ কৰি পত্ৰ লিখিলে বিজেপিৰ সাংসদ অনন্ত কুমাৰ হেগড়েয়ে। এই বিজ্ঞাপনত অভিনয় কৰিছে বলিউডৰ মহাতাৰকা অভিনেতা আমিৰ খানে। জনপ্ৰিয় অভিনেতাজনে বিজ্ঞাপনত ৰাজপথত ফটকা নুফুটাবলৈ পৰামৰ্শ দিছে। কৰ্ণাটকৰ বিজেপি সাংসদ হেগড়েয়ে এই বিষয়ত ছিয়াটলৈ পত্ৰ লিখি এইদৰে কয়, 'নামাজৰ সময়ত ৰাস্তা অৱৰোধ আৰু যি শব্দ কৰা হয়, সেই বিষয়ক সমস্যাক লৈও বিজ্ঞাপন তৈয়াৰ কৰক। আপোনাৰ কোম্পানীৰ সাম্প্ৰতিক বিজ্ঞাপনত আমিৰ খানে মানুহক ৰাস্তাত ফটকা নুফুটাবলৈ পৰামৰ্শ দিছে। এই বাৰ্তা ভাল। জনসাধাৰণৰ সমস্যাৰ প্ৰতি আপোনাৰ উদ্বেগ প্ৰকাশ প্ৰশংসনীয়। কিন্তু শুকুৰবাৰে নামাজৰ নামতো ৰাজপথ অৱৰোধ কৰা আৰু মুছলমানসকলৰ অন্যান্য গুৰুত্বপূৰ্ণ



উৎসৱতো একে ঘটনা হৈ আহিছে। তদুপৰি নামাজত জোৰে জোৰে আজান দিয়া হয়। এই শব্দ অনুমোদিত সীমাৰ ঊৰ্ধ্বত। এদল হিন্দু বিৰোধী অভিনেতাই সদায়ে হিন্দুৰ অনুভূতিত আঘাত কৰি আহিছে। কিন্তু তেওঁলোকে কেতিয়াও নিজৰ সম্প্ৰদায়ৰ ভুল কামৰ প্ৰকাশ নকৰে।' হেগড়েৰ এই পত্ৰক লৈ সামাজিক মাধ্যমত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।



## ভাৰতৰ ১০০ কোটি টিকাকৰণক টুইটাৰত ভূয়সী প্ৰশংসা বিল গেটছৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ২২ অক্টোবৰ ঃ কৰ'নাৰ সংক্ৰমণ প্ৰতিৰোধৰ যুঁজত ভাৰতে গ্ৰহণ কৰা পদক্ষেপক আকৌ এবাৰ ভূয়সী প্ৰশংসা কৰিলে মাইক্ৰ'ছফটৰ সহ-প্ৰতিষ্ঠাপক বিল গেটছে। আজি টুইটাৰৰ জৰিয়তে গেটছে ভাৰতে টিকাকৰণৰ ক্ষেত্ৰত ১০০ কোটিৰ সীমা অতিক্ৰম কৰাত শুভেচ্ছা জ্ঞাপন কৰে। গেটছে এক টুইটত এইদৰে কয়, ' ভাৰতে ১০০ কোটিৰ টিকাকৰণ সম্পন্ন কৰিলে। এই ঘটনাই দেশখনৰ লাখ লাখ স্বাস্থ্যকৰ্মীৰ ক্ষমতাৰ প্ৰমাণ দাঙি ধৰিলে। মই এই সফলতাৰ বাবে ভাৰতক শুভেচ্ছা জনালো।' গেটছে তেওঁৰ টুইট ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী মনসুখ মণ্ডৱিয়া আৰু প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ক 'টেগ' কৰিছে। উল্লেখ্য যে ইয়াৰ পূৰ্বে গেটছে ভাৰতত এদিনতে এক কোটিৰো অধিক টিকাকৰণৰ বাবে যোৱা ২৮ আগষ্টত স্বাস্থ্য মন্ত্ৰণালয়ক প্ৰশংসা কৰিছিল।**

## সাম্প্ৰদায়িক হিংসাকাণ্ডত জড়িত থকাৰ কথা স্বীকাৰ জামাত-এ-ইছলামী নেতাৰ



**নিউজ ব্যুৰ', ঢাকা, ২২ অক্টোবৰ ঃ জামাত-এ-ইছলামীৰ নেতা কমালুদ্দিন আব্বাচীয়ে বাংলাদেশৰ হাজীগঞ্জৰ এটা দুৰ্গা পূজাৰ মণ্ডপত সংঘটিত হোৱা আক্ৰমণত জড়িত থকাৰ কথা স্বীকাৰ কৰিলে। কালি বিয়লিবেলা চান্দপুৰৰ জ্যেষ্ঠ ন্যায়িক দণ্ডাধীশ মহম্মদ কমালুদ্দিনৰ আদালতত আব্বাচীয়ে স্বীকাৰ কৰি কয় যে হাজীগঞ্জত দুৰ্গা পূজাৰ মণ্ডপত যি হিংসাত্মক ঘটনা সংঘটিত হৈছিল, সেই ঘটনাৰ স'তে তেওঁ প্ৰত্যক্ষভাৱে জড়িত আছিল। উল্লেখ্য যে বিগত দুৰ্গা পূজাত বাংলাদেশৰ হাজীগঞ্জ চহৰৰ একাধিক অঞ্চলত একাংশ দুষ্কৃতিকাৰীয়ে দুৰ্গা পূজাৰ মণ্ডপত প্ৰৱেশ কৰি প্ৰতিমা ভাঙি লণ্ডভণ্ড কৰিছিল। দেশব্যাপী এই হিংসাকাণ্ডত মুঠ পাঁচজন লোকৰ মৃত্যু হৈছিল। দেশব্যাপী হোৱা ১০টাৰো অধিক হিংসাকাণ্ডত পাঁচ হেজাৰ লোকক অভিযুক্ত কৰা হৈছিল।**

# তুৰস্কৰ সকীয়নি ঃ আমেৰিকাৰ-জাৰ্মানীসহ ১০ দেশৰ ৰাষ্ট্ৰদূতক কৰিব বাহিৰ

**নিউজ ব্যুৰ', আংকাৰা, ২২ অক্টোবৰ ঃ** তুৰস্কৰ ৰাষ্ট্ৰপতি ৰিচেপ তেয়প এৰ্ড'গনে আমেৰিকা আৰু জাৰ্মানীসহ ১০ খন দেশৰ ৰাষ্ট্ৰদূতক দেশখনৰ পৰা বহিষ্কাৰ কৰাৰ ভাবুকি দিলে। তুৰস্ক চৰকাৰে অলপতে এগৰাকী ৰাজহুৱা কৰ্মী ওছমান কবালাক কাৰাগাৰলৈ নিক্ষেপ কৰাৰ বিৰোধিতাৰে আমেৰিকা, জাৰ্মানীসহ ১০ খন দেশে কঠোৰভাৱে এৰ্ড'গান চৰকাৰক সমালোচনা কৰিছিল। এইসমূহ দেশে নাগৰিককৰ্মী কবালাৰ মুক্তিৰ দাবীও উত্থাপন কৰিছে। আমেৰিকা, জাৰ্মানী, কানাডা, ডেনমাৰ্ক, ফ্ৰান্স, নেডাৰলেণ্ডছ, নিউজিলেণ্ড, নৰ'ৱে আৰু ছুইডেনে



তুৰস্ক চৰকাৰক সমালোচনা কৰি ৰাজহুৱা কৰ্মীক এইদৰে কাৰাগাৰলৈ নিক্ষেপ কৰাৰ তীব্ৰ বিৰোধিতা কৰিছে। ১০ দেশৰ এনে সমালোচনাৰ পাছত এৰ্ড'গান চৰকাৰে সংশ্লিষ্ট দেশকেইখনৰ ৰাষ্ট্ৰদূতক তুৰস্কৰ পৰা বহিষ্কাৰ কৰা হ'ব বুলি সকীয়নি দিলে। উল্লেখ্য যে ২০১৭ৰ পৰাই তুৰস্ক চৰকাৰে কবালাক কোনো কাৰণ অবিহনে কাৰাগাৰত বন্দী কৰি ৰাখিছে। কবালাই ২০১৩ত চৰকাৰবিৰোধী আন্দোলনত অংশ লৈছিল আৰু ২০১৬ত এক ব্যৰ্থ সামৰিক বিপ্লৱতো অংশ লোৱাৰ অভিযোগ উত্থাপিত হৈছিল।

# মুম্বাইৰ ৬০ মহলীয়া অট্টালিকাত ভয়াৱহ অগ্নিকাণ্ড, জঁপিয়াই মৃত্যু যুৱকৰ




**নিউজ ব্যুৰ', মুম্বাই, ২২ অক্টোবৰ ঃ** দেশৰ বাণিজ্যিক ৰাজধানী মুম্বাইত এটা ৬০ মহলীয়া অট্টালিকাত আজি হঠাতে এক ভয়াৱহ অগ্নিকাণ্ড সংঘটিত হয়। কৰ্ৰীৰোডস্থিত অভিধন্য পাৰ্ক নামৰ অট্টালিকাটোত সংঘটিত হোৱা এই অগ্নিকাণ্ডৰ সময়ত উক্ত অট্টালিকাৰ ১৯ মহলাৰ পৰা এজন যুৱকে আতংকত তললৈ জাঁপ মাৰি দিয়াৰ ফলত প্ৰাণ হেৰুৱায়। কি কাৰণত অট্টালিকাটোত অগ্নিকাণ্ড সংঘটিত হ'ল সেয়া এতিয়াও স্পষ্ট হোৱা নাই যদিও আৰক্ষীয়ে সন্দেহ কৰা অনুসৰি, বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ ফলত এই ঘটনা সংঘটিত হ'ব পাৰে। ঘটনাস্থলীত লগে লগে অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হৈ উদ্ধাৰকাৰ্য আৰু অগ্নিনিৰ্বাপন আৰম্ভ কৰিছিল।



## ছবিৰ দৃশ্যগ্ৰহণত খেলনা বন্দুকৰে কেমেৰামেনক হত্যা হলিউড অভিনেতা এলেকৰ

**নিউজ ব্যুৰ' হলিউড, ২২ অক্টোবৰ ঃ** এখন ছবিৰ দৃশ্যগ্ৰহণত অংশ লোৱাৰ সময়ত খেলনা বন্দুকৰে ভুলতে ছবিৰ কেমেৰামেন গালিনা হাচিন্সক হত্যা কৰিলে হলিউডৰ অভিনেতা এলেক বেল্ডউইনে। এই ঘটনাত আহত হ'ল চিত্ৰ পৰিচালক জুৱেল ছুজাও। নিউ মেক্সিকোত এলেক অভিনীত আৰু প্ৰযোজিত ছবি এখনৰ দৃশ্যগ্ৰহণ চলাৰ সময়তে এই অঘটন সংঘটিত হ'ল। খেলনা বন্দুকৰ পৰা সঁচা গুলি কিদৰে নিৰ্গত হ'ল সেই বিষয়তো আৰক্ষীয়ে অনুসন্ধান চলাইছে।

## আৰিয়ানক নিষিদ্ধ মাদক যোগানৰ প্ৰতিশ্ৰুতি দিছিল অনন্যাই ঃ দাবী এন চি বিৰ



**নিউজ ব্যুৰ', মুম্বাই, ২২ অক্টোবৰ ঃ** নিষিদ্ধ মাদক দ্ৰব্যৰ গোচৰত নাৰ্ক'টিকছ কন্ট্ৰ'ল ব্যুৰ' (এন চি বি)ই গ্ৰেপ্তাৰ কৰা বলিউডৰ মহাতাৰকা অভিনেতা শ্বাহৰুখ খানৰ জ্যেষ্ঠ পুত্ৰ আৰিয়ান খানক নিষিদ্ধ মাদক যোগানৰ স'তে জড়িত আছিল বলিউড অভিনেত্ৰী অনন্যা পাণ্ডে। এন চি বিৰ সূত্ৰই আজি ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰি কয় যে আৰিয়ানৰ স'তে বহুবাৰ হোৱাটছএপত বাৰ্তালাপ কৰিছিল অনন্যাই। এইসমূহ বাৰ্তালাপত বাৰে বাৰে উত্থাপিত হৈছিল মাদক দ্ৰব্যৰ প্ৰসংগ। এন চি বিয়ে লাভ কৰা হোৱাটছএপৰ বাৰ্তালাপত আৰিয়ানক গাঞ্জা যোগান ধৰাৰ প্ৰতিশ্ৰুতিও দিছিল অনন্যাই। অৱশ্যে এন চি বিয়ে প্ৰকাশ কৰা অনুসৰি, প্ৰতিশ্ৰুতি দিলেও অনন্যাৰ বিৰুদ্ধে গাঞ্জা সংগ্ৰহ বা সৰবৰাহৰ কোনো প্ৰমাণ বৰ্তমানলৈকে লাভ কৰা হোৱা নাই। অনন্যাই এন চি বিৰ আগত দাবী কৰা অনুসৰি, কেৱল ৰসিকতাৰ বাবেহে তেওঁ আৰিয়ানৰ স'তে গাঞ্জা বিষয়ক বাৰ্তালাপ কৰিছিল। উল্লেখ্য যে কালি এন চি বিয়ে মুম্বাইৰ কাৰ্যালয়ত অনন্যাক কিছু সময় সোধাপোছা কৰিছিল। আজিও পুৱা ১১ বজাৰ পৰা এন চি বিৰ সোধাপোছাত উপস্থিত আছিল অনন্যা।

## পুনৰ ছাৰ্জিল ইমামৰ জামিন আবেদন নাকচ কৰিলে আদালতে



**নিউজ ব্যুৰ', নতুন দিল্লী, ২২ অক্টোবৰ ঃ** নাগৰিকত্ব সংশোধন আইনৰ বিৰোধিতাৰে দেশত আন্দোলন আৰম্ভ হোৱাৰ সময়ত আপত্তিকৰ ভাষণ দিয়াৰ অভিযোগত দিল্লী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ছাৰ্জিল ইমামৰ জামিনৰ আবেদন দিল্লীৰ এখন আদালতে পুনৰ নাকচ কৰিলে। জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয় (জে এন ইউ)ৰ ছাত্ৰ ছাৰ্জিলৰ জামিনৰ আবেদন প্ৰত্যাখ্যান কৰাৰ লগতে আদালতে স্বামী বিবেকানন্দৰ বাণীও উল্লেখ কৰে। ছাকেট আদালতৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশ অনুজ আগৰৱালে আজি কয় যে ছাৰ্জিল ইমামৰ ভাষণৰ পৰা স্পষ্ট হৈছে যে ২০১৯ৰ ১৩ ডিচেম্বৰত তেওঁ যি ভাষণ দিছিল সেয়া যথেষ্ট সাম্প্ৰদায়িক আৰু বিচ্ছিন্নতাবাদী মত আছিল। উল্লেখ্য যে ছাৰ্জিলৰ বিৰুদ্ধে দিল্লীত নাগৰিকত্ব সংশোধন বিধেয়কৰ বিৰুদ্ধে হোৱা প্ৰতিবাদী আন্দোলনৰ সময়ত উচটনি দি ভাষণ দিয়াৰ অভিযোগ উত্থাপিত হৈছিল।




■ভৱানীপুৰৰ হোকাৰটোপত কংগ্ৰেছৰ নিৰ্বাচনী প্ৰচাৰ সভাত ৰিপুন বৰা

# বিজেপিয়ে মহিলাৰ ওপৰত আটাইতকৈ বেছি অত্যাচাৰ চলাইছে

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী/সৰুপেটা, ২২ অশেবৰ ঃ** ভৱানীপুৰ সমষ্টিৰ উপ-নিৰ্বাচনৰ নিৰ্বাচনী প্ৰচাৰত এতিয়া বিজেপি-কংগ্ৰেছ-এআইইউডিএফ কোনো দলে পিছ পৰি থকা নাই। ভৱানীপুৰ সমষ্টিত আজি কংগ্ৰেছ নেতা ৰিপুন বৰা, বসন্ত দাস, চিদ্দেক আহমেদকে ধৰি কে'বাগৰাকী নেতাই নিৰ্বাচনী প্ৰচাৰ চলায়। সমষ্টিটোৰ হোকাৰটোপত আয়োজন কৰা নিৰ্বাচনী প্ৰচাৰ সভাখনত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ প্ৰাক্তন সভাপতি তথা ৰাজ্যসভাৰ সাংসদ বৰাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ সমালোচনা কৰে। তেওঁ ভাষণ প্ৰসংগত বিজেপিয়ে মহিলাৰ বিৰুদ্ধে আটাইতকৈ বেছি অত্যাচাৰ চলাইছে বুলি অভিযোগ কৰে। বৰপেটা জিলা কংগ্ৰেছৰ সভাপতি আব্দুল ৰহিম খানৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত সাংসদ বৰাই কয়, 'মুখ্যমন্ত্ৰীয়ে ভৱানীপুৰলৈ আহি কে'বাখনো নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণত ৰাইজক ভোট দিব নে বুলি সুবিধ লগা হৈছে। মাটিৰ দালাল এজনৰ বাবে ভোট বিচাৰি মোৰ কথা শুনক বুলি বাৰে বাৰে ৰাইজক অনুৰোধ কৰিব লগা হৈছে। কিন্তু ভৱানীপুৰৰ ৰাইজে দালালৰাজ চলাবলৈ দালালৰ সপক্ষে ভোটাধিকাৰ সাব্যস্ত নকৰে। বিজেপি এফালৰ পৰা উৎখাত হ'বলৈ বেছি দিন নাই। উত্তৰ প্ৰদেশত নিঃশেষ হ'ব। ২০২৪ত কেন্দ্ৰৰ পৰাও বিজেপি চৰকাৰ উৎখাত হ'ব। উৎখাত অভিযানৰ বাটকটীয়া হ'ব এইবাৰৰ উপ-নিৰ্বাচনৰ অন্যান্য সমষ্টিৰ লগতে ভৱানীপুৰ সমষ্টিটো।' ভৱানীপুৰ সমষ্টিৰ ৰাইজে এই উপ-নিৰ্বাচনত ভাৰতবৰ্ষৰ ভিতৰত উদাহৰণ দাঙি দৰিব বুলিও তেওঁ কয়। উক্ত সভাত প্ৰাক্তন মন্ত্ৰী বসন্ত দাসে মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণ লোকক কেনেকৈ জুৰুলা কৰিছে তাৰ ব্যাখ্যা কৰাৰ লগতে বিজেপিক তীব্ৰ সমালোচনা কৰি কয় যে মুখ্যমন্ত্ৰীয়ে নিৰ্বাচনী প্ৰচাৰৰ নামত প্ৰতিশ্ৰুতিৰ বন্যা বোৱাইছে। ক'ভিড প্ৰট'কলৰ নামত বিৰোধীৰ ওপৰত বাধা আৰোপ কৰা হৈছে যদিও নিজৰ বেলিকাত নীতি-নিয়ম ভংগ কৰা হয় বুলি আক্ষেপ প্ৰকাশ কৰে তেওঁ। সভাত বিধায়ক চিদ্দেক আলী আহমেদে ভৱানীপুৰ সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী শৈলেন্দ্ৰ নাথ দাসৰ জয় নিশ্চিত বুলি দাবী কৰে । দিনৰ ১২ বজাত আয়োজন কৰা সভাখনত কংগ্ৰেছ নেতা নাৰায়ণ কাকতি, ডিপুল পাটগিৰি, শান্তনু শৰ্মাকে ধৰি ভালেসংখ্যক নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে।

## মুকালমুৱাত বিদ্যুৎস্পৃষ্ট হৈ শিশুৰ মৃত্যু

**মুকালমুৱা, ২২ অক্টোবৰ ঃ** নলবাৰী জিলাৰ মুকালমুৱাৰ নিকটৱৰ্তী মেৰুৱাট্টাৰীত আজি সংঘটিত হয় এক শোকাৱহ ঘটনা। ছৰিফুল ইছলাম নামৰ ছবছৰীয়া শিশু এটি বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ ফলত মৃত্যু হয়। উল্লেখ্য যে মেৰুৱাট্টাৰী গাঁৱৰ আমিনুল ইছলাম নামৰ লোকজনে ওচৰৰ শিশুসকলে বেৰত উঠি খেল-ধেমালি কৰে বাবে তেওঁলোকৰ উপদ্ৰৱৰ পৰা পৰিত্ৰাণ পাবলৈ গৃহ চৌহদৰ বেৰত শেহতীয়াকৈ বৈদ্যুতিক তাঁৰ সংযোগ কৰে। আন দিনাৰ দৰে আজিও খেলি থকা শিশুটোৱে উক্ত বেৰখনত স্পৰ্শ কৰাৰ লগে লগেই বিদ্যুৎস্পৃষ্ট হৈ মৃত্যুক আঁকোৱালি ল'বলগীয়া হয়। নিহত শিশুটি স্থানীয় হানিফ আলীৰ পুত্ৰ ছাৰিফুল ইছলাম। স্থানীয় ৰাইজে অতি শীঘ্ৰে আমিনুলক কৰায়ত্ত কৰিবলৈ দাবী জনায়।

■'বজাৰত জ্বলিছে জুই, চৰকাৰ আছে শুই' শীৰ্ষক শ্ল'গানেৰে উত্তাল জিলা সদৰ

# মূল্যবৃদ্ধি ৰোধৰ দাবীত সত্যাগ্ৰহৰে ৰাজ্যজুৰি আছুৰ উত্তাল প্ৰতিবাদ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ অক্টোবৰ ঃ** পেট্ৰ'লজাত সামগ্ৰী, খাদ্য সামগ্ৰী আৰু অত্যাৱশ্যকীয় সামগ্ৰীকে ধৰি বিভিন্ন সামগ্ৰীৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত আৰু মূল্যবৃদ্ধি ৰোধৰ দাবীত 'বজাৰত জ্বলিছে জুই, চৰকাৰ আছে শুই' শীৰ্ষক শ্ল'গানেৰে আজি সদৌ অসম ছাত্ৰ সন্থাই ৰাজ্যজুৰি সত্যাগ্ৰহ কাৰ্যসূচী ৰূপায়ণেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। জিলা সদৰসমূহত ৰূপায়ণ কৰা এই কাৰ্যসূচীত অংশগ্ৰহণকাৰীসকলে 'নৰেন্দ্ৰ মোদী হায় হায়, যোগান মন্ত্ৰী হুচিয়াৰ, দুখীয়াৰ তেজশোহা বিজেপি চৰকাৰ লেই লেই ছেই ছেই, মূল্যবৃদ্ধি ৰোধ কৰক, বজাৰত জ্বলিছে জুই, চৰকাৰ আছে শুই, বিজেপি মুৰ্দাবাদ, যোগান মন্ত্ৰী মুৰ্দাবাদ, হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ' আদি বিভিন্ন শ্ল'গানেৰে উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। জিলা সদৰসমূহ ক্ৰমে নগাঁও, মৰিগাঁও, গোলাঘাট, যোৰহাট, মাজুলী, লখিমপুৰ, ধেমাজি, ডিব্ৰুগড়, তিনিচুকীয়া, ওদালগুৰি, তেজপুৰ, মঙলদৈ, নলবাৰী, গোৱালপাৰাকে ধৰি বিভিন্ন স্থানত এই কাৰ্যসূচী ৰূপায়ণ কৰে আছুৰ কৰ্মীসকলে। এই প্ৰতিবাদী কাৰ্যসূচীত আছু নেতাসকলে অংশগ্ৰহণ কৰি চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰে। ইয়াৰ সমান্তৰালকৈ গুৱাহাটী মহানগৰৰ ছহিদ ভৱনৰ পৰা এই সত্যাগ্ৰহ কাৰ্যসূচী আৰম্ভ কৰে আছুৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, কেন্দ্ৰীয় সভাপতি দীপাংক কুমাৰ নাথ প্ৰমুখ্যে সংগঠনটোৰ কেন্দ্ৰীয় নেতাসকলে সদৌ অসম কামৰূপ মহানগৰ জিলাৰ বিভিন্ন আঞ্চলিক শাখাৰ লগতে সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ সদস্যসকলে এই সত্যাগ্ৰহ কাৰ্যসূচীত ভাগ লয়। কাৰ্যসূচীত ছাত্ৰ নেতা বিপুল ৰাভা আৰু সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই এই সন্দৰ্ভত কয় যে খাদ্য বস্তু, অত্যাৱশ্যকীয় সামগ্ৰী, পেট্ৰ'ল, ডিজেল, ৰন্ধন গেছৰ মূল্যবৃদ্ধিয়ে জনসাধাৰণক মাধমাৰ শোধাইছে। অথচ কেইগৰাকীমান মন্ত্ৰী, গণ প্ৰতিনিধিয়ে মূল্যবৃদ্ধি সন্দৰ্ভত লাগবান্ধ নোহোৱা লজ্জাজনক অযুক্তিকৰ কথা কৈ জৰ্জৰিত জনসাধাৰণক অপমান কৰিছে। মূল্যবৃদ্ধি ৰোধত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ চূড়ান্তভাৱে ব্যৰ্থ হৈছে। শেহতীয়াভাৱে নিৰ্বাচনী প্ৰচাৰ সভাসমূহতো শাসকীয় দল আৰু অসম চৰকাৰৰ মন্ত্ৰীসকলৰ এজনৰো মুখত মূল্যবৃদ্ধি ৰোধৰ বিষয়ে এটাও শব্দ উচ্চাৰণ হোৱা নাই। চৰকাৰে মূল্যবৃদ্ধি ৰোধ কৰিবই লাগিব বুলি হুংকাৰ দিয়ে আছুৰ নেতা দুজনে। ইপিনে, গুৱাহাটীত সত্যাগ্ৰহ আন্দোলনক বাধা দিবলৈ ছহিদ ভৱনৰ সন্মুখৰ পথা যোৱাৰ পথত লতাশিল খেলপথাৰৰ সমীপত আৰক্ষীয়ে বাটত ৰচী, লোহাৰ বেৰিকেড দি বাধা প্ৰদান কৰে। ইয়াকে লৈ আছু কৰ্মীসকলে ক্ষুব্ধ হৈ পৰে। উপায়ুক্ত কাৰ্যালয়লৈ যোৱাৰ পথত আৰক্ষীয়ে গ্ৰহণ কৰা এনে ভূমিকাক আছুৱে একেমুখে গৰিহণা দিয়ে।

## উদ্ধৱ পাঠকৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**
**হাউলী, ২২ অক্টোবৰ ঃ** হাউলীৰ খাটালপাৰা নিবাসী উদ্ধৱ পাঠক (৮০)ৰ যোৱা ২১ অক্টোবৰত পৰলোকপ্ৰাপ্তি ঘটে। তেওঁ হাউলী দেৱদামোদৰ সংঘ, হাউলী ৰাস মহোৎসৱ, খাটালপাৰা জনকল্যাণ পুথিভঁৰাল, খাটালপাৰা বিহু সন্মিলনকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থকাৰ লগতে খাটালপাৰাৰ সমূহীয়া নামঘৰৰ মুখ্য পাঠক আছিল। তেওঁৰ মৃত্যুত হাউলী অঞ্চলত শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত পত্নীসহ এজন পুত্ৰ আৰু দুগৰাকী কন্যাক অসংখ্য গুণমুগ্ধক এই ইহসংসাৰত এৰি যায়। প্ৰয়াত পাঠকে লোকগীতৰ শিল্পী আছিল। তেওঁৰ মৃত্যুত হাউলী আঞ্চলিক ছাত্ৰ সন্থা, হাউলী ৰাস মহোৎসৱৰ উদ্‌যাপন সমিতি, সদৌ হাউলী ৰঙালী বিহু উদ্‌যাপন সমিতি, হাউলী দেৱদামোদৰ সংঘ, খাটালপাৰা জনকল্যাণ পুথিভঁৰাল, খাটালপাৰা বিহু সন্মিলন, হাউলীৰ সাংবাদিক দিদাৰ হুছেইন, নিতুমণি দাস, কৌশিক কমল দাস, নয়নমণি ওজা, আনিছুজ জামানে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰিছে।

■ তামুলপুৰত ইউপিপিএলৰ প্ৰাৰ্থীৰ হৈ তামুলপুৰত নিৰ্বাচনী প্ৰচাৰ মন্ত্ৰী বৰাৰ ■ পৃথকে পৃথকে নিৰ্বাচনী প্ৰচাৰ বিজেপি-অগপ- কংগ্ৰেছৰ

# উপ-নিৰ্বাচনত অগপৰ নিজা প্ৰাৰ্থী অবিহনেও মিত্ৰজোঁটৰ সপক্ষে ভোটদান কৰিব কৰ্মীয়ে



**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ২২ অক্টোবৰ ঃ** ক্ৰমাৎ নিৰ্বাচনী প্ৰচাৰে তুংগত উঠিছে তামুলপুৰ বিধানসভা সমষ্টিত। সমষ্টিটোত উপ-নিৰ্বাচনৰ বাবে আজি শাসক দল বিজেপিৰ লগতে মিত্ৰজোঁটত অগপৰ নেতৃবৃন্দই প্ৰচাৰ চলোৱাৰ বিপৰীতে বিৰোধী দল কংগ্ৰেছেও প্ৰচাৰ চলায়। সমষ্টিটোত পুৱাৰে পৰাই মিত্ৰজোঁটৰ প্ৰাৰ্থী জলেন দৈমাৰীৰ হৈ আজি নিৰ্বাচনী প্ৰচাৰ চলায় অগপৰ সভাপতি আৰু কাৰ্যকৰী সভাপতি তথা মন্ত্ৰীদ্বয় অতুল বৰা আৰু কেশৱ মহন্তই। তামুলপুৰ সমষ্টিৰ লতিবাৰীত অগপ মন্ত্ৰী দুজনে মিত্ৰজোঁটৰ প্ৰাৰ্থী জলেন দৈমাৰীৰ হৈ প্ৰচাৰ চলায়। সংবাদ মাধ্যমৰ আগত অগপৰ সভাপতি তথা কৃষিমন্ত্ৰী অতুল বৰাই কয়, 'তামুলপুৰ সমষ্টিত মিত্ৰজোঁটৰ প্ৰাৰ্থীজনক প্ৰত্যাহ্বান জনাব পৰা এজনো বিৰোধী প্ৰাৰ্থী নাই। সমষ্টিটোত মিত্ৰজোঁটৰ প্ৰাৰ্থীজনে অভিলেখসংখ্যক ভোট লাভ কৰি জয়ী হ'ব।' আনহাতে, উপ-নিৰ্বাচনত অগপৰ নিজা প্ৰাৰ্থী নাই যদিও আন্তৰিকতাৰে অগপ কৰ্মীসকলক আটাইকেইটা সমষ্টিতে মিত্ৰদলৰ সপক্ষে ভোট দিবলৈ আহ্বান জনায় অগপৰ সভাপতিজনে। অসমৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিব বুলিও তেওঁ দাবী কৰে। অগপ মন্ত্ৰীদ্বয়ৰ এই নিৰ্বাচনী প্ৰচাৰ সভাত ইউপিপিএলৰ কাৰ্যকৰী সভাপতি ৰণৌগৌৰা নাৰ্জাৰী, অগপৰ কেন্দ্ৰীয় সম্পাদক হৰেশ্বৰ স্বৰ্গীয়াৰী, তামুলপুৰ সমষ্টিৰ অগপৰ সভাপতি মীন দেউৰী, অৰবিন্দ মেধি, দুলাল দাস আদি উপস্থিত থাকে।

ইপিনে, আজি ইউপিপিএলৰ প্ৰাৰ্থীজনলৈ নিৰ্বাচনী প্ৰচাৰ চলায় অসম চৰকাৰৰ মন্ত্ৰী তথা বিজেপি নেতা ৰঞ্জিত কুমাৰ দাসে। তামুলপুৰ জিলা বিজেপিৰ মুখ্য কাৰ্যালয়ত এখন যোগদান সভাত অংশগ্ৰহণ কৰি মন্ত্ৰী দাসে দলত নতুনকৈ যোগদান কৰা সকলক আহ্বান জনায়। উল্লেখ্য যে তামুলপুৰ ব্লক বিপিএফৰ ২৫ জন নেতা-কৰ্মীয়ে আজি বিজেপিত যোগদান কৰে। ইয়াৰ পাছতে মন্ত্ৰী দাসে তামুলপুৰ সাপ্তাহিক বজাৰলৈ গৈ ক্ৰেতা-বিক্ৰেতাৰ স'তে মত বিনিময় কৰি ইউপিপিএল প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। ক্ৰেতা-বিক্ৰেতাসকলক তামুলপুৰ সমষ্টিত সৰ্বাংগীন উন্নয়নৰ স্বাৰ্থত ইউপিপিএল প্ৰাৰ্থীজনক ভোট দিবলৈ আহ্বান জনায়। মন্ত্ৰী দাসক সংগ দিয়ে বিটিআৰৰ মনোনীত এম চি এল এ হিমন্ত কুমাৰ ৰাভা, বাগ্‌সা জিলা বিজেপিৰ উপসভাপতি দ্বিপেন কলিতা, তামুলপুৰ বিজেপিৰ সভাপতি অম্বৰ ছেত্ৰী আদিয়ে।

ইপিনে, আজি সমষ্টিটোত কংগ্ৰেছ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায় সাংসদ গৌৰৱ গগৈয়ে। সমষ্টিটোৰ দলীয় প্ৰাৰ্থী ভাস্কৰ দাহালৰ সমৰ্থনত তামুলপুৰৰ ভকতপাৰাত থকা ৰাজীৱ ভৱনত নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি সাংসদ গগৈয়ে এইবাৰ উপ-নিৰ্বাচনত অহংকাৰী বিজেপি উচিত প্ৰত্যুত্তৰ দিব বুলি দাবী কৰে। অসমৰ ৰাইজে বিজেপিৰ একমাত্ৰ বিকল্প কংগ্ৰেছ বুলি জানে বুলি দাবী কৰি তেওঁ কয় যে গোটেই বছৰ সভ্যতা-সংস্কৃতিৰ কথা কোৱা বিজেপিয়ে নিৰ্বাচনৰ সময়ত সকলো পাহৰি মানুহৰ মাজত মদ, মাছ, মাংস, টকা বিলাই সভ্যতাৰ সংস্কৃতিৰ কথা পাহৰি যায়। আনহাতে, এইবাৰ উপ-নিৰ্বাচন মূল্যবৃদ্ধিৰ বিপৰীতে হ'ব বুলি দাবী কৰি তেওঁ কয় যে বিজেপিৰ কোনো নীতি আদৰ্শ নাই। কয় এটা কৰে এটা। বিজেপি চৰকাৰৰ দিনত বস্তুৰ মূল্য আকাশলংঘী হৈছে। কংগ্ৰেছৰ দিনত এইদৰে মূল্যবৃদ্ধি হোৱা নাছিল। বিজেপি দলে ধনী মানুহৰ কাম কৰে আৰু কংগ্ৰেছে দুখীয়া মানুহৰ কাম কৰে। বিজেপি চৰকাৰে চকুত ক'লা চচমা পৰিধান কৰি কেৱল নিজৰ সম্পত্তিৰ কথা ভাবে। কিন্তু দুখীয়াৰ কথা দেখা নাপায়। বিজেপিৰ অহংকাৰৰ শীঘ্ৰে পতন ঘটিব বুলিও দাবী কৰি সাংসদ গগৈয়ে কয় যে এইবাৰৰ উপ-নিৰ্বাচনত তামুলপুৰ, গোসাঁইগাঁও, ভবানীপুৰত কংগ্ৰেছৰ নিৰ্বাচনী প্ৰচাৰ বহু আগবাঢ়ি আছে। ৰাজ্যৰ পাঁচটা সমষ্টিৰ ভিতৰত কমেও তিনিখন আসন কংগ্ৰেছে লাভ কৰিব বুলি তেওঁ দাবী কৰে। সাংসদজনৰ লগত প্ৰাক্তন সাংসদ আৰ পি শৰ্মা প্ৰমুখ্যে দলীয় নেতাসকল উপস্থিত থাকে।

## ফেব্ৰুৱাৰীত পুনৰ অনুষ্ঠিত হ'ব গুণোৎসৱ

*এক পৃষ্ঠাৰ পৰা* বিদ্যালয়ৰ পৰিদৰ্শকসমূহৰ লগতে জিলা প্ৰাথমিক শিক্ষা বিষয়া, জিলা মিছন সমন্বয়কলৈ এক নিৰ্দেশনা জাৰি কৰি ৰাজ্যৰ প্ৰাদেশিকীকৃত প্ৰাথমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ তথ্য বিচৰা হৈছে। অহা ৩১ অক্টোবৰৰ ভিতৰত বিদ্যালয়সমূহৰ তথ্য ডব্লিউ ডব্লিউ ডব্লিউ ডট অসম এছ এছ এ ডট কমত আপলোড কৰিবলৈ সৰ্বশিক্ষাৰ কাৰ্যবাহী সঞ্চালক ধ্ৰুৱজ্যোতি দাসৰ স্বাক্ষৰিত পত্ৰখনৰ জৰিয়তে নিৰ্দেশ প্ৰেৰণ কৰা হৈছে। উল্লেখ্য যে বিগত বিজেপি চৰকাৰৰ দিনত অৰ্থাৎ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল চৰকাৰৰ দিনত ২০১৭ত প্ৰথমবাৰলৈ ৰাজ্যত গুণোৎসৱৰ আয়োজন কৰা হৈছিল আৰু ২০১৮ত দ্বিতীয়বাৰলৈ গুণোৎসৱ অনুষ্ঠিত হৈছিল। ইয়াৰ পাছত ২০২২ৰ ফেব্ৰুৱাৰীত তৃতীয়বাৰলৈ গুণোৎসৱ অনুষ্ঠিত কৰিবলৈ সম্প্ৰতি তৎপৰতা গ্ৰহণ কৰিছে শিক্ষা বিভাগে।

## বাংলাদেশত সংখ্যালঘু হিন্দু নিৰ্যাতনৰ

*এক পৃষ্ঠাৰ পৰা* নাগৰিক আৰু তেওঁলোকৰ উপাসনাস্থলী আক্ৰমণ কৰাৰ ঘটনাক অসম চিভিল ছ'চাইটিয়ে তীব্ৰ গৰিহণা দিছে।

অসম চিভিল ছ'চাইটিৰ কাৰ্যকৰী সভাপতিদ্বয় হাফিজ ৰছিদ চৌধুৰী, আব্দুল মান্নান আৰু ড° ছৈয়দ ইফটিকাৰ আহমেদে আজি এক বিবৃতিত কয় যে বাংলাদেশ চৰকাৰে ইতিমধ্যে এনে ষড়যন্ত্ৰকাৰীৰ ষড়যন্ত্ৰ ফাদিল কৰি মূল অপৰাধী ইকবাল হুছেইনক চিনাক্ত কৰিছে আৰু পলাতক অৱস্থাত থকা ইকবালক কৰায়ত্ত কৰিবলৈ সকলো ব্যৱস্থা গ্ৰহণ কৰিছে।

বিবৃতিটোত কাৰ্যকৰী সভাপতিত্ৰয়ে কয়, 'বাংলাদেশৰ সংখ্যালঘু হিন্দু ধৰ্মাৱলম্বীসকলৰ নাগৰিক আৰু মানৱীয় অধিকাৰ ক্ষুণ্ণ কৰা যিকোনো ষড়যন্ত্ৰ ব্যৰ্থ কৰিবলৈ দেশখনৰ শাসনাধিষ্ঠ চৰকাৰ, গণতান্ত্ৰিক আৰু ধৰ্ম নিৰপেক্ষতাত বিশ্বাসী জনসাধাৰণে মূলতঃ দায়িত্ব গ্ৰহণ কৰিব লাগিব।'

এই ক্ষেত্ৰত বাংলাদেশৰ চৰকাৰ তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণৰ বাবে নামি পৰা আৰু দেশখনৰ সচেতন নাগৰিকসকলে ধৰ্মীয় সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে ৰাজপথত নামি পৰা ঘটনাত অসম চিভিল ছ'চাইটিয়ে স্বস্তি লাভ কৰিছে আৰু সাম্প্ৰদায়িক শক্তিক মষিমূৰ কৰিবলৈ অধিক শক্তি আহৰণ কৰিবলৈও আহ্বান জনায়।

বিবৃতিটোত ছ'চাইটিয়ে লগতে কয়, 'অসম চিভিল ছ'চাইটিয়ে লক্ষ্য কৰিছে যে বিশ্বৰ সকলোতে বিভাজনকামী শক্তিয়ে একে ধৰণৰ কূটাঘাতমূলক ঘটনা সংঘটিত কৰি জনসাধাৰণৰ মাজত ধৰ্মৰ নামত সংঘাত সৃষ্টি কৰি আহিছে। বাংলাদেশত উক্ত ষড়যন্ত্ৰ উন্মোচিত কৰি দোষীক চিহ্নিত কৰাৰ জৰিয়তে সাম্প্ৰদায়িক বিভাজন ৰোধ কৰিবলৈ প্ৰচেষ্টা চলোৱা কাৰ্যই বিশ্বত এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰিছে।'

পদুম ফুলৰ বাবেই গোটেই অসম দুৰ্গন্ধময় হৈ পৰিছে
কংগ্ৰেছ বিজেপিৰ এ টিম ঃ চেংলীমাৰীত বদৰুদ্দিন আজমল

# ফণীধৰ তালুকদাৰক প্ৰাৰ্থিত্ব দি আমি মহাভুল কৰিছিলো

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**পাঠশালা/শালবাৰী, ২২ অক্টোবৰ ঃ** 'মানুহৰ যেতিয়া মন-মগজু দুৰ্বল হয়, দুৰ্গন্ধ আৰু সুগন্ধৰ পাৰ্থক্য বুজি নোপোৱা হয়। তলা-চাবিত গোন্ধ নাই, পদুমতহে গোন্ধ আছে। মহাজোঁট কংগ্ৰেছে ভাঙিছে। এআইইউডিএফ দলে ভঙা নাই। হাগ্ৰামাই বিজেপিক সমৰ্থন কৰিলেও এআইইউডিএফৰ কোনো ক্ষতি নহয়। এআইইউডিএফ দলৰ ভৱানীপুৰ বিধানসভা সমষ্টিৰ প্ৰাৰ্থী জুব্বাৰ আলী দুৰ্বল নহয়।' এই মন্তব্য এআইইউডিএফৰ মুৰব্বী মৌলানা বদৰুদ্দিন আজমলৰ। ভৱানীপুৰ সমষ্টিৰ চেংলীমাৰীত আজি আবেলি সমষ্টিটোৰ দলৰ প্ৰাৰ্থী জুব্বাৰ আলীৰ সমৰ্থনত অনুষ্ঠিত হোৱা এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি এআইইউডিএফৰ মুৰব্বী আজমলে কয়, 'ফণীধৰ তালুকদাৰক আমি প্ৰাৰ্থিত্ব দি মহাভুল কৰিছিলো। তলা-চাবি সকলে ল'ব লাগিবই। তলা-চাবিৰ দুৰ্গন্ধ প্ৰথম শুনিলো। মই ক্ষমা বিচাৰিছো। কোনো পাগলেও ক'ব নোৱাৰে যে তলাৰ ভিতৰত দুৰ্গন্ধ থাকে। কম পঢ়াই হওক বা উচ্চ শিক্ষিতই হওক সকলোৱে তলা-চাবি ল'ব লাগে। কংগ্ৰেছ বিজেপিৰ এ টিম। এআইইউডিএফক সমালোচনা কৰিবলৈ কংগ্ৰেছৰ লজ্জা নালাগে। ফণীধৰ তালুকদাৰক নিয়াটো পদুম ফুলৰ দুৰ্গন্ধ। পদুম ফুলৰ কাৰণে গোটেই অসম আজি দুৰ্গন্ধময় হৈ পৰিছে। বৰ্তমান বিজেপি আটাইতকৈ সাম্প্ৰদায়িক দল। মুখ্যমন্ত্ৰীয়ে দুৰ্গন্ধত সুগন্ধ দেখে আৰু সুগন্ধত দুৰ্গন্ধ দেখে।' আজমলে কয় যে পদুম ফুল অহাৰ পাছত ভাৰতবৰ্ষত সাম্প্ৰদায়িকতা বাঢ়িছে। 'আগতে ভাৰতবৰ্ষত সাম্প্ৰদায়িকতা নাছিল। একেদৰে পদুম ফুল অহাৰ পৰাই মূল্যবৃদ্ধি বাঢ়িছে।' আজমলে কয়। 'আজিৰ সভাত বিধায়ক হাফিজ ৰফিকুল ইছলাম, বিধায়ক আশ্ৰাফুল হুছেইনকে ধৰি কে'বাগৰাকী দলীয় নেতাই অংশগ্ৰহণ কৰে।

## শোণিতপুৰৰ চাহ বাগিছাত ক'ভিডৰ টিকাকৰণৰ বৈঠক

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ২২ অক্টোবৰ ঃ** শোণিতপুৰ জিলাৰ চাহ বাগিচাসমূহত ক'ভিডৰ টিকাকৰণ সন্দৰ্ভত আজি জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মিলন কক্ষত শোণিতপুৰৰ উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসৰ অধ্যক্ষতাত এক পৰ্যালেচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকৰ আৰম্ভণিতে শোণিতপুৰ জিলাৰ চাহ বাগিচাসমূহত বৰ্তমানৰ ক'ভিডৰ টিকাকৰণ অভিযানৰ স্থিতিৰ বুজ লোৱাৰ লগতে এশ শতাংশ জনসংখ্যাই যাতে দ্বিতীয় পালি প্ৰতিষেধক লাভ কৰে সেয়া নিশ্চিত কৰিবলৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা সন্দৰ্ভত আলোচনা কৰা হয়। উপায়ুক্ত এই ক্ষেত্ৰত জিলা সহকাৰী শ্ৰম আয়ুক্তক বাগিচাৰ কৰ্তৃপক্ষৰ স'তে সমন্বয় গঢ়ি এই দিশত নজৰ ৰাখিবলৈ নিৰ্দেশ দিয়ে। চাহ বাগিচাসমূহত অচিৰেই টিকাকৰণ প্ৰক্ৰিয়া আৰু তীব্ৰতৰ কৰি তোলাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰাৰ দিশত উপায়ুক্ত গৰাকীয়ে পৰামৰ্শ প্ৰদান কৰে। উক্ত বৈঠকত চাহ বাগিছাত দ্বিতীয় পালি ওষুধ প্ৰদান কৰাৰ সন্দৰ্ভত বিশেষ শিবিৰ অনুষ্ঠিত কৰিবলৈ পৰামৰ্শ আগবঢ়োৱাৰ লগতে এই ক্ষেত্ৰত জিলা প্ৰশাসনে গ্ৰহণ কৰা বিভিন্ন ধৰণৰ পদক্ষেপৰ ওপৰত সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ কথা উল্লেখ কৰে। বিশেষকৈ দৃশ্য-শ্ৰাব্য মাধ্যমৰ জৰিয়তে বাগিতাসমূহত ক'ভিডৰ টিকাকৰণ সন্দৰ্ভত বহুল প্ৰচাৰ চলোৱা সম্পৰ্কেও উক্ত বৈঠকত পৰ্যালোচনা কৰা হয়। বৈঠকত বাগিচা সমূহত ১৬ৰ পৰা ২০ অক্টোবৰলৈ টিকাকৰণৰ লক্ষ্য সন্দৰ্ভতো লাভ কৰা অগ্ৰগতিৰ বিষয়েও বিতংভাৱে আলোচনা কৰাৰ লগতে উপায়ুক্তই প্ৰয়োজন অনুসৰি এই ক্ষেত্ৰত পৰ্যাপ্ত ভেকচিন টিম গঢ়ি তুলি লক্ষ্য বৃদ্ধিৰ ওপৰত বিশেষভাৱে গুৰুত্ব অনুষ্ঠিত কৰাৰো নিৰ্দেশ দিয়ে যাতে কম দিনৰ ভিতৰত ক'ভিডৰ টিকাকৰণ বাগিচাসমূহত আশানুৰূপভাৱে সম্পন্ন হৈ উঠে।

## পাকঘৰৰ আলমাৰিত মহিলাৰ মৃতদেহ

*এক পৃষ্ঠাৰ পৰা* নিজেই থানাত উপস্থিত হৈ মৃতদেহটোৰ বিষয়ে প্ৰকাশ কৰিছিল। প্ৰথম অৱস্থাত স্বামী সন্তোষ গুপ্তাই পত্নী আণ্টিমাক হত্যা কৰি তেওঁৰ পাকঘৰত লুকুৱাই ৰাখিছিল বুলি ধৃত দেৱযানীয়ে আৰক্ষীৰ আগত অভিযোগ কৰিছিল যদিও আজি নিশা আৰক্ষীৰ জেৰাত এই হত্যাকাণ্ড তেৱেঁই সংঘটিত কৰাৰ স্বীকাৰ কৰা বুলি আৰক্ষীয়ে সদৰী কৰিছে। অৱশ্যে ঘটনা সংক্ৰান্তত আণ্টিমাৰ স্বামী সন্তোষ গুপ্তা, ভাড়াতীয়া দেৱযানী দাস, তেওঁৰ স্বামী অভিজিৎ দাস আৰু সন্তোষ গুপ্তাৰ ভ্ৰাতৃ ৰাজেশ গুপ্তাক আৰক্ষীয়ে ঘটনাৰ সংক্ৰান্তত জেৰা কৰে। এই জেৰা কালতে নিশা দেৱযানীয়ে অপৰাধ স্বীকাৰ কৰাত তেওঁক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে বুলি কয় পশ্চিম আৰক্ষী জিলাৰ উপ-আয়ুক্ত নৱনীত মহন্তই।

ইফালে, আৰক্ষীয়ে প্ৰাথমিক তদন্তত এয়া এক পৰিকল্পিত হত্যাকাণ্ড বুলি চিহ্নিত কৰি ক্ষিপ্ৰতাৰে তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰে। ঘটনাৰ সংক্ৰান্তত বিয়লি উপ-আৰক্ষী আয়ুক্ত মহন্তই ঘাতক শীঘ্ৰে আৰক্ষীৰ জালত পৰিব বুলি সদৰী কৰি কয় যে ২০ অক্টোবৰৰ নিশা প্ৰায় ন বজাত সন্তোষ গুপ্তাই তেওঁৰ পত্নী আণ্টিমা নিৰুদ্দেশ হৈ থকা বুলি আৰক্ষীক অভিযোগ দাখিল কৰিছিল। এই অভিযোগৰ ভিত্তিত ভাৰতীয় দণ্ড বিধিৰ ৩৬৩/৩৬৪(এ) ধাৰাত ৭০১/২১ নম্বৰত এক গোচৰ ৰুজু কৰা হৈছিল। কালি তেওঁৰ ঘৰতে লাগি থকা ভ্ৰাতৃ প্ৰমোদ গুপ্তাৰ এটা ভাড়াঘৰত অৰ্থাৎ দেৱযানী দাস নামৰ ভাড়াতীয়া মহিলাগৰাকীৰ পাকঘৰত আণ্টিমাৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে আৰু সমগ্ৰ ঘটনাৰ সংক্ৰান্তত ভাড়াতীয়া পৰিয়ালটো আৰু মহিলাগৰাকীৰ স্বামীক সোধপোছ কৰি থকা হৈছে বুলি বিষয়াজনে সদৰী কৰে। প্ৰথম অৱস্থাত আৰক্ষীয়ে আণ্টিমাৰ স্বামী সন্তোষ গুপ্তা হত্যাত জড়িত বুলি সন্দেহ প্ৰকাশ কৰিছিল যদিও নিশা আৰক্ষীৰ জেৰাত ভাড়াতীয়া দেৱযানী দাসে সমগ্ৰ ঘটনা স্বীকাৰ কৰাৰ পাছতে আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে সদৰী কৰা অনুসৰি, ২০ আক্টোবৰৰ বিয়লি আণ্টিমা ধৃত দেৱযানীৰ ভাড়াঘৰলৈ যোৱাৰ সময়ত দুয়োৰে মাজত কাজিয়াৰ সূত্ৰপাত হৈছিল। পৰকীয়া প্ৰেমৰ বাবেই এই কাজিয়াৰ সূত্ৰপাত হৈছিল আৰু এসময়ত মছলা গুড়ি কৰা লোহাৰ মাৰিৰে আণ্টিমাৰ মূৰত দেৱযানীয়ে আঘাত কৰিছিল। এই আঘাতত আণ্টিমা মাটিত ঢলি পৰাৰ পাছত ভয়তে মহিলাগৰাকীক নৃশংসভাৱে হত্যা কৰি পাকঘৰৰ আলমাৰিত ভৰাই থৈছিল। উল্লেখ্য যে সন্তোষ গুপ্তাৰ লগত দেৱযানীৰ প্ৰেমৰ সম্পৰ্ক থকাৰ বাবেই এই ঘটনা সংঘটিত হোৱা বুলি আৰক্ষীয়ে সন্দেহ কৰিছে আৰু সমগ্ৰ ঘটনা কাইলৈ পোহৰলৈ আহিব বুলি আৰক্ষী সূত্ৰই সদৰী কৰিছে।

### নিৰুদ্দেশৰ পাছত পত্নীৰ ম'বাইলৰ পৰা স্বামী সন্তোষলৈ আহিছিল ধনদাবীৰ বাৰ্তা

যোৱা ২০ অক্টোবৰৰ বিয়লিৰ পৰা নিৰুদ্দেশ হৈ থকা আণ্টিমাৰ ক্ষত-বিক্ষত মৃতদেহ যোৱা নিশা উদ্ধাৰ হোৱাৰ পাছতে ধনদাবীৰ বাৰ্তা আহিছিল স্বামী সন্তোষ গুপ্তাৰ ম'বাইল ফোনলৈ। অৱশ্যে আণ্টিমাৰ ম'বাইল ফোনটো আৰক্ষীয়ে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে যদিও এই বাৰ্তা ধৃত দেৱযানী নে আন কোনোৱে সেই বাৰ্তা প্ৰেৰণ কৰিছিল তাৰ পৰীক্ষা অব্যাহত ৰাখিছে আৰক্ষীয়ে। আৰক্ষী সূত্ৰই সদৰী কৰা অনুসৰি, মৃত মহিলাগৰাকীৰ ম'বাইলৰ পৰা তেওঁৰ স্বামী বৃত্তিত চাৰ্টাৰ্ড একাউনটেণ্ট সন্তোষৰ ম'বাইললৈ কিছু মেছেজ আহিছিল; য'ত মুক্তিপণ হিচাপে ৮০ লাখ টকা দাবী কৰা হৈছিল। নিজকে বিএলটি বুলি চিনাকি দিয়া ঘাতকে কাইলৈ এই টকা আদায় দিবলৈ কৈছিল। টকা নাপালে পত্নীৰ মৃতদেহ লাভ কৰিব বুলিও ভাবুকি প্ৰদান কৰা হৈছিল। অৱশ্যে এই ঘটনাত আৰক্ষীয়ে প্ৰথম অৱস্থাতে সন্দেহ ব্যক্ত কৰিছিল আৰু সম্প্ৰতি ভাড়াতীয়া মহিলাগৰাকী গ্ৰেপ্তাৰ হোৱাৰ পাছত এই মেছেজ কোনে প্ৰেৰণ কৰিছিল তাৰ উৎস উদ্‌ঘাটন কৰিবলৈ আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

### ভাড়াতীয়া পৰিয়ালটোৱেই আৰক্ষীক অৱগত কৰিছিল মৃতদেহৰ কথা

আণ্টিমা গুপ্তাক হত্যা কৰি পাকঘৰৰ গেছ টেবুলৰ আলমাৰিত মৃতদেহ ভৰাই থৈ যোৱা নিশা আৰক্ষীক অৱগত কৰি ঘটনাক অন্য ৰূপ দিবলৈ চেষ্টা কৰিছিল ধৃত দেৱযানী দাসে। আৰক্ষী সূত্ৰই সদৰী কৰা অনুসৰি, পাকঘৰত সন্তোষ গুপ্তাই পত্নীৰ মৃতদেহ লুকুৱাই থোৱা বুলি দেৱযানীয়ে কালি থানালৈ আহি সদৰী কৰিছিল আৰু ইয়াৰ পাছতে পাকঘৰৰ আলমাৰিৰ পৰা এটা বস্তাত ভৰাই থোৱা অৱস্থাত মৃতদেহটো উদ্ধাৰ কৰিছিল আৰক্ষীয়ে। উল্লেখ্য যে মৃতদেহটোৰ মূৰত এডাল লোহাৰে প্ৰচণ্ড জোৰেৰে প্ৰহাৰ কৰা হৈছিল আৰু ক্ষত-বিক্ষত কৰি এটা পলিথিনেৰে মেৰিয়াই বগা বস্তাত ভৰাই দাসৰ পাকঘৰত ৰখা হৈছিল। নিৰুদ্দিষ্ট মহিলাগৰাকীৰ মৃতদেহ পাকঘৰলৈ কিদৰে আহিল এই সন্দৰ্ভত আৰক্ষীয়ে জেৰাত প্ৰথমে দুজন মাস্ক পৰিহিত যুৱকে মৃতদেহটো পাকঘৰৰ আলমাৰিত ভৰাই থৈ গৈছিল বুলি আৰক্ষীৰ আগত প্ৰকাশ কৰিছিল ধৃত দেৱযানীয়ে। অৱশ্যে আৰক্ষীয়ে কে'বাটাও দিশৰ ওপৰত তদন্ত প্ৰক্ৰিয়া অব্যাহত ৰাখি নিশা হত্যাকাণ্ড সংঘটিত কৰা বুলি স্বীকাৰ কৰাত মহিলাগৰাকীক গ্ৰেপ্তাৰ কৰে।

### গেছ টেবুলৰ তলত মৃতদেহ ৰাখিয়েই ৰন্ধা-বঢ়া কৰিছিল দেৱযানীয়ে

গেছ টেবুলৰ তলত থকা চিলিণ্ডাৰ চেম্বাৰত মৃতদেহ ৰাখিয়েই ৰন্ধা-বঢ়া কৰিছিল ধৃত দেৱযানী দাসে, এই কথা সদৰী কৰিছে উপ-আৰক্ষী আয়ুক্ত নৱনীত মহন্তই। মৃতদেহ উদ্ধাৰ হোৱা স্থানৰ বিৱৰণ দি আৰক্ষী বিষয়াজনে কয় যে গেছ চিলিণ্ডাৰ ভৰাই থোৱা চেম্বাৰৰ পৰাই মৃতদেহটো উদ্ধাৰ হৈছে আৰু এই কথা পৰিয়ালটোৱে জানিছিল। তলত মৃতদেহ থকাৰ পাছতো গেছত ৰন্ধা-বঢ়া কৰিছিল পৰিয়ালটোৱে।

## শিল্পী ক্ষীৰোদ কলিতাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২২ অক্টোবৰ ঃ** গোৱালপাৰা জিলা উপায়ুক্ত কাৰ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী, অনাতাঁৰ শিল্পী তথা চহৰৰ নিউ গোৱালপাৰাৰ বাসিন্দা ক্ষীৰোদ কলিতা (৮৫)ৰ আজি আবেলি পাঁচ বজাত মৃত্যু হয়। গোৱালপৰীয়া লোকগীত পৰিবেশন কৰিছিল। 'ডাকোৱাল নৃত্য', 'লেৱা টনা নৃত্য' তেওঁৰ অন্যতম সৃষ্টি। নিউ গোৱালপাৰা কলা কৃষ্টি সংঘৰ তেওঁ সভাপতি আছিল। শিল্পী দিৱস, বিষ্ণু ৰাভা দিৱস, মে' দিৱসৰ অনুষ্ঠানত তেওঁৰ কণ্ঠ আৰু গীতে ৰাইজক অনুপ্ৰেৰণা যোগাইছিল।

# মূল্যবৃদ্ধিৰ বিৰুদ্ধে জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে আন্দোলন গঢ়ি তুলিব

**বিশেষ সংবাদদাতা**
**নগাঁও, ২২ অক্টোবৰ ঃ** মূল্যবৃদ্ধিৰ বিৰুদ্ধে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে তীব্ৰ আন্দোলন গঢ়ি তুলিব। আজি নগাঁৱত এই মন্তব্য কৰে পৰিষদৰ কেন্দ্ৰীয় সভাপতি ৰাণা প্ৰতাপ বৰুৱাই। পৰিষদৰ নগাঁও জিলা সমিতিয়ে কালিৰে পৰা মূল্যবৃদ্ধি ৰোধ কৰাৰ দাবী কৰি থকা অনশন কাৰ্যসূচীত অংশগ্ৰহণ কৰি পৰিষদৰ সভাপতিজনে কয়, 'ৰাজ্যখনৰ বৰ্তমানৰ চৰকাৰে গণতান্ত্ৰিক আন্দোলনৰ ভাষা বুজি নাপায়। বৰ্তমানৰ চৰকাৰৰ ৬০ শতাংশ মন্ত্ৰী-বিধায়ক গণতান্ত্ৰিক আন্দোলনৰ মজিয়াৰ পৰা যোৱা। গণতান্ত্ৰিকভাৱে নিৰ্বাচিত হোৱা এখন চৰকাৰে গণতান্ত্ৰিক আন্দোলনৰ ভাষা বুজি নোপোৱাটো দুৰ্ভাগ্যজনক। সেয়ে আমি সমগ্ৰ ৰাজ্যতে মূল্যবৃদ্ধিৰ বিৰুদ্ধে তীব্ৰ গণতান্ত্ৰিক আন্দোলনৰ গঢ়ি তুলিম। যেতিয়ালৈকে মূল্যবৃদ্ধি ৰোধ নহয় তেতিয়ালৈকে আমাৰ আন্দোলন চলি থাকিব। প্ৰয়োজন সাপেক্ষে সমগ্ৰ অসমৰ পৰিষদৰ সদস্যসকলে গুৱাহাটীলৈ আহি দিছপুৰ ঘেৰাওৰ দৰে কাৰ্যসূচী গ্ৰহণ কৰিব। বৰাক উপত্যকাত অসমীয়া ভাষাৰ ফলকত ক'লা ৰং সনা সন্দৰ্ভত বৰুৱাই কয়, 'অসমত অসমীয়া ভাষা এক নম্বৰত থাকিব লাগিব। বৰাক উপত্যকা অসমৰ বাহিৰৰ নহয়। একাংশই আমাৰ মাজত বিভেদ আনিব বিচাৰিছে। চৰকাৰে এই ক্ষেত্ৰত বলিষ্ঠ ভূমিকা গ্ৰহণ কৰি অসমবিৰোধী শক্তিৰ বিৰুদ্ধে শক্তিশালী ব্যৱস্থা গ্ৰহণ কৰা উচিত। হিন্দুত্ববাদী নেতা সত্যৰঞ্জন বৰাই হজৰত মহম্মদৰ সন্দৰ্ভত বিতৰ্কিত মন্তব্য কৰা সন্দৰ্ভত তেওঁ কয়, 'একাংশ হিন্দুত্ববাদী নেতাই এনে ধৰণৰ সাম্প্ৰদায়িক মন্তব্য দি থাকিলে অসমত সাম্প্ৰদায়িকতাৰ বীজ ৰোপণ হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। ভাৰতবৰ্ষ এখন ধৰ্ম নিৰপেক্ষ দেশ। ধৰ্মনিৰপেক্ষতাৰ ক্ষেত্ৰত নিয়ম ভংগ কৰাসকলৰ বিৰুদ্ধে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰা উচিত। উল্লেখ্য যে পৰিষদৰ নগাঁও জিলা সমিতিয়ে কালিৰে পৰা কৰা ৩৬ ঘণ্টীয়া অনশন কাৰ্যসূচী আজি বিয়লি সামৰণি পৰে।

অসম দাপোণ

দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৩ অক্টোবৰ শনিবাৰ ২০২১ পৃষ্ঠা ৯

## দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মা দেৱৰ জন্মজয়ন্তী উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২২ অক্টোবৰ ঃ** উত্তৰণ সমাজ বিশ্বনাথ চালিআলি আৰু দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মা সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উদ্যোগত বিদ্যালয়খনৰ প্ৰেক্ষাগৃহত যোৱা ২০ অক্টোবৰত দিনজোৰা কাৰ্যসূচীৰে ১২৪ সংখ্যক জন্মজয়ন্তী পালন কৰা হয়। অনুষ্ঠানৰ মূল সভাত সভাপতিত্ব কৰে নগেন শৰ্মাই। সমাজসেৱক গিৰিশ বৰাই দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি জ্ঞাপন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক বৃজলাল শৰ্মাই। বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী আৰাধনা শৰ্মা আৰু ইন্দুকল্প বৰাৰ সহযোগিতাত সম্পাদক খগেন চন্দ্ৰ বৰাই আঁত ধৰা সভাখনত মুখ্য অতিথি হিচাপে অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া তথা সংস্কৃত সাহিত্যৰ সাধক হিতেশ্বৰ দাস আৰু নিৰ্দিষ্ট বক্তাৰূপে গীতিস্মিতা বৰা, শৈলেন্দ্ৰ বৰাই দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মাৰ জীৱন দৰ্শনৰ ওপৰত বিস্তৃত ব্যাখ্যাৰে আলোকপাত কৰি বক্তব্য আগবঢ়ায়। বিদ্যালয়খনৰ ছাত্ৰী হেমলতা দেৱীয়ে দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মাৰ বিষয়ে বক্তব্য আগবঢ়ায়। উক্ত অনুষ্ঠানৰ স'তে সংগতি ৰাখি আয়োজন কৰা চিত্ৰাংকন প্ৰতিযোগিতাৰ 'ক' শাখাৰ প্ৰথম স্থান লাভ কৰা বিজয়ী পল্লৱ দাস দ্বিতীয় স্থান লাভ কৰা নিৰ্মালী দাস, তৃতীয় স্থান লাভ কৰা অনুভৱ দাস, আৰু স্বাস্বত উপাধ্যায়, কৃষ্ণমণি দাস উদগনি বঁটা প্ৰাদন কৰাৰ লগতে কুইজ প্ৰতিযোগিতাত প্ৰথম স্থান দখল কৰা কৃষ্ণাংগ কাশ্যপ, নীলোৎপল, দ্বিতীয় স্থান দখল কৰিবলৈ সক্ষম হোৱা দিগ্বীজয় দাহাল, মহেন্দ্ৰ শৰ্মা, প্ৰকাশ বৰুৱা, সপোন্টি বৰঠাকুৰ, প্ৰসন্ন ভট্টাচাৰ্য আৰু দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মা সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীকে আদি কৰি বহু সংখ্যক বিশিষ্ট ব্যক্তি আৰু স্থানীয় ৰাইজ এই অনুষ্ঠানত উপস্থিত থাকে।

## দৰঙত বৃদ্ধি পাইছে ক'ভিড আক্ৰান্ত

### ■ মঙলদৈ নগৰীয়া স্বাস্থ্য কেন্দ্ৰত মিঠাই বিতৰণ

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২২ অক্টোবৰ ঃ** কালি দেশত ক'ভিড টিকাকৰণৰ সংখ্যা এশ কোটিৰ সংখ্যা অতিক্ৰম কৰাৰ এই গৌৰৱোজ্জ্বল মুহূৰ্তত স্বাস্থ্যকৰ্মীসকলক বিভিন্ন মহলে প্ৰশংসাৰে উপচাই পেলোৱাৰ সময়তে মঙলদৈতো দিনটো উদ্‌যাপন কৰে বিভিন্ন মহলে। মঙলদৈত টিকাকৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি থকা নগৰীয়া স্বাস্থ্য কেন্দ্ৰত অনুষ্ঠিত এখন সভাত জ্যেষ্ঠ চিকিৎসা বিষয়া ডাঃ বিজিত চহৰীয়া, জ্যেষ্ঠ গাণনিক পূৰ্ণজ্যোতি চহৰীয়াই সমৱেত আশাকৰ্মী, এ এন এম, এম পি ডব্লিউ, লেবৰেটৰী টেকনিচিয়ানসকলক প্ৰশংসা কৰে।



তদুপৰি ভিন্নৰঙী বেলুন উৰুৱাই মিঠাই বিতৰণ কৰে সমৱেত 'সন্মুখ শাৰীৰ ক'ভিড যোদ্ধা'সকলৰ মাজত। আনহাতে, দেশত টিকাকৰণৰ সংখ্যা এশ কোটি অতিক্ৰম কৰাৰ সময়তো দৰং জিলাত এতিয়াও অব্যাহত আছে ক'ভিড আক্ৰান্তৰ সংখ্যা। আজি জিলাখনত নতুনকৈ চিনাক্ত হয় ১৫ গৰাকীৰ শৰীৰত। ইয়াৰে ভিতৰত পাথৰিঘাটত পাঁচজন, ছিপাঝাৰত তিনিজন আৰু জলজলী স্বাস্থ্যকেন্দ্ৰত চিনাক্ত হয় সাতগৰাকী। লক্ষ্যণীয়ভাৱে দলগাঁও অঞ্চলত বিগত এমাহে নতুনকৈ আক্ৰান্তৰ সংখ্যা প্ৰায় শূন্য। দৰঙত এতিয়ালৈকে মুঠ আক্ৰান্ত হৈছে ৯,৫৪৯ গৰাকী, আৰোগ্য হৈছে ৯,৩৬৬ গৰাকী আৰু মৃত্যু হৈছে ১১২ জনৰ।

## ৰঙাপৰাত ভাৰতীয় সেনাৰ বিনামূলীয়া স্বাস্থ্য শিবিৰ

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ২২ অক্টোবৰ ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰাত কালি ভাৰতীয় সেনাৰ বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰে। ৰঙাপৰা বৃহত্তৰ নামনিগাঁও অঞ্চলৰ মিতালী খেলপথাৰত বহু সংখ্যক লোকৰ সমাগমত স্বাস্থ্য সেৱাৰ লগতে পশু চিকিৎসাৰ ব্যৱস্থা কৰা হয়। ক'ভিড নিয়ম মানি উক্ত শিবিৰত ছজন চিকিৎসকে চিকিৎসা সেৱা প্ৰদান কৰিছিল। ৩৫০ৰো অধিক লোকে স্বাস্থ্য পৰীক্ষা কৰি এই সেৱাৰ সুবিধা লাভ কৰে আৰু ১২০ টাৰো অধিক পশুৰ বিনামূলীয়া চিকিৎসা কৰা হয়।

## ৰাষ্ট্ৰীয় পৰ্যায়ত উজলিল অসমৰ দীপাংকৰ ভট্টাচাৰ্য



**গুৱাহাটী, ২২ অক্টোবৰ ঃ** সৰ্বভাৰতীয় পৰ্যায়ত জিলিকিছে অসমৰ এজন সংস্কৃত শিক্ষাৰ্থী। অন্ধ্ৰপ্ৰদেশৰ তিৰুপতিস্থিত ৰাষ্ট্ৰীয় সংস্কৃত বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ চূড়ান্ত পৰীক্ষাত 'শাব্দবোধ' বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰিছে অসমৰ দীপাংকৰ ভট্টাচাৰ্যই। এই সাফল্যৰ বাবে বিশ্ববিদ্যালয়খনে দীপাংকৰক প্ৰদান কৰিছে সোণৰ পদক। সংস্কৃত বিশ্ববিদ্যালয়খনৰ কুলাধিপতি পদ্মভূষণ এন গোপালা স্বামীয়ে কালি প্ৰদান কৰে এই সন্মান। যোৱা শিক্ষাবৰ্ষৰ এই সন্মান প্ৰদান অনুষ্ঠানটো অনুষ্ঠিত হয় তিৰুপতি-তিৰুমালা দেৱস্থানৰ মাহাতী অডিটৰিয়ামত। নলবাৰী জিলাত থকা কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত তথা পুৰাতনাধ্যয়ন বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণীৰ স্নাতক ডিগ্ৰী লৈ উচ্চ শিক্ষা গ্ৰহণৰ অৰ্থে তিৰুপতিৰ ৰাষ্ট্ৰীয় সংস্কৃত বিশ্ববিদ্যালয়খনলৈ গৈ সফলতা লাভ কৰা দীপাংকৰ গুৱাহাটীৰ লালমাটি নিবাসী দিলীপ ভট্টাচাৰ্য আৰু মালবিকা ভট্টাচাৰ্যৰ পুত্ৰ।

## ■ উপাযুক্ত ব্যৱস্থা গ্ৰহণৰ দাবী গুপ্তাকাশী বিশ্বনাথ ঘাটৰ ৰাইজৰ

# এটুপি খোৱা পানীৰ বাবে হাহাকাৰ




*মূল্যবৃদ্ধিৰ প্ৰতিবাদত মঙলদৈত আছুৰ সত্যাগ্ৰহ, শুকুৰবাৰে।*

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২২ অক্টোবৰ ঃ** উন্নয়ন যেন এতিয়া কেৱল কাগজ আৰু ফাইলৰ মাজত। কাৰণ পিছ পৰা অথবা যাতায়াত অচল তথা চৰকাৰী আচনিয়ে ঢুকি নোপোৱা অঞ্চলত নহয়, গুপ্তাকাশী বিশ্বনাথ ঘাটত খোৱা পানীৰ বাবে হাহাকাৰ অৱস্থা জনসাধাৰণৰ। বৃহত্তৰ অঞ্চলত এটুপি খোৱা পানীৰ বাবে এতিয়া লাগিছে হাহাকাৰ। বিকশিত অসমৰ উন্নয়নৰ ফোঁপোলা স্বৰূপ এইটো এটা উদাহৰণ। খোৱা পানীৰ অভাৱৰ বাবে শতাধিক ৰাইজ আজি ওলাই আহিল বিশ্বনাথ জিলা উপায়ুক্ত কাৰ্যালয়ত। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিশ্বনাথ ঘাট পানী যোগান আঁচনিৰ জৰিয়তে বিতৰণ হোৱা পানী পৰ্যাপ্ত পৰিমাণৰ নোহোৱা বাবে কে'বামাহ ধৰি দুৰ্ভোগ ভুগিব লগা হৈছে অঞ্চলবাসীয়ে। এই সন্দৰ্ভত বহুবাৰ আবেদন-নিবেদন কৰা পাছতো সমাধান হোৱা নাই এই বৃহৎ সমস্যাৰ। ফলস্বৰূপে কালি উপায়ুক্ত কাৰ্যালয়ত উপস্থিত হয় অজস্ৰ ভুক্তভোগী ৰাইজ। উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাক সমগ্ৰ সমস্যা সন্দৰ্ভত সাক্ষাৎ কৰাৰ লগতে অৱগত কৰোৱা হয় এই গভীৰ সমস্যা। অতি গুৰুত্ব সহকাৰে বিষয়টো অৱগত কৰোৱাৰ পাছত অতি সোনকালেই এই সন্দৰ্ভত সমস্যা সমাধান প্ৰতিক্ৰিয়াৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব বুলি জানিবলৈ দিয়ে জিলা উপায়ুক্তজনে। পূৰ্বতে এই পানী যোগান আঁচনিৰ জৰিয়তে দিনটোত তিনিবাৰকৈ ৰাইজে পানী লাভ কৰিছিল যদিও বিগত বহু মাহ ধৰি পৰ্যাপ্ত পৰিমাণৰ পানী নোপোৱাৰ লগতে অতি নগণ্য পৰিমাণে দিনটোৰ ভিতৰত এবাৰকৈ ৰাইজে পানী লাভ কৰিছে যদিও পৰ্যাপ্ত পৰিমাণৰ সুবিধা নোপোৱাত হাহাকাৰ লাগিছে ৰাইজৰ।

## বঙাইগাঁও জিলাত ৬,৪৫,৯২৮ পালি টিকা প্ৰদান

### ■ শ্ৰেষ্ঠ টিকা প্ৰদানকাৰীক সম্বৰ্ধনা

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২২ অক্টোবৰ ঃ** সমগ্ৰ ভাৰতবৰ্ষত বৃহস্পতিবাৰ পৰ্যন্ত এশ কোটি ক'ভিড টিকা প্ৰদান কৰি কেন্দ্ৰীয় চৰকাৰে সাফল্যৰ শিখৰত অধিষ্ঠিত হৈছে। এই অনুসৰি দেশৰ সকলো ৰাজ্যতে খণ্ড পৰ্যায়ত তথা জিলা পৰ্যায়ত শ্ৰেষ্ঠ ক'ভিড টিকা প্ৰদানকাৰীক সম্বৰ্ধনা, হাস্পতালত আলোকসজ্জা আদি বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে। বঙাইগাঁৱতো বৃহস্পতিবাৰে উপায়ুক্ত ডাঃ এম এছ লক্ষ্মীপ্ৰিয়াই জিলা পৰ্যায়ত শ্ৰেষ্ঠ ক'ভিড টিকা প্ৰদানকাৰীক সম্বৰ্ধনা জনায়। বঙাইগাঁও জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ ভূপেন বৈশ্য, অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ লাৱণ্য শৰ্মা, জিলা টিকাকৰণ বিষয়া ডাঃ পুষ্পেন্দু দাস, জিলা আঁচনি প্ৰৱন্ধক আনন্দ শৰ্মা আৰু বঙাইগাঁও খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ মহিবুল ইছলামকে ধৰি স্বাস্থ্য বিভাগৰ আন আন বিষয়ববীয়াৰ উপস্থিতিত বঙাইগাঁও আৱৰ্ত ভৱনত অনুষ্ঠিত এক অনুষ্ঠানত শ্ৰেষ্ঠ ক'ভিড টিকা প্ৰদানকাৰী মঞ্জুলা ৰয়, যামিনী দাস আৰু জিতা চক্ৰৱৰ্তীক উপায়ুক্ত ডাঃ লক্ষ্মীপ্ৰিয়াই সম্বৰ্ধনা জনায়। উপায়ুক্তগৰাকীয়ে কয় যে স্বাস্থ্য বিভাগৰ সকলো টিকা প্ৰদানকৰীয়ে ভালদৰে কাম কৰিছে। তথাপি এই তিনিগৰাকী ক'ভিড টিকা প্ৰদানকাৰীক তেওঁলোকৰ কামৰ বাবে বিশেষভাৱে ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হৈছে। বঙাইগাঁও জিলাত এতিয়ালৈকে ছয়লাখ ৪৫ হেজাৰ ৯২৮ পালি ক'ভিড টিকা প্ৰদান কৰা হৈছে আৰু অপচয়ৰোধ কৰি ৪০ হেজাৰ ৬৭৬ গৰাকী হিতাধিকাৰীক অতিৰিক্তভাৱে ক'ভিড টিকা প্ৰদান কৰা হৈছে।

## হাজোত চিকিৎসক-স্বাস্থ্যকৰ্মীক সম্বৰ্ধনা জ্ঞাপন বিজেপিৰ

অগ্ৰদূত বাৰ্তা

**হাজো, ২২ অক্টোবৰ ঃ** হাজো মণ্ডল বিজেপিৰ উদ্যোগত হাজোৰ ভিন্ন প্ৰান্তত বিশেষকৈ হাজো বিষ্ণুৰাম মেধি সামূহিক স্বাস্থ্য কেন্দ্ৰ তথা উপ-স্বাস্থ্য কেন্দ্ৰসমূহত চিকিৎসক স্বাস্থ্যকৰ্মীসকলক দেশৰ এশকোটি ক'ভিড টিকাকৰণৰ সফল ৰূপায়ণ উপলক্ষে বৃহস্পতিবাৰে ক'ভিড যোদ্ধাক সম্বৰ্ধনা জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সবল নেতৃত্বত দেশৰ এশ কোটি জনতাই সম্পূৰ্ণ বিনামূলীয়া ক'ভিড প্ৰতিষেধক লাভ কৰিবলৈ সক্ষম হৈছে। যাৰ বাবে প্ৰধানমন্ত্ৰী মোদীলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাই হাজো মণ্ডল বিজেপিৰ উদ্যোগত কৰ'না প্ৰতিষেধকৰ লগত জড়িত চিকিৎসক, স্বাস্থ্যকৰ্মীসকলক সম্বৰ্ধনা জনোৱা হয়। কাৰ্যসূচীত উপস্থিত থাকে হাজো মণ্ডল যুৱমৰ্চা বিজেপিৰ প্ৰাক্তন সভাপতি ভাস্কৰ ভৰালী, বিজেপিৰ কৰ্মী বজেন্দ্ৰ ভৰালী, ৰবিন্দ্ৰ নাথ দাস প্ৰমুখ্যে হাজো মণ্ডল বিজেপিৰ কাৰ্যকৰ্তা।

## ডকাইতি কাণ্ডত জড়িতৰ অভিযোগত আন দুজনক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**হোজাই, ২২ অক্টোবৰ ঃ** হোজাইৰ মোৰাঝাৰ থানাৰ অন্তৰ্গত ৰহমতনগৰত যোৱা ৩০ ছেপ্টেম্বৰত সংঘটিত ডকাইতি কাণ্ডত জড়িত থকাৰ অভিযোগত মোৰাঝাৰ আৰক্ষীয়ে আন দুজন কৰায়ত্ত কৰে। ধৃত দুজন হ'ল তজিম উদ্দিন আৰু ছেলিম উদ্দিন। পূৰ্বতে এই ডকাইতি কাণ্ডত জড়িত থকাৰ অভিযোগত মোৰাঝাৰ আৰক্ষীয়ে ফখৰুল ইছলাম নামৰ আন এজনক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিছিল। আৰক্ষীয়ে এই তিনিজন লোকে আন দুজন লোকৰ স'তে মিলি ডকাইতি কৰিছিল বুলি কয়। ঘটনাৰ নিশা কপিল উদ্দিন নামৰ ৰহমতনগৰৰ ব্যৱসায়ীজনে দোকান বন্ধ কৰি ঘৰলৈ যাওতে দুজন দুৰ্বৃত্তই পিষ্টল দেখুৱাই তেওঁৰ পৰা দুই লাখ ২০ হেজাৰ টকা কাঢ়ি নিছিল। ঘটনা সংক্ৰান্তত কপিল উদ্দিনে মোৰাঝাৰ থানাত গোচৰ তৰাৰ পাছতে আৰক্ষীয়ে তদন্ত চলাই ফখৰুল ইছলামক গ্ৰেপ্তাৰ কৰিছিল।

## বাগ্‌সাত অবৈধ সুৰাৰ বিক্ৰীৰ নামত ধনদাবী বিভাগীয় কৰ্মচাৰীৰ

### ■ অভিযুক্ত বিষয়া-কৰ্মচাৰীৰ শাস্তিৰ দাবী আঞ্চলিক ছাত্ৰ সন্থাৰ

অগ্ৰদূত বাৰ্তা

**বাগানপাৰা, ২২ অক্টোবৰ ঃ** যি সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত ৰাজ্যত ড্ৰাগছ মাফিয়া, অবৈধ সুৰা ব্যৱসায়ী আদিৰ বিৰুদ্ধে অসম আৰক্ষীয়ে কঠোৰ হৈছে, তেনে সময়তে বাগ্‌সা জিলাৰ আবকাৰী বিভাগত সংঘটিত এক লজ্জাজনক কাৰ্যই সমগ্ৰ জিলাখনত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জিলাখনৰ মুছলপুৰস্থিত বিভাগটোৰ কাৰ্যালয়ৰ এজন কৰ্মচাৰীয়ে অবৈধ সুৰা বিক্ৰীৰ বিনিময়ত ধন দাবী কৰা ঘটনাই বিভাগটোৰ ভিতৰ চ'ৰাৰ প্ৰকৃত স্বৰূপ উদঙাই দিছে। প্ৰাপ্ত অভিযোগ অনুসৰি, বিভাগটোৰ কৰ্মচাৰী এজনে জিলাখনৰ আবকাৰী পৰিদৰ্শকৰ নিৰ্দেশ অনুসৰি, জিলাখনৰ শালবাৰী মহকুমাৰ অন্তৰ্গত বাঁশবাৰীৰ এজন ৰেস্তোৰাঁৰ ব্যৱসায়ীক অবৈধভাৱে সুৰা বিক্ৰীৰ অনুমতি দিয়াৰ বিনিময়ত ১৫ হেজাৰ টকা ফোনযোগে দাবী কৰিছিল। আবকাৰী বিভাগৰ কৰ্মচাৰীজনে আনকি ব্যৱসায়ীজনক অবৈধভাৱে সুৰাৰ বিক্ৰী কৰি থকাৰ অভিযোগ তুলি দণ্ডাধীশৰ জৰিয়তে দোকান ছীল কৰাৰো ভীতি প্ৰদৰ্শন কৰে। অবৈধ সুৰা ব্যৱসায় বন্ধ কৰাৰ সলনি উপঢৌকন লৈ এইদৰে ওলোটাই বিক্ৰী কৰাৰহে অনুমতি প্ৰদান কৰাৰ এই তথ্য সামাজিক মাধ্যমত ভাইৰেল হোৱাত জিলাখনত তুমুল জোঁকাৰণিৰ সৃষ্টি হৈছে। ধন দাবীৰ এই সমস্ত কাণ্ডৰ লগত বিভাগটোৰ মুছলপুৰস্থ কাৰ্যালয়ৰ আবকাৰী পৰিদৰ্শকজন জড়িত থকাৰো অভিযোগ উঠিছে। উল্লেখ্য যে দীৰ্ঘদিনৰে পৰা জিলাখনৰ মুছলপুৰ, শালবাৰী আৰু তামুলপুৰ মহকুমাৰ বিভিন্ন স্থানৰ লগতে দৈনিক-সাপ্তাহিক বজাৰসমূহত অবৈধ চুলাই মদৰ ৰমৰমীয়া বেহা চলি অহাৰ অভিযোগ উত্থাপিত হৈ আহিছে। আবকাৰী বিভাগৰ অৱহেলা আৰু দুৰ্বলতাৰ সুযোগ লৈ তথা একাংশ কমিছনভোগী আবকাৰী বিষয়াৰ সুবাদতে এইদৰে অসাধু ব্যৱসায়ীয়ে অবৈধভাৱে বিলাতী সুৰাৰ লগতে চলাই গৈছে অবৈধ নিচাযুক্ত ঔষধ, চুলাই আদিৰ ৰমৰমীয়া বেহা। বিভাগটোৰ একাংশ বিষয়া-কৰ্মচাৰীৰ বাবেই এতিয়া জিলাখন যেন পৰিণত হৈছে সোণৰ কণী পৰা হাঁহলৈ। বিশেষকৈ জিলাখনৰ বিভিন্ন ঠাইৰ লগতে বৰমা, শিমলাগুৰি অঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত গঢ়ি উঠা একাংশ ধাবা তথা হোটেল, পাণ দোকানত মুকলিকৈ বিক্ৰী হৈ আহিছে বিলাতী সুৰাৰ লগতে বিভিন্ন নিচাযুক্ত মাদক দ্ৰব্য। এই ক্ষেত্ৰত আবকাৰী বিভাগটোৱে কিঞ্চিতমানো ব্যৱস্থা আজিলৈ লোৱা পৰিলক্ষিত হোৱা নাই। তাৰ সলনি বিভাগটোৰ একাংশ কৰ্মচাৰীয়ে সেইসমূহ ব্যৱসায়ীৰ পৰা নিয়মীয়াকৈ কমিছন সংগ্ৰহ কৰি নিৰ্ভয় প্ৰদান কৰাৰ অভিযোগ উছিছে। ইপিনে আজিলৈ জিলাখনত আবকাৰী বিভাগে জব্দ কৰা অবৈধ বিলাতী সুৰাসমূহ বিভাগীয়ভাৱে বিনষ্ট নকৰাৰ অভিযোগ সময়ে সময়ে উত্থাপিত হৈ আহিছে। ইয়াকে লৈ এতিয়া সচেতন ৰাইজৰ মাজত বিভিন্ন প্ৰশ্নৰ উদ্ৰেক হৈছে। জিলাখনত চলি থকা আবকাৰী বিভাগৰ এনে দুৰ্নীতি-অনিয়ম অতি শীঘ্ৰে বন্ধ কৰিবলৈ সকীয়নি দি বিভাগটোৰ কমিচনভোগী বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষ তথা চৰকাৰৰ ওচৰত বাগ্‌সা আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হৰেকৃষ্ণ পাঠকে দাবী জনাইছে।

## জনীয়াৰ ছহিদ স্বোহেল ৰাণা চ'কত সত্যৰঞ্জন বৰাৰ প্ৰতিকৃতি দাহ



**কলগাছিয়া, ২২ অক্টোবৰ ঃ** কালি জনীয়া ছহিদ স্বোহেল ৰাণা চ'কত যুৱ কল্যাণ পৰিষদ, জনীয়াৰ উদ্যোগত হিন্দুত্ববাদী নেতা সত্যৰঞ্জন বৰাৰ প্ৰতিকৃতি দাহ কৰে। বিতৰ্কিত উগ্ৰ হিন্দুত্ববাদী নেতা সত্যৰঞ্জন বৰাই ইছলাম ধৰ্মগুৰু হজৰত মহম্মদক ডকাইত বুলি কোৱাৰ কাৰণে সাব্যস্ত কৰে এই প্ৰতিবাদ। প্ৰতিবাদীসকলে সত্যৰঞ্জন বৰা মুৰ্দাবাদ, সত্যৰঞ্জন বৰা গ' বেক, সত্যৰঞ্জন বৰা হায় হায়, আৰ এছ এছ মুৰ্দাবাদ, আৰ এছ এছ হায় হায় আদি শ্ল'গানেৰে জনীয়াৰ ছহিদ শ্বোহেল ৰাণা চ'কৰ পৰিৱেশ উত্তাল কৰে। প্ৰতিবাদকাৰীসকলে সত্যৰঞ্জন বৰাক নিগনিৰ দৰে ঘৰৰ এটা চুকৰ পৰা সামাজিক মাধ্যম ফেচবুকত মুছলমানৰ বিৰুদ্ধে নানা কটু মন্তব্য নকৰিবলৈ সকীয়াই দিয়ে। সত্যৰঞ্জন বৰাক জনীয়া যুৱ কল্যাণ পৰিষদ তথা আন্দোলনকাৰীসকলে মুকলি ডিভাইডত বহিবলৈ প্ৰত্যাহ্বান জনোৱাৰ লগতে শীঘ্ৰেই বৰাক গ্ৰেপ্তাৰ কৰিবলৈ চৰকাৰক আহ্বান জনাইছে।

## বিশ্বনাথৰ আৰক্ষী ছাউনীত যুদ্ধত প্ৰাণাহুতি দিয়াসকললৈ আৰক্ষীৰ সোঁৱৰণী দিৱস

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২২ অক্টোবৰ ঃ** কালি সমগ্ৰ ৰাজ্যজুৰি পালন কৰা হয় আৰক্ষী সোঁৱৰণী দিৱস। প্ৰত্যেক বৰ্ষৰ ২৪ অক্টোবৰত ছহিদসকলৰ প্ৰতি পালন কৰা এই দিৱস সপ্তাহজোৰা কাৰ্যসূচীৰে বিশ্বনাথৰ আৰক্ষী চকী ছাউনীত দেশৰ হৈ প্ৰাণ আহুতি দিয়া বীৰ ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা জনাই সোঁৱৰণী দিৱস হিচাপে কালি দিনটো পালন কৰে অসম আৰক্ষীয়ে। জিলাখনৰ তিনি ছহিদ ক্ৰমে এছ আই নৰহৰি গগৈ, কনিষ্টবল নীৰজ ছেত্ৰী, চিআৰপিএফৰ জোৱান কালিচৰণ বৰাক স্মৰণ কৰি এই অনুষ্ঠানত ছহিদ তৰ্পণৰ লগতে আৰক্ষী জোৱানসকলৰ দ্বাৰা বিভিন্ন কুচকাৱাজ সম্পন্ন কৰা হয়। আৰক্ষী জোৱান আৰু উচ্চ পদস্থ বিষয়া বিশ্বনাথ আৰক্ষী অধীক্ষক লীনা দলে, অতিৰিক্ত আৰক্ষী অধীক্ষক কুলেন্দ্ৰ নাথ ডেকা, ডিএছপি জয়ন্ত বৰুৱা, ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জীত কুমাৰ ৰায় আদি উপস্থিত থাকে। আনহাতে, জিলাখনৰ তিনিগৰাকী ছহিদ আৰক্ষী জোৱানকেইজনৰ ঘৰত গৈ পৰিয়ালক সম্বৰ্ধনা জনোৱাৰ লগতে ছহিদকেইজনে শিক্ষাগ্ৰহণ কৰা বিদ্যালয়সমূহত গৈ তেওঁলোকৰ জীৱনবৃত্তৰ ওপৰত আলোকপাত কৰাৰ উপৰি গছপুলি ৰোপণ, কুইজ প্ৰতিযোগিতা আদিৰ এলানি কাৰ্যসূচী গ্ৰহণৰ পদক্ষেপ লয়।

## ছিপাঝাৰত বৰগীত-লোকগীত প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

অগ্ৰদূত বাৰ্তা

**ছিপাঝাৰ, ২২ অক্টোবৰ ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ছিপাঝাৰ আঞ্চলিক শাখাৰ উদ্যোগত ১৭ অক্টোবৰত আই-মাতৃসকলৰ মাজত অনুষ্ঠিত হয় বাৰ্ষিক সংস্কৃতি আৰু সাহিত্য প্ৰতিযোগিতা। সংঘৰ মূলৰ নিৰ্দেশত ছিপাঝাৰ প্ৰাথমিক শাখাৰ নামঘৰত অনুষ্ঠিত বৰগীত প্ৰতিযোগিতাত দক্ষিণ চুবুৰি প্ৰাথমিক শাখাৰ দীপশিখা দেৱী শইকীয়াই প্ৰথম, ছিপাঝাৰ প্ৰাথমিক শাখাৰ জ্যোতি মহন্ত দ্বিতীয় আৰু জ্যোৎস্না বনিয়াই তৃতীয় পুৰস্কৰ লাভ কৰে। আনহাতে, লোকগীত প্ৰতিযোগিতাত দীপশিখা দেৱী শইকীয়াই প্ৰথম, হেমাংগী প্ৰভা দেৱী দ্বিতীয় আৰু লুহিতা হাজৰিকাই তৃতীয় পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ছিপাঝাৰ আঞ্চলিক শাখাৰ সভাপতি তাৰিণী হাজিৰকা, সম্পাদক দিলীপ ডেকা, সহকাৰী সম্পাদক নৱ কুমাৰ শইকীয়া আৰু সঞ্জীৱ ডেকা, সংস্কৃতি শাখাৰ সভাপতি আদিত্য নাথ আৰু সম্পাদক অভিনৱ হাজৰিকা, সাহিত্য শাখাৰ সভাপতি শৰৎ কলিতা আৰু সম্পাদক ঘনশ্যাম হাজৰিকা, আই-মাতৃ শাখাৰ সভানেত্ৰী ৰীণা দেৱীসহ চন্দ্ৰ বনিয়া, দিবাকৰ হাজৰিকা, জয়ন্ত হাজৰিকা, মদন বনিয়া, লক্ষীৰাম ডেকা, মুক্তি প্ৰসাদ বৈশ্য, সৰজু মহন্ত আদিৰ উপস্থিতিত সাহিত্য প্ৰতিযোগিতাত অনুষ্ঠিত হয়।

## বিধ্বস্ত পথৰ বাবে ৰোগী যাব নোৱাৰে পালহাজী স্বাস্থ্য-কল্যাণ কেন্দ্ৰলৈ

### ■ বাৰম্বাৰ অনুৰোধ কৰাৰ পাছতো চৰকাৰে কাণসাৰ নিদিয়াৰ অভিযোগ

**পালহাজী, ২২ অক্টোবৰ ঃ** অসম চৰকাৰৰ এক বিশ্বস্ত সূত্ৰ মতে, অসমৰ ডাক্তৰ আৰু ৰোগীৰ অনুপাত ১ঃ১৪৫৩ জন, যিটো 'হু'ৰ মতে বহুত কম। বিশ্ব স্বাস্থ্য সংস্থা মতে, ডাক্তৰ আৰু ৰোগীৰ অনুপাত ১ঃ১০০০। তাৰ বিপৰীতে পালহাজী স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰটোৰ অধীনত ১০,৩২৫ জনসংখ্যাৰ এখন বিশাল ক্ষেত্ৰত এজন স্বাস্থ্য বিষয়া, এগৰাকী নাৰ্ছ, এজন এমপিডব্লিউ, এজন ফাৰ্মাচিষ্ট আৰু এজন চতুৰ্থ কৰ্মচাৰীয়ে সেৱা আগবঢ়াই আছে। ১৯৬৪তেই স্থাপন হৈছিল পালহাজীৰ এই উপ-স্বাস্থ্য কেন্দ্ৰটো। স্বাস্থ্য কেন্দ্ৰটোৰ নিজাকৈ কোনো মাটিবাৰী নাই। ২৮ নম্বৰ পালহাজী আজাদ গাঁও পঞ্চায়তৰ সন্মুখত ৫০ফুটX১৬ ফুট মাটিত চলি আছে এই কেন্দ্ৰটো। অগপ, কংগ্ৰেছ, বিজেপিৰ অনেক চৰকাৰ আহিল আৰু গ'ল। দক্ষিণ বৰপেটাৰ বৃহত্তৰ পালহাজী আৰু পাৰ্শ্বৱৰ্তী আৰু অঞ্চলৰ কথা কোনোৱেই নাভাবিলে। স্বাস্থ্যে আৰু শিক্ষাৰ নামত বছৰি কোটি কোটি টকা খৰচ কৰি আছে। পালহাজী অঞ্চলত কে'বাটাও চৰকাৰী পৰিত্যক্ত ভূমি আৰু মহলা বৈ আছে। তাৰে মাজত এটাছমেণ্ট বিদ্যালয়ো আছে। তাৰে এখন বিদ্যালয়ত স্বাস্থ্য কেন্দ্ৰটো স্থানান্তৰিক কৰি জনসাধাৰণক সকাহ দিবলৈ আহ্বান জনাইছে পালহাজীবাসীয়ে। দেখাত যদিও পালহাজী স্বাস্থ্য কেন্দ্ৰ,



কিন্তু ২০/২৫ কিলোমিটাৰকৈ দূৰদূৰণিৰ প্ৰসূতি মাতৃৰে কেন্দ্ৰটো ভৰি থাকে। পালহাজীৰ পৰা বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ ৰাস্তাটো অতি পুতৌজনক। সেই কাৰণে বৰপেটালৈ গৰ্ভৱতী মহিলা যাব নোখোজে। জনসংখ্যাৰ ফালৰ পৰা ইয়াৰ নিজা অঞ্চল আৰু কাষৰীয়া উপ-স্বাস্থ্য কেন্দ্ৰসমূহৰ জনসংখ্যা ৩০ হেজাৰৰ ওপৰত। যিটো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বাবে জৰুৰী বুলি স্বাস্থ্য বিভাগৰ সূত্ৰই কয়। পালহাজী স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰটোৰ পৰা বৰপেটালৈ প্ৰসূতি মাতৃক অনা-নিয়াৰ বাবে নাই কোনো এম্বুলেঞ্চ সেৱা। সেয়েহে ডাক্তৰ, চকীদাৰৰ আৱাস গৃহৰ স'তে আন্তঃগাঁথনি সুস্থিৰ থকা এখন আদৰ্শ স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণ কৰিবলৈ আৰু জৰুৰীকালীন গাড়ীৰ দাবী জনাইছে দক্ষিণ বৰপেটাৰ শিক্ষা, বাণিজ্যৰ কেন্দ্ৰ পালহাজী আৰু দাঁতিকাষৰীয়া ৰাইজে।

## শোণিতপুৰ জিলাত অন্ন মহোৎসৱ মুকলি

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২২ অক্টোবৰ ঃ** শোণিতপুৰ জিলা পুথিভঁৰালৰ প্ৰেক্ষাগৃহত বৃহস্পতিবাৰে উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসৰ অধ্যক্ষতাত অনুষ্ঠিত কাৰ্যসূচীত চৰকাৰী আঁচনিৰ অধীনত অন্ন মহোৎসৱ মুকলি কৰা হয়। এই অনুষ্ঠানত তেজপুৰ সমষ্টিৰ বিধায়ক পৃথ্বীৰাজ ৰাভা, তেজপুৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ বিৰাজ নাথৰ লগতে কে'বাজনো সমাজকৰ্মী উপস্থিত থাকে। এবছৰ পূৰ্বে কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা প্ৰধানমন্ত্ৰী দৰিদ্ৰ কল্যাণ অন্ন যোজনাৰ তৃতীয় পৰ্যায়ৰ অন্তৰ্গত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত অন্তভুক্ত সকলো ন্যায্য হিতাধিকাৰীৰ প্ৰতিজনকে অতিৰিক্ত পাঁচ কিলোগ্ৰাম চাউল বিতৰণ কৰা হৈছে আৰু তৃতীয় পৰ্যায়ত এই বছৰৰ মে'ৰ পৰা নৱেম্বৰলৈকে সামৰি লোৱা হৈছে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিধায়ক ৰাভাই ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰশংসা কৰে। জনসাধাৰণক খাদ্য সুৰক্ষা প্ৰদান কৰাৰ লগতে চৰকাৰে বিভিন্ন কল্যাণমূলক আঁচনি কাৰ্যকৰী কৰি আছে বুলি ভাষণ-প্ৰসংগত প্ৰকাশ কৰাৰ লগতে সম্প্ৰতি চৰকাৰে গ্ৰহণ কৰা বিভিন্ন কল্যাণমূলক আঁচনিৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ আহ্বান জনায়, যাতে অধিক সংখ্যক লোকে এই আঁচনিসমূহৰ পৰা উপকৃত হয়।

## হাজোৰ নতুন দিহিনাত চাৰি বছৰে মহিলা নিৰুদ্দেশ

অগ্ৰদূত বাৰ্তা

**হাজো, ২২ অক্টোবৰ ঃ** কামৰূপ জিলাৰ হাজো আৰক্ষী থানাৰ অন্তৰ্গত দিহিনা নিৱাসী এজন ৪০ বছৰীয়া ব্যক্তি চাৰি বছৰ ধৰি ৰহস্যজনকভাৱে নিৰুদ্দেশ হৈ আছে। উল্লেখ্য যে কামৰূপ জিলাৰ বাইহাটা চাৰিআলিত তামোল পাণৰ খুচুৰা ব্যৱসায়ৰে পৰিয়াল পোহপাল দিয়া নতুন দিহিনা নিৱাসী ৰামেশ্বৰ দাসে কৰ্মব্যস্ততাৰ তাগিদাত প্ৰতিদিনেই ঘৰলৈ অহা-যোৱা কৰিছিল। ২০১৮ৰ তিনি এপ্ৰিলৰ পৰা পুৱা কামলৈ ওলাই যোৱা ৰামেশ্বৰ দাস আজি পৰ্যন্ত ঘৰলৈ উভতি নাহিল। যাৰ বাবে পত্নী নিৰুবালা দাসে দুই সন্তাৰ স'তে আজি চাৰি বছৰে স্বামীক বিচাৰি ফুৰিছে যদিও আজি পৰ্যন্ত কোনো সম্ভেদ নাই ৰামেশ্বৰ দাসৰ। অৱশ্যে ঘটনা সন্দৰ্ভত হাজো আৰক্ষী থানাতো এজাহাৰ দাখিল কৰিছিল যদিও ঘৰৰ পৰিয়ালে আজি পৰ্যন্ত একো শুংসূত্ৰ পোৱা নাই নিৰুদ্দেশ হোৱা ব্যক্তিজনৰ। যাৰ বাবে আজি অসহায় পৰিয়ালটোৱে সংবাদ মাধ্যমৰ ওচৰ চাপে। কোনো লোকে ব্যক্তিজনৰ কিবা সম্ভেদ পালে ৭৫৭৭০৬৩০০৮ নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালৰ লোকে কাতৰভাৱে অনুৰোধ জনাইছে।

■ অনুজ্ঞাপত্ৰ বাতিলৰ দাবী আমছুৰ ■ দুৰ্নীতি বিৰোধী যুৱ শক্তিৰ লালুক থানাত এজাহাৰ দাখিল

# পাভ সমবায় সমিতিত দৰিদ্ৰৰ চাউল হৰলুকি

অগ্ৰদূত বাৰ্তা

**লালুক, ২২ অক্টোবৰ ঃ** লখিমপুৰ জিলাৰ পাভ সমবায় সমিতিৰ অন্তৰ্গত এক নম্বৰ ইছলামপুৰত থকা এখন সমবায় সমিতিৰ দোকানৰ দোকানীৰ বিৰুদ্ধে দৰিদ্ৰ ৰাইজলৈ অহা অন্ত্যোদয়া অন্ন সুৰক্ষা যোজনা আৰু প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ আঁচনিৰ চাউল হৰলুকি কৰাৰ অভিযোগ উত্থাপন হৈছে। লালুক থানাৰ অন্তৰ্গত এক নম্বৰ ইছলামপুৰ গাঁৱত থকা বদিৰ উদ্দিন আহমেদৰ ৮২/৪০/৯৯/৪৯ পঞ্জীয়ন নম্বৰৰ সুলভ মূল্যৰ দোকানখনৰ বিৰুদ্ধে দীৰ্ঘদিন ধৰি হিতাধিকাৰীসকলে অন্ত্যোদয়া অন্ন সুৰক্ষা যোজনা আৰু প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ আঁচনিৰ অধীনত দৰিদ্ৰ জনসাধাৰণলৈ অহা চাউল অনিয়ম সংঘটিত কৰি অহা বুলি অভিযোগ কৰিছে। এই লৈ আজি পুৱাৰ শতাধিক হিতাধিকাৰী আৰু স্থানীয় লোক সুলভ মূল্যৰ দোকানখনত উপস্থিত হৈ প্ৰতিবাদ জনায়। হিতাধিকাৰী আৰু স্থানীয় লোকে অভিযোগ কৰা মতে সুলভ মূল্যৰ দোকানৰ গৰাকীয়ে প্ৰতিমাহে হিতাধিকাৰীলৈ অহা চাউল সমূহ বিতৰণৰ ক্ষেত্ৰত ব্যাপক অনিয়ম সংঘটিত কৰি আহিছে। হিতাধিকাৰীসকলে সুলভ মূল্যৰ দোকানৰ গৰাকীক তেওঁলোকে পাব লগা চাউলসমূহহ অতি সোনকালে প্ৰদান কৰিবলৈ দাবী জনোৱাৰ লগতে সমগ্ৰ ঘটনাটো উচিত তদন্তৰ দাবী জনাইছে। আমছুৰ যুৱনগৰ আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক ছামচুল হুছেইনে এই সুলভ মূল্যৰ দোকানৰ গৰাকীৰ বিৰুদ্ধে উচিত তদন্ত কৰি বদিৰ উদ্দিন আহমেদৰ সুলভ মূল্যৰ দোকানৰ অনুজ্ঞাপত্ৰ বাতিলৰ দাবী জনাইছে। সুলভ মূল্যৰ দোকানৰ বিৰুদ্ধে হিতাধিকাৰী কৰা প্ৰতিবাদস্থলীত দুৰ্নীতি বিৰোধী যুৱ শক্তি অসমৰ লখিমপুৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক লিখন খাটনিয়াৰ উপস্থিত হৈ সমগ্ৰ ঘটনাৰ উচিত তদন্ত বিচাৰি লালুক থানাত সুলভ মূল্যৰ দোকানখনৰ গৰাকী বদৰ উদ্দিন আহমেদৰ বিৰুদ্ধে এক এজাহাৰ দাখিল কৰিছে। এজেহাৰত সংগঠনটোৱে সুলভ মূল্যৰ দোকানৰগৰাকীয়ে অন্ত্যোদয়া অন্ন সুৰক্ষা যোজনা আৰু প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ আঁচনিৰ চাউল হৰলুকি কৰি লুণ্ঠন চলাই অহা বুলি অভিযোগ কৰিছে। সংগঠনটোৱে সমগ্ৰ ঘটনাৰ উচিত তদন্ত কৰি দোষীৰ বিৰুদ্ধে দৃঢ় পদক্ষেপ গ্ৰহণ কৰিবলৈ আৰক্ষীক দাবী জনাইছে।



অতিৰিক্ত মূল্যবৃদ্ধিৰ প্ৰতিবাদত আছুৰ সত্যাগ্ৰহ, যোৰহাটত শুকুৰবাৰে।

## বৰগাছা ভঁৰালটোলাত শ্ৰীশ্ৰীলক্ষ্মী পূজা পালন

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২২ অক্টোবৰ ঃ** নলবাৰী আৰু কামৰূপ জিলাৰ সীমান্তৱৰ্তী ভঁৰালটোলা ধৰ্মক্ষেত্ৰত যোৱা ২০ অক্টোবৰৰ পৰা দুদিনীয়াকৈ শ্ৰীশ্ৰীলক্ষ্মী পূজা উদ্‌যাপন কৰা হয়। কাৰ্যসূচী অনুসৰি প্ৰথমদিনা পুৱাৰে পৰা বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰাৰ উপৰি আয়তীনাম আৰু সন্ধিয়া শ্ৰীশ্ৰীলক্ষ্মী পূজা অনুষ্ঠিত হয়। কালি পুৱাৰ পৰা কে'বাটাও ধৰ্মীয় কাৰ্যসূচী অনুষ্ঠিত হয়। আটাইবোৰ কাৰ্যসূচীতে বড়ো আৰু মুছলমান লোকসকলে সহযোগিতা আগবঢ়ায়। সন্ধিয়া পাঠক কৈলাশ তালুকদাৰ আৰু সৰ্বেশ্বৰ কলিতাৰ নাগাৰা নাম প্ৰদৰ্শনত অসংখ্য লোকৰ সমাগম হয়। এখন ঐতিহাসিক সমন্বয়ৰ ক্ষেত্ৰত পৰিণত হয় ভঁৰালটোলা ধৰ্মক্ষেত্ৰ।

## বৰপাম তিনিআলি যুৱ ঐক্যমঞ্চৰ ঝুমইৰ প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

**চতিয়া, ২২ অক্টোবৰ ঃ** চতিয়াৰ উত্তৰৰ বৰপাম তিনিআলিৰ যুৱ ঐক্যমঞ্চৰ উদ্যোগত অহা ২৪ অক্টোবৰত আঞ্চলিক ভিত্তিত ঝুমইৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ঐক্যমঞ্চৰ সভাপতি শত্ৰুঘ্ন কুৰ্মী, সম্পাদক ভৰত পাতৰ আৰু কাৰ্যালয় সম্পাদক অৰুণ বৰদলৈয়ে সংবাদ মাধ্যমক জানিবলৈ দিয়া মতে চলন্ত বঁটাৰ লগতে প্ৰতিযোগী দলসমূহক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। বৰপাম তিনিআলি ৰংগমঞ্চত দিনৰ দুই বজাৰ পৰা প্ৰতিযোগিতা মুকলি কৰা হ'ব। সাধাৰণতে ভাদ মাহৰ কৰম উৎসৱৰ সময়তে এই প্ৰতিযোগিতা অনুষ্ঠিত কৰি অহা হৈছিল যদিও ক'ভিড সংক্ৰমণৰ বাবে এই বছৰ পিছুৱাই দিবলৈ আয়োজক সমিতি বাধ্য হৈছে। উদ্যোক্তাসকলে ইচ্ছুক দলসমূহক ৭০০২৫৩৩৪৬০, ৭০৮৬৮৬৯২১৪, ৯৫৭৭৩০৬১৯৫ নম্বৰত অংশগ্ৰহণৰ বাবে যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

# অখিল গগৈ এজন হত্যাকাৰী

■ ভৱানীপুৰত ফণীধৰ তালুকদাৰৰ হৈ নিৰ্বাচনী প্ৰচাৰ বিজেপি বিধায়কৰ

বিশেষ সংবাদদাতা

**পাঠশালা, ২২ অক্টোবৰ ঃ** ভৱানীপুৰ বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ দলীয় প্ৰাৰ্থীৰ হৈ আজি নিৰ্বাচনী প্ৰচাৰ চলায় বিজেপিৰ কে'বাজনো বিধায়কে। আজি সমষ্টিটোত দলীয় প্ৰাৰ্থী ফণীধৰ তালুকদাৰৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায় বিধায়ক হেমাংগ ঠাকুৰীয়া, ৰামকৃষ্ণ ঘোষ, পৰমানন্দ ৰাজবংশী প্ৰমুখ্যে কে'বাজনো নেতাই। ভৱানীপুৰত মহিলা মৰ্চাই আয়োজন কৰা সভাত অংশগ্ৰহণ কৰি পলাশবাৰীৰ বিধায়ক ঠাকুৰীয়াই অখিল গগৈক এজন হত্যাকাৰী বুলি অভিযোগ কৰে। একমাত্ৰ ৰাজনৈতিক ক্ষমতা লাভৰ বাবেই প্ৰণৱ বড়োক গাত জুই লগাই অখিল গগৈয়ে আত্মহত্যা কৰিবলৈ প্ৰৰোচিত কৰা বুলি অভিযোগ কৰি তেওঁ কয় যে দিছপুৰ সচিবালয়ৰ সন্মুখত প্ৰণৱ বড়োক আত্মহত্যা কৰাৰ একমাত্ৰ তেৱেঁই ষড়যন্ত্ৰকাৰী আছিল। একমাত্ৰ ৰাজনৈতিক ক্ষমতাৰ বাবেই অখিল গগৈয়ে সকলো কৰিব পাৰে বুলি অভিযোগ কৰি নিজৰ স্বাৰ্থ পূৰণৰ বাবে আন্দোলন কৰিবলৈ ৰাজপথে ৰাজপথে লৈ ঘূৰি ফুৰা কৃষকসকলক আজি ভিক্ষাৰী কৰিলে বুলিও বিধায়কজনে কয়। আনহাতে, এআইইউডিএফৰ মুৰব্বী তথা সাংসদ বদৰুদ্দিন আজমলে পদুম ফুল দুৰ্গন্ধ বুলি কৰা মন্তব্যৰ প্ৰত্যুত্তৰত তেওঁ কয় যে ডুবাইত বহি থকা আজমলে পদুম ফুলৰ মূল্য বুজি নাপায়। পদুম ফুল সনাতনি সভ্যতাৰ বাবেই পবিত্ৰ অংগ, বহুতো দেৱ-দেৱীৰ বাহন পদুম ফুল। আজমলে এই সভ্যতাৰ বিষয়ে নাজানে। তেওঁ চাদুল্লাৰ বিষয়েহে ভালকৈ জানে। ইপিনে, ৰাইজৰ দলৰ নেতা লুৰীণজ্যোতিকো কঠোৰ ভাষাৰে সমালোচনা কৰি কয় যে নাগৰিকত্ব আন্দোলনৰ জৰিয়তে জাতীয়তাবাদী চোলা পিন্ধি অসম জাতীয় পৰিষদ গঠন কৰা নেতাজনে আজি ভৱানীপুৰত কংগ্ৰেছৰ সমৰ্থন আগবঢ়াইছে। যি কংগ্ৰেছৰ গুলিত অসম আন্দোলনৰ প্ৰথম ছহিদ হৈছিল খৰ্গেশ্বৰ তালুকদাৰ আৰু ছহিদগৰাকীৰ গৃহ সমষ্টিতে অসম জাতীয় পৰিষদে কংগ্ৰেছক সমৰ্থন কৰি নিজৰ ক্ষমতালোভী চৰিত্ৰ ৰাইজৰ আগত প্ৰকাশ কৰিলে বুলিও তেওঁ কয়। বিধায়কদ্বয় ৰাজবংশী আৰু ঘোষ উপস্থিত থকা সভাখনত বড়ো-কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য মহিপাল বড়োৰ নেতৃত্বত সমষ্টিটোৰ অন্তৰ্গত পৰিষদৰ অন্তৰ্গত গাঁওসমূহত মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীধৰ তালুকদাৰৰ সমৰ্থনত প্ৰচাৰ চলায়। এই কাৰ্যত ইউপিপিএলৰ নেতাসকলে সহযোগিতা কৰে।

## শিমলুগুৰিৰ বৃদ্ধাশ্ৰমত চাঞ্চল্যকৰ ঘটনা ঃ সমীপৰ পুখুৰীত পৰি সলিল সমাধি বৃদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**শিমলুগুৰি, ২২ অক্টোবৰ ঃ** আজি পুৱাৰ ভাগতে নাজিৰা মহকুমাৰ শিমলুগুৰিস্থ বৃদ্ধাশ্ৰমৰ এগৰাকী আবাসী সমীপৰ পুখুৰীত পৰি সলিল সমাধি ঘটনাৰ ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। তথ্য মতে, পুৱাৰ ভাগত বৃদ্ধাশ্ৰমৰ কোঠাৰ পৰা বাহিৰলৈ ওলাই যাওঁতে নুমলী সন্দিকৈ (৮৪) নামৰ বৃদ্ধা গৰাকী বৃদ্ধাশ্ৰমৰ সন্মুখতে থকা ঐতিহাসিক খাৰগড় পুখুৰীত পৰি সলিল সমাধি ঘটে। পাছত স্থানীয় আৰক্ষী, ৰাইজ আৰু এছ ডি আৰ এফৰ সহযোগত ঐতিহাসিক খাৰগড় পুখুৰীৰ পৰা সন্দিকৈৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে জয়সাগৰস্থ শিৱসাগৰ জিলা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# শিক্ষাবিদ, অসম আন্দোলনৰ নেতা শিৱসিংহ কোঁৱৰৰ বিয়োগ

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২২ অক্টোবৰ ঃ** শিৱসাগৰ কলেজৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ, শিক্ষাবিদ, অসম আন্দোলনৰ নেতা শিৱসিংহ কোঁৱৰ (৬২)ৰ আজি পুৱা ৯-৩০ বজাত শিৱসাগৰৰ এ টি ৰোডৰ নিজা বাসগৃহত মৃত্যু হয়। ১৯৫৮ত শিৱসাগৰত জন্মগ্ৰহণ কৰা প্ৰয়াত দেৱেশ্বৰ কোঁৱৰ আৰু প্ৰয়াত পদুমী কোঁৱৰৰ তৃতীয় সন্তান শিৱসিংহই জীৱনৰ আদিপাঠ গ্ৰহণ কৰিছিল শিৱসাগৰ নগৰৰ দুই নম্বৰ বালিকা প্ৰাথমিক বিদ্যালয়ত। মেঘাসম্পন্ন কোঁৱৰে পৰৱৰ্তী সময়ত ডিগবৈৰ বিবেকানন্দ হাইস্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হৈ শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ত উচ্চতৰ মাধ্যমিকৰ কলা শাখাত নামভৰ্তি কৰে। কলা শাখাত বিদ্যালয়খনৰ পৰাই অসমৰ ভিতৰত তৃতীয় স্থান দখল কৰিছিল। শিৱসাগৰ মহাবিদ্যালয়ৰ পৰাই স্নাতক ডিগ্ৰী সম্পন্ন কৰি পৰৱৰ্তী সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতি বিজ্ঞান বিভাগত সুখ্যাতিৰে স্নাতকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ হৈছিল। ইয়াৰ পাছত তেওঁ এম বি এ পাঠ্যক্ৰম সম্পন্ন কৰি কিছুদিন গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাণিজ্য শাখাত চাকৰি কৰি আৰম্ভ কৰিছিল কৰ্মজীৱন। ১৯৮৫ত শিৱসাগৰ মহাবিদ্যালয়ত অৰ্থনীতি বিজ্ঞান কোঁৱৰে শিৱসাগৰ কলেজৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপকৰ দায়িত্ব পালন কৰাৰ লগতে এইখন কলেজৰ পৰাই উপাধ্যক্ষ হিচাপে ২০১৮ বৰ্ষত অৱসৰ গ্ৰহণ কৰে। উল্লেখ যে ছাত্ৰ অৱস্থাৰ পৰাই আছুৰ লগত জড়িত থকা কোঁৱৰে গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়ি থকা সময়ত বিশ্ববিদ্যালয়ৰ ছাত্ৰ সন্থা গোট প্ৰতিষ্ঠাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰিছিল। কে'বাবাৰো কাৰাবাস খাবলগীয়া হোৱা কোঁৱৰে অসম গণ পৰিষদৰ প্ৰতিষ্ঠাৰ অন্যতম নেতা আছিল। শিক্ষকতাৰ সমান্তৰালকৈ ৰাজনীতিৰ পথাৰখনতো খোজ দিয়া কোঁৱৰে ১৯৯১ত শিৱসাগৰ বিধানসভা সমষ্টিৰ পৰা নতুন অসম গণ পৰিষদৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। পৰৱৰ্তী সময়ত থাওৱা বিধানসভা সমষ্টিৰ পৰাও অগপৰ প্ৰাৰ্থী হিচাপে ২০০১ আৰু ২০০৬ত প্ৰতিদ্বন্দ্বিতা আগবঢ়াই পৰাজয় বৰণ কৰিছিল। শিক্ষকতা, ৰাজনীতি কৰাৰ উপৰি শিৱসাগৰৰ বিভিন্ন অনুষ্ঠান- প্ৰতিষ্ঠানৰ স'তে তেওঁ জড়িত আছিল। গড়গাঁও মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, শংকৰদেৱ শিশু বিদ্যানিকেতনৰ পৰিচালনা সমিতিৰ সভাপতিৰ দায়িত্ব পালন কৰা কোঁৱৰ শিৱসাগৰ মহাবিদ্যালয় পৰিচালনা সমিতিৰ কাৰ্যকৰী সদস্য আৰু শিক্ষক গোটৰ সভাপতি পদো অলংকৃত কৰিছিল। সদৌ অসম কলেজ শিক্ষক সন্থাৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য, শিৱসাগৰ ক্ৰীড়া সন্থাৰ প্ৰাক্তন উপ-সভাপতি, ভাৰত মাতা পূজন সমিতি আদি বহু অনুষ্ঠান-প্ৰতিষ্ঠানৰ দায়িত্ব পালন কৰিছিল। পৰৱৰ্তী সময়ত শিক্ষক কোষৰ সহ আহ্বায়কৰ দায়িত্বত থকা কোঁৱৰে শিৱসাগৰ কলেজ শিক্ষক মণ্ডলৰো প্ৰাক্তন সভাপতি আছিল। তেওঁৰ মৃত্যুত শিৱসাগৰ কলেজৰ অধ্যক্ষ ড° প্ৰফুল্ল কুমাৰ কলিতা, শিক্ষকগোট, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলন, একালৰ সহকৰ্মী, গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্ত, প্ৰাক্তন ছাত্ৰ নেতা শৰৎ হাজৰিকা, ৰাজ্যিক অধিবিদ্যা পৰিষদৰ সম্পাদক পৱিত্ৰ প্ৰাণ ভট্টাচাৰ্য, বিজেপি নেতা সমীৰ গগৈ, শিৱসাগৰ ক্ৰীড়া সন্থা, শিৱসাগৰ জিলা ছাত্ৰ সন্থা, আটাছু, ঐক সেনা, উজনি অসম মুছলিম কল্যাণ পৰিষদ, আছুৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য সমীৰণ ফুকন, সাংস্কৃতিক মহাসভাকে ধৰি শতাধিক অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে শোক প্ৰকাশ কৰিছে। কাইলৈ তেওঁৰ নশ্বৰদেহ শিৱসাগৰ কলেজলৈ লৈ যোৱা হ'ব।




LOOK OUT NOTICE



The above photograph of Sri Basanta Choudhury (54 yrs.), father of Sri Dhanjit Choudhury of village Sikarhati, PS Palashbari, District Kamrup (Assam) who has been missing on 02-09-2014 from his house.

The description roll of the missing woman is as follows :

Name : Sri Basanta Choudhury
Age : 54 yrs.
Height : 5 feet 5 inch
Complexion : Whitish
Wearing : Black colour long pant & Pink colour shirt

Please take all out efforts to trace out the missingperson and if found intimate this office (Kamrup PCR. 0361-2684402, E-Mail- sp-kamrup@assampolice.gov.in) at the earliest for taking follow up action from this end. This refers to Palashbari PS Case No. 373/2014 U/S 364(A) IPC

Janasanyog/D/7915/21

Superintendent of Police
Kamrup :::: Amingaon


# ফেচবুকযোগে আপত্তিজনক ফটো ভাইৰেল

■ ধৰ্মীয় অনুভূতিত আঘাত কৰাৰ অভিযোগত

বৈঠালাংছ' আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিলে যমুনামুখৰ ছাত্ৰ

অগ্ৰদূত বাৰ্তা

**ডংকামোকাম, ২২ অক্টোবৰ ঃ** চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশত দুৰ্গা পূজাৰ সময়ত সংঘটিত হিংসাত্মক ঘটনাক লৈ সমগ্ৰ ভাৰততে প্ৰতিক্ৰিয়া অব্যাহত থকাৰ মাজতে পশ্চিম কাৰ্বি আংলং জিলাত ধৰ্মীয় অনুভুতিত আঘাত হনাৰ অভিযোগত এজন যুৱকক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। প্ৰাপ্ত তথ্য মতে, হোজাই জিলাৰ যমুনামুখৰ ভেৰভেৰীৰ গোলাম আব্বাছ পাটোৱাৰী ওৰফে আৰবাছ খান (১৮) নামৰ যুৱকজনে কালি দুখন মটৰ চাইকেলত আন চাৰিজন বন্ধুৰ স'তে হোজাই-পশ্চিম কাৰ্বি আংলং জিলাৰ সীমান্তৱৰ্তী আৰ্লং কুণ্ডু অৰ্থাৎ গণেশ পাহাৰত ফুৰিবলৈ আহে। উল্লেখ্য যে জিলাখনৰ টেংকেৰালাংছৰ পৰা প্ৰায় তিনি কিলোমিটাৰ নিলগৰ আৰ্লং কুণ্ডু নামৰ ধৰ্মীয় পৰ্যটনস্থলীত গণেশৰ মূৰ্তি শিলত খোদিত বুলি স্থানীয় লোকে বিশ্বাস কৰাৰ লগতে যুগ যুগ ধৰি বিভিন্ন স্থানৰ পৰা যোৱা লোকে উক্ত স্থানত পূজা-পাৰ্বণ আগবঢ়াই আহিছে। যুৱকৰ দলটোৱে উক্ত শিলাখণ্ডৰ ওপৰত ভৰিৰ ওপৰত ভৰি থৈ ফটো উঠোৱাৰ লগতে আৰবাছ খান নামৰ যুৱকজনৰ নামত থকা ফেচবুক একাউণ্টযোগে এই আপত্তিজনক ফটো ৰাজহুৱা কৰে। ফলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় অঞ্চলটোত। স্থানীয় লোকসকলৰ ধৰ্মীয় অনুভূতিত আঘাত কৰাত স্থানীয় ৰাইজে বৈঠালাংছ' আৰক্ষীৰ জৰিয়তে জিলা আৰক্ষী অধীক্ষকসকলে অভিযোগ প্ৰেৰণ কৰে। লগে লগে আৰক্ষীয়ে তৎপৰতাৰে অভিযান চলাই কচুৱা থানাৰ অন্তৰ্গত মাধৱপাৰা পঞ্চায়তৰ ৰমনীপথাৰ গাঁৱত থকা মাহীয়েকৰ ঘৰৰ পৰা নগাঁও জিলা আৰক্ষীৰ সহযোগত আৰবাছক গ্ৰেপ্তাৰ কৰে। ধৃত যুৱকজন কচুৱা তিনিআলিৰ জ্ঞানপীঠ বিদ্যালয়ৰ ছাত্ৰ। ধৰ্মীয় উন্মাদনা সৃষ্টিৰ জৰিয়তে সামাজিক শান্তি বিঘ্নিত কৰিব পৰা কাৰ্যত লিপ্ত যুৱকজনক উপযুক্ত শাস্তি প্ৰদানৰ দাবী জনাইছে।

# মৰাণত পত্নীৰ হত্যাকাৰীক ফাঁচিৰ দাবীত আৰক্ষী থানা ঘেৰাও মহিলাৰ

বিভিন্ন শ্ল'গানেৰে উত্তাল পৰিৱেশৰ সৃষ্টি

অগ্ৰদূত বাৰ্তা

**মৰাণ, ২২ অক্টোবৰ ঃ** পত্নী হত্যাকাৰীক ফাঁচিৰ দাবীত আজি শতাধিক মহিলাই মৰাণ আৰক্ষী থানা ঘেৰাও কৰি উত্তাল পৰিস্থিতিৰ সৃষ্টি কৰে। উল্লেখ্য যে ডিব্ৰুগড় জিলাৰ মৰাণ আৰক্ষী থানাৰ অন্তৰ্গত ৰাইদঙীয়াত যোৱা ১৭ অক্টোবৰত চোকা অস্ত্ৰৰে পত্নীক আঘাত কৰিছিল ডিব্ৰুগড়ৰ গৰুধৰীয়া দুৰ্গধৰ চাংমাই (৪২)-এ। ৰাইদঙীয়া গাঁৱৰ ফণীধৰ চুতীয়াৰ কন্যা বৰ্ণালী চুতীয়াক কিছু বছৰ পূৰ্বে বিয়া পাতি বৰ্ণালীৰ পিতৃগৃহৰ সন্মুখতে ঘৰ সাজি বাস কৰি আহিছিল দুৰ্গধৰে। পত্নী-সন্তানসহ নিগাজিকৈ বাস কৰি অহা দুৰ্গধৰে পাৰিবাৰিক কন্দলৰ বাবে যোৱা ১৭ অক্টোবৰত পত্নী বৰ্ণালীক চোকা অস্ত্ৰৰে আক্ৰমণ কৰি গুৰুতৰভাৱে আহত কৰে। পাছত আহত অৱস্থাত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হয় যদিও কালি তাতে মৃত্যু হয়। ইফালে, ঘটনাৰ পাছতে বৰ্ণালীৰ পিতৃয়ে মৰাণ আৰক্ষী থানাত কন্যাক জোঁৱায়েকে হত্যা কৰা বুলি এজাহাৰ দাখিল কৰাত আৰক্ষীয়ে কালিয়ে ৪৪৮/৩২৬/৩০২ ভাৰতীয় দণ্ডবিধিৰ ধাৰাৰ অধীনত ২১৮/২১ নম্বৰত এটা গোচৰ ৰুজু কৰি দুৰ্গধৰক আটক কৰে। আজি অঞ্চলটোৰ শতাধিক মহিলাই দুৰ্গধৰক ফাঁচিৰ দাবী জনাই মৰাণ থানা ঘেৰাও কৰে। বিভিন্ন শ্ল'গানেৰে থানাৰ চৌহদত মহিলাসকলে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। পাছত আৰক্ষীয়ে মহিলাসকলক আশ্বাস দিয়াত পৰিস্থিতি শান্ত হয়।


NIT NO. MSSDI/TC-73/N/Pt-II/2020-21/1130

(NOTICE INVITING TENDER)

Sealed tender affixing non-refundable court fee stamp of Rs 8.25 (Rupees eight & paisa twenty-five) only in prescribed form subsequently to be drawn in A.P.W.D. F-2 form of Tender agreement are hereby invited for the following 13 nos of SDRF schemes during the year 2019-20 from the Registered Contractor/Firm of Irrigation Department, which will be received in the office of the undersigned up to 2 P.M. on **26.10.2021** and will be opened on the same day at 3.00 P.M. in the same place & date by the undersigned or officers authorized to open in presence of the intending tenderers or their authorized agents who wish to be present **in compliance with Covid protocol**.

In the event of non functioning of office on the date due to some reasons, the next working day of office will be the date of receiving & opening of the Tenders.

| Group No | Name of Scheme | Approx Amount | Earnest Money | | Time of Completion |
|---|---|---|---|---|---|
| | | | 2 % for General | 1 % for SC/ST/ OBC/ MOBC | |
| 1 | FDR to Kanyamati LIS (RCC Stagging) | 150000.00 | 3000.00 | 1500.00 | 60 days |
| 2 | FDR to Kanyamati LIS( Ch. No. 5m to 52m) under SDRF for the year 2019-20 | 150000.00 | 3000.00 | 1500.00 | 60 days |
| 3 | FDR to Kanyamati LIS( Ch. No. 101m to 139m) under SDRF for the year 2019-20 | 150000.00 | 3000.00 | 1500.00 | 60 days |
| 4 | FDR to Kanyamati LIS( Ch. No. 140m to 177m) under SDRF for the year 2019-20 | 150000.00 | 3000.00 | 1500.00 | 60 days |
| 5 | FDR to Kanyamati LIS( Ch. No. 178m to 215m) under SDRF for the year 2019-20 | 150000.00 | 3000.00 | 1500.00 | 60 days |
| 6 | FDR to Kanyamati LIS( Ch. No. 216m to 253m) under SDRF for the year 2019-20 | 150000.00 | 3000.00 | 1500.00 | 60 days |
| 7 | FDR to Kanyamati LIS( Ch. No. 313m to 350m) under SDRF for the year 2019-20 | 150000.00 | 3000.00 | 1500.00 | 60 days |
| 8 | FDR to Kanyamati LIS( Ch. No. 351m to 388m) under SDRF for the year 2019-20 | 150000.00 | 3000.00 | 1500.00 | 60 days |
| 9 | FDR to Kanyamati LIS( Ch. No. 389m to 426m) under SDRF for the year 2019-20 | 150000.00 | 3000.00 | 1500.00 | 60 days |
| 10 | FDR to Kanyamati LIS( Ch. No. 521m to 558m) under SDRF for the year 2019-20 | 150000.00 | 3000.00 | 1500.00 | 60 days |
| 11 | FDR to Kanyamati LIS( Ch. No. 631m to 668m) under SDRF for the year 2019-20 | 150000.00 | 3000.00 | 1500.00 | 60 days |
| 12 | FDR to Kanyamati LIS( Ch. No. 669m to 706m) | 150000.00 | 3000.00 | 1500.00 | 60 days |
| 13 | FDR to Kanyamati LIS( Ch. No. 810m to 831.5m) | 87200.00 | 1744.00 | 872.00 | 60 days |

Detailed particulars may be seen in the office of the Executive Engineer, Mankachar-South Salmara Division (I) ,Hatsingimari, on all working days. Tender papers may be obtained on written request from the office of the undersigned on payment of Rs.200.00 (Rupees Two Hundred ) only in the form of IPO pledged in favour of the Executive Engineer ,Mankachar-South Salmara Division (I) , Hatsingimari during office hours up to 12 Noon on **26.10.2021**.

Tender papers must be filled up addressing to all points /terms specified with the tender form, otherwise tender will be treated as cancelled.

1. Details works & amount may be vary from the NIT work & amount.
2. The undersigned reserves the right to accept or reject any or all tenders without assigning any reason thereof.
3. The Undersigned/Accepting Authority is not bound to accept lowest Tender rate.
4. Requisite EM to be deposited along with the tender in the form of DD/FD of any Nationalized Bank of India duly pledged in favour of the Executive Engineer, Mankachar-South Salmara Division (Irrigation),Hatsingimari
5. Quoted bid value beyond the ambit of 10% (Ten Percent) below the sanctioned estimated rate shall not be considered for award of contract.

Janasanyog/C/6866/21

Executive Engineer
Mankachar-South Salmara Division (Irrigation)
Hatsingimari


# দিচৈ কোষ গুৱালগাঁও নামঘৰৰ ডেৰশ বছৰীয়া জয়ন্তী

■ নৱ নিৰ্মিত মণিকূট-গুৰু আসন প্ৰতিষ্ঠা

অগ্ৰদূত বাৰ্তা

**মেলামাটি, ২২ অক্টোবৰ ঃ** আহোম স্বৰ্গদেউসকলৰ স্মৃতি বিজড়িত যোৰহাট জিলাৰ এখন ঐতিহাসিক ঠাই দিচৈ কোষ গুৱাল গাঁও। আহোম স্বৰ্গদেউসকলৰ শেষ ৰাজধানী দিচৈ নগৰ (যোৰহাট)ৰ স্মৃতি এই গাঁওখনে আজিও সোঁৱৰাই আহোমৰ প্ৰধানমন্ত্ৰী পূৰ্ণানন্দ বুঢ়া গোহাঁয়ে নিৰ্মাণ কৰা দিচৈ কোঠৰ ইতিহাস বহন কৰিছে এই দিচৈ কোষ গুৱাল গাঁও নামঘৰে। এই দিচৈ কোঠতে আহোম স্বৰ্গদেউ গৌৰীনাথ সিংহই আশ্ৰয় লৈছিল দিচৈ নগৰ ৰাজধানী নিৰ্মাণ হোৱালৈকে। ১৮৬৯তে এই দিচৈ কোষ গুৱালগাঁও নামঘৰ নিৰ্মাণ হৈছিল। সেই ঐতিহাসিক নামঘৰৰ ডেৰশ বছৰীয়া জন্মজয়ন্তী ঐতিহাসিক মুহূৰ্তত মহাপুৰুষ শংকৰদেৱৰ ৫৩৭ সংখ্যক জন্মজয়ন্তীৰ লগত সংগতি ৰাখি নামঘৰৰ নৱ নিৰ্মিত মণিকূটৰ দ্বাৰ উদ্‌ঘাটন আৰু গুৰু আসন প্ৰতিষ্ঠাৰ মাংগলিক কৰ্ম দুদিনীয়া কাৰ্যসূচীৰে ১৪ আৰু ১৫ অক্টোবৰৰ নৱ নিৰ্মিত আড়ম্বৰপূৰ্ণভাৱে সম্পন্ন হয়। নামঘৰ উন্নয়ন সমিতিৰ সভাপতি প্ৰফুল্ল দত্তই পতাকা উত্তোলনেৰে আৰম্ভ কৰাৰ পাছতে পুষ্পধৰ দত্তই স্মৃতি তৰ্পণ কৰে আৰু নামঘৰীয়া বিৰেণ দত্তই বৃক্ষৰোপণ কাৰ্যসূচী মুকলি কৰে। ৰতনপুৰ বৰকীয়া সত্ৰৰ প্ৰদীপ গোস্বামীয়ে নৱ নিৰ্মিত মণিকূটৰ দ্বাৰ উদ্‌ঘাটন কৰিলে ভক্তি মাৰ্গৰ গুৰু বন্দনাৰে। গুৰু আসন জয়-বিজয় আৰু গৰুড় প্ৰতিষ্ঠা কৰে একেখন সত্ৰৰে ডেকা সত্ৰীয়া আনন্দ গোস্বামীয়ে। উৎসাহিত কৰে গুৰুজনাৰ বস্তু নতুন প্ৰজন্মৰ সন্মুখত উপস্থাপন কৰি মানৱ ধৰ্ম পালন কৰিবলৈ আহ্বান জনায়। নাম প্ৰসংগ কৰে প্ৰদীপ গোস্বামীয়ে। সন্ধিয়া ১৫০ বন্তি প্ৰজ্বলন কৰি ডেৰশ বছৰীয়া জন্মজয়ন্তী স্মৰণ কৰে। নিশাৰ ভাগত গুৰু চৰিত পাঠ কাৰ্যসূচী কৰে। ১৫ অক্টোবৰত পুৱা নাম প্ৰসংগৰ পাছত গাঁৱৰে আইসকলে দিহানাম পৰিৱেশন কৰে। নিশালৈ শিশুসকলৰ দ্বাৰা মহাপুৰুষ শংকৰদেৱৰ ৰুক্মিণী হৰণ নাটৰ ভাওনা প্ৰদৰ্শন কৰে। ভাওনা উদ্বোধন কৰে যোৰহাটৰ মালৌ আলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক নৰেণ বৰঠাকুৰে। দুয়ো দিনৰ কাৰ্যসূচীতে গাঁৱৰ প্ৰায় ৭৫টা পৰিয়ালৰ সকলো লোকে অংশগ্ৰহণ কৰাৰ উপৰি বিভিন্ন ঠাইৰ ভকত বৈষ্ণৱসকলে সহায় সহযোগ কৰে। উল্লেখ্য যে ঐতিহাসিক দিচৈ কোষ গুৱাল গাঁও নামঘৰৰ মণিকূট নিৰ্মাণ কৰিবলৈ বিভিন্ন ব্যক্তি দান বৰঙনিৰ উপৰি ডেৰগাঁও সমষ্টিৰ বিধায়ক ভবেন্দ্ৰ নাথ ভৰালীৰ



সহযোগত অসম চৰকাৰৰ অসম দৰ্শন আঁচনিৰ অধীনত অনুদান আগবঢ়ায়। মনকৰিবলগীয়া যে গাঁৱৰ বয়োজ্যেষ্ঠ মুনিহ-তিৰোতাসকলৰ লগতে কাৰ্যসূচীৰ সফল ৰূপায়ণ কৰাৰ ক্ষেত্ৰত পৰিশ্ৰম কৰা ব্যক্তিসকলক ৰাজহুৱাভাৱে সম্বৰ্ধনা জনায়।

■ প্ৰশাসনৰ নিষেধাজ্ঞা সত্বেও ৰমৰমীয়া ব্যৱসায় অব্যাহত ■ জব্দ ২২টা গৰু

# মেৰাপানীৰে নগালেণ্ডলৈ অবৈধ গৰু সৰবৰাহ



চৰাইদেউত আপকাৰী বিভাগে ধ্বংস কৰিলে অবৈধ সুৰাৰ ঘাটি, শুকুৰবাৰে।

**অগ্ৰদূত বাৰ্তা**
**মেৰাপানী, ২২ অক্টোবৰ ঃ** গোলাঘাট জিলা প্ৰশাসনে জিলাখনৰ বিভিন্ন ঠাইত থকা সকলো সাপ্তাহিক গৰুৰ বজাৰ সাময়িকভাৱে বন্ধ ৰখাৰ নিৰ্দেশ দিছে। জিলাখনত ক'ভিডৰ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত আৰু চুবুৰীয়া ৰাজ্যত গৰুৰ দেহত কোনো সংক্ৰামক ৰোগৰ প্ৰাদুৰ্ভাৱ ঘটাৰ প্ৰতি লক্ষ্য ৰাখি জিলা উপায়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অধ্যক্ষই দুৰ্যোগ ব্যৱস্থাপনা আইন, ২০০৫ৰ অধীনত এই নিৰ্দেশ জাৰি কৰিছে। কিন্তু এই নিৰ্দেশ অমান্য কৰি মেৰাপানীৰ কেইজনমান গৰু ব্যৱসায়ীয়ে নগালেণ্ডলৈ অবৈধভাৱে দৈনিক গৰু সৰবৰাহ কৰি আহিছে। এই গৰু ব্যৱসায়ী কেইজনে জিলাখনৰ বিভিন্ন স্থানৰ পৰা গৰু গাড়ীৰে আনি আদবাটত নমাই দুটা-চাৰিটাকৈ খোজ কঢ়াই আনি মেৰাপানী হৈ নগালেণ্ডত বিক্ৰী কৰি আহিছে। কিছুদিনৰ পূৰ্বে মেৰাপানী আৰক্ষীয়ে ২২ টাকৈ গৰু জব্দ কৰাৰ লগতে ব্যৱসায়ী এজনকো গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিছিল। কিন্তু এতিয়া ব্যৱসায়ীকেইজনে পূৰ্বতকৈ দুগুণে গৰু নগালেণ্ডলৈ সৰবৰাহ কৰি অহা বুলি স্থানীয় ছাত্ৰ সন্থা, যুৱ-ছাত্ৰ পৰিষদ, অনুসূচিত জাতি ছাত্ৰ সন্থাকে ধৰি বহুকেইটা সংগঠনে অভিযোগ তুলিছে। সংগঠনকেইটাই পৃথকে পৃথকে অভিযোগ কৰি কয় যে জিলা প্ৰশাসনৰ নিষেধাজ্ঞা থকা সত্বেও কেনেকৈ নগালেণ্ডলৈ গৰু সৰবৰাহ হৈ আহিছে বুলি প্ৰশ্ন তোলে। তেওঁলোকে জনোৱা মতে দৈনিক ২০-২২ টাকৈ গৰু নগালেণ্ডলৈ সৰবৰাহ কৰি আহিছে। সেয়েহে আৰক্ষী প্ৰশাসনে এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰি অবৈধভাৱে গৰু সৰবৰাহ কাৰ্য বন্ধ কৰিবলৈ বাতৰি কাকতৰ জৰিয়তে আৰক্ষী প্ৰশাসনক দাবী জনাইছে।

## ছিপাঝাৰত কাইলৈ আঞ্চলিক ভিত্তিত গুৰু আৱিৰ্ভাৱ মহোৎসৱ

**অগ্ৰদূত বাৰ্তা**
**ছিপাঝাৰ, ২২ অক্টোবৰ ঃ** অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা, মহাপুৰুষ, জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৩ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ অহা ২৪ অক্টোবৰত ছিপাঝাৰত আঞ্চলিক ভিত্তিত উদ্‌যাপন কৰা হ'ব। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ছিপাঝাৰ আঞ্চলিক শাখাৰ উদ্যোগত আৰু বৰদৌলগুৰিৰ আঠিয়াবাৰী প্ৰাথমিক শাখাৰ সহযোগত অনুষ্ঠিত হ'ব গুৰু আৱিৰ্ভাৱ মহোৎসৱ। আৱিৰ্ভাৱ মহোৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি ভৃগু কুমাৰ নাথ, সম্পাদক সঞ্জয় নাথ আৰু সহকাৰী সম্পাদক ভৃগু শইকীয়াই জনোৱা অনুসৰি সেইদিনা পুৱা সংঘৰ আঠিয়াবাৰী প্ৰাথমিক শাখাৰ সভাপতি ভুৱন চন্দ্ৰ শইকীয়াই প্ৰভাত ফেৰীৰে মহোৎসৱৰ কাৰ্যসূচী মুকলি কৰিব। ইয়াৰ পাছতে প্ৰাতঃ প্ৰসংগ, পৰিৱেশ নিকাৰণ, বৃক্ষৰোপণ, নাম-প্ৰসংগ, ধৰ্মধ্বজা উত্তোলন, ভাগৱত শোভাযাত্ৰা আৰু দিনৰ ১২ বজাত অনুষ্ঠিত হ'ব ধৰ্মালোচনী সভা। সংঘৰ ছিপাঝাৰ আঞ্চলিক শাখাৰ সভাপতি তাৰিণী হাজৰিকাৰ সঞ্চালনাত অনুষ্ঠিত হ'বলগীয়া সভাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শৰণ সদস্য মহেশ মহন্ত, আঞ্চলিক শাখাৰ প্ৰাক্তন সভাপতি জগত বৰুৱা আৰু অৰুণ চন্দ্ৰ ডেকা, মূলৰ প্ৰাক্তন সদস্য তাৰিণী চহৰীয়া আদি অতিথিৰূপে উপস্থিত থাকিব। এই গুৰু আৱিৰ্ভাৱ মহোৎসৱ সৰ্বতোপ্ৰকাৰ সাফল্যমণ্ডিত কৰিবলৈ ভক্তপ্ৰাণ ৰাইজলৈ আহ্বান জনাইছে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ছিপাঝাৰ আঞ্চলিক শাখাৰ সম্পাদক দিলীপ ডেকা, সহকাৰী সম্পাদক নৱ কুমাৰ শইকীয়া আৰু সঞ্জীৱ ডেকাই।

## বিশ্বায়নে আধ্যাত্মিকতাৰ প্ৰতিফলনৰ অভাৱ ঘটাইছে

■ অভয়পুৰীয়া নামঘৰত অবিৰত ভাগৱত পাঠ অনুষ্ঠানত ড° পীতাম্বৰ দেৱ গোস্বামী

**অগ্ৰদূত বাৰ্তা**
**আমগুৰি, ২২ অক্টোবৰ ঃ** বিশ্বায়নে আমাৰ অন্তৰত আধ্যত্মিকতাৰ প্ৰতিফলনৰ অভাৱ ঘটাইছে। বাহ্যিক বিশ্বায়নে মানুহৰ আন্তৰিক সম্পৰ্ক উন্নত কৰিব নোৱাৰে।' এই মন্তব্য আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামীৰ। আজি আমগুৰিৰ ভিতৰুৱা দেওৰজা অভয়পুৰীয়া গাঁৱৰ নামঘৰত তিনিদিনীয়া অবিৰত ভাগৱত পাঠ অনুষ্ঠান মুকলি কৰি সত্ৰাধিকাৰজনে আধ্যত্মিকতা ভাব বৃদ্ধিৰ গুৰুত্ব ব্যাখ্যা কৰি এনেদৰে কয়। উল্লেখ্য যে অভয়পুৰীয়া নামঘৰৰ নৱনিৰ্মিত মণিকূটৰ প্ৰতিষ্ঠাৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা তিনিদিনীয়া অবিৰত ভাগৱত পাঠ অনুষ্ঠানৰ উদ্বোধকৰূপে উপস্থিত থাকে সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামী। ইয়াৰে পূৰ্বে যোৱা ২০ অক্টোবৰত নৱনিৰ্মিত মণিকূট উদ্বোধন কৰে গৌৰীসাগৰ ঘূৰীয়া গঞাসত্ৰৰ বনমালী গোস্বামীয়ে আৰু প্ৰতিষ্ঠা কৰে দিখৌমুখ পূৰ্ণিয়া সত্ৰৰ নীলমণি গোস্বামীয়ে। অনুষ্ঠানত নৱনিৰ্মিত বাটচ'ৰা আৰু অতিথিশালা উদ্বোধন কৰে ক্ৰমে দিলীপ নাথে। কাইলৈ পুৱা তিনিদিনীয়া ভাগৱত পাঠৰ সামৰণি পৰিব। ভাগৱত পাঠৰ সামৰণিত সন্ধিয়া স্থানীয় শিল্পীসকলৰ দ্বাৰা 'কুৰ্ম অৱতাৰ' ভাওনা প্ৰদৰ্শন কৰা হয়।

## পেঙেৰীত অচিনাক্ত মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**মাৰ্ঘেৰিট, ২২ অক্টোবৰ ঃ** তিনিচুকীয়া জিলাৰ পেঙেৰী আৰক্ষী থানাৰ অন্তৰ্গত ব্ৰহ্মাজানত আজি উদ্ধাৰ হয় এটা অৰ্ধগলিত অচিনাক্ত মৃতদেহ। পুৱাৰ ভাগত ব্ৰহ্মাজান চাহ কলঘৰৰ নিচেই কাষৰে এডোখৰ হাবিত চিপ লৈ ওলমি থকা অৱস্থাত উদ্ধাৰ হৈছে মৃতদেহটো। কেনেদৰে ক'ৰ পৰা আহি লোকজনে এনেদৰে চৰম সিদ্ধান্ত ললে বৰ্তমানেও জানিব পৰা হোৱা নাই। পুৱাৰ ভাগত স্থানীয় লোকে অৰ্ধগলিত মৃতদেহটো প্ৰত্যক্ষ কৰি পেঙেৰী আৰক্ষীক খবৰ দিয়ে। খবৰ লাভৰ পাছতে পেঙেৰী থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হয়। পৰৱৰ্তী সময়ত আৰক্ষী আৰু মাৰ্ঘেৰিটা দণ্ডাধীশৰ উপস্থিতিত মৃতদেহটো উদ্ধাৰ কৰে। অৱশ্যে বৰ্তমানেও লোকজনৰ পৰিচয় লাভ কৰিবলৈ সক্ষম হোৱা নাই আৰক্ষী। উদ্ধাৰ হোৱা মৃত ব্যক্তিজনৰ বয়স অনুমানিক ৪৫ বছৰ মান হ'ব বুলি অনুমান কৰা হৈছে। ব্যক্তিজনক হত্যা কৰা হৈছে নে আত্মহত্যা সেয়া এতিয়াও স্পষ্ট হোৱা নাই। আৰক্ষীৰ তদন্তৰ পাছতহে প্ৰকৃত তথ্য পোহৰলৈ আহিব। আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

## কাতিমহীয়া বৰষুণত বুৰিল শালি ধানৰ খেতি ঃ কৃষক চিন্তিত



**অগ্ৰদূত বাৰ্তা**
**তালাপ, ২২ অক্টোবৰ ঃ** বিগত কে'বা সপ্তাহো ধৰি বৰষুণ নোহোৱাৰ ফলত কৃষিকে ধৰি আন গছ-গছনিবিলাকৰ ক্ষেত্ৰত পানীৰ বাবে হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছিল। অৱশ্যে যোৱা তিনিদিন ধৰি বৰষুণ হোৱাত কৃষক ৰাইজৰ যিমান ভাল লাগিল তাতকৈ অধিক একাংশ কৃষকৰ বাবে চিন্তাৰ কাৰণ হৈছে। ৰাজ্যৰ আন প্ৰান্তৰ দৰে তিনিচুকীয়া জিলাৰ বৃহত্তৰ তালাপ কৰ্দৈগুৰি অঞ্চলতো পৰ্যাপ্ত পৰিমাণে বৰষুণ হোৱাত ডাঙৰী অনন্ত নলাৰ জলপৃষ্ঠ বৃদ্ধি হৈছে। ফলত অঞ্চলটোৰ নদী কাষৰীয়া শালিধান পানীত বুৰ গৈছে। আগতীয়া জাতৰ ধান গছত গেঁৰ ধৰাৰ সময়তে পানীৰ তলত বুৰ যোৱা খেতি ডৰাক লৈ কৃষকসকলে চিন্তান্বিত হৈছে। প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি কৃষি কৰ্ম কৰি অহা কৃষকসকলে চলিত বৰ্ষত খৰাং পৰিস্থিতিৰ স'তে তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছিল। তাৰ মাজতে শেহতীয়াকৈ অহা নদীৰ বাঢ়নী পানীয়ে আৰু অধিক চিন্তিত কৰিছে কৃষকসকলক।

## গোসাইগাঁৱৰ পলাশগুৰিত ইউপিপিএলৰ নিৰ্বাচনী সভা

**অগ্ৰদূত বাৰ্তা**
**গোসাইগাঁও, ২২ অক্টোবৰ ঃ** অহা ৩০ অক্টোবৰত অনুষ্ঠিতব্য হ'বলগীয়া উপ-নিৰ্বাচনৰ ২৮ নম্বৰ গোসাঁইগাঁও বিধানসভা সমষ্টিত ৰাজনৈতিক দল সমূহৰ নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। সমষ্টিটোৰ দুই নম্বৰ পলাশগুৰী গাঁৱত আজি অনুষ্ঠিত এখন সভাত অধিবক্তা তথা ইউপিপিএলৰ সংখ্যালঘু কোষৰ কেন্দ্ৰীয় সম্পাদক মাফিজুৰ ৰহমানে কয়, 'বিটিচি প্ৰধান প্ৰমোদ বড়োৰ দৃঢ় আৰু সবল নেতৃত্বত বিটিআৰত আজি শান্তি প্ৰতিষ্ঠা হৈছে। এসময়ত অস্ত্ৰৰ ঝনঝননি থকা বিটিআৰ অঞ্চলৰ সকলোতে আজি শান্তি প্ৰতিষ্ঠা হৈছে।' ধনদাবী, হত্যা-হিংসাৰ অৱসান ঘটি শান্তি প্ৰতিষ্ঠা হৈছে, মুক্ত মনেৰে ইফালে সিফালে মানুহ ঘূৰি ফুৰিব পৰাৰ এক পৰিৱেশ একমাত্ৰ মিত্ৰজোঁটৰ চৰকাৰৰ বাবেই সম্ভৱ হোৱা বুলি তেওঁ ভাষণত কয়। পলাশগুৰী ভিচিডিচিৰ উপ-সভাপতি ছাইফুল ইছলামৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত প্ৰাৰ্থী জিৱণ বসুমতাৰীয়ে কয় যে তেওঁক বিধায়ক হিচাপে নিৰ্বাচিত কৰিলে সোণকোষ নদীৰ খহনীয়াকে ধৰি সমষ্টিটোত যুগ যুগ ধৰি সমাধা নোহোৱা সমস্যাসমূহ সমাধান কৰিব উক্ত সভাত সমাজকৰ্মী মাৰ্জিত বসুমতাৰী নৱজ্যোতি হাই মাদ্ৰাছাৰ প্ৰাক্তন অধীক্ষক আব্দুল হাই মিঞা তথা বি এ চিৰ প্ৰাক্তন সদস্য আমান আলী শ্বেখ আদি উপস্থিত থাকে।

## তিনিচুকীয়াত সক্ৰিয় গাড়ী চুৰি চক্ৰ, বজালতলী ভি আই পি পথৰ পৰা বাহন চুৰি

**অগ্ৰদূত বাৰ্তা**
**তিনিচুকীয়া, ২২ অক্টোবৰ ঃ** যোৱা ২১ অক্টোবৰৰ নিশা তিনিচুকীয়াৰ বজালতলীৰ পৰা এটা চোৰৰ দলে এখন বগা ৰঙৰ স্কৰপিঅ' বাহন চুৰি কৰি উধাও হয়। গৰাকীয়ে নিশা শুই থকা অৱস্থাতেই এ এছ ০১ বি ভি ৭৩০৯ নম্বৰৰ চুৰি হোৱা বাহনখন তিনিচুকীয়া কৃষি বিভাগৰ বিষয়া উদ্দীপন ৰাজকোঁৱৰৰ। নিশা এক বজাৰ পৰা তিনি বজাৰ মাজৰ সময়তে চুৰিকাণ্ডটো সংঘটিত কৰে আৰু সমগ্ৰ চুৰি ঘটনাৰ দৃশ্য গোপন কেমেৰাত বন্দী হয়। পৰৱৰ্তী সময়ত তিনিচুকীয়া সদৰ আৰক্ষী থানাত বাহনৰ গৰাকী উদ্দীপন ৰাজকোঁৱৰে এজাহাৰ দাখিল কৰে। ঘটনাস্থলীত তিনিচুকীয়া সদৰ আৰক্ষী থানাৰ চহৰ পৰিদৰ্শক লক্ষীনাথ দ'লেৰ নেতৃত্বত তিনিচুকীয়া এটা আৰক্ষীৰ দল উপস্থিত হৈ গোপন কেমেৰাৰ দৃশ্য সংগ্ৰহ কৰাৰ লগতে চুৰিকাণ্ডৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে।

## গোসাঁইগাঁৱত চিআৰপিএফ-বিএছএফৰ উদ্যোগত যৌথ সভা



**অগ্ৰদূত বাৰ্তা**
**ফকিৰাগ্ৰাম/দোতমা, ২২ অক্টোবৰ ঃ** অহা ৩০ অক্টোবৰত গোঁসাইগাঁও বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি চিআৰপিএফ আৰু বিএছএফ সেনাই যৌথভাৱে গোঁসাইগাঁৱত শ্ৰীৰামপুৰস্থিত চিআৰপিএফ কেম্পত আজি যৌথসভা অনুষ্ঠিত হয়। আগন্তুক উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি যাতে গোঁসাইগাঁৱত কোনো অপ্ৰীতিকৰ ঘটনা সংঘটিত নহয় আৰু ৰাইজে যাতে ভয় শংকা অবিহনে ভোটাধিকাৰ সাব্যস্ত কৰিব পাৰে তাৰ বাবে বিএছএফৰ ডিআইজিৰ নিৰ্দেশত আৰু বিএছএফৰ উচ্চ পৰ্যায়ৰ বিষয়াৰ উপস্থিতিত শ্ৰীৰামপুৰস্থিত চিআৰপিএফ ছাউনীত এই গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়।

## লখিমপুৰৰ অধিবক্তাৰ বিয়োগ



**বিশেষ সংবাদদাতা**
**লখিমপুৰ, ২২ অক্টোবৰ ঃ** লখিমপুৰ যুৱ অধিবক্তা, জিলা উকীল সন্থাৰ সদস্য, ৰঙাজান নিবাসী সমাজকৰ্মী আব্দুল কাদিৰ (৪০)ৰ আজি পুৱা আঠ বজাত মৃত্যু হয়। এমাহ আগৰে পৰা অসুস্থ হৈ তেওঁৰ ডিব্ৰুগড়ত চিকিৎসা কৰিছিল যদিও উন্নত চিকিৎসাৰ বাবে গুৱাহাটী আৰ্য হাস্পতালত অস্ৰোপচাৰ সম্পন্ন হয় আৰু যোৱা ২০ অক্টোবৰত ঘৰলৈ ঘূৰি আহিছিল। কিন্তু বৃহস্পতিবাৰে হঠাৎ তেওঁ অসুস্থ হৈ পৰাত লখিমপুৰৰ সৌমাৰপীঠ হাস্পতালত পুনৰ ভৰ্তি কৰায় যদিও আজিপুৱা আঠ বজাত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। জিলা উকীল সন্থাই তেওঁৰ মৃত্যুত শোক প্ৰাৰ্থনা কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুই কণমানি কন্যা সন্তান এৰি যায়।

## উত্তৰ গুৱাহাটীত পুনৰ সক্ৰিয় গাড়ী চুৰি চক্ৰ

**অগ্ৰদূত বাৰ্তা**
**উত্তৰ গুৱাহাটী, ২২ অক্টোবৰ ঃ** উত্তৰ গুৱাহাটী আমিনগাঁৱত গাড়ী চোৰে নিদ্ৰা হৰিছে সৰ্বাসাধাৰণ লোকৰ। যোৱা ২০ অক্টোবৰত ৰহধলাৰ পৰা তিনিখন মটৰ চাইকেল চুৰিৰ পাছত যোৱা নিশা আমিনগাঁও ঔদ্যোগিক পামৰ এটা উদ্যোগৰ পৰা এখন বলেৰ' পিকআপ ভান চুৰি হয়। আমিনগাঁও 'ছিগনোভা হেল্‌থ কেয়াৰ প্ৰাইভেট লিমিটেড' নামৰ উদ্যোগ চৌহদৰ পৰা সুৰক্ষা কৰ্মীৰ নিদ্ৰাৰত অৱস্থাৰ সুযোগ লৈ এ এছ-০১ ইচি-৫৭৬৫ নম্বৰৰ বলেৰ' বাহনখন চুৰি কৰাৰ অভিযোগ কৰিছে গৰাকী চন্দন শৰ্মাই। ব্যৱসায়ী শৰ্মাই জানিবলৈ দিয়া মতে, ছিগনোভা হেল্‌থ কেয়াৰ প্ৰাইভেট মিলিটেড' নামৰ উদ্যোগত বয়বস্তু কঢ়িয়াবৰ বাবে বলেৰ' বাহনখন ব্যৱহাৰ কৰা হৈছিল। সেই অনুযায়ী গাড়ীৰ চাবি সন্ধিয়া উদ্যোগৰ সুৰক্ষাকৰ্মীক গতাই দিব লাগে। নিশা সুৰক্ষা কৰ্মীয়ে গাড়ীত তলা লগাই চাবি লগত লৈ শুই আছিল। প্ৰৱেশ দ্বাৰৰ বাটচ'ৰাত সুৰক্ষাকৰ্মী টোপনিত লালকাল দেখি সমীপৰে জ্যোতি লেব'ৰেটৰী নামৰ উদ্যোগৰ সুৰক্ষাকৰ্মী তথা লিজেণ্ড ছিকিউৰিটিৰ সুৰক্ষাকৰ্মী জিতু ৰাজবংশীয়ে গাড়ীখন লৈ উধাও হয়। ঘটনাৰ পাছৰে পৰা ৰাজবংশী পলাতক হৈ আছে। ঘটনা সন্দৰ্ভত গাড়ীৰ গৰাকী আমিন গাঁৱৰ শৰ্মাই অভিযুক্ত ৰাজবংশীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে। ঘটনাস্থলীত যে ৰাজবংশীৰ তথ্যপাতিৰ এটি পলিথিন বেগ উদ্ধাৰক লৈ গাড়ী চুৰিকাণ্ডত জড়িত বুলি গৰাকী শৰ্মাই নিশ্চিত হৈ আমিনগাঁও আৰক্ষী চকীত এজাহাৰ দাখিল কৰে। দিনৰ পোহৰত উত্তৰ গুৱাহাটী ঔদ্যোগিক পামৰ ৰাজপথত চিলনী চোৰে পথচাৰীৰ পৰা থপিয়াই কে'বাটাও ম'বাইল ফোন নিয়াৰ অভিযোগ উত্থাপিত হৈছে।

## কাতিমহীয়া বৰষুণত বিধ্বস্ত মধ্য যোৰহাটৰ কৃষিভূমি



**অগ্ৰদূত বাৰ্তা**
**লাহদৈগড়, ২২ অক্টোবৰ ঃ** পূৱ যোৰহাট ৰাজহ চক্ৰ অন্তৰ্গত মধ্য যোৰহাটৰ হাতীগড়, চাওখাত, হোলোঙাপাৰ তিনিটা মৌজাৰ কৃষিভূমিৰ ফুলৰি মেলা আৰু আগতীয়া মনচুৰ ধানৰ খেতি কাতিমহীয়া বৰষুণত বিধ্বস্ত হৈছে। কৃষক ৰাইজে আহাৰ, শাওণ, ভাদত খৰাং হোৱাত আৰু ধান খেতিৰ বাবে প্ৰয়োজনীয় সাৰৰ যোগান ধৰাত সমস্যা সৃষ্টি হোৱাৰ পাছতো অশেষ কষ্ট কৰি ধান খেতি কৰিছিল। কিন্তু কাতিমহীয়া কৃষকসকলৰ অৱস্থা বৰষুণনে শোচনীয় কৰিছে।

## আজি নলবাৰী জিলা সাংবাদিক সন্থাৰ অধিবেশন

**বিশেষ সংবাদদাতা**
**নলবাৰী, ২২ অক্টোবৰ ঃ** নলবাৰী জিলা সাংবাদিক সন্থাৰ একাদশ দ্বি-বাৰ্ষিক অধিবেশন কাইলৈ দিনজোৰা কাৰ্যসূচীৰে নলবাৰী জিলা সাহিত্য সভাৰ কাৰ্যালয়ত অনুষ্ঠিত হ'ব। 'আজু'ৰ পতাকা উত্তোলন কৰিব নলবাৰী জিলা সাংবাদিক সন্থাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাই। ইয়াৰ পাছতে বন্তি প্ৰজ্বলন কৰিব সুভাষ কাকতি, কিশোৰ কুমাৰ কলিতা, বিশিষ্ট চিকিৎসক ড° অৰুণ বৰ্মন, অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক গোবিন্দ কলিতা আৰু জ্যেষ্ঠ সাংবাদিক ৰমনী বৰ্মনে। ছহিদ তৰ্পণ ৰূপায়ণ কৰিব সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজ্যোতি পাঠক আৰু অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিৰ সম্পাদক কৌশিক বৰ্মনে। স্মৃতি তৰ্পণ কৰিব কমলেশ শৰ্মা, এম মহিবৰ ৰহমান, ব্ৰজেন তালুকদাৰ, সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অক্ষয় ডেকা আৰু এ জে ৱাই চি পিৰ নলবাৰী জিলা সমিতিৰ সভাপতি পাৰ্থপ্ৰতীম শৰ্মাই। প্ৰতিনিধিৰ নাম পঞ্জীয়নৰ পাছত কাৰ্যনিবাহক বৈঠক আৰু ধ্ৰুৱজ্যোতি শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিতব্য প্ৰতিনিধি আৰু মুকলি সভা উদ্বোধন কৰিব 'আজু'ৰ সভাপতি পংকজ নাথে। উপস্থিত থাকিব মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্তমল্ল বৰুৱা, বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মন, জিলা উপায়ুক্ত গীতিমনি ফুকন আৰু আৰক্ষী অধীক্ষক পবিন্দ্ৰ নাথ। সভাত অতিথিৰূপে অংশগ্ৰহণ কৰিব 'আজু'ৰ সাধাৰণ সম্পাদক নকুল তালুকদাৰ, 'আজু'ৰ উপ-সভাপতি ৰাজেন ডেকাৰ লগতে ডাঃ মৃগাংক তালুকদাৰ, ড° বিপিন কলিতা আৰু সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ভৰজিৎ বেজবৰুৱাই। বিয়লি তিনি বজাত অনুষ্ঠিত হ'ব বিষয় বাছনি সভা। অধিবেশনত সহায়-সহযোগিতা কামনা কৰিছে নলবাৰী জিলা সাংবাদিক সন্থাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মা, কাৰ্যকৰী সভাপতি ফাইজুৰ ৰহমান, প্ৰধান সম্পাদক ৰমেন কলিতা আৰু যুটীয়া সাধাৰণ সম্পাদক ক্ৰমে বসন্ত দাস আৰু সুভাষ ডেকাই।

## জামুগুৰিহাটৰ উদ্ধাৰ সন্ধানহীন বৃদ্ধৰ মৃতদেহ

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ২২ অক্টোবৰ ঃ** জামুগুৰিহাটৰ সংগীয়া মাজৰ চকু গাঁৱৰ অৱনী কটকী নামৰ সন্ধানহীন হৈ থকা ৭৮ বছৰীয়া ব্যক্তিজনৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। যোৱা দুৰ্গোৎসৱৰ অষ্টমীৰ নিশা অৰ্থাৎ ১৩ অক্টোবৰৰ নিশা নিজা গৃহৰ পৰাই সন্ধানহীন হৈ থকা ব্যক্তিজনৰ মৃতদেহ আজি মৰণাকুৰিৰ সমীপৰ এখন ধাননি পথাৰৰ পৰা উৰলি যোৱা অৱস্থাত উদ্ধাৰ কৰা হয়। উল্লেখ্য যে সন্ধানহীন হোৱা ব্যক্তিজনক বিচাৰি যোৱা আঠদিন ধৰি পৰিয়ালৰ লোকৰ লগতে গাঁওখনৰ যুৱকসকলে চলাথ কলিছিল যদিও অৱশেষত নিজা গৃহৰ পৰা তিনি কিলোমিটাৰ দূৰত্বত ব্যক্তিজনৰ মৃতদেহ উদ্ধাৰ হয়।

## জানুৱাৰীত মুকলি হ'ব মাটিয়া ডিটেনছন কেম্প



**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২২ অক্টোবৰ ঃ** অসম আৰক্ষীৰ গৃহ নিৰ্মাণ বিভাগৰ উদ্যোগত গোৱালপাৰা জিলাৰ মাটিয়াত চলি থকা ডিটেনচন কেম্পৰ নিৰ্মাণকাৰ্য বৰ্তমানলৈকে ৯০ শতাংশ অগ্ৰগতি লাভ কৰিছে। উল্লেখ্য যে 'ডি' ভোটাৰ গোচৰত বিদেশী ঘোষিত হোৱা লোকসকলক অন্যান্য বিভিন্ন গোচৰত দোষী সাব্যস্ত হোৱা কয়েদীসকলৰ লগতে একোখন কাৰাগাৰত ৰখাৰ ব্যৱস্থা কৰা হৈছে। কিন্তু সাধাৰণ কয়েদীৰ দৰে বিদেশী ঘোষিত 'ডি' ভোটাৰসকলক একেলগে জিলা কাৰাগাৰত ৰখাটো মানৱ অধিকাৰ উলংঘন বুলি অভিযোগ উত্থাপিত হৈ আহিছে। সেয়েহে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ দাবীৰ বাবেই কেন্দ্ৰীয় চৰকাৰে বিদেশী ন্যায়াধিকৰণৰ দ্বাৰা ঘোষিত বিদেশীসকলক ৰখাৰ বাবে ৰাজ্যখনত ছয়টা ডিটেনচন কেম্প নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰে গোৱালপাৰা জিলাৰ মাটিয়া আৰক্ষী থানাৰ অন্তৰ্গত পশ্চিম মাটিয়া (দোমনীত) প্ৰায় ৪৫ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰি থকা ডিটেনচন কেম্পৰ ১৫টাকৈ বিল্ডিঙত তিনি হেজাৰ লোকক একেলগে ৰাখিব পৰা যাব। ইয়াৰে এটাকৈ বিল্ডিঙত দুশজনকৈ কয়েদী থাকিব। কয়েদীসকলৰ বাবে খোৱা-লোৱাৰ বাবে পৃথকে পৃথকে থাকিব ডাইনিং হল আৰু ৰন্ধা ঘৰ। মহিলাসকলৰ বাবে থাকিব বিশেষ ব্যৱস্থা। ইপিনে, কয়েদীসকলক চাবলৈ অহা মানুহৰ বাবে থাকিব আপ্যায়নৰ সু-ব্যৱস্থা। কয়েদীসকলৰ সৰু সৰু ল'ৰা-ছোৱালীৰ বাবে থাকিব সুকীয়া বিদ্যালয় আৰু চিকিৎসাৰ বাবে থাকিব চিকিৎসালয়। বৰ্তমানলৈকে ৯০ শতাংশ কামৰ অগ্ৰগতি হোৱা বুলি বিভাগীয় সূত্ৰে প্ৰকাশ। ইপিনে অহা ডিচেম্বৰৰ ভিতৰত নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈ উঠিলে জানুৱাৰীত মুকলি হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে বুলি নিৰ্মাণ কাৰ্যৰ দায়িত্বত থকা বিভাগীয় বিষয়াই জানিবলৈ দিছে।

■ গ্ৰামোন্নয়নৰ দুৰ্নীতি আৰু স্বজন-তোষণৰ অভিযোগ

## ৰূপহী গাঁও পঞ্চায়তৰ কংগ্ৰেছী সভাপতিৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ গৃহীত

**অগ্ৰদূত বাৰ্তা**
**ৰূপহীহাট, ২২ অক্টোবৰ ঃ** ৰূপহীহাট উন্নয়ন খণ্ডত আজি অনুষ্ঠিত সভাত ৰূপহী গাঁও পঞ্চায়তৰ ১০গৰাকী ৱাৰ্ড সদস্যই পঞ্চায়ত সভাপতি হাৰুণ ৰছিদৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ গ্ৰহণ কৰে। অনাস্থা প্ৰস্তাৱৰ শক্তি পৰীক্ষাত কংগ্ৰেছৰ টিকটত বিজয়ী হোৱা সভাপতি ৰছিদ অনুপস্থিত আছিল। পঞ্চায়তখনৰ কোনো এগৰাকী ৱাৰ্ড সদস্যই থিয় নহ'ল অপসাৰিত সভাপতি ৰছিদৰ পক্ষত। উপ-সভানেত্ৰী অজুফা খাতুনক ভাৰপ্ৰাপ্ত সভানেত্ৰীৰ দায়িত্ব অৰ্পণ কৰে সভাই। বিশেষ সভাত আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী মল্লিকা আক্তাৰাই পৌৰোহিত্য কৰিছিল। খণ্ড উন্নয়ন বিষয়া উপস্থিত থকা সভাত ৱাৰ্ড সদস্যসকলে অপসাৰিত সভাপতি ৰছিদৰ বিৰুদ্ধে গ্ৰামোন্নয়নৰ আঁচনিৰ অবাধ লুণ্ঠন আৰু স্বজন-তোষণৰ গুৰুতৰ অভিযোগ উত্থাপন কৰে। চতুৰ্দশ বিত্তীয় আয়োগ আৰু বজাৰ অংশৰ বিপৰীতে আৱণ্টিত প্ৰায় ডেৰ কোটি টকাৰ ওপৰত লুণ্ঠন চলোৱাৰ অভিযোগ তোলে সভাখনত। অভিযোগ মতে অপসাৰিত সভাপতিয়ে নিজৰ ভ্ৰাতৃ মামুন ৰছিদক নিৰ্মাণ সমিতিৰ সভাপতি পদত অধিষ্ঠিত কৰিছিল। পঞ্চায়তৰ কাৰ্যনিৰ্বাহক সভা নিয়মীয়াকৈ আহ্বান নকৰি অপসাৰিত সভাপতিয়ে স্বেচ্ছাচাৰিতা চলোৱাৰ অভিযোগ উত্থাপন কৰে ৱাৰ্ড সদস্যসকলে। গাঁওসভাৰ পৰিৱৰ্তে ঘৰত বহি অপসাৰিত সভাপতিয়ে আঁচনি গ্ৰহণ কৰাৰ অভিযোগ উঠিছে। উল্লেখ্য যে কংগ্ৰেছী বিধায়ক নুৰুল হুদাই বিক্ষুব্ধ ৱাৰ্ড সদস্যসকলক সৈমান কৰাব নোৱাৰাত অপসাৰিত সভাপতি ৰছিদে শেষৰক্ষাৰ বাবে বিজেপি আৰু অগপৰ কে'বাগৰাকী প্ৰভাৱশালী নেতাৰ শৰণাপন্ন হোৱাৰ অভিযোগ উঠিছিল। তথাপি আজি নিজক শেষ ৰক্ষা কৰিব নোৱাৰিলে অপসাৰিত সভাপতিজনে। আটাইকেইগৰাকী ৱাৰ্ড সদস্যই সভাপতিৰ বিৰুদ্ধে অনমনীয় আৰু দৃঢ় স্থিতি গ্ৰহণ কৰাৰ বাবে কোনো হেঁচাই প্ৰভাৱ পেলাব নোৱাৰিলে।

# আজিৰে পৰা টি-২০ বিশ্বকাপৰ 'ছুপাৰ ১২'

## প্ৰথম খিতাপ জয়ৰ লক্ষ্য ভগ্নপ্ৰায় অষ্ট্ৰেলিয়াৰ



### সাম্প্ৰতিক ফৰ্মৰ দ্বাৰা আত্মবিশ্বাসী দক্ষিণ আফ্ৰিকা

নিউজ ব্যুৰ'

**ডুবাই, ২২ অক্টোবৰ ঃ** প্ৰাথমিক যোগ্যতা অৰ্জনকাৰী পৰ্বৰ পাছত কাইলৈৰ পৰা আৰম্ভ হ'ব আইচিচি টি-২০ বিশ্বকাপৰ 'ছুপাৰ ১২'ৰ মূলপৰ্ব। কাইলৈ গ্ৰুপ 'এক'ৰ দুখন মেচ অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি, বিয়লি ৩-৩০ বজাৰ পৰা আৰম্ভ হ'বলগীয়া 'ছুপাৰ ১২'ৰ প্ৰথমখন মেচত মুখামুখি হ'ব শেহতীয়াকৈ সুন্দৰ ফৰ্মত থকা দক্ষিণ আফ্ৰিকা আৰু ভগ্নপ্ৰায় অৱস্থাত থকা অষ্ট্ৰেলিয়া।

উল্লেখ্য যে বিশ্ব ক্ৰিকেটত সদায় শক্তিশালী প্ৰতিদ্বন্দ্বী যদিও অষ্ট্ৰেলিয়াই এই পৰ্যন্ত টি-২০ বিশ্বকাপৰ খিতাপ জয় কৰিব পৰা নাই। এবাৰ দলটো ফাইনেলত উপনীত হৈছিল। অষ্ট্ৰেলিয়াৰ শেহতীয়া প্ৰদৰ্শনো উন্নত নহয়। দলটোৱে অন্তিম চাৰিটা টি-২০ শৃংখলাত পৰাজয়ৰ মুখ দেখিছে। অৱশ্যে ২০২০ত দক্ষিণ আফ্ৰিকাৰ বিপক্ষে অন্তিম শৃংখলাত দলটো বিজয়ী হৈছিল। অষ্ট্ৰেলিয়াৰ প্ৰধান সমস্যা হৈছে তাৰকা অপেনাৰ ডেভিদ ৱাৰ্ণাৰৰ শোচনীয় ফৰ্ম। লগতে অধিনায়ক এৰ'ন ফিন্সে আঘাতৰ বাবে দীৰ্ঘদিন দলৰ বাহিৰত আছিল। ইয়াৰ বিপৰীতে দক্ষিণ আফ্ৰিকাৰ তৰুণ খেলুৱৈৰে সমৃদ্ধ দলটোৱে অন্তিম ১০খন খেলৰ নখনতে জয়ী হৈ ফৰ্মৰ ইংগিত দিছে। সেয়ে কাইলৈৰ খেলত জয়ী হোৱাটো অষ্ট্ৰেলিয়াৰ বাবে বৰ সহজ নহ'ব।

## কাছমাৰী ফুটবলত কহিগুৰিৰ পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰগতি

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ২২ অক্টোবৰ ঃ** নগাঁও জিলাৰ কাছমাৰী আঞ্চলিক ক্ৰীড়া সংঘৰ উদ্যোগত পলাশতলি কাছমাৰী হাইস্কুল খেলপথাৰত পূৰ্ণগতিত চলি আছে প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা। আজিৰ খেলত কহিগুৰি ফুটবল ক্লাবে চৰাইবাহী ফুটবল ক্লাবক ১-০ গ'লত পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰগতি অৰ্জন কৰে। তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক খেলখনত বিজয়ী দলৰ হৈ গ'ল দিয়ে কবিৰাজ সিঙে। খেল পৰিচালনা কৰাত ৰেফাৰী সঞ্জীৱ ডেকাৰজাক সহায় কৰে বিষ্ণু বৰদলৈ, সমীৰ বৰদলৈ আৰু চতুৰ্থ ৰেফাৰী কণ্ঠী ৰাজাই। কাইলৈ ৰহঢলা ফুটবল ক্লাবে মৰিগাঁও জিলাৰ পাঘালি এফ চিৰ বিপক্ষে খেলিব বুলি খেল পৰিচালনা সমিতিৰ সভাপতি স্বৰূপ ডেকা আৰু সম্পাদক প্ৰাঞ্জল ডেকাই জনাইছে।

## বড়োলেণ্ড গেলেণ্ট ফুটবলৰ ছেমিত ৰিভেঞ্জাৰ

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২২ অক্টোবৰ ঃ** দৰঙৰ ভকতপাৰাত চলি থকা বড়োলেণ্ড গেলেণ্ট ফুটবলৰ ছেমিফাইনেলত উপনীত হৈছে ভকতপাৰাৰ ৰিভেঞ্জাৰ এফ চি। আঞ্চলিক এবছুৰ উদ্যোগত চলি থকা প্ৰতিযোগিতাখনৰ আজিৰ কোৱাৰ্টাৰ ফাইনেলত ৰিভেঞ্জাৰে হৰিশিঙা আঞ্চলিক ক্ৰীড়া সংঘক ৩-১ গ'লত পৰাজিত কৰে। বিজয়ী দলৰ হৈ গ'ল দিয়ে বৌহাউথী বসুমতাৰী, বিৰদেউ বড়ো আৰু ফিগ বড়োৱে। হৰিশিঙাৰ হৈ এটা গ'ল পৰিশোধ কৰে ৰবাৰ্ট দৈমাৰীয়ে।

### টিহুত আন্তঃজিলা জুনিয়ৰ ফুটবল

## 'ই' মণ্ডলত চেম্পিয়ন বাগ্‌সা

অগ্ৰদূত বাৰ্তা

**টিহু, ২২ অক্টোবৰ ঃ** অসম ফুটবল সন্থাৰ পৰিচালনাত তথা নলবাৰী জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু টিহু ক্ৰীড়া সন্থাৰ সহযোগত টিহুত অনুষ্ঠিত ১৭ বছৰৰ অনূৰ্ধ্বৰ আন্তঃজিলা জুনিয়ৰ ফুটবলৰ 'ই' মণ্ডলৰ প্ৰতিযোগিতা আজি সমাপ্ত হয়। 'ই' মণ্ডলত চূড়ান্ত বিজয়ী হয় বাগ্‌সা জিলা। আজিৰ ফাইনেলত বাগ্‌সাই গুৱাহাটী দলক টাইব্ৰেকাৰৰ সহায়ত ৫-০ গ'লত পৰাজিত কৰে। খেলখন নিৰ্ধাৰিত সময়ত ১-১ গ'লত ড্ৰৰূপে সমাপ্ত হৈছিল। আজিৰ ফাইনেলখন পৰিচালনা কৰে হীৰেন বৰ্মন, জয়ন্ত দত্ত, গোকুল দাস আৰু দুলু তালুকদাৰে।

ইপিনে, প্ৰতিযোগিতাৰ স'তে সংগতি ৰাখি নিতু শৰ্মাৰ সম্পাদনাত প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ 'পিলিয়াৰ' উন্মোচন কৰে প্ৰবীণ খেলুৱৈ তথা অৱসৰপ্ৰাপ্ত অধ্যাপক সোমনাথ ডেকাই। অনুষ্ঠানত অংশগ্ৰহণ কৰি টিহু ক্ৰীড়া সন্থাৰ সভাপতি তথা মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে খেলুৱৈসকলক উৎসাহিত কৰাৰ লগতে টিহুৰ ক্ৰীড়াৰ বিকাশৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হ'ব বুলি মন্তব্য কৰে। ফাইনেলৰ অন্তত টিহু ক্ৰীড়া সন্থাৰ কাৰ্যকৰী সভাপতি কৰুণা কলিতাই চেম্পিয়ন বাগ্‌সা আৰু আৰাহন থিয়েটাৰৰ প্ৰযোজক কৃষ্ণ ৰয়ে ৰাণাৰ্ছআপ গুৱাহাটী দলক বঁটা প্ৰদান কৰে।

## সমস্যাৰে জৰ্জৰিত ৱেষ্টইণ্ডিজৰ সন্মুখত আজি শক্তিশালী ইংলণ্ড



অনুশীলনৰ পৰত ম'ৰ্গান।

নিউজ ব্যুৰ'

**ডুবাই, ২২ অক্টোবৰ ঃ** দুবাৰৰ চেম্পিয়ন ৱেষ্টইণ্ডিজে টি-২০ বিশ্বকাপ আৰম্ভ হোৱাৰ পূৰ্বে কিছু সমস্যাত জৰ্জৰিত হৈ পৰিছে। তৎসত্ত্বেও দলটোৱে কাইলৈ ইংলণ্ডৰ বিপক্ষে বিশ্বকাপৰ অভিযান আৰম্ভ কৰিব। টি-২০ ক্ৰিকেটত সততে ভয়ংকৰ কেৰিবিয়ান দলটোত কে'বাজনো বিস্ফোৰক বেটাৰ আছে। অথচ প্ৰস্তুতি মেচ দুখনত অধিকাংশ বেটাৰৰ ফৰ্ম বেয়া হোৱা পৰিলক্ষিত হয়। বিশেষকৈ অভিজ্ঞ ক্ৰিছ গেইল, লেণ্ডল ছিমন্সৰ ফৰ্মে দলত চিন্তাত ৰাখিছে। সেইদৰে অভিজ্ঞ অলৰাউণ্ডাৰ আন্দ্ৰে ৰাছেল আঘাতৰ সমস্যাত ভুগি আছে। ইয়াৰ বিপৰীতে ইংলণ্ড দলটোৱে যথেষ্ট শক্তিশালী ৰূপত অৱতীৰ্ণ হ'ব। ইংলণ্ডৰ শেহতীয়া প্ৰদৰ্শনো যথেষ্ট উন্নত। অৱশ্যে অধিনায়ক এৱইন ম'ৰ্গানৰ ফৰ্মে দলক কিছু চিন্তাত ৰাখিছে। তথাপি মঈন আলী, জন বেয়াৰষ্ট', জ'ছ বাটলাৰ, ডাৱিজ মালান আৰু জেছন ৰয়েৰে সমৃদ্ধ দলৰ বেটিংক্ৰম যথেষ্ট শক্তিশালী। সেইদৰে দলটোত একাধিক অলৰাউণ্ডাৰে দলৰ ভাৰসাম্য অটুট ৰাখিছে। অৱশ্যে অলৰাউণ্ডাৰৰ দিশৰ পৰা কেৰিবিয়ান দলৰো ভাৰসাম্য অটুট আছে।

## ইতিহাস ৰচি টি-২০ বিশ্বকাপৰ 'ছুপাৰ ১২'ত স্কটলেণ্ড-নামিবিয়া




নিউজ ব্যুৰ'

**শ্বাৰজাহ, ২২ অক্টোবৰ ঃ** ইতিহাস সৃষ্টি কৰি টি-২০ বিশ্বকাপ ক্ৰিকেটৰ মূলপৰ্বত খেলাৰ সুযোগ লাভ কৰিলে নামিবিয়া আৰু স্কটলেণ্ডে। আজিৰ যোগ্যতা অৰ্জনকাৰী পৰ্বৰ এখন মৰণপন যুঁজত নামিবিয়াই আয়াৰলেণ্ডক আঠ উইকেটত পৰাজিত কৰে। আনহাতে, যোৱা নিশাৰ খেলত স্কটলেণ্ডে ওমানক আঠ উইকেটত পৰাজিত কৰে।

আজিৰ খেলখনো নামিবিয়া আৰু আয়াৰলেণ্ডৰ বাবে যোগ্যতা অৰ্জনকাৰী পৰ্বৰ ফাইনেলস্বৰূপ আছিল। বিজয়ী দলটোৱেই মূলপৰ্বৰ 'ছুপাৰ ১২'ত খেলাৰ সুযোগ পোৱাৰ কথা। প্ৰথমে বেটিং কৰি আয়াৰলেণ্ডে আঠ উইকেটৰ বিনিময়ত ১২৫ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত নামিবিয়াই নটা বল বাকী থকা অৱস্থাত দুটা উইকেটৰ বিনিময়ত জয়ৰ লক্ষ্যত উপনীত হয়। অধিনায়ক জেৰাৰ্ড ইৰাছমুজে ৫৩ ৰাণ কৰি অপৰাজিত হৈ ৰয়। শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰা ডেভিদ ৱেইজেই ১৪টা বলত ২৮ ৰাণ কৰি অপৰাজিত হৈ থাকে। তেওঁ আয়াৰলেণ্ডৰ দুটা উইকেটো দখল কৰিছিল। আয়াৰলেণ্ডৰ হৈ সৰ্বাধিক ৩৮ ৰাণ কৰে পল ষ্টাৰ্লিঙে। নামিবিয়াৰ হৈ সৰ্বাধিক তিনিটা উইকেট পায় য়ান ফ্ৰাইলিংকে।

ইপিনে, যোৱা নিশাৰ খেলখনত প্ৰথমে বেটিং কৰি ওমানে ১২২ ৰাণত ইনিংছ সামৰে। দলৰ হৈ আকিব ইলিয়াছে ৩৭ আৰু জিছান মাকছুদে ৩৪ ৰাণ কৰে। ইয়াৰ প্ৰত্যুত্তৰত স্কটলেণ্ডে দুই উইকেটৰ বিনিময়ত ১৬.৫ অভাৰতে জয়ৰ লক্ষ্যত উপনীত হয়। দলৰ হৈ কাইল কোৱেৰ্টজাৰে ৪১ আৰু ৰিচি বেৰিংটনে অপৰাজিতভাৱে ৩১ ৰাণৰ অৱদান যোগায়।

## কাইলৈ 'হাই ভল্টেজ' মেচ পাক-ভাৰতৰ

### অতীতৰ পৰাজয়ৰ পৰিসংখ্যাত চিন্তিত নহয় পাকিস্তানৰ অধিনায়ক

নিউজ ব্যুৰ'

**ডুবাই, ২২ অক্টোবৰ ঃ** ভাৰত-পাকিস্তান মানেই 'হাই ভল্টেজ' মেচ। দীৰ্ঘদিনৰ পাছত পুনৰ ক্ৰিকেট যুদ্ধত সমুখ সমৰত অৱতীৰ্ণ হ'বলৈ সাজু হৈছে দুই চিৰন্তন প্ৰতিদ্বন্দ্বী দল। দেওবাৰে অনুষ্ঠিত হ'বলগীয়া এই খেলখনেই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। দেওবাৰে অনুষ্ঠিত হ'ব ভাৰত আৰু পাকিস্তানৰ মাজৰ টি-২০ বিশ্বকাপৰ গ্ৰুপ মেচ। ভাৰতৰ বিপক্ষে বিশ্বকাপৰ পৰিসংখ্যা আশাপ্ৰদ নহ'লেও দেওবাৰে বিৰাট কোহলিৰ দলক পৰাজিত কৰাৰ হুংকাৰ দিলে পাকিস্তানৰ অধিনায়ক বাবৰ আজমে।

উল্লেখ্য যে বিশ্বকাপৰ কোনো মঞ্চতে এই পৰ্যন্ত পাকিস্তানে ভাৰতক পৰাজিত কৰিব পৰা নাই। টি-২০ বিশ্বকাপত এই পৰ্যন্ত দল দুটাই পাঁচবাৰ মুখামুখি হৈছে যদিও এবাৰো জয়ী হ'ব পৰা নাই পাকিস্তান। অৱশ্যে অতীতৰ পৰিসংখ্যাক লৈ চিন্তিত হোৱাৰ বিপৰীতে পাক অধিনায়কজনে মন্তব্য কৰিছে যে এইবাৰ তেওঁলোকৰ ভাৰতৰ বিপক্ষে জয়ী হোৱাৰ সুযোগ আছে। সাংবাদিকৰ আগত বাবৰে কয়, 'ডাঙৰ প্ৰতিযোগিতাত সবাতোকৈ বেছি জৰুৰী হৈছে আত্মবিশ্বাস। দল হিচাপে আমি যথেষ্ট আত্মবিশ্বাসী হৈ আছো। অতীতত কি হৈছিল তাক লৈ ভাবি থাকিবলৈ আমি ৰাজি নহয়। দেওবাৰে ভাল ক্ৰিকেট খেলিবলৈ আমি সাজু।' অৱশ্যে ভাৰতৰ বিপক্ষে খেলাত অতিৰিক্ত চাপ থাকে বুলিও পাক অধিনায়কজনে স্বীকাৰ কৰে। তেওঁ কয়, 'ভাৰত-পাকিস্তান মেচ মানেই অতিৰিক্ত উত্তেজনা। ক্ৰিকেটাৰ আৰু দলৰ ওপৰত অতিৰিক্ত চাপ আছে। আমি ক্ৰিকেটত গুৰুত্ব দিব বিচাৰো। এতিয়া কেৱল ক্ৰিকেটক লৈয়ে চিন্তা-চৰ্চা কৰিব খোজো। দেওবাৰে ভাল ক্ৰিকেট খেলিব বিচাৰো।' বাবৰে লগতে কয় যে বিগত তিনি-চাৰি বছৰ ধৰি সংযুক্ত আৰব আমিৰশ্বাহিত ধাৰাবাহিকভাৱে খেলি থকাৰ বাবে তেওঁৰ দলে এইবাৰ অতিৰিক্ত সুবিধা লাভ কৰিব। কিয়নো ইয়াৰ পৰিস্থিতিৰ স'তে পাকিস্তান দল ভালদৰে অৱগত।






অনুশীলনৰ মাজতে আলোচনাত ব্যস্ত বিৰাট কোহলি, ৰোহিত শৰ্মা, এম এছ ধোনি আৰু ৰবি শাস্ত্ৰী।

## টি-২০ বিশ্বকাপত ৰাণৰ অভিলেখৰ সুযোগ কোহলিৰ

নিউজ ব্যুৰ'

**ডুবাই, ২২ অক্টোবৰ ঃ** প্ৰথমবাৰৰ বাবে কোনো আইচিচি প্ৰতিযোগিতাৰ খিতাপ জয়ৰ লক্ষ্যৰে এইবাৰৰ টি-২০ বিশ্বকাপত অৱতীৰ্ণ হ'ব বিৰাট কোহলিয়ে। এই প্ৰতিযোগিতাৰ পাছতে তেওঁ টি-২০ দলৰ নেতৃত্ব ত্যাগ কৰিব।যাৰ বাবে কোহলিক কেন্দ্ৰ কৰি সমৰ্থকৰ আকৰ্ষণো বাঢ়িছে। ইয়াৰ মাজতে এই প্ৰতিযাগিতাত আন এক অভিলেখ গঢ়িব পাৰে ভাৰতীয় অধিনায়কজনে। টি-২০ বিশ্বকাপত সৰ্বাধিক ৰাণৰ গৰাকী হোৱাৰ সুযোগ লাভ কৰিছে কোহলিয়ে।

**তালিকাত আছে গেইল-ছকিব-ৰোহিত**

দেওবাৰৰ পৰা প্ৰতিযোগিতাত ভাৰতৰ অভিযান আৰম্ভ হ'ব। এই প্ৰতিযোগিতাত ২৩৯ ৰাণ সংগ্ৰহ কৰিলেই কোহলি পৰিণত হ'ব টি-২০ বিশ্বকাপত সৰ্বাধিক ৰাণ সংগ্ৰহকাৰী বেটাৰত। এই ক্ষেত্ৰত তেওঁ অতিক্ৰম কৰিব শ্ৰীলংকাৰ প্ৰাক্তন অধিনায়ক মাহেলা জয়ৱৰ্ধনেক। অৱশ্যে কোহলিৰ পূৰ্বে এই অভিলেখ ভংগ কৰাৰ সুযোগ পাব ক্ৰিছ গেইলে। ৱেষ্টইণ্ডিজৰ তাৰকাজনক ইয়াৰ বাবে ৯৬ ৰাণৰ প্ৰয়োজন। টি-২০ বিশ্বকাপত জয়ৱৰ্ধনেই ৩১খন মেচত ১০১৬ ৰাণ সংগ্ৰহ কৰিছে। দ্বিতীয় স্থানত থকা গেইলৰ সংগ্ৰহ ২৮খন মেত ৯২০ ৰাণ। ইয়াৰ পাছতে তালিকাত আছে ইতিমধ্যে অৱসৰ লোৱা শ্ৰীলংকাৰ তিলকৰত্নে দিলছান (৮৯৭) আৰু দক্ষিণ আফ্ৰিকাৰ এ বি ডে ভিলিয়াৰ্ছ (৭১৭)। কোহলিয়ে এই পৰ্যন্ত টি-২০ বিশ্বকাপত ১৬খন মেচ খেলি ৭৭৭ ৰাণ সংগ্ৰহ কৰিছে। বাংলাদেশৰ ছকিব অল হাঠান আৰু ভাৰতৰ ৰোহিত শৰ্মাও এই দৌৰত আছে। ছকিবে ২৮খন মেচত ৬৭৫ আৰু ৰোহিতে সমসংখ্যক মেচত ৬৭৩ ৰাণ সংগ্ৰহ কৰিছে।

## ৩১ অক্টোবৰৰ পৰা শ্ৰমিকপ্ৰাণ মহেন্দ্ৰ নাথ শৰ্মা ফুটবল

অগ্ৰদূত বাৰ্তা

**মৰাণ, ২২ অক্টোবৰ ঃ** অসম চাহ মজদুৰ সংঘ আৰু ভাৰতীয় চাহ সন্থাৰ মৰাণ শাখাৰ যৌথ উদ্যোগত ৩৩ সংখ্যক শ্ৰমিকপ্ৰাণ মহেন্দ্ৰ নাথ শৰ্মা সোঁৱৰণী আন্তঃবাগিচা ফুটবল প্ৰতিযোগিতা অহা ৩১ অক্টোবৰৰ পৰা আৰম্ভ হ'ব। চেপন চাহ বাগিচাৰ খেলপথাৰত উদ্বোধনী মেচত থাওৱা চাহ বাগিচাই তিলৈজান চাহ বাগিচাৰ বিপক্ষে খেলিব। মুঠ ২৬টা দলে অংশগ্ৰহণ কৰিবলগীয়া প্ৰতিযোগিতাৰ খেলসমূহ বিভিন্ন চাহ বাগিচাৰ খেলপথাৰত অনুষ্ঠিত হ'ব। খেল পৰিচালনাৰ বাবে ভাৰতীয় চাহ সন্থাৰ সভাপতি পল্লৱ বৰগোহাঁইক সভাপতি আৰু চাহ মজদুৰ সংঘৰ সম্পাদক লক্ষেশ্বৰ তাঁতীক সম্পাদকৰূপে লৈ এখন ৩১জনীয়া খেল পৰিচালনা সমিতি গঠন কৰা হৈছে। ফাইনেলখন খুমটাই চাহ বাগিচাৰ খেলপথাৰত অনুষ্ঠিত হ'ব।

## সৌম্যদীপক অপসাৰণ মণিকাৰ দললৈ প্ৰত্যাৱৰ্তন



নিউজ ব্যুৰ'


**নতুন দিল্লী, ২২ অক্টোবৰ ঃ** ভাৰতৰ টেবুল টেনিছ দলৰ প্ৰশিক্ষক পদৰ পৰা অপসাৰিত কৰা হ'ল সৌম্যদীপ ৰয়ক। ভাৰতীয় টেবুল টেনিছ সংস্থাই এই সিদ্ধান্ত গ্ৰহণ কৰিছে। তাৰকা খেলুৱৈ মণিকা বাট্ৰাৰ স'তে হোৱা বিবাদৰ ফলতে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। আনহাতে, মণিকাক ভাৰতীয় দললৈ প্ৰত্যাৱৰ্তন ঘটোৱা হৈছে। দলৰ নতুন প্ৰশিক্ষকৰূপে নিযুক্তি দিয়া হৈছে তপন চন্দ্ৰক। উল্লেখ্য যে টকিঅ' অলিম্পিকত মণিকাই প্ৰশিক্ষক সৌম্যদীপৰ প্ৰশিক্ষণ গ্ৰহণ নকৰাকৈ অংশগ্ৰহণ কৰিছিল। যাৰ বাবে অলিম্পিকৰ পাছতে মণিকালৈ কাৰণ দৰ্শোৱা জাননী প্ৰেৰণ কৰাৰ লগতে তেওঁক দলৰ পৰাও বাদ দিয়া হয়। পৰৱৰ্তী সময়ত মণিকাই অভিযোগ কৰে যে সৌম্যদীপে নিজৰ একাডেমীৰ এগৰাকী খেলুৱৈক সুযোগ দিয়াৰ স্বাৰ্থত যোগ্যতা অৰ্জনকাৰী মেচত পৰাজিত হ'বলৈ মণিকাক পৰামৰ্শ দিছিল। মণিকাই সেই পৰামৰ্শ নমনাৰ পাছতে দুয়োৰে পাছত মনোমালিন্যৰ সৃষ্টি হয়। সেই অভিযোগৰ তদন্ত চলি থকাৰ মাজতে ভাৰতীয় টেবুল টেনিছ সংস্থাৰ এই সিদ্ধান্তই বিশেষ তাৎপৰ্য বহন কৰিছে।

## চৰাইখোলা কোৱাৰ্টাৰত

অগ্ৰদূত বাৰ্তা

**বহলপুৰ, ২২ অক্টোবৰ ঃ** বহলপুৰ ৰঙামাটি হাইস্কুল খেলপথাৰত চলি থকা মেহেৰ জামাল-ইজৰাইল হক সোঁৱৰণী ফুটবলৰ কোৱাৰ্টাৰ ফাইনেলত উপনীত হৈছে চৰাইখোলা জ্যোতি ক্লাব। আজিৰ খেলত চৰাইখোলাই নায়েকগাঁৱৰ বাউখুংগ্ৰী ক্লাবক ৪-০ গ'লত বিধ্বস্ত কৰে। কাইলৈ ৰঙামাটি আঞ্চলিক আমছুৱে ৰঙামাটি আজাদ ক্লাবৰ বিপক্ষে খেলিব।

## ডেনমাৰ্ক বেডমিণ্টনৰ কোৱাৰ্টাৰ ফাইনেলত সমীৰ



নিউজ ব্যুৰ'

**ক'পেনহেগেন, ২২ অক্টোবৰ ঃ** পি ভি সিন্ধুৰ পাছত ডেনমাৰ্ক অপেন ছুপাৰ ১০০০ বেডমিণ্টনৰ ফাইনেলত উপনীত হৈছে ভাৰতৰ সমীৰ বাৰ্মা। যোৱা নিশা সমীৰে পুৰুষৰ ছিংগল্‌ছত বিশ্বৰ তিনি নম্বৰ ৰেংকিঙৰ খেলুৱৈ ডেনমাৰ্কৰে এণ্ডাৰ্ছ এণ্টনছেনক ২১-১৪, ২১-১৮ পইণ্টত পৰাজিত কৰি বৃহৎ অঘটন ঘটায়। অৱশ্যে ভাৰতৰ আন এজন খেলুৱৈ লক্ষ্য সেনে প্ৰতিযোগিতাৰ পৰা বিদায় লয়।

### কামিনীকান্ত ফুটবল

## ঢোলকুছি ফাইনেলত

অগ্ৰদূত বাৰ্তা

**কমলপুৰ, ২২ অক্টোবৰ ঃ** ঢোলকুছি সত্যকাম সংঘই কমলপুৰ জনপ্ৰিয় ক্লাবৰ উদ্যোগত চলি থকা ২৪সংখ্যক কামিনীকান্ত মালী সোঁৱৰণী চলন্ত ট্ৰফী তথা প্ৰাইজমানি ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰিছে। কমলপুৰ মিনি ষ্টেডিয়ামত আজি প্ৰতিযোগিতাৰ ছেমিফাইনেলত ঢোলকুছিয়ে যোৱাবাৰৰ চেম্পিয়ন জাপিয়া ভাই ভাই আঞ্চলিক ক্ৰীড়া সন্থাক ৫-১ গ'লৰ ব্যৱধানত পৰাজিত কৰে। আজিৰ খেলখন উদ্বোধন কৰে সমাজসেৱী ৰাহুল আমিনে। দ্বিতীয়খন ছেমিফাইনেলত কলাইগাঁৱৰ ৰূপালীম জনকল্যাণ আঞ্চলিক সংঘই পুঠিমাৰী অসমী ফুটবল ক্লাবৰ বিপক্ষে খেলিব।




মস্কোত ক্ৰেমলিন কাপ টেনিছৰ এটি মুহূৰ্তত মাৰিয়া ছাক্কাৰি।

## আইপিএলৰ দল ক্ৰয় কৰিব ৰণবীৰ-দীপিকাই



নিউজ ব্যুৰ'

**নতুন দিল্লী, ২২ অক্টোবৰ ঃ** শ্বাহৰুখ খান, জুহি চাওলা, শিল্পা ছেট্টী আৰু প্ৰীতি জিণ্টাৰ পাছত আৰু দুগৰাকী বলিউদৰ তাৰকা আইপিএলৰ স'তে জড়িত হোৱাৰ বাবে সাজু হৈছে। তেওঁলোক হৈছে বলিউদৰ তাৰকা দম্পতী ৰণবীৰ সিং আৰু দীপিকা পাডুক'ন। পৰৱৰ্তী আইপিএলত দুটা নতুন দলৰ সংযোজন ঘটিব। অৰ্থাৎ ১০টা দলে আইপিএলত খেলিব। ইয়াৰ বাবে বিচিচিআয়ে প্ৰাথমিক প্ৰস্তুতি আৰম্ভ কৰিছে। শীঘ্ৰেই ইচ্ছুক ফ্ৰেঞ্চাইজিৰ নিবিদা গ্ৰহণ কৰিব। ইয়াতেই উচ্চাৰিত হৈছে ৰণবীৰ-দীপিকাৰ নাম। দুয়ো হেনো এই ক্ষেত্ৰত যথেষ্ট আগ্ৰহী।

